# নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত

সম্পাদনা ঃ ড° মনালিছা বৰা



# নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত

সম্পাদনা

**ড° মনালিছা বৰা**

প্ৰকাশক

**প্ৰকাশন সমিতি**

**শুঃ বুঃ মাঃ সঃ মহাবিদ্যালয়**

শুৱালকুছি, কামৰূপ (অসম)

*A Compilation of Book Reviews done by a few students of SBMS College, Edited by Dr. Monalisa Borah & published by Dr. Dipesh Ch. Bhagabati, Principal, SBMS College, Sualkuchi, Kamrup, Assam.*

---

**নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত**

**প্ৰকাশন সমিতি**

সভাপতি ঃ ড° দীপেশ চন্দ্ৰ ভাগৱতী
সম্পাদক ঃ ড° মনালিছা বৰা
সদস্য ঃ শ্ৰীযুত ডিম্বেশ্বৰ শইকীয়া
শ্ৰীযুতা মামণি দেৱী
ড° নন্দিনী কাকতি

ISBN : 978-93-85230-18-9

পৰিৱেশক ঃ এন এল পাব্লিকেশ্বন্‌ছ
পাণবজাৰ, গুৱাহাটী - ১

বেটুপাতৰ মূল ভাস্কৰ্য ঃ শিৱপ্ৰসাদ মাৰাৰ
কম্পিউটাৰ সজ্জা ঃ কুশল দত্ত
সামগ্ৰিক পৰিকল্পনা ঃ ডিম্বেশ্বৰ শইকীয়া

মূল্য ঃ ১৫০.০০ টকা

মুদ্ৰণ ঃ প্ৰিন্টৱৰ্থ, কামাখ্যাগেট, গুৱাহাটী - ৯

# বাটচ'ৰাতে

ইচ্ছাশক্তিৰ বলত প্ৰতিকূলতাৰ বিপৰীতে প্ৰত্যাহ্বানৰ স্থিতিৰে জীৱন জয় কৰাৰ উদাহৰণৰ লেখ-জোখ নাই। তাৰেই বলত বিশ্বৰ ভিন্ন প্ৰান্তৰ ভিন্ন ক্ষেত্ৰত ভিন্নজনে মচ নোখোৱাকৈ সভ্যতাৰ পাতত নিজৰ নাম খোদিত কৰি থৈছে। প্ৰত্যাহ্বানক পৰাভূত কৰাটোৱেই জীৱনৰ এক পৰম সাৰ্থকতা বুলি মনীষীসকলে কৈ গৈছে। পাতনিতে এই কথা অৱতাৰণাৰ কাৰণটো হ'ল, - আমাৰ দৰে গাঁৱলীয়া পৰিৱেশৰ শিক্ষানুষ্ঠানত সুবিধাৰ সীমাবদ্ধতাৰ কথা স্বাভাৱিকতে ছাত্ৰ-শিক্ষক আদিৰ মুখে মুখে শুনা যায়। কিন্তু কৰ্মস্পৃহা আৰু ইচ্ছা শক্তিৰ সমন্বয়ত সীমাবদ্ধতাক অতিক্ৰমি আন দহজন ব্যক্তি বা দহখন শিক্ষানুষ্ঠানে নকৰা, এটা ব্যতিক্ৰমী প্ৰয়াসৰ ফচল 'নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত'। ইয়াক আপোনাসবলৈ নিবেদন কৰিব ওলোৱাত ইয়াৰ লগত জড়িত উৎসাহৰ আধাৰ আমাৰ কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী আৰু এবুকু সাহসেৰে আগুৱাই অহা ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক ওলগ জনালোঁ। প্ৰথম প্ৰয়াসতে পূৰ্ণতাৰ দাবী আমি নকৰিও এই সকল ছাত্ৰ-ছাত্ৰীয়ে এই সাধনাক অব্যাহত ৰাখিলে আত্ম পৰিচয়ৰে নিশ্চয় দহৰ ওচৰত উজ্বলি উঠিব। এনে ন ন চিন্তা আৰু ন ন কৰ্মৰ চানোকিৰে এই জ্ঞান মন্দিৰ উজ্বলি উঠক।

গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগে আমাৰ চৌপাশ উজ্বলাই তোলক, তাৰেই কামনাৰে - এই আগলতি পাত আগবঢ়ালোঁ।

শুৱালকুছি
২৩-০২-২০১৫

দীপেশ চন্দ্ৰ ভাগৱতী

# সম্পাদকৰ কাপৰ পৰা

গ্ৰন্থ বা কিতাপ হৈছে এনে এক আপুৰুগীয়া সম্পদ য'ত মানুহৰ জ্ঞান-প্ৰজ্ঞা, বুদ্ধি-অভিজ্ঞতা, জীৱন-চৰ্যা, শিল্প-কলা, সমাজ-সংস্কৃতি, বিজ্ঞান-প্ৰযুক্তি ইত্যাদি বিভিন্ন কথা ভৱিষ্যত প্ৰজন্মৰ বাবে স্থায়ী হৈ ৰৈ যায়। গ্ৰন্থ অধ্যয়নে আমাক বহুতো নজনা কথাৰ সন্ভেদ দিয়ে, কোনো বিষয় আমাৰ সন্মুখত মুকলি কৰি দি আমাক চিন্তা কৰিবলৈ বা ভাবিবলৈ অনুপ্ৰেৰণা যোগায় আৰু আমাৰ অনুসন্ধিৎসু মনৰ কৌতূহল নিবৃত কৰি জ্ঞানৰ আলোকেৰে আলোকিত কৰে। আমি বিভিন্ন কাৰণত বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰোঁ। আমাৰ শৰীৰটো ভালদৰে কাৰ্যক্ষম কৰি ৰাখিবলৈ হ'লে যেনেদৰে ভাল খাদ্য আৰু ব্যায়ামৰ প্ৰয়োজন তেনেদৰে আমাৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে গ্ৰন্থ অধ্যয়নৰো অতীৱ প্ৰয়োজন। ভাল তথা মহৎ গ্ৰন্থই আমাক সদায় জ্ঞান আৰু অনুপ্ৰেৰণা যোগাই সঠিক পথত অগ্ৰসৰ হোৱাত সহায় কৰে।

গ্ৰন্থ বা পুথি অধ্যয়ন বিষয়টো ছাত্ৰ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। গ্ৰন্থ অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে, গভীৰ কৰে। পাঠ্যক্ৰমৰ অন্তৰ্গত কোনো বিষয় অধ্যয়ন কৰোঁতে তাৰ লগত সঙ্গতি থকা আন বিষয়বোৰো প্ৰাসঙ্গিকভাৱে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিবলগীয়া হয়। তদুপৰি তেওঁলোকে আজৰি সময়ত আনন্দ বিনোদনৰ বাবেও বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰে। এইবোৰে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ বঢ়াই তোলে আৰু এজন সুনাগৰিক হিচাপে গঢ়ি তোলে। সাম্প্ৰতিক যুগটো হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ, প্ৰতিযোগিতাৰ যুগ। বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিয়ে আমাক বিভিন্ন বস্তু উপঁহাৰ দিছে। কম্পিউটাৰ, মোবাইল, ইন্টাৰনেটৰ আবিষ্কাৰৰ লগে লগে ছাত্ৰ ছাত্ৰীসকল যেন এই নিত্য নতুন আবিষ্কৃত বস্তুবিলাকৰ প্ৰতি বেছি আগ্ৰহী হৈ উঠিছে আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰতি যেন তেওঁলোকৰ আগ্ৰহ কমি আহিছে। তদুপৰি ইন্টাৰনেটৰ যোগেদি পঢ়িবলৈ পোৱা ই-বুক বা ই-জাৰ্নেলো যেন ছপা কিতাপৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিৰ যিমানেই উন্নতি নহওক, যিমানেই নতুন নতুন বস্তুৰ উদ্ভাৱন নহওক কিয় আমাৰ মাজৰ পৰা ছপা কিতাপৰ আদৰ কেতিয়াও কমি নাযায়। ছপা কিতাপ এখন হাতত লৈ লিৰিকি-বিদাৰি চাই পঢ়াৰ যিটো আনন্দ, সেই আনন্দ ই-বুক বা ই-জাৰ্নেলে কেতিয়াও দিব নোৱাৰে। আজিৰ প্ৰতিযোগিতাৰ যুগত সাহসেৰে মোকাবিলা কৰিবলৈ হ'লে নিত্য নতুন সামগ্ৰীসমূহৰ যিদৰে প্ৰয়োজন আছে, সিমানেই প্ৰয়োজন আছে ছপা গ্ৰন্থ অধ্যয়নৰো। এই প্ৰতিযোগিতাৰ

যুগত ছাত্ৰ-ছাত্ৰীসকলে নিজকে উপযুক্ত কৰি গঢ়ি তুলিবলৈ বিভিন্ন বিষয়ৰ গ্ৰন্থ অধ্যয়ন কৰিবলগীয়া হয়।

গ্ৰন্থ অধ্যয়ন এক প্ৰকাৰৰ নিচা। এই ক্ষেত্ৰত সৰ্বপল্লী ৰাধাকৃষ্ণণ, বাণীকান্ত কাকতি বা হোমেন বৰগোহাঞিৰ গ্ৰন্থ অধ্যয়নৰ কথা উল্লেখ কৰিব পাৰি। ৰাধাকৃষ্ণণ আৰু বাণীকান্ত কাকতি গ্ৰন্থ অধ্যয়নৰ নিচাত এনেদৰে ডুব গৈ আছিল যে বাহিৰৰ কোনো কথা তেওঁলোকৰ কৰ্ণপাত হোৱা নাছিল। সৰু বা ছাত্ৰ অৱস্থাতেই গ্ৰন্থ অধ্যয়নৰ নিচা গাত লাগিলে অলাগতিয়াল কোনো কথা, কাম বা চিন্তাই ছাত্ৰৰ মনত ঠাই পাব নোৱাৰে। ছাত্ৰ ছাত্ৰীসকলে ভৱিষ্যত জীৱনত সঠিক পথত চলাৰ ক্ষেত্ৰত ভাল গ্ৰন্থৰ অধ্যয়নে পথ-প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰে।

গ্ৰন্থ অধ্যয়নে সমগ্ৰ মানৱ জীৱনত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে তাক হোমেন বৰগোহাঞিৰ এই বক্তব্যখিনিয়ে সুন্দৰকৈ দাঙি ধৰিছে — "যি মানুহে গোটেই জীৱন ধৰি কিতাপ পঢ়াৰ অভ্যাস কৰিছে আৰু কিতাপৰ মাজত জীয়াই থকাৰ আনন্দ বিচাৰি পাইছে, তেওঁ বুঢ়া বয়সত উপনীত হৈ আৱিষ্কাৰ কৰে যে কিতাপ হ'ল জীৱনৰ সঞ্জীৱনী সুধা। যেতিয়া সকলোৱেই মানুহক লগ এৰা দিয়ে তেতিয়াও তেওঁৰ কাৰণে অপেক্ষা কৰি থাকে কিতাপ — তেওঁৰ নিঃসঙ্গ মুহূৰ্ত্তবোৰত তেওঁক সঙ্গ দিবলৈ; তেওঁৰ নিৰানন্দ মুহুৰ্ত্তবোৰত তেওঁক আনন্দ দিবলৈ; তেওঁৰ হতাশা আৰু বিষাদৰ মুহুৰ্ত্তবোৰত তেওঁক সান্ত্বনা দিবলৈ"।

ছাত্ৰ-ছাত্ৰীসকলৰ পুথি অধ্যয়নৰ এক অন্যতম কেন্দ্ৰস্থল হ'ল বিদ্যালয়, মহাবিদ্যালয়ৰ পুথিভঁৰালসমূহ। পুথিভঁৰালৰ অধ্যয়ন কক্ষতেই তেওঁলোকে জ্ঞান অৰ্জনৰ এক পৰিৱেশ পায়। আমাৰ মহাবিদ্যালয়তো পঢ়াৰ এক সুন্দৰ পৰিৱেশ আছে। অৰ্থাৎ মহাবিদ্যালয়ৰ পুথিভঁৰালত এক নিৰিবিলি অধ্যয়ন কক্ষ আছে আৰু ছাত্ৰ-ছাত্ৰীসকলে আজৰি সময়ত পুথিভঁৰালৰ পৰা কিতাপ লৈ অধ্যয়ন কক্ষত বহি অধ্যয়নত ব্ৰতী হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক কিতাপ পঢ়াত উদগনি দিবলৈ আৰু পুথিভঁৰালৰ সদ্ ব্যৱহাৰৰ অভ্যাস গঢ়ি তুলিবলৈ মহাবিদ্যালয়ৰ ফালৰ পৰা মাজে মাজে 'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু ভাল ফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়।

'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতাৰ বিষয়টো প্ৰথমে উত্থাপন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত ডিম্বেশ্বৰ শইকীয়া চাৰে। তেখেতে অধ্যক্ষ মহোদয়ক বিষয়টো সম্পৰ্কে অৱগত কৰে। ২০১২-১৩ বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ তত্বাৱধায়কৰ দায়িত্বত থকাৰ বাবে আমাক মাতি নি তেখেতে সকলে সেই বছৰৰ নৱাগত (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু স্নাতক প্ৰথম ষান্মাসিক) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিষয়টো সদৰি কৰি এখন জাননী দিবৰ বাবে আহ্বান জনায়। আমিও কিছুমান নিৰ্দিষ্ট নীতি নিয়ম

ধৰি দি ছাত্ৰ ছাত্ৰীসকলৰ পৰা লিখনি সংগ্ৰহ কৰোঁ। তাৰ পিছৰ বছৰো অৰ্থাৎ ২০১৩-১৪ বৰ্ষৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত একে ধৰণৰ জাননী দি এই 'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতাখন পতা হয়। উল্লেখযোগ্য যে গ্ৰন্থ সমালোচনাৰ বাবে আমি সকলো ধৰণৰ কিতাপেই নিৰ্বাচন কৰিছিলোঁ। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ২০০০ বা তাৰ পিছত প্ৰকাশ পোৱা গল্প, প্ৰৱন্ধ, কবিতা, উপন্যাস, প্ৰবন্ধপুথি, সম্পাদিত গ্ৰন্থ, অভিধান, ব্যাকৰণ, বিজ্ঞান বিষয়ক পুথি, খেল বিষয়ক পুথি আদি বিভিন্ন গ্ৰন্থ নিৰ্বাচন কৰি এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰা হৈছিল।

'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতাৰ আঁৰত আন এক লক্ষ্যও নিহিত হৈ আছিল। সেইটো হ'ল মহাবিদ্যালয়ৰ ফালৰ পৰা পিছত এই লিখিনিসমূহ প্ৰকাশৰ ব্যৱস্থা কৰা, যিটো মহাবিদ্যালয়ৰ ফালৰ পৰা কৰা এক ব্যতিক্ৰমী প্ৰচেষ্টা বুলিয়েই ক'ব পাৰি। কাৰণ মহাবিদ্যালয়ৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীৰ লিখনিযুক্ত গ্ৰন্থ প্ৰকাশ কৰা দেখা নাযায়। যিহওক যথাসময়ত অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ে কিতাপখন প্ৰকাশৰ কথা উনুকিয়াই দি মহাবিদ্যালয়ৰ প্ৰকাশন সমিতি এখন গঠন কৰি দিয়ে। এই সমিতিখনে গোটেই বিষয়টোৰ লগত দুয়োবছৰে জড়িত থকা বাবে কিতাপখনৰ সম্পাদনাৰ দায়িত্ব আমাৰ হাতত অৰ্পন কৰে। আমি ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিসমূহ চালি-জাৰি চাই ভুলবিলাক আঁতৰাই প্ৰকাশৰ বাবে পাণ্ডুলিপি প্ৰস্তুত কৰোঁ।

গ্ৰন্থখনৰ নামকৰণ কৰা হয় 'নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত'। উঠি অহা নৱ প্ৰজন্মই আজিৰ গ্ৰন্থক কেনেদৰে চায় বা গ্ৰন্থৰ প্ৰতি তেওঁলোকৰ মনোভাৱ কেনেধৰণৰ সেই উদ্দেশ্যে গ্ৰন্থখনৰ এই নামটো ৰখা হৈছে। গ্ৰন্থখনত বিভিন্ন লিখকৰ মুঠ পঁচিশটা লিখনি সন্নিবিষ্ট হৈছে।

'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতাৰ লগত সঙ্গতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে সমৃদ্ধ গ্ৰন্থখন প্ৰকাশৰ প্ৰধান উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা চিনাক্ত কৰা আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰতি তেওঁলোকক আগ্ৰহী কৰি তোলা। প্ৰধানতঃ এই দুটা উদ্দেশ্যৰেই নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যোৱা ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষৰ আৰম্ভণিতে 'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাৰ বাবে কিছুমান নীতি-নিয়ম বান্ধি দিয়া হৈছিল। তাৰে এটা আছিল ২০০০ বা তাৰ পিছত প্ৰকাশ হোৱা গ্ৰন্থহে ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচন কৰি সমালোচনা কৰিব পাৰিব। কিন্তু দুই-এটা লিখনিত সেই নিয়ম উলঙ্ঘা কৰা দেখা গৈছে। তথাপিও তেওঁলোকৰ প্ৰথম পদক্ষেপ হিচাপে তেনে লিখনিও আমি প্ৰকাশৰ বাবে বাচনি কৰিছোঁ। গ্ৰন্থখনৰ সকলোবোৰ লিখনি সমানে উৎকৃষ্ট হোৱা নাই। অৱশ্যে লিখনিসমূহক অলপ হাত ফুৰাই প্ৰকাশৰ উপযোগী কৰিবলৈ চেষ্টা কৰা হৈছে। দুই এটা লিখনিৰ মানদণ্ড অনুন্নত হোৱাৰ বাবে প্ৰকাশৰ পৰা বাতিল কৰিবলগীয়া হোৱাত আমি দুঃখিত। কিন্তু এইখিনিতে উল্লেখযোগ্য যে কেইটামান

লিখনি বৰ সুন্দৰ হৈছে, যিকেইটা লিখনিত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ পৰিস্ফুৰণ ঘটিছে। ভৱিষ্যতে যদি এনে বিষয়ৰ ওপৰত কৰ্মশালা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক শিকাই-বুজাই 'গ্ৰন্থ সমালোচনা' বিষয়টিত আগবঢ়া হয় তেন্তে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা যথেষ্ট উন্নত লিখনি আশা কৰিব পৰা যাব।

আমাৰ মহাবিদ্যালয়ৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীৰ লিখনিসমূহ পুথি আকাৰে প্ৰকাশ কৰাটো বৰ প্ৰশংসনীয় কাম। কাৰণ কৰ্তৃপক্ষই গ্ৰহণ কৰা এনে ব্যতিক্ৰমী তথা অনন্য পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে লিখা-মেলা কৰিবলৈকো অনুপ্ৰেৰণা যোগাব। গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ আৰু প্ৰতিভা বিকাশৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ ফালৰ পৰা গ্ৰহণ কৰা এই ব্যতিক্ৰমী প্ৰয়াসৰ বাবে অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতী চাৰক আমাৰ আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জনাইছোঁ। 'নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত' এই নামটো দিছিল শ্ৰীযুত ডিম্বেশ্বৰ শইকীয়া চাৰে। গ্ৰন্থখনৰ নামকৰণৰ লগতে অন্যান্য দিশত বিভিন্ন দিহা পৰামৰ্শ দি আমাক কৃতাৰ্থ কৰা বাবে উপাধ্যক্ষ শ্ৰীযুত শইকীয়া চাৰকো কৃতজ্ঞতা যাচিছোঁ। মহাবিদ্যালয়ৰ প্ৰকাশন সমিতিৰ আন দুগৰাকী সদস্য শ্ৰীযুতা মামনি দেৱী আৰু ড° নন্দিনী কাকতি বাইদেৱে আগবঢ়োৱা বিভিন্ন দিহা-পৰামৰ্শৰ বাবে তেওঁলোককো আন্তৰিক ধন্যবাদ জনাইছোঁ। শুভাশীষ ও ধন্যবাদ জনাইছোঁ সেইসকল ছাত্ৰ-ছাত্ৰীক, যি সকল ছাত্ৰ-ছাত্ৰীয়ে 'গ্ৰন্থ সমালোচনা' প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ হাতত লিখনিসমূহ তুলি দি গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহণ কৰিলে। আকৌ আমাৰ পুথিভঁৰালত থকা কিতাপৰ তালিকা প্ৰস্তুত কৰাত পুথিভঁৰালৰ ৰাকেশ কলিতা, মৰমৰ ছাত্ৰ-ছাত্ৰী অসীমা বৰা, দ্বীপ ঠাকুৰীয়া, সত্য দাস, বিদ্যুৎ বৈশ্য আৰু কুশল বৰ্মনে আমাক কিতাপ নিৰ্বাচন কৰি দি সহায় কৰিছিল। তেওঁলোককো এই ছেগতে শুভাশীষ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

'নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত' - ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে সমৃদ্ধ 'গ্ৰন্থ সমালোচনা'ৰ ই প্ৰথম প্ৰয়াস। পৰৱৰ্তী সময়তো সুপৰিকল্পিত আৰু পদ্ধতিগতভাৱে এই দিশত গ্ৰন্থ প্ৰকাশৰ চিন্ত-চৰ্চা অব্যাহত থাকিব। আশাকৰো, ছাত্ৰ-ছাত্ৰীসকলে অধিক উন্নত লিখনিৰ যোগান ধৰি আৰু নিজৰ প্ৰতিভাৰ সুপৰিচয় দাঙি ধৰি ভৱিষ্যতে এনে গ্ৰন্থ প্ৰকাশত অধিক সক্ৰিয় অংশ গ্ৰহণ কৰিব। শেষত গ্ৰন্থখনিত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

**মনালিছা বৰা**

# বিষয় সূচী


- নিৰ্মল প্ৰভা বৰদলৈৰ 'জীৱন জীৱন বৰ অনুপম' / অসীমা বৰা ১
- ৰীতা চৌধুৰীৰ 'এই সময় সেই সময়' / দেৱশ্ৰী গোস্বামী ৭
- মামণি ৰয়ছম গোস্বামীৰ 'থেং ফাখ্ৰী তহছিলদাৰৰ তামৰ তৰোৱাল' / বৰষা কলিতা ১১
- দিপালী দাস মজুমদাৰৰ 'সুন্দৰৰ দিগন্ত বিচাৰি' / লিপিকা ভূঞা ১৬
- অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন' / পল্লৱী শৰণীয়া ২০
- ৰীতা চৌধুৰীৰ 'মাকাম' / জয়শ্ৰী দেৱী ২৬
- ৰংবং তেৰাঙৰ 'জাক হেৰোৱা পক্ষী' / ভায়োলিনা বৈশ্য ২৯
- সুৰেশ শৰ্মা অনূদিত 'অদম্য শক্তি' / পূৰবী ৰাজবংশী ৩৬
- লক্ষ্মীনন্দন বৰাৰ 'পাতাল ভৈৰৱী' / ভনিতা কলিতা ৪৩
- জগদীশ বৈশ্যৰ 'ওঁ নমো দামোদৰ গুৰু' / বৃকোদৰ দাস ৪৭
- সৰ্বেশ্বৰ বৰুৱাৰ 'অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ আলেখ্য' / প্ৰাঞ্জল কলিতা ৫১
- গকুল ভৰালীৰ 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সমাজ' / কমল ডেকা ৫৬
- সুৰেশ শৰ্মা অনূদিত 'তেজস্বী মন' / খনীন্দ্ৰ কলিতা ৫৯
- মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' / গীতুমণি বৈশ্য ৬৩
- ৰজনীকান্ত দাসৰ 'জিজ্ঞাসাৰ যাত্ৰা' / ধনজিত দাস ৬৭
- অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন' / বিভান কলিতা ৭৭
- হোমেন বৰগোহাঞিৰ 'কাম কৰাৰ আনন্দ' / মৰমী দাস ৮২
- দিনেশ চন্দ্ৰ মিশ্ৰৰ 'পৰীক্ষাত কৃতকাৰ্যতাৰ চাবি-কাঠি' / চিম্পল ঠাকুৰীয়া ৮৫
- অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেবপুৰাৰ বৰষুণ' / কমল কলিতা ৮৮
- ৰঞ্জু হাজৰিকাৰ 'অধম কীটৰ দংশন' / গীতুমণি কলিতা ৯২
- জগদীশ পাটগিৰীৰ 'নাট্যকলা দেশে দেশে' / ৰূপম দাস ৯৫
- হোমেন বৰগোহাঞিৰ 'অন্তহীন প্ৰেৰণা' / লিপিকা বৈশ্য ৯৮
- মহাকবি কালিদাসৰ 'কুমাৰ সম্ভৱ' / গুণজিত মহন্ত ১০৩
- অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেবপুৰাৰ বৰষুণ' / অঙ্গনা উজীৰ ১০৭
- এডমাণ্ড হিলাৰীৰ 'Journey into the Mountains' / বিবেকানন্দ নাথ ১১১

# নির্মল প্ৰভা বৰদলৈৰ 'জীৱন জীৱন বৰ অনুপম'

অসীমা বৰা

**প্ৰস্তাৱনা ঃ** যিদিনাৰ পৰা মানুহে কিতাপ লিখিবলৈ আৰু পঢ়িবলৈ ল'লে সেই দিনাৰ পৰাই মানুহ আচলতে সভ্য হ'ল। জ্ঞান অন্বেষণেহে মানুহক জন্তুৰ পৰা পৃথক কৰিছে আৰু জ্ঞান আহৰণৰ নিমিত্তে পুথি অধ্যয়নেই হৈছে প্ৰধান আৰু প্ৰশস্ত উপায়। এগৰাকী গ্ৰন্থ অনুৰাগী হিচাপে মোৰ প্ৰিয় কিতাপ বুলি ক'লেই মোৰ মনত দোলা দি যায় এগৰাকী মহীয়সী নাৰীৰ জীৱন-চয়নে, শোকক শক্তিলৈ ৰূপান্তৰ কৰাৰ অনুৰণন অসমৰ প্ৰথিতযশা সাহিত্যিক ড° নিৰ্মল প্ৰভা বৰদলৈৰ আত্মজীৱনী 'জীৱন জীৱন বৰ অনুপম' শীৰ্ষক গ্ৰন্থখনি। নীলা বাইদেউৰ জীৱন বীক্ষণ জীৱনৰ মাজতে মহাজীৱন বিচাৰি লোৱাৰ এক অনন্য পৰিক্ৰমা, সেই পৰিক্ৰমাৰ মাজত সদায়েই বিচাৰি পাওঁ অযুত প্ৰেৰণা।

**লেখিকাৰ চমু পৰিচয় ঃ** অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনত সোণালী আখৰেৰে লিখি থোৱা এটি নাম ড° নিৰ্মল প্ৰভা বৰদলৈ। নীলা বাইদেউৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২০ জুন তাৰিখে শিৱসাগৰৰ পুৰণা আমোলাপট্টিত। আজীৱন সাৰস্বত সাধনাৰে মহীয়সী বাইদেউ আছিল একেবাৰে কবি, গীতিকাৰ, শিশু সাহিত্যিক, উপন্যাসিক, নাট্যকাৰ আৰু প্ৰাচ্যতত্ত্ব গৱেষক। স্কুলীয়া শিক্ষা শিৱসাগৰত সমাপন কৰি তেওঁ সন্দিকৈ মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। 'কবিতাত প্ৰকৃতি' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ১৯৭২ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। সাহিত্য বিষয়ত ডক্টৰেট উপাধি লাভ কৰা তেওঁ প্ৰথম অসমীয়া মহিলা। শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা নিৰ্মল প্ৰভা বৰদলৈয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী তথা জৱাহৰলাল নেহৰু আসনৰ অধ্যাপিকাৰূপে অৱসৰ গ্ৰহণ কৰে। বিদ্যায়তনিক আৰু কৰ্মজীৱন প্ৰতিভা আৰু কৃতিত্বৰে চমকিত হ'লেও নিৰ্মল প্ৰভা বৰদলৈৰ ব্যক্তিগত জীৱন মসৃণ নাছিল, আছিল কণ্টকাকীৰ্ণ। নিৰলস প্ৰজ্ঞাৰ সাধনাৰে বৰদলৈয়ে কণ্টকময় জীৱন পথ অতিক্ৰম কৰি নিজ প্ৰতিভাৰ অমল প্ৰভাৰে ভাস্বৰ হৈ আছে।

এক নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ দুহিতা হোৱা বাবেই তদানীন্তন কূপমণ্ডুকতাৰে ভৰা সমাজ-ব্যৱস্থাৰ তেখেত বলি হ'ব লগা হয়। এঘাৰ বছৰ বয়সতেই পুষ্পিতা হোৱাৰ পূৰ্বেই তেওঁ কইনাৰ সাজ পিন্ধিলে, তেৰ বছৰ বয়সত এটি কন্যা সন্তানৰ মাতৃ হ'ল। অথচ অনুকম্পাৰহিত স্বামীৰ প্ৰতাৰণাৰ বলি হৈ তেওঁৰ বৈবাহিক জীৱনৰো সিমানতে যৱনিকা পৰে। সাহিত্যিক হিচাপে নিৰ্মল প্ৰভা বৰদলৈৰ কৃতিত্বৰ লেখ-জোখ ল'বলৈ গ'লে কৈ শেষ কৰিব নোৱাৰি। তেখেতৰ প্ৰকাশিত পুথিসমূহ হ'ল- 'বন ফৰিঙৰ ৰং', 'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰঙ্গ', 'সুদীৰ্ঘ দিন আৰু ঋতু', 'দেৱী', 'কবিতাৰ কথা', 'অসমৰ লোক-সংস্কৃতি', 'জলপদ্ম' (একমাত্ৰ উপন্যাস) 'চিল চিল চিলা' ইত্যাদি। 'সুদীৰ্ঘ দিন আৰু ঋতু' গ্ৰন্থৰ বাবে ১৯৮৩ চনত তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। ১৯৯১ চনত তেওঁ অসম সাহিত্য সভাৰ সভানেত্ৰীৰ আসন অলঙ্কৃত কৰে। ২০০৪ চনৰ ১ জুন তাৰিখে তেখেতে ইহলীলা সম্বৰণ কৰে।

**গ্ৰন্থখনি সম্পৰ্কে এটি অৱলোকন ঃ** অসমীয়া আত্মজীৱনীমূলক সাহিত্যৰ ক্ষেত্ৰত নীলা বাইদেউৰ গ্ৰন্থখনিৰ বিশিষ্টতা এয়ে যে এইখন এখন গতানুগতিক ৰীতিৰে লিখা আত্মজীৱনী নহয়। এইখন বিভিন্ন সময়ৰ চন-তাৰিখৰ পয়োভৰ ঘটাই একাদিক্ৰমে লেখা হোৱা নাই। চন-তাৰিখৰ প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰা হৈছে যদিও বাইদেউৰ জীৱন বৃত্তান্ত কোমল কাব্যিক বৰ্ণনাৰে উপন্যাসৰ আৰ্হিতহে লেখা হৈছে। ইয়ে আত্মজীৱনীখনক সুখপাঠ্য কৰি তুলিছে আৰু ইয়াক এক সুকীয়া সৌন্দৰ্য দান কৰিছে। বাইদেউৰ জীৱনটোৱেই এখন ৰহস্যঘন উপন্যাসৰ দৰে যাৰ প্ৰতিটো পৃষ্ঠাত আছে দুখৰ অতনু পৰশ, অনুভৱী মনৰ অনাদি যাত্ৰা আৰু এক অভিজ্ঞতাৰে পৰিশীলিত জীৱনবোধ।

গাঁৱলীয়া জীৱনৰ প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰপূৰ সোণালী শৈশৱৰ কথা সুঁৱৰি বাইদেৱে লিখিছে— "সৰু কালটোৱেই মোৰ জীৱনৰ আটাইতকৈ অনুপম প্ৰহৰ।" অৱশ্যে ল'ৰালি কালতেই তেওঁ লক্ষ্য কৰিছিল সেই সময়ৰ পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীৰ ওপৰত নিষ্ঠুৰ অত্যাচাৰ। বাল্য-বিবাহৰ সুবাদতেই তেওঁ নিজে নিৰপৰাধী হৈও মূৰ পাতি ল'ব লগা হোৱা অপৰিসীম যন্ত্ৰণাই তেওঁৰ ব্যক্তিত্ব গঢ়াত আৰু এগৰাকী লেখিকা হিচাপে তেওঁৰ লিখনীক সমাজৰ গোড়ামিৰ বিৰুদ্ধে সৱল ৰূপত প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। প্ৰকাৰান্তৰে তেওঁৰ লিখনীত নাৰীবাদী মনোভাব পৰিস্ফুট হৈছিল বুলি ক'ব পাৰি। বাল্য-বিবাহৰ বান্ধোনৰ পৰা মুক্ত হৈ জ্ঞানৰ অসীম সাগৰৰ পানী আঁজলি ভৰাই পান কৰাৰ সুযোগ মিলিলত বাইদেউৰ আনন্দৰ সীমা নাছিল। তেওঁ লিখিছে— "মোৰ

যেন মহাজীৱনৰ যাত্ৰা আৰম্ভ হ'ল। কি অপূৰ্ব এই মুক্ত আকাশ! অদৃষ্টৰ কোন গতিয়ে মোক সাঁজাত বন্দী কৰিছিলগৈ। মুক্তিৰ স্বাদ পাই মোৰ মন-প্ৰাণ আত্মাই যেন অমৃতৰ গান গাই উঠিল। কি আহিল, কেনি গ'ল, কিয় গ'ল এই কথাবোৰে মোৰ মনত একো প্ৰতিক্ৰিয়াই যেন সৃষ্টি নকৰিলে। পুনৰ পঢ়িবলৈ পোৱাৰ কাৰণে ঈশ্বৰক মই পৰি পৰি ধন্যবাদ জনালোঁ।" প্ৰচলিত সামাজিক ধ্যান-ধাৰণাৰ প্ৰতি বিতুষ্ট হৈয়ে বাইদেৱে জীৱনত 'কিবা এটা' কৰি দেখুৱাবলৈ সংকল্পবদ্ধ হৈছিল - "বহুত মানুহে ছোৱালীক 'আঁঠুৱা তলৰ মহ','যিমানেই লাও ডাঙৰ নহওঁক, তেওঁ পাতৰ তল' বুলি কৈছিল। এই উক্তিবোৰ শুনিলে খঙত সৰুৰে পৰাই মোৰ গা জ্বলি গৈছিল। কেনেকৈ ইয়াৰ উত্তৰ দিব লাগিছিল সৰুতে জনা নাছিলো। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে অনুভৱ হ'ল 'কিবা এটা কৰি দেখুৱাব লাগিব।'

অহমিকাবৰ্জিত কৰ্মৰ বাণী আৰু মানৱ প্ৰেমৰ শিক্ষাৰে উদ্বুদ্ধ হৈ বাইদেৱে জীৱনৰ অৰ্থ বিচাৰি পালে। ক্ষণস্থায়ী জীৱনক চিৰন্তন কীৰ্তিৰে সমুজ্জ্বল কৰি তুলিবলৈ তেওঁ প্ৰেৰণা লাভ কৰিলে। সৰুকালিতেই পঢ়া 'নাৰীৰত্ন', 'গান্ধীভাষ্য গীতা' আদি গ্ৰন্থসমূহে তেওঁৰ জীৱন আৰু চিন্তনত পেলোৱা প্ৰভাৱৰ কথাও বাইদেৱে বেকত কৰিছে - "সেই কিতাপৰ (নাৰীৰত্ন) প্ৰতিগৰাকী মহীয়সী নাৰীৰ চৰিত্ৰই সেই বয়সতে মোৰ মনত গভীৰ সাঁচ বহুৱাইছিল। দয়া, ক্ষমা, ত্যাগৰ আদৰ্শ কেনেকুৱা হ'ব পাৰে সেই কথা জানি মই আপ্লুত হৈছিলো। মই কিজানি তেনে নাৰী হ'বলৈ ভিতৰি ভিতৰি সংকল্প লৈছিলো।" বাইদেউৰ ব্যক্তিত্ব নিৰ্মাণৰ পৃষ্ঠভূমিও গ্ৰন্থখনিত সমান্তৰালভাৱে বৰ্ণিত, সেয়ে ই ব্যক্তিসত্বাৰ উৰ্দ্ধত অৱস্থান কৰিছে। বাইদেউৰ সৃষ্টিসমূহৰ নেপথ্যৰ কথাবোৰে পাঠকক আহ্লাদিত কৰি তোলে। মাটিৰ গোন্ধ আৰু ঐশ্বৰ্যৰে সম্পৃক্ত যুগজয়ী গীতসমূহ আৰু সুসংহত ভাষাৰে নিটোল কবিতাসমূহ যে কত নিৰৱধি সাধনাৰ ফচল, সেয়া সহৃদয় পাঠক মাত্ৰেই বুজিব পাৰিব।

বাইদেউৰ আত্মজীৱনীত বাইদেউৰ ব্যক্তিত্ব নিৰ্মাণৰ পৃষ্ঠভূমি হিচাপে যিখন সমাজৰ কথা কোৱা হৈছে সেই সমাজখনত নাৰীৰ অৱস্থানৰ নেতিবাচক বৰ্ণনা দাঙি ধৰিলেও বাইদেৱে সমান্তৰালভাৱে সামাজিক পৰম্পৰা, লোকাচাৰ আদিৰ সুন্দৰ বৰ্ণনাৰে সেই একেখন সমাজৰ বৰ্ণাঢ্য ঐতিহ্যও প্ৰকাশ কৰিছে।

বাইদেউৰ মনমুকুৰতো প্ৰেমে পোখা মেলিছিল, কিন্তু ব্যক্তিগত সুখ প্ৰৰোচনাক অতিক্ৰমী বাইদেৱে অপাৰ্থিৱ আনন্দৰ সন্ধানতহে জীৱন পাত কৰিব বিচাৰিলে। 'মাতৃ' অভিধাৰে মণ্ডিতা হৈ তেওঁ ব্যক্তি সত্বাৰ উৰ্দ্ধলৈ গৈ জাগতিক সুখ জলাঞ্জলি দিলে।

পৈণত বয়সত বাইদেৱে দেউতাকৰ অসুখৰ হেতু গোটেই পৰিয়ালটোৰ দায়িত্ব মূৰ পাতি ল'ব লগা হৈছিল। ভ্ৰাতৃসকলক আৰু কন্যাক গঢ়ি তুলিবলৈ কৃচ্ছ্ৰসাধনা কৰিছিল। সেয়েহে বাইদেৱে লিখিছে - "সকলো ধুমুহা অকলে বুকু পাতি ল'বলৈ, আত্মমৰ্যাদাৰে থিয় হ'বলৈ মই ক'ৰ পৰা শক্তি পাইছিলো কেৱল নেদেখাজনে জানে।" বাইদেউৰ অসহায় অৱস্থাৰ গইনা লৈ সুযোগ-সন্ধানীসকলে ভদ্ৰতাৰ মুখা সোলোকাই থৈ আত্মপ্ৰকাশ কৰিছিল। বাইদেউৰ ভাষাত— "মোৰ পৰ্বত-প্ৰমাণ দায়িত্বৰ বিষয়ে মই সদায় সজাগ আছিলো। মাইকী মানুহ বুলি বহুতে টুকুৰিয়াই চাবও খোজে, সুযোগ ল'বলৈও বিচাৰে।" অথচ কিমাশ্চৰ্যম! লালসাময় পৃথিৱীৰ ক্লেদাক্ত ৰূপে বাইদেউক জীৱনৰ সৌন্দৰ্য, মহাজীৱনৰ মহত্ত্ব সম্পৰ্কে নতুন উপলব্ধিহে প্ৰদান কৰিছে। সেয়েহে তেওঁ 'জীৱন বৰ অনুপম' বুলি কৈছে— "এইটোও সত্য যে পৃথিৱীত বহুত ভাল মানুহো আছে। পৰস্পৰৰ প্ৰতি থকা শুভ-ইচ্ছা, প্ৰীতি-স্নেহ, বন্ধুত্ব, বাৎসল্য এই সৰগীয় গুণবোৰো পৃথিৱীত এতিয়াও সুন্দৰ ৰূপত আছে।"

সততা আৰু আত্মবিশ্বাসকে বুকুত বান্ধি জীৱনৰ ঘাত-সংঘাতসমূহ নেওচি এগৰাকী সফল শিক্ষয়িত্ৰী হিচাপেও তেওঁ নিজকে প্ৰতিষ্ঠা কৰিছিল। বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰা কালছোৱাৰ স্মৃতি ৰোমন্থন কৰি বাইদেৱে লিখিছে— "মোৰ অন্য ক'ৰবাত চাকৰিলৈ যোৱাৰ কথা ওলালে ল'ৰাবোৰে সমস্বৰে কৈছিল- "আপুনি আমাক এৰি যাবলৈ হ'লে আমি আপোনাৰ যোৱাৰ বাটত বুকু দি পৰি দিম।" সেই ল'ৰাবোৰ গৈ এতিয়া কিমান ডাঙৰ মানুহ হ'ল, বিষয়া হ'ল, নাম থকা কলেজৰ প্ৰিন্সিপাল হ'ল। অথচ এতিয়াও গুৱাহাটীৰ ৰাজপথত মোক দেখিলে তেওঁলোকে ভৰি চুই প্ৰণাম কৰে। আনন্দ বিষাদৰ থৌকি-বাথৌত চকুলো বাগৰি যায়।" 'পৃথিৱীখনক সুন্দৰ কৰাৰ' শুভঙ্কৰ ভাৱনাই বাইদেউৰ শিক্ষক জীৱন সাৰ্থক কৰি তুলিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়কে কেন্দ্ৰবিন্দু হিচাপে লৈ ১৯৭৯ চনৰ শেষৰ ফালৰ পৰা আৰম্ভ হোৱা অসম আন্দোলনৰ প্ৰতি বাইদেৱে অকল নৈতিক সমৰ্থন দিয়াই নহয়, আন্দোলনটোৰ অংশীদাৰো হৈছিল। এনে প্ৰসংগসমূহে আত্মজীৱনীখনৰ গুৰুত্ব বৃদ্ধি কৰিছে আৰু বাইদেউৰ সামাজিক দায়বদ্ধতা আৰু দেশপ্ৰেমো প্ৰতিফলিত কৰিছে। তদনুৰূপে, ১৯৭৯ চনত আৰম্ভ হোৱা বিদেশ ভ্ৰমণৰ অভিজ্ঞতাসমূহৰ ৰসোত্তীৰ্ণ বৰ্ণনাসমূহৰ মাজতো ফুটি উঠিছে বাইদেউৰ অন্তহীন অনুসন্ধিৎসা আৰু সূক্ষ্ম অন্তৰ্দৃষ্টি। ১৯৫২ চনত লতাশিলৰ বিহু আৰম্ভণি, ১৯৫৮ চনত জাপৰিযোগত চিৰিয়াখানা স্থাপন,

১৯৬২ চনৰ চীনাযুদ্ধ আদি প্ৰসংগৰ অৱলোকনে বাইদেউৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক দৃষ্টিৰ আভাস দাঙি ধৰিছে।

বাইদেৱে চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোতেই কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। অমিতাভ শব্দৰে তেওঁ সাধাৰণ মানুহৰ সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি, প্ৰেম-বিৰহ, আনন্দ-বিষাদ, গ্ৰাম্য জীৱনৰ ৰূপ-ৰস-গন্ধ-স্পৰ্শ আদিৰ বাঙ্ময় প্ৰকাশ ঘটালে। শব্দৰ জগতত লৰৰি-ঢাপৰি ফুৰি তেওঁ নিজৰ সৃজনশীলতাৰ উচ্ছাসত কৈছিলঃ

'মই শব্দবোৰৰ মাজত
শব্দবোৰ মোৰ মাজত
শব্দবোৰৰ মাজত মই।'

সঁচা অৰ্থত বাইদেউ নিজেই এটা নিটোল কবিতা। তেওঁৰ মতে, "জীৱনতকৈ ডাঙৰ কবিতা আৰু একো নাই। জীৱন এক অনন্ত কবিতা বুজাৰ-নুবুজাৰ, জোনাকৰ, ধুমুহাৰ, নোপোৱাৰ-পোৱাৰ, পাই হেৰুওৱাৰ, কোমলতাৰ, স্বপ্নৰ, সৌন্দৰ্যৰ, পোহৰৰ, অন্ধকাৰৰ, যন্ত্ৰণাৰ, নিঃসঙ্গতাৰ, অসহায়তাৰ, কঠিনতাৰ, সত্য উচ্চাৰণৰ, শোষণৰ দগ্ধতাৰ, কাতৰতাৰ, আৰ্তনাদৰ, অশ্ৰুৰ, প্ৰতিজ্ঞাৰ...।"

বাইদেউৰ জীৱন প্ৰেৰণাৰ স্ৰোত। তেওঁৰ জন্মদিন ২০ জুন তাৰিখটো। সেয়েহে 'প্ৰেৰণা দিৱস' নামেৰে উদ্‌যাপন কৰা হয়। নলবাৰী অসম সংস্কৃত সমাজে বাইদেউক তেওঁৰ সৃষ্টিৰ স্বীকৃতি প্ৰদান কৰি 'সৰস্বতী' সন্মানেৰে বিভূষিতা কৰে। শিক্ষা, সাহিত্য, সংস্কৃতিৰ সংশ্ৰৱত বাইদেউৰ জীৱন আৰু তাৰেই আধাৰত বাইদেউৰ জীৱন কথা 'জীৱন জীৱন বৰ অনুপম।'

**সামৰণি ঃ** ২০০৪ চনত প্ৰকাশিত এই আত্মজীৱনীখন গ্ৰন্থ হৈ ওলোৱাৰ পূৰ্বে অসমৰ পষেকীয়া আলোচনী 'প্ৰান্তিক'ৰ পাতত ধাৰাবাহিকৰূপে প্ৰকাশ পাইছিল। শাৰীৰিক অসুস্থতাৰ হেতু তেনেই চমু পৰিসৰতেই বাইদেউৰ জীৱন-বৃত্তান্ত দাঙি ধৰা হ'ল যদিও ইয়ে আত্মজীৱনীখনৰ সাহিত্যিক সৌন্দৰ্য বিনষ্ট কৰা নাই। বাইদেউৰ সৌন্দৰ্যপ্ৰিয়, কল্পনা প্ৰৱণ, আলোকসন্ধানী ব্যক্তিত্বটো আত্মজীৱনীখনত যথাযথভাৱে প্ৰকাশিত হৈছে। আত্মজীৱনীৰ শেষ খণ্ডটো 'প্ৰান্তিক'ৰ বুকুত প্ৰকাশ পোৱাৰ ডেৰমাহ পিছতেই নীলা বাইদেউৰ জীৱন নাটৰো যৱনিকা পৰে। অসমীয়া নাৰীৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামশীল ইতিহাসৰ প্ৰতিভূ হিচাপেও আত্মজীৱনীখনিয়ে এক বিশেষ মৰ্যাদা লাভ কৰিছে।

আত্মজীৱনীখনৰ মোখনি মাৰিবলৈ গৈ বাইদেৱে কৈছে— "শান্ত সুৰৰ মাজতে, অৰণ্যৰ ছবিৰ মাজতে মোৰ এতিয়াৰ বানপ্ৰস্থ। এতিয়া বাস কৰোঁ মই অন্তৰৰ গুহাৰ ভিতৰত। মই আটাইকে লগ পাওঁ। কিন্তু নিজক লগ পাবলৈ মই চেষ্টাহে কৰি থাকোঁ। নাজানো এই প্ৰাপ্তি কেতিয়া!

গ্ৰন্থখনিৰ মাধ্যমত এগৰাকী নাৰীৰ অন্তঃকৰণেৰে জীৱনৰ অৰ্থ অনুধাৱন কৰিবলৈ গৈ পাঠকে বুজিব পাৰিব জীৱন তত্ত্ব সুখ আৰু দুখৰ অনুসৃতি। মৃত্যুৰ কষটি শিলত জীৱনক খোদিত কৰি থৈ যোৱা এইগৰাকী বৰেণ্য সাহিত্যিকলৈ মোৰ শতকোটি প্ৰণাম। ♦

# ৰীতা চৌধুৰীৰ 'এই সময় সেই সময়'

দেৱশ্ৰী গোস্বামী

**লেখিকাৰ পৰিচয় ঃ** ৰীতা চৌধুৰীয়ে সম্প্ৰতি অসমীয়া সাহিত্য জগতত এক সুকীয়া আসন দখল কৰিব পাৰিছে, নিজৰ অগতানুগিতক প্ৰকাশশৈলী, কাব্যগন্ধী গদ্যচয়ন আৰু বৈচিত্ৰ্যপূৰ্ণ আঙ্গিকৰ চমৎকাৰিত্বৰ গুণত। 'অবিৰত যাত্ৰা', 'নয়না তৰালী সুজাতা', 'ব্যৰ্থ মল্লাৰ', 'হৃদয় নিৰুপায়', 'পপীয়া তৰাৰ সাধু', 'মায়াবৃত্ত', 'মাকাম', 'দেও লাংখুই' আদি কেইখনমান অনবদ্য উপন্যাসৰ সৃষ্টি কৰি তেওঁ ইতিমধ্যে অসমীয়া পাঠকৰ মনত বলিষ্ঠ ছাপ বহুৱাব পাৰিছে। ৰীতা চৌধুৰীৰ এই সফলতাৰ সাঁচাৰকাঠি হ'ল— গভীৰ জীৱনবোধ, সমাজ সাহিত্য আৰু মানুহৰ প্ৰতি থকা দায়িত্ববোধ, চৰিত্ৰসমূহৰ প্ৰতি গভীৰ মমত্ব আৰু মানৱীয় অনুকম্পা, কাহিনী কোৱাৰ অসামান্য ষ্টাইল বা ভঙ্গী আৰু সৰ্বোপৰি প্ৰকৃতিৰ প্ৰতি থকা একাত্মতা। তীক্ষ্ণ অন্তৰ্দৃষ্টি আৰু মননশীলতাৰে তেওঁ সমাজৰ বিভিন্ন স্তৰৰ চৰিত্ৰসমূহ বুটলি আনি সিবোৰত প্ৰাণৰ সঞ্চাৰ কৰি পাঠকৰ মাজলৈ প্ৰক্ষেপ কৰে। মাৰ্ঘেৰিটাৰ শ্যামল প্ৰকৃতিৰ কোলাত প্ৰকৃতিৰ পাঠ আওৰোৱা ৰীতা চৌধুৰীৰ উপন্যাসত নীৰৱ প্ৰকৃতিও চৰিত্ৰ একোটাৰ লেখিয়াকৈ বাঙ্ময় হৈ উঠে।

**গ্ৰন্থৰ আলোচনা ঃ** 'এই সময় সেই সময়' ইতিহাস নহয়। ই অচলায়তন কালৰ এক অংশত উপস্থিত থকা এক জনজীৱনৰ খণ্ডচিত্ৰ। যি জনজীৱন সাঙোৰ খাই আছে ধূলিয়ৰি দিনবোৰৰ সৈতে।

'এই সময় সেই সময়' সৃষ্টি কৰিছে এক নিৰ্মোহ আৰু স্বাধীন কলমে। সীমাৱদ্ধ দৃষ্টি আৰু বোধিৰে সীমাৱদ্ধ অথচ নিৰ্মোহ আৰু স্বাধীন কলম। ই মাত্ৰ পোহৰ পেলাই চাইছে সমাজৰ ইফালে-সিফালে। অহা-যোৱা কৰিছে এই সময় সেই সময়ৰ অলি গলিয়েদি।

'এই সময় সেই সময়'ৰ পটভূমি বাস্তৱ যদিও চৰিত্ৰসমূহ সম্পূৰ্ণ কাল্পনিক; কিন্তু সেই কল্পনা বাস্তৱৰ কঠিন মাটিৰে গঢ়া। অসম আন্দোলনৰ সময়ৰ অসম আৰু

আমাৰ বৰ্তমানৰ অসমৰ মাজৰ বিশ্লেষণে এই উপন্যাসখনত স্থান পাইছে। অসম আন্দোলনৰ সময়ত আন্দোলনকাৰী সকলে বিদেশী বহিষ্কাৰৰ দাবীত অসমৰ আকাশ-বতাহ উত্তাল কৰি তুলিছিল। দেশপ্ৰেমৰ প্ৰৱল আবেগে সেই সময়ত চৌৱাই লৈ গৈছিল অসমৰ শত-সহস্ৰ মানুহক। আন্দোলনকাৰীসকলে নিজৰ দেশৰ বাবে সোণৰ অসমৰ কল্পনাত দেশৰ কাৰণে গুলী খাবলৈ, ভাত-পানী নাখাই অনশন কৰিবলৈ, জে'ললৈ যাবলৈ কুণ্ঠাবোধ কৰা নাছিল। বিচাৰিছিল এখন সোণৰ অসম। দেশপ্ৰেমৰ ছবি অংকিত হোৱাৰ লগতে এই উপন্যাসখনে অসম আন্দোলনৰ পিছত ৰাজনীতিৰ নামত চলা পলিটিক্সৰ ফোপোলা ছবিখন দাঙি ধৰিছে। পলিটিক্সৰ নামত চলা কেলেংকাৰীৰ বাবে আন্দোলনকাৰীসকলে সোণৰ অসমৰ নামত দেখা সপোন, সপোন হৈয়ে ৰ'ল। বাস্তৱত পৰিণত নহ'ল।

উপন্যাসখনৰ মূল চৰিত্ৰ অদিতি চৌধুৰী আছিল অসমৰ ইমূৰ-সিমূৰ অকলে ঘূৰি ফুৰা সংগ্ৰামী নাৰী। অদিতিৰ ভিতৰত গৈ বগাই আছিল এজনী যোদ্ধা নাৰীয়ে। অসম আন্দোলনত প্ৰাণক আগ কৰি যোগ দিয়া ভয়-ভীতহীন, আবেগিক, মানুহমুখী নাৰী। এজন প্ৰভাৱশালী মন্ত্ৰীৰ পত্নী হিচাপে থাকি অস্বস্তি লাগিছিল অদিতিৰ। অসম আন্দোলন শেষ হোৱা তেতিয়া এবছৰো হোৱা নাছিল। ৰঙা লাইট লগোৱা এম্বেছেডৰত, চন্দন ফুকনৰ ওচৰত বহি ৰাজধানী চৌহদত সোমাইছিল ন-কইনা অদিতি। তেওঁলোকৰ গাড়ীৰ আগে পাছে আছিল পাইলট আৰু এছক'ৰ্ট গাড়ী। চাইৰেণ আৰু ৰঙা লাইটৰ চমকনিৰে বাটৰুৱাক সচকিত কৰি পাইলটকাৰে তেওঁলোকৰ কাৰণে বাট মুকলি কৰিছিল। অদিতিয়ে কেতিয়াও নেদেখা, কেতিয়াও নুশুনা কথা। নতুন অভিজ্ঞতা। সেই অভিজ্ঞতাই বিৰক্তি আৰু অস্বস্তিৰ বাহিৰে একো দিয়া নাছিল অদিতিক। সংশয়ৰ এডাল অদৃশ্য কাঁইটে অদিতিৰ মনটোক বিন্ধিছিল। অদিতিয়ে ৰাজনীতিৰ এনে ৰূপ সহ্য কৰিব পৰা নাছিল। তেওঁলোকে বুজি উঠিছিল ৰাজনীতি ভাল নহয়। অসম আন্দোলনৰ সময়ৰ অসম আৰু তাৰ পিছৰ অসমৰ মাজত বহু পাৰ্থক্য। প্ৰভাৱশালী মন্ত্ৰীৰ পত্নী হিচাপে থাকি অস্বস্তি অনুভৱ কৰা অদিতি ওলাই আহিছিল সেই আভিজাত্য পৰিৱেশৰ পৰা। লেখিকা ৰীতা চৌধুৰীয়ে অংকিত কৰা অদিতি চৌধুৰীৰ চৰিত্ৰটি সঁচাকৈয়ে হৃদয়স্পৰ্শী।

'এই সময় সেই সময়' উপন্যাসখনৰ আন এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ "সুকন্যা"ৰ চৰিত্ৰটি মোৰ আটাইতকৈ প্ৰিয়। উপন্যাসখন ভালপোৱাৰ মূলতেই হ'ল এই চৰিত্ৰটি।

সুকন্যা এজনী মডাৰ্ণ, স্মাৰ্ট ছোৱালী। অসমীয়া-ইংৰাজীৰ মিশ্ৰিত ভাষাৰে কথা পতা, বাইক চলাই ঘূৰি ফুৰা ছোৱালী। এজনী সাহসী ছোৱালী। অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পৰা মৰম আকলুৱা ছোৱালী। দেউতাক অবিনাশ হাজৰিকা এজন পলিটিকেল পাৱাৰফুল ব্যক্তি। আভিজাত্যৰ পিছত দৌৰা মানুহ, যিটো সু-কন্যাই ভাল পোৱা নাছিল। আভিজাত্যৰ পিছত দৌৰা মানুহক সুকন্যাই ঘিণ কৰে। কাৰণ তেওঁলোকে নিজৰ বাহিৰে আনৰ কথা ভাবিবলৈ আহৰিয়েই নাপায়। কেৱল নিজক লৈ ব্যস্ত। সুকন্যাৰ ফ্লাই-অভাৰ দেখিলে মানুহৰ লাইফৰ লগত মিল থকা যেন লাগে। তাই কয় 'মানুহৰ লাইফটো এনেকুৱাই। মাজে মাজে মাটিৰ ওপৰেৰে কিন্তু আকাশৰ তলেৰে ফ্লাই কৰি যায়। মানুহে ভাবে বহুত ওপৰেৰে উৰি আহিলো। আচলতে কিন্তু নুৰে। নামতহে ফ্লাই। মাটিৰ লগত লাগিয়েই থাকে। মাটিৰ পৰা অলপ ওপৰলৈ উঠে— শেষত মাটিলৈয়ে নামি যায়। মাত্ৰ উৰা বুলি ভাবি এটা ছেটিছফেকশ্বন পায় আৰু।'

সুকন্যাৰ জীৱনৰ সংজ্ঞাই বেলেগ। নিজৰ মনত থকা দুখ তাই হাঁহি-ধেমালিৰ মাজেৰে পাহৰি পেলাবৰ চেষ্টা কৰে। সুকন্যাক বুজি পাইছিল অদিতি চৌধুৰীয়ে। সুকন্যাৰ অদ্ভুত কথাবোৰ কোন অসন্তুষ্টিৰ গভীৰৰ পৰা ওলাই আহে বুজি উঠিছিল অদিতি চৌধুৰীয়ে।

সুকন্যাই আধুনিকতাৰ বশৱৰ্তী হৈ নিজৰ সংস্কৃতি পাহৰা, নিজক পাহৰা মানুহক ঘিণ কৰিছিল। ধনী হোৱাৰ বাবে দৌৰা লোভী মানুহবোৰক ঘিণ কৰিছিল। ধনী মানুহৰ লোভী স্বভাৱৰ প্ৰতি থকা সুকন্যাৰ ক্ষোভ লেখকে এনেদৰে ফুটাই তুলিছে— "আৰু এটা লেফ্‌ট টাৰ্ন ল'ব লাগিব আণ্টি। মই কালি আহি ব'ৰ হৈ গৈছো। দূৰতো দূৰেই। গলিবোৰৰ অৱস্থা চাওকচোন। ৰাস্তাৰ মাজলৈ আহিহে যেন ঘৰবোৰ বনাইছে। এবাৰ জুই লাগিলেই খুব ভাল আছিল। শিক্ষা পাব। ডাঙৰ ডাঙৰ ঘৰ বান্ধিছে কিন্তু ফায়াৰ ব্ৰিগেডৰ গাড়ী সোমোৱাৰ বাট ৰখা নাই। এনেকুৱা থাৰ্ডক্লাছ মানুহ। ইমান লোভ। দুই ফুট মাটিও এৰি নিদিয়ে। এই ধনী ধনী মানুহবোৰৰ এনেকুৱা লোভ দেখিলে মোৰ কেতিয়াবা চব জ্বলাই দি নান হৈ গুচি যাবৰ মন যায়।"

লেখিকাই এনেদৰে সুকন্যাৰ চৰিত্ৰটি অংকিত কৰিছে যে এই চৰিত্ৰটিয়ে হৃদয়ৰ এটা কোণত সাঁচ বহুৱাবলৈ সক্ষম হৈছে।

**সামৰণি** ঃ উপন্যাসখন লেখিকাৰ গভীৰ মানৱীয় অনুভূতিৰে সিক্ত। লেখিকাই মানুহৰ বাস্তৱ জীৱনৰ অপ্ৰিয় সত্য সমূহক উপন্যাসৰ ৰূপ দিছে। মানুহে ধনী হোৱাৰ

নামত কেনেকৈ নিজৰ আত্মসন্মানক বলি দিব পাৰে সেই কথা এই উপন্যাসখনত ফুটি উঠিছে। লেখিকা ৰীতা চৌধুৰী নিজে এজনী মন্ত্ৰীৰ পত্নী হৈও ৰাজনীতিৰ ফোঁপোলা ছবিখন 'এই সময় সেই সময়' উপন্যাসৰ জৰিয়তে দাঙি ধৰাত কুণ্ঠাবোধ কৰা নাই। সেয়েহে এই উপন্যাসখন মোৰ প্ৰিয় উপন্যাসলৈ পৰ্যবসিত হৈছে। ♦

# মামনি ৰয়ছম গোস্বামীৰ 'থেং ফাখ্রী তহছিলদাৰৰ তামৰ তৰোৱাল'

বৰষা কলিতা

**লেখিকাৰ পৰিচয় ঃ** অসমীয়া উপন্যাস জগতৰ অন্যতম ঔপন্যাসিক ড° মামনি ৰয়ছম গোস্বামীৰ উপন্যাসত তীব্ৰ সমাজচেতনা, মানৱীয়তা আদি ভাব প্ৰকাশ পোৱা দেখা যায়। ড° মামনি ৰয়ছম গোস্বামীয়ে সত্তৰৰ দশকৰ পৰাই উপন্যাস ৰচনা কৰিবলৈ লয়। তেখেতৰ দ্বাৰা ৰচিত কেইখনমান উপন্যাস হ'ল— 'নীলকণ্ঠী ব্ৰজ', 'চেনাবৰ সোঁত', 'দতাঁল হাতীৰ উয়ে খোৱা হাওদা', 'মামৰে ধৰা তৰোৱাল', 'থেং ফাখ্রী তহছিলদাৰৰ তামৰ তৰোৱাল' ইত্যাদি। 'থেং ফাখ্রী তহছিলদাৰৰ তামৰ তৰোৱাল' উপন্যাসখন তেখেতৰ নৱতম উপন্যাস। তেখেতেই হ'ল বৰ্তমানলৈ 'জ্ঞানপীঠ' বঁটা বিজয়ী একমাত্ৰ অসমীয়া মহিলা।

**গ্ৰন্থখনৰ আলোচনা ঃ** 'থেং ফাখ্রী তহছিলদাৰৰ তামৰ তৰোৱাল' উপন্যাসখনৰ মূল চৰিত্ৰ থেং ফাখ্রী আছিল প্ৰথম ভাৰতীয় মহিলা তহছিলদাৰ। উপন্যাসখনত বহুতো বিশ্বস্ত তথ্য পাতি উল্লেখ কৰা হৈছে আৰু ইয়াৰ কাহিনীও বাস্তৱ। ঔপন্যাসিকে উপন্যাসখন ৰচনা কৰাৰ সময়ত তথ্য পাতি সংগ্ৰহৰ কাৰণে যিবোৰ লোকৰ সহায় লৈছিল তাৰ ভিতৰত থেং ফাখ্রীক স্ব-চক্ষুৰে প্ৰত্যক্ষ কৰা লোকো আছিল। গতিকে এইফালৰ পৰা উপন্যাসখনৰ ঐতিহাসিক গুৰুত্বও কম নহয়। বাস্তৱ ঘটনাক নিজৰ ৰসেৰে সিক্ত কৰি সাৱলীল ৰূপত উপস্থাপন কৰাত ঔপন্যাসিক সফল হৈছে।

উপন্যাসখনৰ মাজেৰে ঔপন্যাসিকে থেং ফাখ্রীৰ জীৱনৰ কিছু আভাস দিছে। ইয়াত এগৰাকী জনজাতীয় মহিলা থেং ফাখ্রীৰ বীৰত্ব, সাহসিকতাৰ লগতে মানৱীয়তাও প্ৰকাশ পাইছে। থেং ফাখ্রীক বন্দুক চলাবলৈ শিকাইছিল তেখেতৰ ককাক ত্ৰিভূৱন বাহাদুৰে। বন্দুক চলাবলৈ শিকাৰ দিনাখনেই থেং ফাখ্রীয়ে নাহৰফুটুকী বাঘ এটা হত্যা কৰিছিল। আজিৰ দিনত হয়তো ছোৱালী এজনীয়ে বাঘ এটা হত্যা কৰাটো

বিশেষ ডাঙৰ কথা নহয়। কিন্তু যি সময়ত ভাৰতত সতী দাহ প্ৰথাৰ প্ৰচলন আছিল, নাৰীক নীতি নিয়মৰ অজুহাতত নানা অত্যাচাৰ কৰিছিল, বিধৱাই ঘৰৰ পৰা চোতাল পৰ্যন্ত ওলোৱাৰ নিয়ম নাছিল, সেই সময়ত থেং ফাখ্ৰী এগৰাকী নাৰী হৈ বন্দুক বা তৰোৱাল চলোৱাটো বৰ উজু নাছিল। তেওঁৰ এই বীৰত্ব চাৰিওফালে বিয়পি পৰাত সেই সময়ত ভাৰত শাসন কৰি থকা ইংৰাজে সন্তুষ্ট হৈ তেওঁক তহছিলদাৰৰ পদ দিয়ে। যিখন দেশত নাৰীৰ স্বাধীনতা তথা মৰ্যাদাই নাছিল, সেইখন দেশত থেং ফাখ্ৰীয়ে এনে সন্মান পোৱাটো গোটেই গাঁওবাসীৰ বাবেই গৌৰৱৰ বিষয় আছিল। থেং ফাখ্ৰীয়ে নিজৰ আত্মবিশ্বাস আৰু গাঁওবাসীৰ আশীৰ্বাদ লৈ তহছিলদাৰৰ কামত ওলাই যায়।

সেই সময়ত খাজনা সংগ্ৰহ কৰাটো যথেষ্ট কঠিন হৈ আহে। ব্ৰিটিছে সকলো ধৰণৰ প্ৰয়োজনীয় সামগ্ৰীতে কৰ আৰোপেৰে দুখীয়া প্ৰজাসকলক মাধমাৰ শোধায়। শস্য, তামোল-পাণ, মাটি, গৰু, ম'হ, হাতী আদিৰ চৰণীয়া পথাৰ আদি সকলোতে ব্ৰিটিছ চৰকাৰে বুজন পৰিমাণৰ কৰ আৰোপ কৰাৰ ফলত দুখীয়া জনসাধাৰণে কৰৰ বোজা বহন কৰিব নোৱাৰি অশেষ নিৰ্যাতনৰ সন্মুখীন হয়। কৰৰ উপৰিও কাকতি ফৰিং, বান তথা আন দুৰ্যোগৰ কবলত পৰি প্ৰজাসকলৰ পানীত হাঁহ নচৰা অৱস্থা হয়। দুখীয়া প্ৰজাসকলে কৰ পৰিশোধ কৰিব নোৱাৰিলে স্বেচ্ছাচাৰী ব্ৰিটিছসকলে তেওঁলোকক দিনটো দেই পুৰি নিয়া ৰ'দত থিয় কৰাই ৰাখি গধূলি সময়ত বেতেৰে কোব শোধাই ঘৰলৈ ঘূৰাই পঠিয়ায়। এনেদৰে ব্ৰিটিছে কৰা অত্যাচাৰে সীমা চেৰাই যোৱাত লাহে লাহে জনসাধাৰণ অতিষ্ঠ হৈ পৰে। তেওঁলোকে ৰজাৰ শাসনকালত ইমান বেছি পৰিমাণৰ কৰ পৰিশোধ কৰিবলগীয়া হোৱা নাছিল। ব্ৰিটিছৰ এনে কঠোৰ নীতিৰ ফলত সাধাৰণ জনতাৰ মনতো ক্ষোভৰ উদ্‌গীৰণ হয়। নৱযুৱক সকলে ব্ৰিটিছৰ শাসন ওফৰাই পেলাবলৈ আৰু নিজ দেশক বন্দীত্বৰ শিকলিৰ পৰা মুক্ত কৰিবলৈ গোপনে খাৰ-বাৰুদো যোগাৰ কৰা আৰম্ভ কৰে। তেওঁলোকে আনকি খাৰ-বাৰুদ তৈয়াৰ কৰা ঘাটিও স্থাপন কৰে। ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিবলৈ চলোৱা প্ৰস্তুতিৰ কামত লিপ্ত থকাৰ সন্দেহতে ব্ৰিটিছে বহুতো ডেকাক গ্ৰেপ্তাৰ কৰি তাৰে কিছুমানক হত্যা কৰে আৰু কিছুমানক বন্দী কৰি থয়। এনেদৰে ব্ৰিটিছ চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে থকা প্ৰতিবাদী কণ্ঠ দমন কৰে।

এই ঘটনাবোৰে থেং ফাখ্ৰীৰ মনত মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰে। থেং ফাখ্ৰী ব্ৰিটিছৰ তলতীয়া তথা বিশ্বাসী কৰ্মচাৰী আছিল আৰু নিজে ব্ৰিটিছৰ কাৰণে

খাজনা তুলিবলৈ গৈছিল, কিন্তু ব্ৰিটিছে তেওঁৰ নিজৰ দেশৰ মানুহবোৰৰ ওপৰত কৰা জোৰ জুলুম তেওঁ সমূলি সমৰ্থন কৰা নাছিল। সাধাৰণ মানুহবোৰে কৰ-কাটল পৰিশোধৰ সময়ত কৰা ক্ৰন্দন, হাহাকাৰ শুনি থেং ফাখ্ৰী হতাশ হৈ পৰা দেখা যায়। ব্ৰিটিছে সুপ্ত অৱস্থাত থকা বিদ্ৰোহ বন্ধ কৰিবলৈ হত্যা কৰা মানুহবোৰৰ মাজত থেং ফাখ্ৰীৰ নিজৰ মোমায়েকো আছিল, যিজনে তেওঁক নিজৰ জন্মভূমিক লৈ গৌৰৱ কৰিবলৈ শিকাইছিল। কিন্তু থেং ফাখ্ৰীয়ে ব্ৰিটিছৰ বিৰুদ্ধে একো মাত মাতিব নোৱাৰি এক দোদুল্যমান অৱস্থাত থাকি ভিতৰি ভিতৰি দগ্ধ হ'বলৈ ধৰে। অৱশেষত থেং ফাখ্ৰীয়ে তহছিলদাৰ পদ এৰি ককাকৰ আশীৰ্বাদ লৈ নিজৰ মাতৃভূমিৰ পৰা ব্ৰটিছ সাম্ৰাজ্য ওফৰাই পেলোৱাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই যায় পুনৰ উভতি অহাৰ আশা বুকুত বান্ধি লৈ। থেং ফাখ্ৰীৰ এনে উদ্দেশ্যৰ পৰা তেওঁৰ স্বদেশপ্ৰেমৰ আভাস পোৱা যায়।

উপন্যাসখনৰ কাহিনীটো উত্থাপিত হৈছে সুপৰিকল্পিতভাৱে। উপন্যাসখন আৰম্ভ কৰা হৈছে লুইতৰ বুকুত অস্ত যাব ধৰা সূৰ্যৰ বৰ্ণনাৰে। সেই দৃশ্য উপভোগ কৰি ঘৰলৈ উভতি অহাৰ সময়ত থেং ফাখ্ৰীৰ নানা স্মৃতি মনলৈ আহিছিল। মেক্লিনছন চাহাবে তাইক কঠোৰ হ'বলৈ দিয়া উপদেশ, হাৰ্ডি চাহাবৰ সৈতে ঘোঁৰা চলাবলৈ শিকা, ককাকৰ সৈতে বন্দুক চলাবলৈ শিকা, দেৱী মন্দিৰৰ ভগ্নাৱশেষৰ মাজত পোৱা তৰোৱালখন (যিখন তাইৰ ককাক আইতাকে দেৱীৰ পৰা তাইলৈ আশীৰ্বাদ বুলি ধৰি লৈ থাপনাত থৈ পূজা কৰিছিল) আদি স্মৃতি থেং ফাখ্ৰীৰ মানসপটত ভাহি উঠা উপন্যাসখনৰ আৰম্ভণিতে পোৱা যায়। উপন্যাসখন শেষ হৈছে অতি সুন্দৰভাৱে। ককাকে থেং ফাখ্ৰীৰ তহছিলদাৰৰ 'চনদ' আৰু অন্য কাগজৰ লগত ঘোঁৰাটো ব্ৰিটিছ চৰকাৰৰ হাতত ঘূৰাই দি অহাত ককাকৰ চৰণ সেৱি আশীৰ্বাদ লৈ নিজৰ জন্মভূমিক বন্দীত্বৰ শিকলিৰ পৰা মুক্ত কৰিবলৈ ওলাই যায় থেং ফাখ্ৰী আৰু লগতে যোৱাৰ সময়ত লগত লৈ যায় দেৱী মাৰ আশীৰ্বাদ স্বৰূপ তামৰ তৰোৱালখন।

২০০৯ চনত জ্যোতি প্ৰকাশনে প্ৰকাশ কৰা ৯৬ পৃষ্ঠাজোৰা উপন্যাসখনত দহটা অধ্যায়ত কথাবস্তু বৰ্ণনা কৰা হৈছে। উপন্যাসখনৰ জৰিয়তে ঔপন্যাসিকে থেং ফাখ্ৰীৰ জীৱনৰ তিনিটা বছৰহে মাথোন উল্লেখ কৰিছে। ইয়াত লেখিকাই থেং ফাখ্ৰীৰ জীৱনৰ বৰ্ণনাৰ লগতে অসমৰ প্ৰকৃতি জগতখনৰ সুন্দৰ চিত্ৰ ফুটাই তুলিছে। অসমৰ বিবিধ প্ৰজাতিৰ ফুল, চৰাই-চিৰিকটি, জন্তুৰ বিৱৰণ উপন্যাসখনত পোৱা যায়। ঔপন্যাসিকৰ নিখুঁত বৰ্ণনাত অসমৰ প্ৰকৃতিৰ এটি মনোমুগ্ধকৰ চিত্ৰ উপন্যাসখনত

প্ৰস্ফুটিত হৈছে। অসমীয়া সমাজৰ ওপৰত ব্ৰিটিছে কৰা অত্যাচাৰৰ বৰ্ণনাও লেখিকাই উপন্যাসখনৰ মাজেৰে প্ৰকাশ কৰিছে। অধিক পৰিমাণৰ কৰৰ ফলত সহজ-সৰল অসমীয়া মানুহৰ মনতো কেনেদৰে ব্ৰিটিছ বিৰোধী বিদ্ৰোহে গা কৰি উঠিব পাৰে তাৰ এখন সুন্দৰ প্ৰতিচ্ছবি ফুটাই তুলিবলৈ ঔপন্যাসিক সফল হৈছে।

উপন্যাসখন পঢ়ি যাওঁতে পাঠকৰ মানসপটত ইয়াৰ দৃশ্যবোৰ ভাহি উঠে। ইয়াৰ মূলতে হ'ল ঔপন্যাসিকৰ বৰ্ণনাৰ ক্ষমতা আৰু উপযুক্ত শব্দৰ প্ৰয়োগ। উপন্যাসখনৰ আন এটি মন কৰিবলগীয়া উপাদান হ'ল থেং ফাখ্ৰী চৰিত্ৰটোৰ মাজেৰে প্ৰকাশ পোৱা ঔপন্যাসিকৰ মানৱীয়তা। নিঃকিন পৰিয়াল এটিৰ পৰা ৰাজহ আদায় কৰা সময়ত পৰিয়ালটোৱে অৱশেষত ৰাজহ হিচাপে হাড়ে-ছালে লগা ল'ৰাটোক উলিয়াই দিয়াৰ মৰ্মান্তিক দৃশ্য প্ৰত্যক্ষ কৰি থেং ফাখ্ৰী অচেতন হৈ বাগৰি পৰে আৰু ইয়াৰ পৰাই থেং ফাখ্ৰীৰ মাজত থকা মানৱীয়তা তথা নিঃস্বজনলৈ দৰদৰ উমান পাব পাৰি।

'থেং ফাখ্ৰী তহছিলদাৰৰ তামৰ তৰোৱাল'— ইয়াত বৰ্ণিত তামৰ তৰোৱালখন হ'ল থেং ফাখ্ৰীয়ে শৈশৱতে নদীৰ পাৰৰ দেৱী মন্দিৰৰ ভগ্নাৱশেষৰ মাজত পোৱা তামৰ তৰোৱালখন। ইয়াত তামৰ তৰোৱালখনৰ ওপৰত ঐশ্বৰিক গুণ আৰোপ কৰিছে। থেং ফাখ্ৰীৰ ককাক আইতাকে সেইখন তাইলৈ দেৱীৰ আশীৰ্বাদ ৰূপে গ্ৰহণ কৰিছে। এই তৰোৱালখনে থেং ফাখ্ৰীক কোনো দৈৱ শক্তি প্ৰদান কৰা বুলি বিশ্বাস কৰি ককাক-আইতাকে দেশৰ বাবে ওলাই যোৱাৰ সময়ত সেই তামৰ তৰোৱালখন লগত লৈ যাবলৈ থেং ফাখ্ৰীক উপদেশ দিছে। সেয়েহে হয়তো লেখিকাই উপন্যাসখনৰ নামটো 'থেং ফাখ্ৰী তহছিলদাৰৰ তামৰ তৰোৱাল' দিছে।

উপন্যাসখনৰ কাহিনীটো পঢ়ি যাওতে পাঠকৰ মনত এটা ক্ষীণ উৎকণ্ঠা বিৰাজ কৰে। থেং ফাখ্ৰীৰ মনত সৃষ্টি হোৱা বিদ্ৰোহ সুপ্ত কৰি থৈয়ে তাই ব্ৰিটিছৰ তলত চকু মুদি কাম কৰি যাবনে? ককাক তথা মোমায়েকে বুজাব খোজা কিন্তু প্ৰত্যক্ষভাৱে নোকোৱা কথাবোৰ থেং ফাখ্ৰীয়ে বুজিবনে? তাই দেশক বন্দীত্বৰ পৰা মুক্ত কৰিবলৈ আৰু নিজৰ ঠাইখনৰ পৰা ব্ৰিটিছৰ সাম্ৰাজ্য ওফৰাই পেলাবলৈ ওলাই যাবনে? আদি বহুতো প্ৰশ্নই পাঠকৰ মনত কৌতূহল সৃষ্টি কৰে।

উপন্যাসখনৰ বেটুপাতত তামৰ তৰোৱাল এখনৰ চিত্ৰ আছে। হয়তো থেং ফাখ্ৰীৰ তৰোৱালখন এনেকুৱাই আছিল। বেটুপাতৰ জৰিয়তে থেং ফাখ্ৰীৰ উপন্যাসখন

কেনে আছিল তাৰ এটা ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। উপন্যাসখন ছপা কৰাত কোনো ভুল-ত্ৰুটি পৰিলক্ষিত নহয়। তদুপৰি ইয়াৰ পাতবোৰো যথেষ্ট উন্নতমানৰ। কিতাপখনৰ বান্ধোনটোও যথেষ্ট মজবুত।

**সামৰণি ঃ** ড° মামনি ৰয়ছম গোস্বামীৰ 'থেং ফাখ্ৰী তহছিলদাৰৰ তামৰ তৰোৱাল' উপন্যাসখন ৰচনাৰীতি, প্ৰকাশভংগী আদি সকলো ফালৰ পৰা এখন শলাগ ল'বলগীয়া উপন্যাস। ক'ব পাৰি এইখন এখন নিখুঁত, সুপৰিকল্পিত আৰু তথ্য সমৃদ্ধ উপন্যাস। ♦

# দিপালী দাস মজুমদাৰৰ 'সুন্দৰৰ দিগন্ত বিচাৰি'

লিপিকা ভূএগ্ৰা

**লেখিকাৰ পৰিচয় ঃ** দিপালী দাস মজুমদাৰে সৰুৰে পৰা পিতৃ বিৰচিং দাস আৰু মাতৃ পদুমী দাসৰ তত্ত্বাৱধানত পঢ়া-শুনাৰ এক সুন্দৰ পৰিৱেশ পাইছিল। সৰুৰে পৰা লিখা পঢ়াত তেওঁৰ বিশেষ মনোযোগ আছিল। কোনোবা ঠাইলৈ ফুৰিবলৈ গ'লে সেই ঠাইবোৰ চাই পোৱা অভিজ্ঞতা তথা ঠাইসমূহৰ বিৱৰণ ডায়েৰীৰ পাতত টুকি ৰখাৰ গুণ তেওঁৰ সৰুৰে পৰাই আছিল। ভ্ৰমণ কৰা ঠাইসমূহৰ বৰ্ণনা সুন্দৰভাৱে সজাই তুলি সেই ভ্ৰমণ বিষয়ক বৰ্ণনা মজুমদাৰ বাইদেৱে বিভিন্ন বাতৰি কাকতত প্ৰকাশ কৰিছিল। নিজৰ লিখনি বাতৰি কাকতত প্ৰকাশ পোৱাত তেখেতে এক অনাবিল আনন্দ উপভোগ কৰিছিল। ভ্ৰমণ বিষয়ক বিভিন্ন লিখনিসমূহ পঢ়ি মজুমদাৰৰ বহুতো শুভকাংক্ষীয়ে অভিনন্দন জনাইছিল। বহুতো শুভকাংক্ষীৰ পৰা পোৱা অভিনন্দনে মজুমদাৰ বাইদেউক এক উদ্যম যোগাইছিল যাৰ ফলত তেখেতৰ হাতত সৃষ্টি হৈছিল বিভিন্ন ভ্ৰমণ বিষয়ক প্ৰবন্ধ। দিপালী মজুমদাৰৰ ডায়েৰীৰ পাতত সিঁচৰতি হৈ থকা তেখেতৰ ভ্ৰমণ বিষয়ক লিখনিসমূহক পাঠকৰ পৰা পোৱা আগ্ৰহে কিতাপৰ ৰূপ দিবলৈ উৎসাহ যোগাইছিল। সাহিত্যৰ শস্যৰ পথাৰত 'সুন্দৰৰ দিগন্ত বিচাৰি' গ্ৰন্থখনেই দিপালী দাস মজুমদাৰৰ প্ৰথম বীজ।

**গ্ৰন্থখনৰ আলোচনা ঃ** 'সুন্দৰৰ দিগন্ত বিচাৰি' দিপালী দাস মজুমদাৰৰ অসমীয়া ভ্ৰমণ সাহিত্যৰ এখন উল্লেখযোগ্য গ্ৰন্থ। তেৰটা ভ্ৰমণ কাহিনীৰে পৰিপূৰ্ণ এই গ্ৰন্থখনত চিকিম, গোৱা, কন্যাকুমাৰী, কৰ্ণাটক, মুম্বাই, উৰিষ্যা আদি বিভিন্ন ঠাইৰ বৰ্ণনা দাঙি ধৰা হৈছে।

'সুন্দৰৰ দিগন্ত বিচাৰি' এই গ্ৰন্থখনত মজুমদাৰৰ ভ্ৰমণৰ বিভিন্ন অভিজ্ঞতাৰে লিপিৱদ্ধ বহুকেইখন উল্লেখনীয় ঠাইৰ ভৌগোলিক, প্ৰাকৃতিক, ধৰ্মীয় ৰীতি-নীতি, শৈক্ষিক আদি বিভিন্ন কথাৰ উল্লেখ পোৱা যায়।

গ্ৰন্থখনত থকা তেৰটা ভ্ৰমণ কাহিনীত সন্নিৱিষ্ট হৈছে বিভিন্ন ঠাইৰ প্ৰাকৃতিক ভৌগোলিক পৰিৱেশ বিৱৰণৰ দুই এটা সৰু সুৰা কথা যি কথাই সেই ঠাইখনৰ প্ৰতি মোৰ আগ্ৰহ বৃদ্ধি কৰি তুলিছে তথা সেই ঠাইখনৰ কিছুমান বিৱৰণে মোৰ মনত সেই ঠাইখন নিজ চকুৰে গৈ চাবলৈ মনত হেঁপাহৰ সৃষ্টি কৰিছে তাৰে দুই এটা কথা উল্লেখ কৰিবলৈ চেষ্টা কৰিছো।

গ্ৰন্থখনৰ প্ৰথমতেই আছে ছিকিম ভ্ৰমণৰ এটি বিৱৰণ। অপূৰ্ব সৌন্দৰ্যৰে পৰিপূৰ্ণ ছিকিমত আছে চাহ গছৰ শাৰী শাৰী বাগান। এডাল ৰেছমী সূঁতাৰ দৰে যেন তিস্তা নদীয়ে ছিকিমৰ সৌন্দৰ্যৰাশিক সোণত সুৰগা চৰাইছে। ছিকিমত লেখিকাই খোৱা কিছুমান খাদ্যই আমাৰ ঘৰৰ পাকঘৰৰ জুটিলৈকে মনত পেলায়। যেনে- জহা চাউলৰ ভাত, শাকৰ তৰকাৰী। ছিকিমৰ ছানৰাইজৰ সুন্দৰ দৃশ্য ভ্ৰমণ কাহিনীটোত বৰ্ণিত হৈছে। বহু ওপৰত উঠি পূৱ দিশত সূৰ্য উদয় হোৱাৰ লগে লগে পশ্চিম দিশত শ্বেতশুভ্ৰ কাঞ্চনজংঘাৰ শিখৰ ৰাঙলী আভাৰে চমকিত হৈ পৰে। তাঁচি ভিউৰ পৰা গোটেই আকাশখন আগুৰি থকা তুষাৰে আবৃত্ত কাঞ্চনজংঘাৰ অনিন্দ্য সুন্দৰ আৰু দিগন্ত বিস্তৃত সেউজীয়া উপত্যকাৰ ৰূপ অতি সুন্দৰ আৰু কাঞ্চন জংঘাৰ বৰফাবৃত শৃংগৰ সুন্দৰ চিত্ৰ চাবলৈ অতি মনোমোহা। ছিকিমৰ অৰ্কিড সদায় বিখ্যাত। হোৱাইট হলত গোটেই বছৰ জুৰি চলে অৰ্কিড প্ৰদৰ্শনী। ইয়াৰ উপৰিও ছিকিমৰ মন্দিৰ, বৌদ্ধ সন্যাসী সকলৰ বহুতো চাবলগীয়া আশ্ৰম আছে। বিশ্বৰ ভিতৰত এক অন্যতম ঐশ্বৰ্যশীল মনেষ্ট্ৰী ৰামটেক ছিকিমত অৱস্থিত। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ছিকিমত প্ৰাকৃতিক সৌন্দৰ্যৰ উপৰিও ছিকিমবাসী পৰিষ্কাৰ-পৰিচ্ছন্ন। সৌন্দৰ্যপূৰ্ণ এই কণমানি চহৰখনত "ক্লিন চিটি" আখ্যা দিয়া হয়। ছিকিমৰ চৰকাৰে নিবনুৱা ভাত্তা দিয়ে। ছিকিমত চুৰি ডকাইতি কৰা লোক দেখা পোৱা নাযায়। ছিকিমত "মনিপাল ইউনিভাৰ্চিটি" আছে। ৰাজহুৱা আৰু ব্যক্তিগত প্ৰচেষ্টাত গঢ় লৈ উঠা এই বিশ্ববিদ্যালয়খন দেশৰ ভিতৰতে প্ৰথম বিশ্ববিদ্যালয়। মুঠতে ছিকিমৰ সৌন্দৰ্য সঁচাকৈয়ে নান্দনিক।

গ্ৰন্থখনৰ আন এটা ভ্ৰমণ বিষয়ক প্ৰবন্ধ হ'ল পাহাৰৰ ৰাণী দাৰ্জিলিঙৰ বিৱৰণ। দাৰ্জিলিঙৰ টাইগাৰ হিল্‌ছৰ পৰা দেখা যায় ছানৰাইজৰ মনোমোহা দৃশ্য। যি দৃশ্য চাবলৈ আজিও বিভিন্ন পৰ্যটক আহে। যি সৌন্দৰ্যই ৰবীন্দ্ৰ নাথৰ হাতৰ পৰশত পৃথিৱীৰ মানুহৰ মাজত এটি সুন্দৰ কবিতাৰূপে স্থান পালেহেঁতেন। দাৰ্জিলিঙৰ ছানৰাইজ দেখিবলৈ পোৱাটো বহুতে ভাগ্যৰ কথা বুলি ভাবে। কিয়নো বেছিভাগ সময়তেই

অৰ্থাৎ সূৰ্য উদয় হোৱাৰ সময়তে শুকুলা ডাৱৰবোৰে সূৰ্য আৱৰি ৰাখে যাৰ বাবে বহুতো লোকে সূৰ্য উদয়ৰ অপূৰ্ব দৃশ্য দেখিবলৈ নাপায়। পশ্চিম দিশত শ্বেতশুভ্ৰ কাঞ্চনজংঘাৰ ওপৰত সূৰুযৰ প্ৰথম ৰাঙলী কিৰণ পৰি গোটেই কাঞ্চনজংঘা পাতল কমলা ৰং হৈ পৰে। ছানৰাইজ চাবলৈ নানা দেশৰ পৰ্যটক আহি দাৰ্জিলিং চহৰখনত ভৰি পৰে। মুঠতে ছানৰাইজৰ এই অপূৰ্ব দৃশ্যই দাৰ্জিলিং চহৰখনক যেন সূৰ্য সদৃশ উজ্জ্বল নক্ষত্ৰ হিচাপে উজ্বলাই তুলিছে।

এনেধৰণৰ বহু ঠাইৰ বিৱৰণ এই ভ্ৰমণ গ্ৰন্থখনত সন্নিবিষ্ট হৈ আছে। আটাইবোৰ ভ্ৰমণ বিষয়ক প্ৰবন্ধৰেই প্ৰাকৃতিক ভৌগোলিক আদি বিৱৰণে সেই ঠাইসমূহৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিছে। প্ৰবন্ধবোৰ পঢ়িলে এনে লাগে যেন নিজেহে গৈ সেই ঠাইবোৰৰ সৌন্দৰ্য উপভোগ কৰিছো।

দিপালী দাস মজুমদাৰৰ ভ্ৰমণ বিষয়ক এই গ্ৰন্থখনত অৰ্থাৎ 'সুন্দৰৰ দিগন্ত বিচাৰি'ত তেখেতৰ ভ্ৰমণ অভিজ্ঞতাৰ বহুত সৰু বৰ কথা, বহুতো শিক্ষণীয় দিশ সন্নিৱিষ্ট হৈ আছে। সৃষ্টিশীল সাহিত্যৰ বিভিন্ন শাখা যিদৰে লিপিৱদ্ধ কৰিব পৰা যায় সেইদৰে ভ্ৰমণ অভিজ্ঞতাৰ লিপিৱদ্ধ ৰূপকো উৎকৃষ্ট সাহিত্য কলাৰ ৰূপলৈ উন্নীত কৰিব পৰা যায়। তাৰেই জ্বলন্ত উদাহৰণ দিপালী দাস মজুমদাৰৰ 'সুন্দৰৰ দিগন্ত বিচাৰি'। এক সূক্ষ্ম কলাসুলভ মনৰ অধিকাৰী মজুমদাৰে ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি পোৱা তথ্যবোৰ আকৰ্ষণীয় ৰূপত পাঠকৰ সন্মুখত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। এই গ্ৰন্থখনত মজুমদাৰৰ সৃষ্টিশীল অথচ সচেতন মনটোৱে ঠাইসমূহৰ একো একোখনি সুন্দৰ ছবি গ্ৰন্থখনত ফুটাই তুলিছে। গ্ৰন্থখন পঢ়ি সঁচাকৈয়ে মোৰ এনে লাগিছে যেন এই গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰতিটো ভ্ৰমণ বিষয়ক কাহিনীৰ সৈতে জড়িত আটাইকেইখন ঠাইৰ প্ৰাকৃতিক ভৌগোলিক পৰিৱেশৰ অপূৰ্ব সৌন্দৰ্যৰ সৈতে যেন মই প্ৰত্যক্ষভাৱেহে পৰিচিত।

ভ্ৰমণ অভিজ্ঞতাত এহাতে যিদৰে তিতা মিঠা সোঁৱৰণ সিঁচৰতি হৈ থাকে সেইদৰে বহুতো সৰু বৰ শিক্ষনীয় দিশ নিহিত হৈ থাকে। দিপালী দাস মজুমদাৰৰ গ্ৰন্থখনতো যেন তাৰেই প্ৰকাশ ঘটিছে। ভ্ৰমণ কাৰোবাৰ বাবে একপ্ৰকাৰৰ নিচা, কাৰোবাৰ বাবে চৌখিনতা আৰু কাৰোবাৰ বাবে জীৱন আৰু জগতৰ বৈচিত্ৰ্যতাক অভিজ্ঞতাৰ তুলাচনীত তুলি নিজৰ মাজেৰেই জুমি চোৱাৰ এক দূৰন্ত হেঁপাহ।

**সামৰণি ঃ** বিশ্ব ভ্ৰমণ সাহিত্যই ইতিপূৰ্বে যথেষ্ট সমৃদ্ধি লাভ কৰিবলৈ সক্ষম

হৈছে। অসমীয়া সাহিত্যও এই দিশত পিচ পৰি যোৱা নাই। দিপালী দাস মজুমদাৰৰ কল্পনা, স্মৃতি আৰু অভিজ্ঞতাৰে ৰঞ্জিত বিভিন্ন তথ্য বিৱৰণেৰে সু-সমৃদ্ধ 'সুন্দৰৰ দিগন্ত বিচাৰি' গ্ৰন্থখন অসমীয়া ভ্ৰমণ সাহিত্যৰ এখনি উল্লেখযোগ্য গ্ৰন্থ। প্ৰাণ সুলভ লেখিকা দিপালী দাস মজুমদাৰৰ ভ্ৰমণ পিপাসু মনৰ সুন্দৰ প্ৰকাশ ঘটিছে 'সুন্দৰৰ দিগন্ত বিচাৰি' গ্ৰন্থখনত। ভ্ৰমণ কাহিনী কিতাপৰ আকাৰত প্ৰকাশ কৰি পোন প্ৰথম সাহিত্যিক জীৱনৰ পাতনি মেলা দিপালী দাস মজুমদাৰৰ উক্ত গ্ৰন্থখন অসমীয়া ভ্ৰমণ সাহিত্যৰ ভঁড়াললৈ এক নৱতম সংযোজন। ভ্ৰমণ পিপাসুৰ সৃষ্টিশীল কলাই কিদৰে সাহিত্যৰ বাটত খোজ পেলাইছে তাৰেই যেন উজ্বল চিত্ৰ দাঙি ধৰিছে দিপালী দাস মজুমদাৰৰ 'সুন্দৰৰ দিগন্ত বিচাৰি' গ্ৰন্থখনে। ♦

# অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন'

পল্লৱী শৰণীয়া

কিতাপৰ পৃথিৱীখনত সোমাবলৈ মোৰ বহুদিনীয়া হেঁপাহ আৰু চেষ্টা। এই চেষ্টা মই অসমীয়া ভাষাৰ কিতাপৰ মাধ্যমেৰে চলাই আছো। কাৰণ অন্য ভাষাৰ জ্ঞান মোৰ বৰ বেছি নাই। শেহতীয়াভাৱে মই আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালৰ পৰা আনি পঢ়া এখন কিতাপৰ নাম কাঞ্চন। যিখন লিখিছে বিশিষ্ট ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে।

**লেখিকাৰ পৰিচিতি ঃ** অনুৰাধা শৰ্মা পূজাৰীয়ে ১৯৬৪ চনত যোৰহাটত জন্ম গ্ৰহণ কৰে। তেখেতে বৰ্তমান গুৱাহাটীৰ পাঞ্জাবাৰীত বাস কৰি আছে। ১৮৮৭ খ্ৰীষ্টাব্দত তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজ শাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৯৩ খ্ৰীষ্টাব্দত কলকাতাৰ বিৰলা ইনষ্টিটিউট অব লিবাৰেল আৰ্টছ এণ্ড মেনেজমেণ্ট চায়েন্সৰ পৰা সাংবাদিকতাৰ পাঠ্যক্ৰম গ্ৰহণ কৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত 'আমাৰ অসম' নামৰ কাকতখনত সাংবাদিকতা আৰু পিছত সাদিন গোষ্ঠীত যোগদান কৰে। শ্ৰীঅনুৰাধা শৰ্মা পূজাৰীৰ প্ৰকাশিত উপন্যাসসমূহ হ'ল 'হৃদয় এক বিজ্ঞাপন' (১৯৯৮), 'এজন ঈশ্বৰৰ সন্ধানত' (১৯৯৮), 'কাঞ্চন' (২০০১), 'চাহেব পুৰাৰ বৰষুণ (২০০৩)। তেখেতৰ প্ৰথম উপন্যাসখন হ'ল 'হৃদয় এক বিজ্ঞাপন'। নতুন দিল্লীৰ স্পেকট্ৰাম পাব্লিকেছনে ২০০৪ খ্ৰীষ্টাব্দত 'হৃদয় এক বিজ্ঞাপন'ৰ ড° আভা ভট্টাচাৰ্যই কৰা অনুবাদ Heart's a showbiz প্ৰকাশ কৰে। এই উপন্যাসখন বঙলা ভাষালৈ অনূদিত হৈছে। 'বসন্তৰ গান' (১৯৯৯) আৰু 'এজন অসামাজিক কবিৰ বায়'গ্ৰাফী (২০০১) শ্ৰীশৰ্মা পূজাৰীৰ দুখন গল্প সংকলন। তেখেতৰ আত্মজীৱনীমূলক প্ৰবন্ধ সংকলন দুখন হ'ল 'কলিকতাৰ চিঠি' (১৯৯৯) আৰু 'ডায়েৰী' (২০০০)। ইয়াৰ উপৰি সাহিত্য একাডেমীৰ পত্ৰিকা 'Contemporary Indian Literature' আৰু জয়ন্ত মহাপাত্ৰ সম্পাদিত উড়িয়া আলোচনী 'Chandravaga'ত তেখেতৰ গল্পৰ অনুবাদ প্ৰকাশিত হৈছে। 'চাহেব পুৰাৰ বৰষুণ' সাহিত্য কৃতিৰ বাবে ২০০৩ বৰ্ষৰ অসম সাহিত্য সভাৰ কুমাৰ কিশোৰ

সোঁৱৰণী বঁটা অসমীয়া ভাষাত ৰচিত শ্ৰেষ্ঠ মৌলিক উপন্যাসৰ বাবে লাভ কৰে শ্ৰীশৰ্মা পূজাৰীয়ে। পশ্চিমবংগ বোলছবি কেন্দ্ৰ, তথ্য আৰু সাংস্কৃতিক দপ্তৰৰ অধীনত আৰ্ট এণ্ড ফ্লিম এপ্ৰিছিয়েছন পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰে। তেখেতে কমাৰ্চিয়েল আৰ্ট এণ্ড কম্পিউটাৰ গ্ৰাফিক্সৰ পাঠ্যক্ৰম গ্ৰহণ কৰি কলকাতাৰ একাডেমী অব ফাইন আৰ্টছৰ অধীনস্থ চিটেক ইনষ্টিটিউটত কিছুদিন শিক্ষকতা কৰে।

**গ্ৰন্থ সম্পৰ্কে আলোচনা ঃ** অনুৰাধা শৰ্মা পূজাৰীয়ে 'কাঞ্চন' উপন্যাসখনৰ কথা এনেকৈ কৈছে— কাঞ্চন উপন্যাসখন নতুন নহয়। 'অক্ষয় বস্তি' নামেৰে ১৯৯৮ ৰ নতুন সময়ৰ শাৰদীয়ত প্ৰকাশ পাইছিল। 'কাঞ্চন' সঁচা চৰিত্ৰ। উপন্যাস কাঞ্চনৰ আত্মজীৱনী। কাঞ্চনৰ কাহিনীয়ে, কাঞ্চনৰ চৰিত্ৰই কৰ্মৰত নাৰীয়ে সন্মুখীন হোৱা আন এখন জগতৰ বিস্ময়কৰ দুৱাৰখন এখন এখনকৈ খুলি দেখুৱাইছে। বৰ্তমান অসমৰ অফিচ সংস্কৃতিটোও কাঞ্চনৰ চৰিত্ৰ সৃষ্টি কৰাৰ বাবে দায়ী বুলি লিখক পূজাৰীদেৱে কৈছে। তেখেতে কৈছে যে কাঞ্চনক তেখেতে লগ পাই দেখিছিলে, কাঞ্চনে বৰ্তমানটোক বুজে, কিন্তু আঁচৰিত ধৰণে অতীতকো পাহৰি যায়। ভৱিষ্যতৰ বাবেও তেওঁ নিৰুদ্বেগ।

তদুপৰি 'কাঞ্চন' সম্পৰ্কে আমাৰ সাহিত্য জগতৰ বিশিষ্ট লেখক-লেখিকা কেইগৰাকীমানে তেওঁলোকৰ কেইটামান উল্লেখযোগ্য অভিমত দিছে। ড° মামনি ৰয়ছম গোস্বামীয়ে লিখিছে —

'মই ভাবো অনুৰাধাই নাৰীৰ এক জ্বলন্ত সমস্যা এই গ্ৰন্থৰ মাজেৰে একেবাৰেই নগ্ন কৰিয়েই আঁকি দেখুৱাইছে। সংবেদনশীল পাঠক আৰু লেখকৰ হৃদয়ৰ যন্ত্ৰণা যেন এই গ্ৰন্থত এক হৈ পৰিছে। কাঞ্চনক সেয়ে পাঠকে কিতাপ নহয় ৰক্ত-মাংসৰ মানুহ বুলিয়েই ধৰি লৈছে— এইবাবেই এই গ্ৰন্থই বিপুল জনপ্ৰিয়তা লাভ কৰিছে। মই আশা কৰো প্ৰত্যেকগৰাকী চিন্তাশীল পাঠকে এই গ্ৰন্থ পঢ়িব আৰু কাঞ্চনৰ মৰ্ম-বেদনা বুজি পাব।'

গৌতম প্ৰসাদ বৰুৱাই মন্তব্য কৰিছে— 'অনুৰাধাৰ ভাষা অতি সুষম। কাঞ্চন উপন্যাসত এনে কিছুমান পটভূমি আৰু দৃশ্যৰ বিৱৰণ আছে; যিবোৰ অতি সাৱধানতাৰে সৈতে সূক্ষ্মতাৰে নিলিখিলে কিতাপখন 'পৰ্ণগ্ৰাফী'ৰ পৰ্যায়লৈ আগবাঢ়ি যোৱাৰ শংকা আছিল। অতি বলিষ্ঠ কলমেৰে বুদ্ধিমত্তাৰে আৰু আকৰ্ষণীয়ভাৱে এই ঘটনাৰাজি এনেধৰণে লিপিবদ্ধ কৰিছে যে কিতাপখন এখন প্ৰথম শ্ৰেণীৰ সাহিত্যকৰ্মলৈ ৰূপান্তৰিত হৈ পৰিছে। কাঞ্চনৰ অভূতপূৰ্ব সাফল্য অসমীয়া উপন্যাস সাহিত্যৰ

বাবে এটা অতি শুভ আৰু আশাপ্ৰদ বাৰ্তা। ইয়াৰ আগতে মই জনাত মাথোন তিনিমাহৰ ভিতৰত এখন কিতাপৰ তিনিটা সংস্কৰণ প্ৰকাশ হোৱা বিৰল।'

মহেন্দ্ৰ বৰঠাকুৰ— 'অনুৰাধা শৰ্মা পূজাৰীৰ লেখা বুলিয়েই মই আগ্ৰহেৰে পঢ়ো। বৃত্তিত সাংবাদিক যদিও শ্ৰীমতী শৰ্মা পূজাৰীৰ গল্প-উপন্যাস পঢ়িলে মূল মানুহগৰাকীক ঔপন্যাসিকা যেনেই লাগে। 'কাঞ্চন' পঢ়িলো। মুগ্ধ হ'লো। কাহিনীত আৱেগ থাকিলেও বোধহয় সাংবাদিক হোৱাৰ কাৰণেই লেখিকাই আৱেগ বৰ্জন কৰিব পাৰিছে। পৰিৱেশ সৃষ্টিত তেওঁ সুদক্ষ হাতৰ কথা উল্লেখ নকৰাকৈ নোৱাৰি। মূল চৰিত্ৰ কাঞ্চনৰ প্ৰতি তেওঁ যে অত্যন্ত সহানুভূতিশীল সেইটো স্পষ্ট। কাঞ্চনৰ মাজেদি সমসাময়িক সমাজৰ চিত্ৰখনো আওপকীয়াকৈ দাঙি ধৰিছে। কিতাপখন পঢ়ি যাওতে মোৰ এখন ছবি চাই যোৱা যেন লাগিছিল। মোৰ স্বভাৱটো অলপ বেয়া। ভাল কিবা এটা পালে আৰু বিচাৰো। শ্ৰীমতী শৰ্মা পূজাৰীৰ পৰা আৰু বিচাৰিছো। লগতে প্ৰকাশকৰ তাগিদাত এই উপন্যাসৰ জন্ম হৈছে বুলি শুনি 'বনলতা'লৈকো ধন্যবাদ জনালোঁ। লেখকৰ সৃষ্টিত প্ৰকাশকৰো যে ভূমিকা আছে 'বনলতা'ই এই সত্যকো দাঙি ধৰিছে।'

নিৰুপমা বৰগোহাঞি— 'কাঞ্চন' কিতাপখন সুলিখিত আৰু কম বয়সীয়া লেখিকাৰ পৰিপক্ক সৃষ্টি বুলি ক'ব পাৰি। কিন্তু 'কাঞ্চন'ৰ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত সংহতিৰ অভাৱ প্ৰত্যক্ষ কৰিছো। লেখিকাই কাঞ্চনক ভাল ছোৱালী নে পথভ্ৰষ্টা পতিতা আৰু দুৰ্বল মনৰ ছোৱালী ৰূপে দেখুৱাব খুজিছে— মোৰ বাবে সেয়া পৰিষ্কাৰ হোৱা নাই।

ৰবীন্দ্ৰ বৰা— 'প্ৰতিভাশালী লেখিকা শ্ৰীঅনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন' এখনি অতি সুখপাঠ্য উপন্যাস। লেখিকাই সংবেদনশীল ভাষাৰে মানৱীয় প্ৰমূল্যৰ স্খলন আৰু সামাজিক মূল্যবোধৰ অৱক্ষয়ক দাঙি ধৰাৰ লগতে আমাৰ সমাজৰ দুৰ্নীতিগ্ৰস্ত ৰূপটোক প্ৰশস্ত দৃষ্টিভংগীৰে কাটি-চিঙি চাইছে। এগৰাকী নাৰীৰ আত্মিক বেদনাৰ গভীৰ উপলব্ধিক লেখিকাই গভীৰ অন্তৰ্দৃষ্টিৰে চাবলৈ সক্ষম হৈছে। মানৱীয় চৰিত্ৰৰ গোপন দিশটোক উন্মোচিত কৰাত শ্ৰীশৰ্মা পূজাৰী সফল হৈছে। 'কাঞ্চন' শীৰ্ষক উপন্যাসখনে আধুনিক জীৱন-যন্ত্ৰণাৰ বাৰ্তা দাঙি ধৰিছে।'

এম. জমিৰুদ্দিন চৌধুৰী— 'আমি সাধাৰণ মানুহ, সাধাৰণ পাঠক। আমোলাতন্ত্ৰই সৃষ্টি কৰা 'কাঞ্চন'ৰ দৰে চগাবোৰক সাধাৰণ দৃষ্টিৰে ভোগবাদৰ চিকাৰ হোৱা পতিতা বুলিয়েই আমি ভাবো। কিন্তু সমাজেই যে এগৰাকী 'কাঞ্চন' সৃষ্টি কৰে, পুৰুষৰ শোষণ প্ৰবৃত্তিত 'কাঞ্চন'হঁতৰ জন্ম হয়— সেই কথা বিচাৰ কৰি চাবলৈ সহানুভূতিৰ

দৃষ্টি আপুনি পঢ়ুৱৈক দিলে। আপুনি কাঞ্চনক অসতীও বোলা নাই আৰু ভাল বুলিও কোৱা নাই। এটা যেন বৈজ্ঞানিক পৰীক্ষাগাৰত চৰিত্ৰ এটি সুমুৱাই আপুনি নানা তৰহেৰে পৰীক্ষা কৰি পঢ়ুৱৈক বিচাৰ কৰিবলৈ সুবিধা দিছে।'

'কাঞ্চন' উপন্যাসখন সাধাৰণতে আমাৰ সমাজৰ নাৰীৰ যিটো অস্তিত্ব তাৰ এটা বিপৰীত ৰূপত কাঞ্চন নামৰ এগৰাকী নাৰীৰ জৰিয়তে উপন্যাসখনত এটা চৰিত্ৰ প্ৰকাশ কৰিছে। কাঞ্চন হৈছে এগৰাকী নাৰী, যিজনীয়ে এটা অফিচত কাম কৰে। এদিন অফিচৰ মানুহবোৰ গৈ গৈ শেষ হোৱাৰ পিছত যেতিয়া কাঞ্চন ঘৰলৈ যাবলৈ ওলাইছিল তেতিয়া পিয়ন বদৰৰ জৰিয়তে এছ. ডি. অ' ছাৰে কাঞ্চনক তেখেতৰ ওচৰলৈ মাতি পঠিয়াইছিল। অফিচলৈ নতুনকৈ অহা ইঞ্জিনিয়াৰ আকাশ জ্যোতি ফুকনৰ কাঞ্চনৰ সৈতে দুবাৰকৈ সাক্ষাৎ হৈছে ইতিমধ্যে। প্ৰথমবাৰৰ চিনাকি পৰ্ব। দ্বিতীয়বাৰ বৰবাবুৱে কাঞ্চনৰ বিৰুদ্ধে দিয়া এটা কমপ্লেনৰ তলব কৰিবলৈ ইঞ্জিনিয়াৰে কাঞ্চনক মাতি নিছিল। কাঞ্চনে তেতিয়াই বুজিছিল আকাশ জ্যোতি ফুকন আন অফিচাৰৰ দৰে নহয় বুলি। অফিচাৰ বুলিয়েই কাঞ্চনে আজিলৈকে কাকো পৰোৱাই কৰা নাছিল। কিন্তু এই আকাশ জ্যোতি ফুকনৰ সৈতে দ্বিতীয় সাক্ষাৎ হোৱাৰ দিনৰে পৰা এই অফিচাৰজনক আনবোৰৰ দৰে উলাই কৰিব তাই পৰা নাই। কাঞ্চন আৰু আকাশ জ্যোতিৰ মাজত কিছু সময় কথা হ'ল। কিছু সময়ৰ পিছত তাই ক'লে, "আমি সৰু কৰ্মচাৰী ছাৰ। কিন্তু সৰু কৰ্মচাৰীক বেয়া কৰে ডাঙৰ কৰ্মচাৰীয়ে বা অফিচাৰবোৰে। কথাষাৰ কোৱাৰ বাবে বেয়া নাপাব। মোৰ অফিচৰ টেবুলখনৰ যে কামৰ মৰ্যাদা আছে, সেই কথা প্ৰথম আপুনিয়েই ক'লে। লাহে লাহে সকলো গম পাব ছাৰ। প্ৰকৃততে কামত ফাঁকি দিয়া মানুহ মই নাছিলো। মই স্কুলত বৰ মেধাৱী ছাত্ৰী আছিলো।" এনেদৰে কাঞ্চনে তাইৰ অফিচৰ ছাৰ আকাশ জ্যোতি ফুকনৰ আগত কৈছে। তদুপৰি কাঞ্চনৰ এগৰাকী নাৰীৰ মাজত থকা যি নাৰীত্ব সেই গোটেইবোৰ অফিচত সোমোৱাৰ পিছৰ পৰা নোহোৱা হৈ গৈছিল।

কাঞ্চনৰ এগৰাকী ভনীয়েক আছে কণমাই। এদিন দুৱাৰত টক্‌টক্‌কৈ কেইবাটাও মৃদু টোকৰ পৰিল। কণমায়ে দুৱাৰখন খুলি এজন অচিনাকি মানুহ অহা দেখিলে, আৰু কাক লাগে সুধিলে। তেতিয়া মানুহজনে মই আকাশ জ্যোতি ফুকন, এইটো কাঞ্চনৰ ঘৰ হয়নে বুলি সুধিলে। তেতিয়া কণমায়ে হয় বুলি আকাশ জ্যোতিক ভিতৰত বহিবলৈ দি কাঞ্চনক মাতিলে। সিহঁতে অলপ সময় কথা পতাৰ পিছত কাঞ্চনে চাহ খোৱাৰ কথা আকাশক কৈ চাহ কৰিবলৈ ভিতৰৰ পাকঘৰত সোমাল। আকাশ জ্যোতিয়ে এখন এলবাম টেবুলৰ তলৰ পৰা টানি আনিলে। কাঞ্চনৰ বিভিন্ন

প'জৰ ফটো দেখিলে। আকাশ জ্যোতিয়ে ফটোৰ কাঞ্চনক দেখি তন্ময় হ'ল। কাঞ্চনক গুৰুত্ব দি তেওঁ কেতিয়াও চোৱা নাছিল। কাঞ্চনক সুন্দৰী বুলি ক'ব নোৱাৰি, কাঞ্চনৰ দৰে অপৰূপ নাৰী তেওঁ জীৱনত দেখা নাছিল। আকাশ জ্যোতিৰ এখন ফটোত চকু ৰৈ গ'ল। কাঞ্চনৰ চুলি চুটিকৈ কটা। এটা চুটি ফ্ৰক। ৰঙা। বাকলি গুচোৱা কলৰ পুলিৰ দৰে দুখন ভৰি এখন আনখনৰ ওপৰত। এক কথাত ক'বলৈ গ'লে উশাহ বন্ধ হৈ যোৱা অশ্লীল ফটো। কাৰণ কাঞ্চনৰ অন্তৰ্বাসলৈকে স্পষ্ট ফটোত। কিন্তু, আঁচৰিত কথা, কাঞ্চনৰ মুখত শিশুৰ দৰে এক অবোধ ছায়া। কাঞ্চনৰ পোন্ধৰ বছৰমানৰ ফটো নিশ্চয়। কাঞ্চন তেতিয়াৰ পৰাই তাৰমানে দুৰ্দান্ত ছোৱালী আছিল। এনেদৰে আকাশ জ্যোতিয়ে ভাবিছিল। কাঞ্চনে টেবুলত চাহৰ ট্ৰেখন থোৱাত আকাশ জ্যোতিয়ে তৎক্ষণাত এলবামখন জপাই দিছিল। আকাশ জ্যোতিয়ে গম পোৱা নাছিল, কাঞ্চন কেনে চৰিত্ৰৰ নাৰী। কিন্তু তেতিয়াৰ পৰা তেওঁৰ মনত অলপ সন্দেহ হৈছিল।

আকাশ জ্যোতিৰ লগত থাকি থাকি কাঞ্চনৰ চৰিত্ৰ আগতকৈ ভাল হৈ আহিছে। আগতে, কোনো বৰবাবু বা আন কোনোক লগ পাই তাই যেনেকুৱা আচৰণ কৰে, আজিকালি সেইবোৰ কমি গৈছে আৰু অফিচৰ লোকসকলেও এই পৰিৱৰ্তন দেখিছে। অফিচত আকৌ আগতে অইন কৰ্মচাৰীতকৈ বৰবাবুৱে তাইকে বেছি গুৰুত্ব দিছিল। কিন্তু তেতিয়াৰ কাঞ্চন যেন এতিয়া নাই। তাইৰ সৰুৰ যিবোৰ চৰিত্ৰ তাই যেন লাহে লাহে সেইবোৰ গোটেই লাভ কৰাৰ পথত। কাঞ্চনৰ জীৱনলৈ আহিব যেন সেই সকলোবোৰ, য'ত লুকাই আছে তাইৰ পৱিত্ৰতা। লম্পট পুৰুষৰ কাৰণে সমাজত স্থান নোপোৱা আৰু সমাজত অপৱিত্ৰ বুলি ভৱা এই নাৰীসকলক যেন সকলোৱে ঘৃণা কৰে। কিন্তু এই ঘৃণাৰ সৃষ্টি কৰে পুৰুষেই আৰু এই ঘৃণাৰ পথ সমাজক দেখুৱাই দিয়ে এই পুৰুষেই। নাৰীৰ জীৱন ধ্বংস কৰি পৃথিৱীত মুখ দেখুৱাবলৈ সক্ষম নোহোৱা, সেই কাপুৰুষ, যিয়ে কাঞ্চনৰ লগতে সমগ্ৰ বিশ্ববাসীৰ মাজত লুকাই থাকি নাৰী জাতিক নগ্ন কৰি আছে।

কাঞ্চন যেতিয়া স্কুললৈ যায়, তেতিয়া কাঞ্চন ভালেই আছিল। অফিচৰ সেই লম্পট বৰবাবুবোৰৰ বাবেহে তাইৰ এনে গতি হ'ল। কাঞ্চনে বৰ্তমান তাইৰ অতীতৰ যি সময় সেইবোৰ পাহৰি যেন এক নতুন ৰূপত জন্ম ল'বৰ বাবে চেষ্টা চলাই আছে, সেই অহৰহ চেষ্টা আমাৰ সমাজতো যিবোৰ এনেধৰণৰ নাৰী আছে তেওঁলোকেও কৰা উচিত। তেওঁলোকক সমাজে সমাজৰ কলংক বুলি ভাবে আৰু সিহঁতেও কিজানি নিজকে কলংক বুলি ভাবে। কিন্তু এই মনোভাব এৰি কাঞ্চনৰ দৰে ঠিক

একে মনোভাব লৈ ভৱিষ্যতৰ এক নতুন জীৱনলৈ ঢাপলি মেলা এইগৰাকী নাৰীয়েহে পৃথিৱীৰ তথা আমাৰ সকলোৰে নাম উজ্জ্বল কৰাত সহায় কৰিব। সেয়েহে কাঞ্চনৰ দৰে এনে ঘটনা কাৰোবাৰ জীৱনত ঘটিলে তেওঁ পিছ হুহকি পৃথিৱী এৰি যোৱাৰ চিন্তা নকৰিব। বৰঞ্চ উন্নতিৰ পথত আগবঢ়াৰ বাবে চেষ্টা কৰিলে এদিন নিশ্চয় সফল হ'ব পাৰিব।

শেষত ঔপন্যাসিকে কৈছে— "কাঞ্চনৰ জীৱনৰ কাহিনীৰ শেষ নাই। কাঞ্চন জীয়াই আছে এতিয়াও এটি অফিচত। কাঞ্চনৰ দৰে সৰু-বৰ ঘটনাৰে বহু নাৰী জীয়াই আছে চৰকাৰী, বেচৰকাৰী অফিচত, ৰেষ্টোৰা, হোটেলত, ফুটপাথত। আধুনিক সভ্যতা আৰু আমোলাতন্ত্ৰত নতুন এক সংযোজন কাঞ্চনহঁত। সময়ৰ বুৰঞ্জীয়ে মানুহৰ সৈতে এইদৰে খেলা কৰি যাব নতুন নতুন পোছাকেৰে, বেশভূষাৰে।"

**সামৰণি ঃ** অনুৰাধা শৰ্মা পূজাৰীৰ কাঞ্চন এক অনন্য উপন্যাস। মই এই কাঞ্চন নামৰ কিতাপখন পঢ়ি তাৰ ভিতৰুৱা যিখিনি জ্ঞান লাভ কৰিছো; সেইখিনি সঁচাই প্ৰয়োজনীয়। কাৰণ বৰ্তমানৰ এক প্ৰধান সমস্যা হৈছে নাৰী নিৰ্যাতন। ইয়াৰ জৰিয়তে বহুতো নাৰীয়ে আত্মহত্যাৰ পথো বাছি লৈছে। কিন্তু কাঞ্চন নামৰ চৰিত্ৰটিত কাঞ্চনে যিটো পথ আমাক দেখুৱাইছে সেইটো সঁচাই অতুলনীয়। বৰ্তমান আমাৰ দেশৰ নাৰীয়ে স্বাধীনভাৱে কোনোফালে যাব নোৱাৰে। ৰাতি দেৰি হ'লে অফিচৰ পৰা অকলে আহিব নোৱাৰে। এইবোৰ হৈছে আমাৰ এক জ্বলন্ত সমস্যা। তেনে পৰিস্থিতিত কাঞ্চনে আমাক সকলোকে অৰিহণা আৰু অনুপ্ৰেৰণা যোগাইছে।

সেয়েহে কাঞ্চন উপন্যাসখন পঢ়ি মোৰ ভাল লাগিছে। তদুপৰি আমাৰ যুৱ সমাজে যাতে ভৱিষ্যতেও এনেকুৱা কিছুমান কিতাপ পঢ়ি নিজৰ লগতে লগৰ বন্ধু-বান্ধৱীকো এনেবোৰ কথা কৈ অনুপ্ৰেৰণা যোগোৱাৰ লগতে সমাজ সচেতনতাত অৰিহণা যোগায়। ◆

# ৰীতা চৌধুৰীৰ 'মাকাম'

জয়শ্ৰী দেৱী

**লেখিকাৰ পৰিচয় ঃ** ৰীতা চৌধুৰীয়ে সম্প্ৰতি অসমীয়া সাহিত্য জগতত এক সুকীয়া আসন দখল কৰিব পাৰিছে, নিজৰ অগতানুগিতক প্ৰকাশশৈলী, কাব্যগন্ধী গদ্যচয়ন আৰু বৈচিত্ৰ্যপূৰ্ণ আঙ্গিকৰ চমৎকাৰিত্বৰ গুণত। 'অবিৰত যাত্ৰা', 'নয়না তৰালী সুজাতা', 'ব্যৰ্থ মল্লাৰ', 'হৃদয় নিৰুপায়', 'পপীয়া তৰাৰ সাধু', 'মায়াবৃত্ত', 'মাকাম', 'দেও লাংখুই' আদি কেইখনমান অনবদ্য উপন্যাসৰ সৃষ্টি কৰি তেওঁ ইতিমধ্যে অসমীয়া পাঠকৰ মনত বলিষ্ঠ ছাপ বহুৱাব পাৰিছে। ৰীতা চৌধুৰীৰ এই সফলতাৰ সঁচাৰকাঠি হ'ল— গভীৰ জীৱনবোধ, সমাজ সাহিত্য আৰু মানুহৰ প্ৰতি থকা দায়িত্ববোধ, চৰিত্ৰসমূহৰ প্ৰতি গভীৰ মমত্ব আৰু মানৱীয় অনুকম্পা, কাহিনী কোৱাৰ অসামান্য ষ্টাইল বা ভঙ্গী আৰু সৰ্বোপৰি প্ৰকৃতিৰ প্ৰতি থকা একাত্মতা। তীক্ষ্ণ অন্তৰ্দৃষ্টি আৰু মননশীলতাৰে তেওঁ সমাজৰ বিভিন্ন স্তৰৰ চৰিত্ৰসমূহ বুটলি আনি সিবোৰত প্ৰাণৰ সঞ্চাৰ কৰি পাঠকৰ মাজলৈ প্ৰক্ষেপ কৰে। মাৰ্ঘেৰিটাৰ শ্যামল প্ৰকৃতিৰ কোলাত প্ৰকৃতিৰ পাঠ আওৰোৱা ৰীতা চৌধুৰীৰ উপন্যাসত নীৰৱ প্ৰকৃতিও চৰিত্ৰ একোটাৰ লেখিয়াকৈ বাঙ্ময় হৈ উঠে।

**গ্ৰন্থ সম্পৰ্কে আলোচনা ঃ** সাহিত্য অকাডেমী বঁটা বিজয়ী সাম্প্ৰতিক সময়ৰ অসমৰ প্ৰখ্যাত ঔপন্যাসিকা ড° ৰীতা চৌধুৰীৰ 'মাকাম' উপন্যাসখন অসমীয়া সাহিত্য জগতৰ অপূৰ্ব সৃষ্টি। অসমীয়া উপন্যাসৰ ইতিহাসত 'মাকাম' মাইলৰ খুঁটি স্বৰূপ। নিজৰ গৱেষণা কাৰ্যত নিবন্ধিত হৈ থাকোতে প্ৰত্যক্ষভাৱে লাভ কৰা অভিজ্ঞতাক অতি সাৱলীলভাৱে ঔপন্যাসিকা গৰাকীয়ে উপন্যাসখনত জীৱন্ত ৰূপদান কৰিবলৈ সক্ষম হৈছে।

ছশ ছয় পৃষ্ঠাজোৰা এই বৃহৎ কলেবৰৰ উপন্যাসখনত ভাৰতভূমিত বসবাস কৰা চীনা মূলীয় ভাৰতীয়সকলে ভাৰত চীনৰ যুদ্ধৰ সময়ত কিদৰে নিৰ্যাতন সহ্য কৰি এই দেশৰ পৰা ৰাজনৈতিক কাৰণত বিতাৰিত হ'বলগীয়া হৈছিল সেয়া

ঔপন্যাসিকাগৰাকীয়ে সুন্দৰভাৱে উপস্থাপন কৰিছে। বৃহৎ কলেবৰৰ এই উপন্যাসখন তিনিটা প্ৰধান খণ্ডত বিভক্ত কৰা হৈছে। উপন্যাসখনৰ প্ৰথম খণ্ডত চিৰজীৱন দাসত্বৰ বোজা কঢ়িয়াই থকা দুৰ্ভগীয়া সেই চীনা কৃতদাসসকলক কিদৰে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমলৈ আনি চাহ খেতি কৰিবলৈ খটুৱাইছিল তাৰ বৰ্ণনা আছে। চাহ বাগিছা স্থাপনকে ধৰি চাহ খেতিৰ লগত জড়িত সমস্ত কাৰ্য এই লোকসকলে কৰিবলগীয়া হৈছিল। ইংৰাজ চাহাবৰ পৰা অশেষ নিৰ্যাতন লাভ কৰি যে এসময়ত বহু বনুৱাই 'কানীয়া' হৈ নিজৰ জীৱনলৈ ইচ্ছামৃত্যু মাতি আনিছিল তাৰো জীৱন্ত বৰ্ণনা উপন্যাসখনত দৃষ্টিগোচৰ হয়।

চাহ খেতি কৰি জীৱন নিৰ্বাহ কৰা এই লোকসকলে এসময়ত স্থায়ীভাৱে অসমত থাকি গৈছিল। থলুৱা মানুহৰ লগত বিয়া বাৰুৰে সম্বন্ধ স্থাপন কৰি এই লোকসকলে স্থানীয় অসমীয়া ভাষাও আয়ত্ব কৰিছিল। এনেদৰে চিৰঅৱহেলিত চিৰনিস্পেষিত এই লোকসকলে অসমী আইৰ কোলাত জীয়াই থাকিবলৈ প্ৰেৰণা পাইছিল। কিন্তু তেওঁলোকৰ জীৱনলৈ অমানিশা নামি আহে ১৯৬২ চনত হোৱা ভাৰত-চীনৰ যুদ্ধৰ পিছৰে পৰা। যুদ্ধৰ এই সংকটৰ সময়ছোৱাত একমাত্ৰ চীনামূলীয় হোৱা বাবে তেওঁলোকে ৰাজনৈতিক তথা সামাজিক আক্ৰোশৰ বলি হৈছিল। সেই সময়ত উজনি অসমৰ তিনিচুকীয়া জিলাৰ মাকুম চহৰৰ প্ৰায় ১৫০০ চীনা মূলীয় লোকক ৰাজস্থানৰ 'ডিটেনচন' কেম্পলৈ স্থানান্তৰিত কৰা হৈছিল। তাতো তেওঁলোকে চাৰিওফালৰ পৰা গৰিহণা লাভ কৰিছিল। বহু বছৰ পূৰ্বে চীন দেশ পৰিত্যাগ কৰি ভাৰতকে নিজৰ পূণ্যভূমি তথা মাতৃভূমি বুলি মানি লোৱা এই লোকসকলক যেতিয়া ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰোৱা হৈছিল, সেই মুহূৰ্ত্তটি আছিল ইতিহাসৰ এক অশুভ ক্ষণ। সিদিনা প্ৰতিজন লোকে হিয়া ধাকুৰি কান্দিছিল। যুদ্ধই তেওঁলোকৰ জীৱনলৈ অমানিশা কঢ়িয়াই আনিছিল। যুদ্ধৰ ফলস্বৰূপে যে মানুহে যুগে যুগে অকথ্য নিৰ্যাতন ভোগ কৰি আহিছে সেই দিশটি তেওঁলোকৰ প্ৰতীয়মান হৈছিল।

ড° চৌধুৰীৰ এই উপন্যাসখনে অতি কম সময়ৰ ভিতৰতে অভিলেখ সংখ্যক বিক্ৰী হোৱা উপন্যাসৰূপে স্বীকৃতি লাভ কৰে। উপন্যাসখনৰ জৰিয়তে এই প্ৰগতিবাদী লেখিকাগৰাকীয়ে অকল অসমতে নহয়, সমগ্ৰ বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ মানৱতাৰ জয়গান গোৱা এই ঔপন্যাসিকাগৰাকীয়ে উপন্যাসখনৰ প্ৰতিটো প্ৰান্ততে সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছে জীৱন্ত মানুহৰ কৰুণ ইতিহাস।

ড° চৌধুৰীয়ে এঠাইত উল্লেখ কৰিছে- "মোৰ লক্ষ্য ৰাজনৈতিক নহয়, কিন্তু যিবোৰ মানুহে ৰাষ্ট্ৰৰ ভুলৰ বশৱৰ্তী হৈ নিজৰ জীৱনটোক সলনি কৰি পেলালে তেওঁলোকক পোহৰাই তোলাটোহে মোৰ উদ্দেশ্য।" ঔপন্যাসিকাগৰাকীয়ে যি লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি উপন্যাসখন ৰচনা কৰিছে তাত তেওঁ এশ শতাংশই সফল হৈছে।

**সামৰণি ঃ** ইতিহাসৰ আঁৰত লুকাই থকা কেতবোৰ জীয়া সত্যক উপস্থাপিত কৰি লেখিকাগৰাকীয়ে মানৱতাৰ জয়গান গাইছে। যুদ্ধকালীন সময়ছোৱাত নিঃস্ব হৈ পৰা সেই দুৰ্ভগীয়া চীনামূলীয় ভাৰতীয়সকলৰ ওপৰত থকা কলংকৰ চাপ মচিবলৈ ঔপন্যাসিকাগৰাকীয়ে পুৰামাত্ৰাই চেষ্টা কৰিছে আৰু তেওঁ নিজৰ কাৰ্যত সফলো হৈছে। সাম্প্ৰতিক অসমৰ সাম্প্ৰদায়িক সংঘৰ্ষ জৰ্জৰ পৰিস্থিতিত মানুহৰ মাজত সাম্য আৰু মৈত্ৰীৰ ভাব প্ৰতিস্থাপিত কৰাৰ ক্ষেত্ৰত ড° চৌধুৰীৰ 'মাকাম' উপন্যাসখন এক দৃষ্টান্তমূলক উদাহৰণ হ'ব পাৰে। ♦

# ৰং বং তেৰাঙৰ 'জাক হেৰোৱা পক্ষী'

ভায়োলিনা বৈশ্য

**লিখকৰ পৰিচয় ঃ** 'ৰংমিলিৰ হাঁহিৰ' স্রষ্টা অসম সাহিত্য সভাৰ ২০০৯ চনত অনুষ্ঠিত হোৱা ধেমাজি অধিবেশনৰ সভাপতি, অসমীয়া সাহিত্যৰ অক্লান্ত সাধক, কথাশিল্পী ৰং বং তেৰাঙৰ জন্ম ১৯৩৭ চনৰ ১৩ জানুৱাৰী তাৰিখে কাৰবি আংলং জিলাৰ লাবুং দিংপি (বকলীয়া ঘাট)ত হৈছিল। তেওঁৰ পিতৃৰ নাম ৰূপছিং তেৰাং আৰু মাতৃৰ নাম বা-ইক ৰংহাংপী। তেওঁৰ কাৰবি পৰিয়ালত জন্ম হৈছিল। ১৯৫৭ চনত তেওঁ লংকা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ নগাঁও কলেজত নাম লগায়। ১৯৬২ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত অনাৰ্চ লৈ এম. এ. পাছ কৰে। প্ৰথম অৱস্থাত তেওঁ লংকা আৰু কাকী হাইস্কুলৰ লগতে ডিফু ছোৱালী হাইস্কুলতো শিক্ষকতাৰ কাম আৰম্ভ কৰে। শিক্ষকতাৰে জীৱন নিৰ্বাহ কৰা তেৰাঙে পিছলৈ ডিফু কলেজত অসমীয়া প্ৰৱক্তা হিচাপে যোগদান কৰে। তাৰ পিছত তেওঁ ২০০০ চনৰ ১ এপ্ৰিলৰ পৰা ২০০২ চনৰ ৩০ নৱেম্বৰলৈ ডিফু চৰকাৰী কলেজৰ প্ৰধান অধ্যক্ষ হৈছিল। 'শ্ৰীমদ্ভাগৱত গীতা' ১৯৮৬ চনত তেওঁ কাৰবি ভাষাত লিখিছিল। দীৰ্ঘদিন সাহিত্য সাধনাৰ স্বীকৃতি হিচাপে তেৰাঙে ২০০৮ চনত শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, ২০০৪ চনত অসম সাহিত্য সভাৰ বাসুদেৱ জালান বঁটা, ১৯৮২ চনত বিষ্ণুৰাভা বঁটা, ১৯৮৩ চনত প্ৰকাশন পৰিষদ বঁটা লাভ কৰাৰ উপৰিও ১৯৮৯ চনত 'ৰং মিলিৰ হাঁহি' উপন্যাসখনৰ বাবে তেওঁ ৰাষ্ট্ৰীয় সন্মান পদ্মশ্ৰী বঁটা লাভ কৰে। কেইবাখনো উপন্যাস, গল্প, প্ৰবন্ধ সংকলন প্ৰকাশ পোৱাৰ উপৰিও তেওঁ কাৰবি ভাষাত অনেক গ্ৰন্থ ৰচনা কৰিছে। তেওঁৰ উল্লেখযোগ্য ৰচনা হ'ল— 'ৰংমিলিৰ হাঁহি' (১৯৮১), 'কাৰবি লামতাছাম' (কাৰবি - অসমীয়া অভিধান), 'সমন্বয় প্ৰৱাহ' (প্ৰবন্ধ সংকলন; ১৯৮৯), 'বন ফৰিঙৰ গীত' (গল্প সংকলন; ১৯৯০), 'নীলা অৰ্কিড' (চুটিগল্প; ২০০৯), 'কান্তি কালৰ অশ্ৰু' (২০০৫), অনেক গল্প, প্ৰবন্ধ, উপন্যাস আছে।

**গ্ৰন্থখনৰ পৰ্যালোচনা ঃ** "উপন্যাসে নিজৰ কথাবোৰ নিজেই ক'ব। পাতনিৰে পৰিচয় কৰি দিয়াটো উপন্যাসে নিবিচাৰে। কাৰবি আংলঙৰ জনজীৱন বৈচিত্ৰ্যময় জীৱন। বৈচিত্ৰতাৰ উৎস হ'ল— সমিল-মিলেৰে বসবাস কৰা বিভিন্ন ভাষাগোষ্ঠীয় মানুহৰ এক সৌন্দৰ্যপূৰ্ণ ভাতৃত্ববোধ। কাৰবি জনজীৱন আৰু জন-সংস্কৃতিক বৰ্ণাঢ্য ৰূপত সজাই তুলিছে মানৱ ভাতৃত্বৰ মহামন্ত্ৰই। পাহাৰৰ সহজ-সৰল মানুহবোৰক সময়ে কেতিয়াবা কিন্তু নিষ্ঠুৰ কৰি তোলে। এইবোৰেই অপসংস্কৃতি। কাৰবি আংলঙতো অপসংস্কৃতিয়ে আত্মপ্ৰকাশ কৰিব ধৰিছে। এই উপন্যাসখন তেনে এটি দুঃসময়ৰ ঘটনাক লৈ লিখা। ইয়াৰ চৰিত্ৰ, কাহিনী আৰু লগতে গাঁওখন সম্পূৰ্ণ কাল্পনিক।"

উক্ত কথাখিনি ৰংবং তেৰাংদেৱে লিখা 'জাক হেৰোৱা পক্ষী' নামৰ উপন্যাসখনৰ পৰা তুলি দিয়া হ'ল। উপন্যাসখন কাৰবি আংলঙৰ ডিফু চহৰৰ ডিলাই পাহাৰৰ কাষৰ ৰংজাংফং নামৰ এখন গাঁৱৰ কাহিনী। উপন্যাসখনৰ প্ৰধান চৰিত্ৰ গাঁওখনৰ মুৰব্বী ৰাইছং তেৰাং। তেওঁৰ পৰিয়ালত তেওঁৰ ঘৈণীয়েক কাজিৰ ৰংহাৰপী, ল'ৰা দুটা ডাঙৰটো জিৰছং আৰু সৰু ল'ৰা লংকিৰি আৰু একমাত্ৰ জীয়ৰী লীৰ্বনেৰে ভৰা এখন সংসাৰ। ডাঙৰ ল'ৰা জিৰছঙে কুকি সম্প্ৰদায়ৰ ছোৱালী জুলিক বিয়া কৰাই জুলিহঁতৰ ঘৰতে থাকিবলৈ লৈছিল। কুকি সম্প্ৰদায়ৰ ছোৱালীক বিয়া কৰোৱা বাবে জিৰছঙে নিজৰ ঘৰলৈ আহিব পৰা নাছিল আৰু তাত থাকোতেই তেওঁলোকৰ এজনী কন্যা সন্তানৰ জন্ম হৈছিল আৰু তাইৰ নাম আছিল ৰূপ্লীন।

সৰু ল'ৰা লংকিৰি ডিফু চৰকাৰী কলেজৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। ৰাইছং বয়জ হোষ্টেলৰ ছাত্ৰবোৰৰ মাজত সিয়েই একমাত্ৰ ব্যতিক্ৰমধৰ্মী ছাত্ৰ। কলেজখনৰ ভিতৰতে এজন ভাল ডি-বেইটৰ হ'ল লংকিৰি। তাৰ প্ৰাঞ্জল যুক্তি, শব্দ প্ৰয়োগৰ কৌশল আৰু ক্ষুৰধাৰ সমালোচনাৰে থকা সৰকা কৰিব পৰা শক্তিৰে কলেজৰ ৰাংছিনা প্ৰেক্ষাগৃহত ধুমুহা সৃষ্টি কৰা ছাত্ৰ হ'ল লংকিৰি। তাৰ গাঁওখনত এনে পৰিৱেশ নথকাৰ বাবে এয়েই তাৰ মনৰ অশান্তি। কিন্তু সি কৰিবই কি? এই বৈষম্যবোৰ সি আঁতৰাবই বা কিহেৰে? এই সমস্যাবোৰৰ বিষয়ে বুজাব কাক, শুনিবইনো কোনে? গাঁৱৰ ল'ৰাহঁতৰ লগতো সি কথা পাতিব নোৱাৰা হয়, মনৰ ব্যৱধানৰ বাবেই। নিজৰ গাঁৱতেই আজি সি নিঃসঙ্গ! ঘৰলৈ আহিলেই চকুৰ আগত ভাহি থকা গাঁওখনৰ অৱস্থা দেখিলে, তাৰ দুখ লাগে। খেৰী ঘৰকেইটাৰ বাহিৰে ভাল বাৰী এখনো নাই গাঁওখনত। অথচ প্ৰতিটো ঘৰৰ কেউফালে অজস্ৰ মাটি পৰি আছে, জোপোহা,

কাঁইটীয়া হাবি আৰু জাৰমিন বনেৰে। "চকু মেল খাব কেতিয়া এই গাঁওখনৰ মানুহখিনিৰ ?" অন্য কথাটো বাদেই, বাঁহ এজোপাও লগাই লোৱা নাই, মানুহখিনিয়ে। বাঁহ নহ'লে ঘৰৰ কাম-বন নচলে বুলিও জানে সিহঁতে। পূজা-পাতলৰ পৰা কাঠি কামিলৈকেচোন বাঁহৰে প্ৰয়োজন। কিবা এটা নহ'লেই পাহাৰখনলৈ যাব, বস্তু বিচাৰি। এই যাযাবৰী স্বভাৱ কেতিয়া গুচিব বাৰু সেই গাঁৱৰ মানুহৰ মনৰ পৰা ?

গাঁৱলৈ আহিলেই লংকিৰিৰ মনটো মৰহি যাব ধৰে। স্থবিৰ হৈ পৰে তাৰ গতিশীল মনটো। পিছপৰা সমাজখন আৰু লগতে অভাৱ-অনাটনে জুৰুলা কৰা গাঁৱৰ মানুহখিনিক দেখিলেই, নিজকে বুজাব নোৱাৰি কান্দিবৰ মন যায়, তাৰ। হাবিতলীয়া গাঁও বুলিয়েই তাৰ গাঁওখনৰ বিকাশৰ সুবিধা জানো চৰকাৰখনে দিব নোৱাৰে ? জিলা গঠন হোৱাৰ পঞ্চাশটা বছৰৰ পিছতো পাহাৰৰ গাঁওবোৰে পৰিৱৰ্তনৰ মুখকে নেদেখিলে। পৰিৱৰ্তন নহ'ল তাৰ ৰংজাংফং গাঁওখনো। ডিলাই হিদিপি অঞ্চলৰ গাঁওবোৰৰ দৰে, তাৰ গাঁওখনৰ বিকাশ নহ'ল কিয় ? গাঁৱলৈ আহিলেই এই কথাবোৰে তাক জুমুৰি দি ধৰেহি আৰু সেইবোৰৰ কোনো সমাধানৰ উত্তৰ নাপাই সি ভিতৰি ভিতৰি বিদ্ৰোহী হৈ পৰিব ধৰে, তাৰ আধুনিক মনটোৱে।

ৰাইছং তেৰাঙে তেওঁৰ নতুন মিতিৰৰ ঘৰলৈ পুত্ৰ-বোৱাৰীৰ লগতে নাতিনীজনীক আনিব বুলি গৈছিল। মিতিৰৰ ঘৰত কেইদিনমান থকাৰ পিছত অকলশৰে নিজৰ ঘৰলৈ ঘূৰি আহিছিল। বেলি পাতত বহাৰ আগতেই ঘৰ আহি পোৱাৰ কথা ভাবিছিল, ৰাইছং তেৰাঙে। মিতিৰৰ ঘৰৰ পৰা ওলাই আহোতেই বেলি ডুবাৰ মান হৈছিলগৈ। তাতে পাহাৰীয়া বাট। গাড়ী-মটৰ, নচলা, লুংলুঙীয়া বাট। খোজকাঢ়ি আহি গাঁও পাওঁতে আন্ধাৰেই হৈছিল। গাঁওখনৰ মূৰতে কাংথেৰ তেৰাঙৰ ঘৰ। গাঁওখনৰ সিয়েই ৰিছ'বাছা (গাঁওবুঢ়া)। ইতিমধ্যে ডিলাই পাহাৰত লাইটবোৰ জ্বলি উঠিছিল। লাইটবোৰ নীলাভ আৰু ৰঙচুৱা। পোহৰৰ বিচিত্ৰ ৰূপবোৰে চূণশিলৰ কুৰেৰিবোৰত ভাবিব নোৱাৰা অন্য এক ডিফু চহৰৰ যেন সৃষ্টি কৰিব ধৰিলে। নিৰ্জন পাহাৰত যেন সাৰ পাই উঠিব ধৰিলে, অন্য এটি মায়াবী পাহাৰলৈ। জ্বলি উঠা লাইটবোৰলৈ চাই, আন্ধাৰত নিমৰ্জ্জিত হ'ব ধৰা তাৰ সৰু গাঁওখনৰ কথা ভাবি ভাবি, যাব ধৰিলে নীৰৱে। "এৰা মোৰ গাঁওখনকো ডিলাই পাহাৰৰ দৰে পোহৰাই তুলিব পৰা হ'লে ! হিদিপিৰ বজাৰখন পোহৰ হ'ল, কেৱল মোৰ গাঁওখনহে আন্ধাৰ হৈয়েই থাকিল। পোহৰৰ মুখ দেখিম বা কেতিয়া ? ত্ৰিশ বছৰেই হ'ল, ইলেকট্ৰিক লাইন অহাটো দূৰৰে কথা, অহা-যোৱা কৰা ৰাস্তাও আজিলৈকে নহ'ল। ভোট দিয়াৰ সময়ত নিজৰ

মানুহ বুলি ভোট দিওঁ, কিন্তু জিকাৰ পিছত সকলো কথা পাহৰি যায়। ছাৰ ৰংপিৰ সময়ৰে পৰা আজিলৈকে কিমানজনক ভোট দি জিকালে, কিন্তু পৰিৱৰ্তন হ'লে নহ'ল। এৰা, আমাৰ দুখ-কষ্টবোৰ বুজিব কোনে?" কেউফালৰ পৰা পিছ পৰি থকা তাৰ গাঁওখনৰ কথাবোৰ ভাবি ভাবি ৰাইছং ঘৰ অভিমুখে গৈ থাকিল।

ভাগৰ লাগি অহা দেহটোক জুৰ লগাবলৈ বুলি ৰাইছঙে চ'ৰা-ঘৰলৈকে সোমাই গ'ল। জুহালৰ কাষতে পাটীখন পাৰি থোৱাই আছিল। কান্ধৰ জোলোঙাটো পাটীখনৰ ওপৰতে থৈ উহুঁ বুলি সি লাহেকৈ বহি পৰিল। স্বতঃস্ফূৰ্তভাৱে ওলাই অহা 'উহুঁ' শব্দটোৱে যেন ৰাইছং তেৰাঙৰ দেহৰ সমগ্ৰ ভাগৰক একেবাৰতে উজাৰি প্ৰকাশ কৰিলে। আঘোন মাহ। বেলি মাৰ যোৱাৰ লগে লগে জাৰ ভাৱ আহি পৰেহি। ৰাইছঙেও জাৰ-জাৰ ভাৱ এটি অনুভৱ কৰিব ধৰিলে। জুহালৰ জুইৰ মৃদু তাপত, তাৰ হাত দুখন সেকিব ধৰিলে।

"এদিনতে ঘূৰি অহা মানুহটোৱে দেখোন কেইবাদিনো লগালে। ৰূপলীনহঁত নাহিল দেখোন। বেমাৰ-আজাৰ হোৱা নাইতো? পলম হোৱা দেখি মোৰ আকৌ চিন্তাই হৈছিল।" ঘৈণীয়েক কাজিৰ ৰংহাংপীয়ে জুহালৰ কাষলৈকে আহি, জুইৰ পোহৰত উজলি থকা গিৰিয়েকৰ মুখলৈ চাই সুধিলে আৰু কাষতে থকা পাটীখনত লাহেকৈ বহিলে। কাষতে থকা আদাৰ টোপোলা, জিৰলাং (নগা নহৰু) আৰু শুকান পহুৰ মঙহখিনি জীয়েক লীৱ্‌বনক ভালকৈ থ'বলৈ ক'লে।

জুহালত খৰি দুডালমান দি কাজিৰ লাহেকৈ উঠি ভিতৰলৈ গ'লগৈ। ঘৈণীয়েকে লগাই যোৱা খৰিকেইডালত জুই জ্বলি উঠিব ধৰিলে লাহে লাহেকৈ। জুইৰ পোহৰত চ'ৰা ঘৰটো উজলি উঠিল। ফটিকা এঢোক খাই, ৰাইছঙে ভাবিব ধৰিলে তাৰ সৰু ঘৰখনৰ কথা। কুকি ছোৱালী ঘৰ সোমোৱাত পৰিয়ালৰ মানুহখিনিয়ে ছিঃ-ছিঃ, ছাঃ-ছাঃ কৰাৰ পৰাই কিমান যে সমস্যাত সি ভুগিবলগীয়াত পৰিছে, সেয়া তাৰ বাহিৰে আনে বুজিব কেনেকৈ? অজাতিৰ ছোৱালীক ঘৰত সোমোৱাই সি হেনো সাত পুৰুষৰ বাবে ৰসাতললৈ গ'ল। কুকি ঘৰৰ ছোৱালীয়ে জানো কাৰবি ঘৰৰ নীতি-নিয়ম ধৰিব পাৰিব? সি হেনো তেৰাং বংশত কলংক সানিলে। এৰা, মই কৰিব পাৰো কি? আজিকালিৰ ল'ৰা, মাক-দেউতাকৰ কথা জানো শুনে? 'হিদিপি'ৰ বজাৰত লগ পাই ল'ৰাই ঘৰলৈকে লৈ আহিল। কুকিৰেই হওঁক বা কাৰবি ছোৱালীয়েই হওঁক, ছোৱালীজনীক ঘৰ সোমোৱাই লোৱাৰ পিছত, মই কৰিব পাৰো কি? বৰ বেছি

মই ল'ৰা-ছোৱালী হালক ঘৰখনৰ পৰা উলিয়াই দিব পাৰো। কিন্তু সেয়া জানো ভাল কাম হ'ব? কুলিগাঁৱৰ ছিংটেৰনৰ ল'ৰাই দেখোন আদিবাসীৰ ছোৱালী আনি সুন্দৰকৈ ঘৰ চলাই আছে। টেৰন পৰিয়ালৰ কিবা কলংক হ'লনে? সিহঁতৰ ল'ৰা-ছোৱালীয়ে সুন্দৰকৈ কাৰবি কথাও ক'ব পাৰে দেখোন। ৰূপালীনে কাৰবি কথা ক'ব নোৱাৰিব কিয়? আৰু বোৱাৰীজনী! তাই কি মানুহ নহয় নেকি? শিকিব-বুজিব নোৱাৰিব কিয়? ঘৰখনৰ পৰা আদৰ পালে, মৰম দিব জানিলে, সকলো ঠিক হৈ যাব। এই কথাটোক জিৰছঙৰ মাকক বুজাই আহিছোঁ, আনৰ কথাত কাণ নিদিবলৈ। ভুলেই হওঁক বা শুদ্ধই হওঁক ঘৰৰ ল'ৰাই দায় লগোৱাৰ পিছত, দুয়োখন ঘৰৰ পৰিয়ালৰ মাজত সৎভাৱ অনাটোহে আচল কথা।

অৱশেষত ৰাইছঙৰ ডাঙৰ ল'ৰা জিৰছঙ আৰু বোৱাৰী জুলি, নাতিনীয়েক ৰূপলীন নিজৰ ঘৰলৈ ঘূৰি আহিল। 'ৰূপলীন! মোৰ ওচৰলৈ আহ্‌চোন।" জুলিয়ে নতুন ঘৰটোত পৰ্দা লগাই লগাই জীয়েক ৰূপলীনক ক'লে, "যা মা সৌৱা ফু ফু (ককা)ৰে মাতিছে নহয়। জুলি কুকি ছোৱালী। দেখাত মৰম লগা, ধুনীয়াও। যোৱাকালি আহিয়েই তাই নতুন ঘৰখন ঠিক-ঠাক কৰাত ব্যস্ত হৈ পৰিছিল, পুৱাৰে পৰা। ৰাইছঙে চ'ৰা ঘৰত ঢাৰিত বহি আঁতৰৰ পৰা চাই আছিল নাতিনী ৰূপলীনলৈ। অচিনাকি হেতু ৰূপলীনেও ককাকৰ ওচৰ চাপিবলৈ সংকোচবোধ কৰিছিল। ৰূপলীনৰ দেউতাক জিৰছঙে পৰ্দাৰ কাৰণে বাঁহৰ কাঠি চাঁচি আছিল। ৰূপলীনক কাষতে বহুৱাই জুলি আকৌ ব্যস্ত হ'ল, ঘৰখন সজোৱাত। ঘৰখনত আচবাব বিশেষ নাই। জিৰছঙহঁতে স্কুলত পঢ়া সময়ৰে চকী, টেবুল, টুলকেইখনমান আছিল। সেইবোৰকে জিৰছঙে চাফ-চিকুণ কৰি জুলিক যতনাই দিছিল। জুলিয়ে টেবুল আৰু টুলখনৰ ওপৰত ফুলাম কাপোৰ পাৰি দি দেখনিয়াৰ কৰি তুলিলে। দুৱাৰত ওলমি থকা পৰ্দাখনে যেন ঘৰখনলৈ নতুন মৰ্যাদা আনি দিলে। জুলিৰ হাতৰ পৰশত ঘৰখনে নতুন ৰূপ লোৱাত, কাজিৰে আত্ম-সন্তুষ্টি লভিলে।

ছিংহাসন্ পাহাৰত হেনো কুকি আৰু কাৰবিৰ মাজত গুলীয়াগুলি হৈছে। হিদিপিৰ দোকানত ঘটনাৰ কথা শুনি, ৰাইছং তেৰাং মৰ্মাহত হৈ পৰিছিল। ঘৰলৈ ঘূৰি আহি সি ঘটনাটোৰ বিষয়ে ঘৰত কাকো নজনালে। কঠিয়া ধান থবৰ কাৰণে জুহালৰ কাষতে বহি, টোম সাজি-সাজি ৰাইছঙে চিন্তা কৰিব ধৰিলে— 'ইছ্‌কুল এখনতো বহুতো জাতিৰ ল'ৰা-ছোৱালী থাকে। হিদিপিৰ ইছকুলত মই জানো কাৰবি, অসমীয়া,

কছাৰী, বঙালী, কুকি আৰু বা কিমান কি? ল'ৰা-ছোৱালীৰ মনত জাত-পাতৰ ভাববোৰ সাধাৰণতে নাথাকে। কিন্তু মানজাৰ ইছ্‌কুলত কি হ'ল? ইছ্‌কুলত পঢ়ি থকা কুকি ল'ৰা দুটাক হত্যা কৰিব লাগেনে? ল'ৰাবোৰৰ কি হৈছে? কিহে পাইছে কুকি ল'ৰা দুটাক হত্যা কৰিবলৈ? সিহঁত কি সন্ত্ৰাসবাদী নে কাৰবি জাতিৰ ঘোৰ শত্ৰু সিহঁত? এনেবোৰ ঘটনাই গোষ্ঠী সংঘৰ্ষৰো সৃষ্টি কৰিব পাৰে। এনে সংঘৰ্ষ যে অতি ভয়ংকৰ। মানুহৰ তেতিয়া বিবেক জ্ঞান নাথাকেই। অন্ধ হৈ পৰে মানুহবোৰ। মানুহবোৰ পাগল হৈ পৰে হিংসা আৰু প্ৰতিহিংসাত। কাৰবি আৰু কুকি বিদ্ৰোহ গোট দুটাৰ মাজত সৃষ্টি হোৱা সংঘাতে যদি আসুৰিক ৰূপ লয়, তেনেহ'লে দুয়োটা জনগোষ্ঠীৰেই দেখোন ধ্বংস অনিবাৰ্য।

অক্ কেহাই গাঁৱৰ গীৰ্জা ঘৰত কাৰবি খ্ৰীষ্টান ভক্তসকলক হত্যা কৰা ঘটনাই কেৱল ৰং জাং ফং গাঁৱতেই নহয়, গোটেই ডিলাই-হিদিপি অঞ্চলকো কঁপাই তুলিছে। প্ৰাৰ্থনাৰত মানুহকে গুলীয়াই হত্যা কৰাৰ দৰে জঘন্য কাৰ্য আৰু আছেনে? ৰং জাং ফং গাঁওবাসীও আতংকগ্ৰস্ত হৈ পৰিল। জুহালৰ কাষতে বহি ৱাইছঙে পৰিস্থিতি সম্পৰ্কে চিন্তা কৰিব ধৰিলে অকলে। সন্ত্ৰাসবাদীৰ চকুত ধৰ্ম-অধৰ্ম একো নাই। হত্যা, ধ্বংস কৰাটোৱেই সিহঁতৰ ধৰ্ম।

জ্বলি-জ্বলি শেষ হ'ব ধৰা অৱশিষ্ট খুঁটাবোৰ ধোঁৱাই আছিল। ধোঁৱাই থকা খুঁটাবোৰৰ সৈতে জ্বলি শেষ হোৱা ঘৰখনলৈ বিষন্ন মনেৰে চাই ৰ'ল ৱাইছং তেৰাঙে। জ্বলি ছাই হোৱা ঘৰখনলৈ মূৰে-কঁপালে হাত দি, অসহায়ভাৱে চাই থাকিল কাজিৰ ৰংহাংপীয়েও। ৰূপ্লীনক সাৱটি লৈ লীৰ্বনেও চাই থাকিল, ভীতিগ্ৰস্ত দৃষ্টিৰে। ৰূপ্লীন আৰু লীৰ্বনৰ কাষতে থিয় দি জুলিয়ে অশ্ৰু টুকিব ধৰিলে নীৰৱে। বাল্টিৰ পানীৰে জুই নুমুৱাবলৈ বৃথা চেষ্টা কৰিব ধৰিলে জিৰ্ছং তেৰাঙে অকলে। গাঁওখনৰ আন ঘৰবোৰৰ লগতে ৱাইছঙৰ ঘৰখনকো কুকি সম্প্ৰদায়ৰ সন্ত্ৰাসবাদীহঁতে জ্বলাই আঁতৰি গ'ল পুৱতি নিশাই। জুই আৰু বন্দুকৰ শব্দ শুনি মানুহবোৰৰ হুৱা-দুৱা লাগিছিল আৰু আতংকগ্ৰস্ত হৈ যেনিয়ে-তেনিয়ে পলাইছিল প্ৰাণ ৰক্ষাৰ কাৰণে। ৱাইছংহঁতেও কাষৰ হাবিয়নিৰ মাজত আত্মগোপন কৰিবলৈ বাধ্য হৈছিল। গাৰ কাপোৰখনকে কামুৰি-কামুৰি নীৰৱে অশ্ৰু বোৱাই জুলিয়ে চাই ৰ'ল গিৰিয়েক জিৰছঙলৈ। ঘৰখন জ্বলাৰ লগতে তাইৰ অন্তৰতো অন্য একুৰা জুই জ্বলিব ধৰিলে আনে নজনাকৈ।

....."এই ঘটনাৰ পাছত গাঁওখনৰ লগতে ঘৰখনৰো অভিশাপ মোৰ ওপৰত আহি নপৰিবনে? মই জানো গাঁওখনত এলাগী হৈ নপৰিম? শাহু আয়ে জানো বিশ্বাসৰ চকুৰে চাব? এই জুই জানো নুমুৱাব পাৰিম এবাল্টি পানীৰে?" কথাবোৰ ভাবি নিজকে বুজাব নজনা হ'ল জুলিয়ে। হুৰাওৰাৰে কান্দি দিলে জুলিয়ে। ৰাইছঙে বোৱাৰীৰ মনৰ আৱেগৰ কথা বুজি পালে। পুহমহীয়া জাৰতো তাৰ মুখখন ঘামিব ধৰিলে। গাত লৈ থকা কাপোৰখনেৰে মুখত বিৰিঙি উঠা ঘামবোৰ মচি সি ক'লে- "বোৱাৰী কৰি তোমাক আনিলো। এতিয়া মই উভতি যাবলৈ নকওঁ। তোমাৰ জাতিৰ সন্ত্ৰাসবাদীহঁতে আহি ঘৰ জ্বলালে বাবেই তুমি নিজকে কিয় দোষী কৰিবা? তুমিতো আমাৰ ঘৰ জ্বলাবলৈ অহা নাই, ঘৰখন বান্ধিবলৈহে আহিছা। আই, মই কি সতেনো তোমাক উভতি যাবলৈ কওঁ। এয়া হ'ব নোৱাৰে। ঘৰ জ্বলিল। অকল আমাৰ ঘৰেইতো জ্বলা নাই। তোমালোকৰ বংশ-পৰিয়ালৰ ঘৰবোৰকো জ্বলাইছে আমাৰ কাৰবি সন্ত্ৰাসবাদীহঁতে। সন্ত্ৰাসক ভালপোৱা মানুহবোৰৰ কোনো জাত নাই, ধৰ্ম নাই। এই ঘটনাবোৰ দেশৰ বাবে, জাতিৰ বাবে একো-একোটা দুৰ্যোগ। সদায় নাথাকে। তুমি মিছাতে দুখ নকৰিবা। বিপদৰ সময়ত, সৌ পাহাৰটোৰ দৰে স্থিৰ হৈ থাকিব লাগিব।"

ৰঙা ৰঙৰ প'হঁখন মূৰত মেৰিয়াই, ৰাইছং তেৰাং ঘৈণীয়েকৰ কাষলৈ আহি সকলোকে শুনাই ক'লে- "এয়া মোৰ শেষ কথা। মোৰ এই জ্বলা ঘৰটোৰ ভেটিত এখন নতুন ঘৰ বান্ধিম আৰু ঘৰটো আমাৰ বোৱাৰীয়েই বান্ধিব লাগিব। ৰূপ্‌লীন হ'ব আমাৰ নতুন ঘৰৰ জীয়ৰী।" জুলিয়ে আৰু কথা ক'ব নোৱাৰিলে। তাইৰ দুগালেদি কেৱল অশ্ৰুৰ ঢল নামি আহিল অবিৰতভাৱে।

জ্বলি-পুৰি শেষ হ'ব ধৰা তাৰ গাঁওখনৰ খবৰ ল'বলৈ ৰাইছং তেৰাং খোজ ল'লে, ভাৰাক্ৰান্ত মনেৰে।

**সামৰণি** ঃ ৰং বং তেৰাংদেৱে সমাজৰ অপসংস্কৃতিবোৰক লৈ লিখা 'জাক হেৰোৱা পক্ষী' নামৰ কিতাপখন মই বাছনি কৰি লৈছো। সমিল-মিলেৰে বসবাস কৰা বিভিন্ন ভাষাগোষ্ঠীয় মানুহৰ সৌহাৰ্দপূৰ্ণ ভাতৃত্ববোধকো কেতিয়াবা অপসংস্কৃতিয়ে নিষ্ঠুৰ কৰি তোলে। এনে অপসংস্কৃতিৰ ফলত আমাৰ দেশৰ লগতে সমাজৰ বহুতো ক্ষতি সাধন হয়। সমাজৰ এনে অপসংস্কৃতিবোৰ নাইকিয়া কৰি দেশৰ লগতে সমাজখন সুন্দৰ আৰু উন্নতিৰ পথত আগুৱাই নিয়াটো আমাৰ কাম্য। ♦

# সুৰেশ শৰ্মা অনূদিত 'অদম্য শক্তি'

পূৰবী ৰাজবংশী

**আৰম্ভণি ঃ** সাহিত্য জাতিৰ দাপোন। সাহিত্যৰ মাজেৰে প্ৰকাশ পায় সুন্দৰতা। সংস্কৃতত এটি শ্লোক আছে—

*"সাহিত্য, সংগীত কলবিহীন।*

*সাক্ষাৎপশ পুচ্ছবিষান্নহীন।"*

সাহিত্য সংগীত কলাবিহীন লোক সাক্ষাৎ পশুসদৃশ। মা-দেউতা আৰু শিক্ষাগুৰুসকলৰ উপদেশ শিৰোধাৰ্য কৰি মই সৰুৰে পৰা পাঠ্যপুথিৰ লগতে সাধু, জীৱনী, গল্প, প্ৰবন্ধ আদি বিভিন্ন কিতাপ পঢ়িছিলো। সৰুতে দেউতাই মোক বহুতো কাহিনী আদি কৈছিল আৰু সেইবিলাকৰ পৰা কি শিকিব পাৰি তাকো অৱগত কৰিছিল। ফলস্বৰূপে শৈশৱৰ পৰা কাহিনী, প্ৰবন্ধৰ কিতাপ পঢ়িবলৈ মোৰ ধাউতি বাঢ়িছিল। সৌভাগ্যক্ৰমে এবাৰ মোৰ জন্মদিনত খুড়াই মোক এ.পি.জে. আব্দুল কালামৰ 'অদম্য শক্তি' নামৰ গ্ৰন্থখন উপহাৰ দিছিল। এই গ্ৰন্থখন অসমীয়ালৈ সুৰেশ শৰ্মাই অনুবাদ কৰিছে। গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ হৈছিল ২০০৭ চনৰ ডিচেম্বৰ মাহত।

**লিখকৰ পৰিচয় ঃ** সুৰেশ শৰ্মাৰ ১৯৫৫ চনত গুৱাহাটীৰ উত্তৰে প্ৰায় চল্লিশ কি.মি. নিলগৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত পিঙ্গলেশ্বৰ গাঁৱত জন্ম হয়। তেখেতে কটন কলেজৰ পৰা সংস্কৃতত অনাৰ্ছসহ স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যৰ এম. এ. ডিগ্ৰী লাভ কৰে। বৰ্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজপত্ৰিত বিষয়া (জ্যেষ্ঠ অনুবাদক) ৰূপে কৰ্মৰত । কাৰ্য্যালয়ৰ কামৰ উপৰি আজৰি সময়ত সাহিত্য চৰ্চা কৰা শৰ্মাই এসময়ত 'নতুন অসমীয়া', 'দৈনিক অসম', 'অসম বাণী' আদি পত্ৰ-পত্ৰিকাত নিয়মীয়াকৈ লেখা-মেলা কৰিছিল।

**গ্ৰন্থ সম্পৰ্কে আলোচনা ঃ** অদম্য শক্তিৰ লেখক মিছাইল মেন বিশেষণেৰে

বিভূষিত ভাৰতৰ ক্ষেপনাস্ত্ৰ কাৰ্যসূচীৰ অবিসম্বাদী পিতৃপুৰুষ ড° এ.পি.জে. আব্দুল কালামৰ সম্পূৰ্ণ নাম আবুল পাকিৰ জয়নুল আবেদিন আব্দুল কালাম।

ইং ১৯৩১ চনৰ ২৫ অক্টোবৰ তাৰিখে অবিভক্ত মাদ্ৰাজ (বৰ্তমান তামিলনাডু) প্ৰদেশৰ অন্তৰ্গত কুমাৰীকা অন্তৰীপৰ বিখ্যাত মন্দিৰ নগৰী ৰামেশ্বৰমৰ ধনুষকোডি গাঁৱৰ মছজিদ পথৰ এটি অতি সাধাৰণ তামিল ভাষী মুছলিম পৰিয়ালত আব্দুল কালামে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতাৰ নাম জয়নুল আবেদিন আৰু মাকৰ নাম আছিয়াম্মা আছিল। তেওঁৰ পিতাকে পাৰঘাটত মানুহ পাৰ কৰা নাও বনোৱা আৰু মেৰামতি কৰা কাম কৰিছিল যদিও প্ৰকৃততে তেওঁলোক আছিল মাছমৰীয়া মানুহ। আৰ্থিক অস্বচ্ছলতাৰ কাৰণে কালামহঁতৰ পৰিয়ালত দুবেলা দুসাজ ভাতৰ যোগাৰ কৰাটোৱে আছিল প্ৰতিদিনৰ চিন্তাৰ প্ৰাথমিক বিষয়। সেয়ে, পৰিয়ালটোত কিতাপক দুৰ্লভ বস্তু বুলিয়ে গণ্য কৰা হৈছিল। প্ৰতিবেশী পৰিয়ালৰ সমনীয়া ল'ৰাই স্কুললৈ গৈ পঢ়া-শুনা কৰা দেখি আব্দুল কালামৰ মনতো স্কুললৈ গৈ পঢ়া-শুনা কৰিবলৈ হাবিয়াস জন্মিছিল। কালামৰ পিতাকে কথাটো মন কৰি পুতেকক স্থানীয় প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিছিল। প্ৰাথমিক শিক্ষা সুখ্যাতিৰে সাং কৰাৰ পিছত অভিভাৱকে আব্দুল কালামক ৰামনাথপুৰমৰ শ্বৰ্টজ হাইস্কুলত নাম ভৰ্তি কৰি দিয়ে। এই সময়ত নিজৰ পঢ়া আৰু খোৱা খৰচ যোগাৰ কৰিবলৈ আব্দুল কালামে মানুহৰ ঘৰে ঘৰে বাতৰি কাকত বিতৰণ কৰা কাম কৰিছিল। প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিছত কালাম তিৰুচিৰাপল্লীৰ চেণ্ট জোচেফ কলেজত ভৰ্তি হয়। ইং ১৯৫৪ চনত কালামে সেই কলেজৰ পৰাই দ্বিতীয় শ্ৰেণীত বিজ্ঞানৰ স্নাতক (বি.এচ.চি.) উপাধি লাভ কৰে। তেৱেঁই হ'ল নিজ বংশৰ স্নাতক উপাধি লাভ কৰা প্ৰথম ব্যক্তি। ইং ১৯৫৮ চনত আব্দুল কালামে হল (হিন্দুস্থান এৰ'নেটিক্‌চ লিমিটেড)ৰ পৰা এৰ'নেটিকেল ইঞ্জিনিয়াৰিঙৰ স্নাতক উপাধি লাভ কৰে। ইং ১৯৮৮-৮৯ চনত ক্ৰমে পৃথ্বী আৰু অগ্নি ক্ষেপনাস্ত্ৰ সফলতাৰে উৎক্ষেপন কৰা কাৰণে আব্দুল কালামক 'পদ্ম-বিভূষণ' সন্মানেৰে বিভূষিত কৰা হয়। ইং ১৯৯৭ চনৰ ২৭ নৱেম্বৰ তাৰিখে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰতৰত্ন' বঁটা প্ৰদান কৰি ড° কালামক বিভূষিত কৰা হয়। তেওঁ বহুতো গ্ৰন্থ লিখিছিল। তাৰ ভিতৰত- 'অগ্নিৰ দেউকা', 'অদম্য শক্তি', 'তেজস্বী মন', 'ভাৰতবৰ্ষ ২০২০', 'মিছন ইণ্ডিয়া', 'পথ-প্ৰদৰ্শক আত্মা', 'ভাৰতৰ আত্মা' আদি উল্লেখনীয়। তেওঁ ২০০২-২০০৭ চনলৈ ভাৰতৰ দ্বাদশ ৰাষ্ট্ৰপতিৰ আসনত অধিষ্ঠিত হয়।

অদম্য শক্তিৰ লেখক এ.পি.জে. আব্দুল কালামে গ্ৰন্থখনত তেওঁৰ নিজৰ জীৱনত হোৱা অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰিছে। গ্ৰন্থখনৰ প্ৰধান ভাগবোৰ হ'ল— তেওঁক অনুপ্ৰাণিত কৰা ব্যক্তিসকল, তেওঁৰ শিক্ষাগুৰুসকল, শিক্ষাৰ উদ্দেশ্য, সৃজনশীলতা আৰু নতুনত্ব আদি। ইয়াৰে মই শিক্ষাৰ উদ্দেশ্য ভাগটোৰ বিষয়ে বৰ্ণনা কৰিছো।

**শিক্ষাৰ উদ্দেশ্য ঃ**

বিদ্যা-শিক্ষা যদি উদ্দেশ্যধৰ্মী হয়
সৃজনী প্ৰতিভা হ'ব প্ৰস্ফুটিত
সৃজনী প্ৰতিভা যদি প্ৰস্ফুটিত হয়
চিন্তাধাৰা হ'ব নিৰ্গত
চিন্তাধাৰা যদি নিৰ্গত হয়
জ্ঞানৰ দ্যুতি হ'ব বিকিৰিত
জ্ঞানৰ দ্যুতি যদি বিকিৰিত হয়
অৰ্থ ব্যৱস্থাও হ'ব
জয় জয় ময় ময়।

**শিশুৰ মুখৰ মিচিকিয়া হাঁহি অটুট থাকক ঃ** কণ কণ শিশুহঁতক আমি অনবৰতে হাঁহি থকা দেখা পাওঁ। কিন্তু পিঠিত মস্ত মস্ত জোলোঙাবোৰ লৈ বিদ্যালয়লৈ অহা-যোৱা আৰম্ভ কৰাৰ লগে লগে সিহঁতৰ হাঁহি আৰু অলপ কমে। কিন্তু উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ লগে লগে সিহঁতৰ মুখৰ হাঁহি কেনিবাদি অন্তৰ্ধান হয়।

কলেজ সোমোৱাৰ পিছত সিহঁত আৰু বেছি গহীন গম্ভীৰ হয়। কলেজৰ শিক্ষা সাং হোৱাৰ পিছৰে পৰা সিহঁত অনবৰতে চিন্তাগ্ৰস্ত অৱস্থাত থাকিবলৈ লয়। ইয়াৰ পিছত বা সিহঁতৰ ভাগ্যত কি আছে সেই লৈ চিন্তা-ভাবনাৰে গধুৰ হয় শিশু আৰু পিতৃ-মাতৃৰ মন। কোনো এক বিশেষ বৃত্তিৰ ক্ষেত্ৰত সোমোৱাৰ বাবে হ'বলগীয়া প্ৰতিযোগিতা আৰু তাৰ সৈতে যুক্ত বিত্তীয় সম্ভাৱনা আদিৰ চিন্তাই সকলোকে গ্ৰাস কৰে। এই অৱস্থাৰ অৱসান ল'বলৈ আমি আটায়ে সংগ্ৰাম কৰিব লাগিব।

শিক্ষা পদ্ধতিত সৃজনশীলতাক উৎসাহিত কৰিবলৈ হ'লে প্ৰথমতে স্কুলৰ প্ৰাথমিক স্তৰত কিতাপৰ বোজা কমাব লাগিব, মাধ্যমিক স্তৰলৈকে ক্ৰমান্বয়ে বঢ়াই দিব লাগিব। সেইদৰে উচ্চ স্তৰৰ শিক্ষা লাভ কৰালৈকে নিব লাগিব। তাৰ পিছত উদ্যোক্তা বা ব্যৱসায় আৰম্ভ কৰাৰ বাবে ছাত্ৰসকলৰ মাজত আত্মনিৰ্ভৰশীল ভাবৰ সৃষ্টি কৰিব লাগিব যাতে তেওঁলোক কৰ্মসংস্থান বিচৰাৰ সলনি সংস্থান উৎপাদক হ'ব পাৰে।

প্ৰাথমিক পৰ্যায়ত শিক্ষাই শিশুহঁতৰ পৰিৱেশ সম্বন্ধীয় কৌতূহল জগাব লাগিব আৰু সিহঁতৰ চিন্তন প্ৰক্ৰিয়াক হাতৰ কৌশল, অংগ আৰু দেহৰ সৈতে সুসমন্বিত অথবা একীকৃত কৰিব লাগিব। প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম; শিক্ষণ প্ৰণালী আৰু পৰীক্ষা পদ্ধতিৰ ব্যাপক সংশোধন আৱশ্যকীয় যাতে শিশুসকলৰ সৃজনশীলতাক উদ্দীপিত কৰি তাক বিকশিত হ'বলৈ সুযোগ দিয়া হয়। মাধ্যমিক পৰ্যায়ত পৰীক্ষা-নিৰীক্ষা, সমস্যা সমাধান আৰু দলবদ্ধ বা ঐক্যবদ্ধ কামৰ ওপৰত গুৰুত্ব দিব লাগিব। শ্ৰেণীকক্ষৰ বিদ্যা শিক্ষা গুৰুত্বপূৰ্ণ। সেই অৱস্থা পাবৰ বাবে বিদ্যালয়বিলাক শিক্ষাৰ কেন্দ্ৰ হোৱাৰ সলনি জ্ঞান আৰু দক্ষতাৰ কেন্দ্ৰ হ'ব লাগিব।

**পিতৃ-মাতৃৰ ভূমিকা ঃ** শিশুক উপযুক্ত শিক্ষা-দীক্ষাৰে প্ৰসিদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাত মাক-বাপেকৰ ডাঙৰ ভূমিকা আছে। শিশুক উপযুক্ত শিক্ষা দিয়াৰ ক্ষেত্ৰত তেওঁলোক সজাগ হ'ব লাগিব। নিজৰ সামগ্ৰিক ব্যৱহাৰ আৰু আচৰণৰ জৰিয়তে তেওঁলোকে শিশুৰ বাবে আৰ্হি দাঙি ধৰিব লাগিব। ইয়াৰ ফলত শিশুৰ মনত পিতৃ-মাতৃৰ প্ৰতি ভালপোৱা আৰু ভক্তিৰ ভাব জন্মিব আৰু তেওঁলোকক আদৰ্শ আৰ্হি জ্ঞান কৰিব।

**সামূহিক মিছন ঃ** সোতৰ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান বা চোৱা-চিতা, পিতৃ-মাতৃ, শিক্ষক, ঘৰ আৰু বিদ্যালয় চৌহদৰ সামূহিক মিছন। শিশু এটা প্ৰবুদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত পিতৃ-মাতৃ আৰু শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

শিশুটি ডাঙৰ হৈ স্কুললৈ যাব পৰা বয়স হোৱাৰ লগে লগে তাক নীতি জ্ঞানৰ শিক্ষাৰ প্ৰয়োজন। এনে শিক্ষা স্কুলতহে দিয়া হয়। চৰিত্ৰ গঠনৰ বাবেও স্কুলৰ পৰিৱেশটো গুৰুত্বপূৰ্ণ।

ল'ৰা-ছোৱালীৰ বিদ্যা-শিক্ষাৰ আচল সময় হ'ল পাঁচৰ পৰা সোতৰ বছৰ বয়সলৈকে। এখন সুস্থ আৰু নিকা সমাজ গঢ়িবৰ বাবে বিদ্যালয়ত বাৰ বছৰ কাল মূল্য আধাৰিত শিক্ষা প্ৰদান কৰাটো প্ৰয়োজন। এইখিনিতে মোৰ গ্ৰীক শিক্ষক বেষ্টোলজীৰ কথা এষাৰ মনত পৰিছে। তেওঁ কৈছিল, "মোক সাত বছৰৰ বাবে এটি শিশু দিয়া। তাৰ পিছত সেই শিশুটিক ঈশ্বৰ বা চয়তান যিয়েই নিয়ক লাগিলে, তেওঁলোকে শিশুটিৰ একো পৰিৱৰ্তন সাধিব নোৱাৰে।" এয়ে শিক্ষকৰ ক্ষমতা।

**বিদ্যালয়ৰ ভূমিকা ঃ** ল'ৰা-ছোৱালীৰ মাজত সৃজনশীলতা বঢ়োৱাৰ বাবে, বিদ্যাৰ্থীৰ মাজত বিদ্যা শিক্ষা অটুট ৰখাৰ বাবে আৰু পৰীক্ষাত অকৃতকাৰ্য হৈ পঢ়া

বাদ দিয়াৰ হাৰ কমোৱাৰ বাবে দেশত কেইটামান শিক্ষাৰ পৰীক্ষামূলক মডেল বা আৰ্হি আছে।

**ইচ্ছুক বিদ্যাৰ্থীৰ সৃষ্টি কৰক ঃ** অধ্যাপক এম আৰ ৰাজুৱে জন্মস্থান অন্ধ্ৰপ্ৰদেশৰ ভীমাবৰমৰ পাশ্বৰৰ্তী পেদ্দামীৰম নামৰ গাঁওখনত বাস কৰে। অধ্যাপক ৰাজুৰ জীৱনটো এটা ডাঙৰ আদৰ্শ কিয়নো তেওঁৰ দৰে এজন বিখ্যাত আণৱিক বিজ্ঞানীয়ে আমেৰিকাৰ চাকৰি ত্যাগ কৰি নিজৰ জন্ম ঠাইলৈ ঘূৰি আহিছিল। ঘূৰি আহোতে তেওঁ মনতে এটা দৃঢ় সংকল্প লৈ আহিছিল। নিজৰ পৰিয়ালৰ সহায়ত নিজ জন্ম ঠাই পেদ্দামীৰম আৰু তাৰ চৌপাশৰ ঠাইবিলাক ৰূপান্তৰিত কৰিম বুলি তেওঁ স্বদেশলৈ ঘূৰি আহিছিল।

নিজৰ পুঁজিৰে প্ৰফেছৰ বাবুৱে তেওঁ ওপজা গাঁওখনত মহাত্মা গান্ধী মেমোৰিয়েল মেডিকেল ট্ৰাষ্ট বোলা অনুষ্ঠান এটা স্থাপন কৰিলে। মাত্ৰ এটা দশকৰ ভিতৰতে তেওঁ আৰু তেওঁৰ দলটোৱে ভাৰতবৰ্ষ আৰু বিদেশৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অহা স্বেচ্ছাসেৱীৰ সহায়ত গাঁৱৰ মানুহৰ জীৱনলৈ এক বৃহৎ পৰিৱৰ্তন আনিবলৈ সমৰ্থ হ'ল।

তেওঁ ঘাইকৈ তিনিৰ পৰা পাঁচ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ চৰিত্ৰ গঠন আৰু মানসিক বিকাশত গুৰুত্ব দিছিল। সেই গাঁওখনত সেই বয়সৰ এশটা ল'ৰা-ছোৱালী আছিল। তাৰে পঞ্চাশটা উচ্চ উপাৰ্জনশীল পৰিয়ালৰ আৰু সেইখিনি ল'ৰা-ছোৱালীয়ে প্ৰাইভেট স্কুলত পঢ়িছিল। ত্ৰিশটা ল'ৰা-ছোৱালী বৰ দুখীয়া পৰিয়ালৰ আৰু চৰকাৰী বালাৱাদী বিদ্যালয়ত পঢ়িছিল। বাকী বিশটা ছাত্ৰ-ছাত্ৰীয়ে প্ৰফেছৰ এম. আৰ. ৰাজুৱে চলোৱা স্কুলত নামভৰ্তি কৰিলেহি। তেওঁৰ স্কুলৰ মাছুল হিচাপে মাক-বাপেকে প্ৰতিটো সন্তানৰ বাবে প্ৰতিমাহত নিজৰ এদিনৰ উপাৰ্জনৰ আধাখিনি ধন দিব লাগিছিল। ছাত্ৰীৰ বাবে তেওঁলোকে মাহিলি মাত্ৰ দহ টকাকৈ দিব লাগিছিল।

অধ্যাপক ৰাজুৰ স্কুলত তিনি মাহ পঢ়িলে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আনন্দ লাভ কৰে। তেওঁলোকৰ কোনোৱেই পৰীক্ষাত 'ফেইল' নকৰে। ই গোটেই গাঁওখনৰ পৰিৱেশটোকে সলনি কৰি দিছিল। স্কুলত অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সঁচাকৈয়ে কমি আহিল। গাঁওখন আৰু তাৰ পাশ্বৰৰ্তী এলেকাসমূহত এচাম আত্মবিশ্বাসী ডেকাৰ জন্ম হ'ল। অধ্যাপক ৰাজু আৰু তেওঁৰ দলটোৱে যোৱা দহ বছৰ ধৰি চলোৱা শিক্ষাদান পদ্ধতিৰ ওপৰত শিশু মনোবিজ্ঞানী আৰু শিক্ষাৰ সিদ্ধান্তবাদীসকলে গৱেষণা কৰিছিল। এই ব্যৱস্থাই শিশুসকলক স্কুললৈ যোৱাৰ আগতেই শিকাৰ প্ৰতি

আগ্ৰহী কৰে আৰু স্কুলত নামভৰ্তি কৰি নিয়মীয়াকৈ স্কুললৈ অহা-যোৱা কৰিবলৈ লোৱাৰ পাছত শিক্ষণ প্ৰণালীত উদ্যম সহকাৰে অংশ গ্ৰহণ কৰাত আগ্ৰহী কৰে। এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষা আন আন বিদ্যালয়তো হাতত লোৱা দেখা গৈছে।

**প্ৰতিভা চিনাক্ত কৰি প্ৰতিপালন কৰক ঃ** জাৰ্মানীত জন্ম গ্ৰহণ কৰিলেও ডেকা ছাত্ৰ এলবাৰ্ট আইনষ্টাইনে অধ্যয়ন কৰাৰ বাবে ছুইজাৰলেণ্ডৰ জুৰিখ্ পলিটেক্নিক্ ইনষ্টিটিউটলৈ গৈছিল। সেই শিক্ষানুষ্ঠানটোত এড্মিছন পোৱাৰ বাবে হাইস্কুলৰ চাৰ্টিফিকেটৰ প্ৰয়োজন নহৈছিল। কেৱল তাত এটা কঠিন প্ৰৱেশ পৰীক্ষা পতা হয় আৰু সেই পৰীক্ষাটোত পাছ কৰা নম্বৰ পালেই হ'ল। প্ৰৱেশ পৰীক্ষাটো দি আইনষ্টাইন কৃতকাৰ্য হ'ব নোৱাৰিলে যদিও তেওঁ গণিত আৰু পদাৰ্থ বিজ্ঞানত ব্যতিক্ৰমী নম্বৰ লাভ কৰিছিল। তেওঁৰ সেই নম্বৰ দেখি অধ্যক্ষই বৰ ভাল পালে। তাৰ পিছৰ বছৰত তেওঁ আইনষ্টাইনক প্ৰৱেশ পৰীক্ষাত নবহাকৈয়ে এড্মিছন দিব বুলি কথা দিলে। শিক্ষাই সংস্থান বা নিয়োগৰ সুযোগ সৃষ্টি কৰিব লাগিব।

**শিক্ষা সংক্ৰান্তীয় কৌশল বা নিপুণতা ঃ** স্বাক্ষৰতা আৰু গণিতিক জ্ঞান নাগৰিকৰ বাবে অত্যাৱশ্যকীয়।

**উদ্যমীৰ সৃষ্টি ঃ** আমাৰ দেশৰ উচ্চ শিক্ষা ব্যৱস্থাৰ যথেষ্ট বিকাশ হৈছে। প্ৰতি বছৰে প্ৰায় ত্ৰিশ লাখৰো অধিক সংখ্যক স্নাতকৰ জন্ম হৈ আছে। কিন্তু বিশ্ববিদ্যালয়সমূহৰ পৰা ওলাই থকা এই ব্যাপক সংখ্যক স্নাতকক নিয়োগ কৰিব পৰাৰ ক্ষমতা থকা আমাৰ নিয়োগ বা সংস্থান উৎপাদন ব্যৱস্থা নাই। ফলত শিক্ষিত নিবনুৱাৰ সংখ্যা ব্যাপক হাৰত বাঢ়ি গৈ আছে। তাৰ লগে লগে নিয়োগ বা সংস্থানৰ সুবিধা সৃষ্টি কৰিব লাগিব।

**ছাত্ৰই কি বিচাৰে ঃ** শিক্ষা ব্যৱস্থাই যাতে উদ্ভাৱনী আৰু সৃজনশীল মনক খোৰাক যোগাব পাৰে আৰু প্ৰত্যাহ্বান সৃষ্টি কৰিব পাৰে তাকেই বিচাৰে আজিৰ তৰুণ ছাত্ৰ সম্প্ৰদায়ে। তেওঁলোক হ'ল কাইলৈৰ স্ৰষ্টা— সেইটো আকৌ আজিয়েই ভাবিব বিচাৰে। উৎকৃষ্ট শিক্ষা ব্যৱস্থা তেওঁলোকৰ জ্ঞানৰ অদম্য স্পৃহা বা ভোকৰ নিবৃত্তি কৰাত সক্ষম হ'ব লাগিব।

বিকশিত ভাৰতবৰ্ষৰ সামাজিক আৰু প্ৰযুক্তি সম্বন্ধীয় আৱশ্যকতাসমূহৰ প্ৰতি সংবেদনশীল পাঠ্যক্ৰম বিকশিত কৰাৰ বাবে শিক্ষা প্ৰতিষ্ঠানসমূহ তৎপৰ আৰু সক্ৰিয় হ'ব লাগিব। উন্নয়ণৰ লক্ষ্যাভিমুখী ছাত্ৰ-ছাত্ৰীৰ কাম-কাজবোৰ বৰ্তমানৰ পাঠ্যক্ৰমৰ সৈতে একেদৰে একীকৃত বা সমন্বিত কৰিব লাগে যাতে জ্ঞানসম্পন্ন

সমাজৰ ভাবী লোকসকল সমাজ পৰিৱৰ্তনৰ সকলো দিশ বা পৰ্যায়ত সম্পূৰ্ণভাৱে বিকশিত হয়।

শিক্ষা জ্ঞান আৰু বিকাশ অথবা বুদ্ধিৰ পথেদি কৰা এক অন্তহীন যাত্ৰা। তেনে যাত্ৰাই মানৱ জাতিৰ উন্নয়ণৰ নতুন নতুন দিশ উন্মোচিত কৰিব য'ত সংকীৰ্ণতা, দ্বন্দ্ব-কলহ, ঈৰ্ষাপৰায়ণতা, ঘৃণা অথবা দ্বেষ আৰু শত্ৰুতাৰ অৱকাশ নাথাকে। ই মানুহক এক সম্পূৰ্ণ মানুহ, এক মহান আত্মা আৰু এই বিশ্বৰ এক সাধক হিচাপে ৰূপান্তৰিত কৰে। প্ৰকৃত শিক্ষাৰ বলত মানৱ জীৱনৰ গৰিমা বা মৰ্যাদা বাঢ়ে, স্বাভিমান আৰ বিশ্বভাতৃত্ব বঢ়ায়। ই তেনে শিক্ষাৰ আধাৰ বা ভেটি হয়।

**সামৰণি ঃ** সাহিত্য জগতত 'অদম্য শক্তি' গ্ৰন্থখন এক আপুৰুগীয়া সম্পদ। মই এই গ্ৰন্থখনৰ পৰা বহুতো শিক্ষামূলক কথা জানিব পাৰিলো। লগতে আব্দুল কালামৰ নিজ জীৱনৰ অভিজ্ঞতাৰ বিষয়েও জানিব পাৰিলো। এইবাবে কিতাপখন পঢ়ি মই এক অজান পুলক অনুভৱ কৰিছো। আশা কৰিছো যে যদিও ভিন্ন মানুহৰ ৰুচি ভিন ভিন তথাপি মোৰ দৰে আৰু বহুতে এই গ্ৰন্থখন পঢ়ি ভাল পাব। ♦

# লক্ষ্মীনন্দন বৰাৰ 'পাতাল ভৈৰৱী'

ভনিতা কলিতা

**আৰম্ভণি ঃ** কিতাপ পঢ়াটো এটা ভাল অভ্যাস। ই জ্ঞান লাভৰ পথো প্ৰশস্ত কৰে। পুথি অধ্যয়ন প্ৰকৃততে এটা অভ্যাসত পৰিণত হ'লে ভৱিষ্যত জীৱনত কিতাপেই প্ৰকৃত বন্ধু বুলি ধাৰণা হ'ব। ইয়েই সকলো ক্ষেত্ৰত সহায়ক হৈ পৰিব। আজৰি সময়ত মই অনেক ন-পুৰণি কিতাপ পঢ়িছো। প্ৰত্যেকখন কিতাপেই মোৰ প্ৰিয়, তথাপিও মোক বিশেষভাৱে আকৰ্ষণ কৰা গ্ৰন্থখন হ'ল ড° লক্ষ্মীনন্দন বৰাৰ 'পাতাল ভৈৰৱী।'

**লিখকৰ চমু পৰিচয় ঃ** ড° লক্ষ্মীনন্দন বৰাৰ জন্ম হৈছিল ১৯৩১ চনৰ নগাঁও জিলাৰ হাতীচোঙত। তেখেতে ১৯৪৮ চনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তেওঁ কেইবাখনো কলেজত অধ্যাপনা কৰি শেষত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বীৰূপে অৱসৰ লয়। ৰামধেনু যুগতে অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰা বৰাৰ কেইবাখনো উপন্যাস আৰু গল্পপুথি প্ৰকাশ পায়। সেইবোৰ হ'ল- 'গঙা চিলনীৰ পাখি', 'নিশাৰ পূৰবী', 'পাতাল ভৈৰৱী', 'দৃষ্টিৰূপা', 'সেই সুৰে উতলা', 'এৰাবাৰীৰ লেছেৰি' আদি। 'পাতাল ভৈৰৱী' উপন্যাসৰ বাবে ১৯৮৮ চনত সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰে। ড° বৰা ১৯৯৬ চনত অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়। তেখেতে অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ ৰূপেও কাৰ্যনিৰ্বাহ কৰে।

**গ্ৰন্থৰ আলোচনা ঃ** ড° লক্ষ্মীনন্দন বৰাই ৰচনা কৰা 'পাতাল ভৈৰৱী' এখন সামাজিক উপন্যাস। অসমীয়া সাহিত্যৰ আন দুই-চাৰিখন উপন্যাস জীৱনী, গল্পপুথি মই পঢ়িছো। কিন্তু পাতাল ভৈৰৱী উপন্যাসখনৰ প্ৰতি মই বিভিন্ন কাৰণত আকৰ্ষিত। সেইবাবে মই এই উপন্যাসখনৰ বিষয়ে লিখিবলৈ লৈছো।

**গ্ৰন্থৰ বিৱৰণ, বিষয়বস্তু, চৰিত্ৰ আদি ঃ** 'পাতাল ভৈৰৱী' উপন্যাসৰ মূল

চৰিত্ৰ হ'ল মুকুন্দ খাউণ্ড আৰু পাৰ্শ্ব চৰিত্ৰসমূহ হ'ল ইৰ্শ্বাদ খাঁ, হীৰা ৰহমান, দেউতা ওৰফে মুক্তা ৰহমান আৰু যশোৱা। অন্য কিছুমান উপ-চৰিত্ৰ হ'ল—দিল বাহাদুৰ, হিমাদ্ৰী, ৰছিব, ৰেণু, মণিকা, গোনা, জগ্নু আদি।

ঘটনাটো ঘটি থাকে। একোটা ঘটনাৰ লগত জড়িত মানুহখিনিৰ বা এটা বিশেষ মানুহৰ প্ৰতিক্ৰিয়া কেনে হয় সেইটোহে অধিক কৌতূহলৰ কথা। এইটো দিশ লক্ষ্য কৰি এই উপন্যাসখনৰ মূল চৰিত্ৰ মুকুন্দৰ জীৱনৰ একাংশ উপন্যাসখনত দাঙি ধৰা হৈছে। মুকুন্দৰ জন্ম হৈছিল কাঙ্খুলীজানত। তাৰ দেউতাকৰ আচল পৰিচয় নাছিল হেনো। কিছুমান মানুহৰ মতে সি মাকৰ কলঙ্কৰ পৰিণতি। তাৰ মাক আৰু সি ককাকৰ ঘৰ কহুৱামুখত আশ্ৰয় লৈছিল। মাকৰ মৃত্যু হোৱাত মুকুন্দই লুইত পৰীয়া চহৰৰ নৰ্থ ইষ্ট স্পৰ্টছ ক্লাবত যোগদান কৰে। কিন্তু তাৰ স্বাধীনচিতীয়া মনটোৱে সেই ক্লাবত বেছিদিন তিষ্ঠিব নোৱাৰিলে। ইয়াৰ আন এটা কাৰণ হ'ল সি লিখা-পঢ়া নাজানিছিল। তথাপিও সি ক্লাবৰ কাম সুন্দৰভাৱে চম্ভালিব পাৰিছিল, কিন্তু তাৰ স্বাধীনচিতীয়া মনটোৰ ওপৰত জাপি দিয়া ইউনিফৰ্ম আৰু ক্লাবৰ কিছুমান বিষয়ববীয়াৰ কাৰু-কাৰ্যই তাক ক্লাবৰ কাম ইস্তাফা দিয়াবলৈ বাধ্য কৰায়। তেতিয়ালৈ তাৰ সংসাৰখন পূৰ্ণ হৈ উঠিছিল যশোৱা আৰু দুটা ল'ৰা-ছোৱালীৰে। সেই সময়ত সিহঁতৰ অভিভাৱক স্বৰূপ আছিল ক্লাবৰ চৌহদতে থকা দিল বাহাদুৰ আৰু হিমাদ্ৰী। ক্লাবৰ কামৰ পৰা ওলোৱাৰ পিছত সি লগ পালে বৰ লুইতৰ বুকুত নাৱকে বাসস্থান কৰি লোৱা দেউতা ওৰফে মুক্তা ৰহমান আৰু বছিৰুদ্দিনক। সিহঁতেই তাৰ ভাগ্য সলনি কৰিলে বুলি ক'ব পাৰি। তেওঁলোকে তাক ইৰ্শ্বাদ খাঁ নামৰ এজন ব্যক্তিৰ ওচৰলৈ লৈ গ'ল। যাৰ পৰা সি খৰিকটীয়াৰ পৰা ৰজা হোৱাৰ নিচিনা অৱস্থাটো পালে। সাধাৰণ মানুহৰ চকুত পঙ্কিল জগতখনৰ অধিপতি হিচাপে 'কীৰ্তিমন্ত' ইৰ্শ্বাদ খাঁ আছিল আচলতে এজন স্মাগলাৰ, ড্ৰাগছ, কানি আৰু ক'লা ধনৰ ব্যৱসায়ী। এইখিনিতে ইৰ্শ্বাদ খাঁৰ পূৰ্ব কাহিনী অলপ হ'লেও বৰ্ণনা নকৰিলে ৰচনাখন আধৰুৱা হ'ব। ইৰ্শ্বাদৰ বাপেক চাজ্জিদৰ মৃত্যুৰ পিছত সৰু তামোল-পানৰ দোকানেই ইৰ্শ্বাদৰ আদিপৰ্ব আছিল। ইৰ্শ্বাদৰ বৰ্তমানৰ জীৱনৰ গুৰি গঢ়োতা হিচাপে হীৰাবাঈ (হীৰা ৰহমান)ৰ নাম ল'বই লাগিব। পিতৃ-মাতৃ আৰু প্ৰেম, জীৱনৰ আপোনজন ধনপত সিঙক লৈ বাস বিলাসিনী হৈ ঘূৰি ফুৰা হীৰাবায়ে মাতৃত্বৰ মৰমেৰে ইৰ্শ্বাদক আপোন কৰিছিল। হীৰাবায়ে আৰু ঘাটৰ নাৱৰীয়াৰ চৰ্দাৰ ৰঘুবীৰে আৰম্ভ কৰা ক'লা ব্যৱসায় তেওঁলোকৰ মৃত্যুৰ পাছত ইৰ্শ্বাদে চম্ভালিছিল। কম সময়তে ইৰ্শ্বাদে কিছুমান

দেশীয় আবকাৰী, পুলিচ বিষয়া, মন্ত্ৰী আদিৰ সহায়ত ক'লা ব্যৱসায়েৰে লক্ষাধিপতি হৈ উঠিল। এইটো স্বাভাৱিক কিয়নো মানুহবোৰ কানিৰ প্ৰতি অধিক আগ্ৰহী আছিল। কিন্তু ইৰ্শ্বাদ খাঁই এই ক'লাধন কিছুমান সমাজ সেৱাৰ কামতো ব্যৱহাৰ কৰিছিল। সমাজত নামঘৰ স্থাপন কৰা, দুখীয়া ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, বিয়া-বাৰু আদিত ইৰ্শ্বাদ খাঁই সহায় কৰিছিল। ইৰ্শ্বাদৰ লগত কাম কৰি মুকুন্দও দ্বিতীয়জন ইৰ্শ্বাদ হৈ পৰিছিল। সেই একেই উন্নতি, একেই ব্যৱসায়, একেই সমাজ সেৱা। কিন্তু পাৰ্থক্য এইখিনিতে সি ইৰ্শ্বাদৰ নিচিনা কঠোৰ হ'ব পৰা নাছিল। মুকুন্দই এই ব্যৱসায়ত হাত দিছিল যদিও এই ব্যৱসায়টোক সহজভাৱে ল'ব পৰা নাছিল। আনহাতে যশোৱাইয়ো তাক তেতিয়াৰ পৰা সহজভাৱে ল'ব পৰা নাছিল। তথাপি মুকুন্দক তাই কোনোদিনে ভুল ধৰা নাছিল। তাই আছিল পতিব্ৰতা নাৰী, তাই সুন্দৰভাৱে পতি আৰু সন্তানক লৈ সংসাৰধৰ্ম পালন কৰি গৈছিল। কিন্তু সময়ৰ সোঁতত তায়ো কেন্সাৰ ৰোগ হৈ মুকুন্দৰ পৰা আঁতৰি গ'ল। মুকুন্দই নিৰ্মাণ কৰা চিনেমা হলটো তেওঁলোকৰ মৰমৰ চিনৰূপে যশোৱাৰ নামেৰে প্ৰতিষ্ঠাপিত কৰিলে। মুকুন্দৰ কৰ্ম জীৱনত উদ্‌গণি যোগোৱা আন কেইগৰাকীমান নাৰী চৰিত্ৰ হ'ল ইৰ্শ্বাদৰ শেহতীয়া পত্নী ৰেণু, ধনৰ অভাৱত মুখা পিন্ধা ভদ্ৰলোকৰ কামনাৰ বলি হোৱা মণিকা কাকতি আৰু বশিষ্ঠ শৰ্মাৰ পত্নী ভানু শৰ্মা। মুকুন্দৰ নিজ গাঁও কান্ধুলিজান যেতিয়া বানাগ্ৰস্ত হৈ পৰিছিল তেতিয়া সিয়েই চৰকাৰৰ কাম কৰিছিল। মথাউৰি নিৰ্মাণ কৰা, বানাগ্ৰস্ত লোকক খাদ্যৰ যোগান ধৰা, ঔষধ পাতি আদি সকলোৰে যোগান ধৰিছিল মুকুন্দই নিজে। কাৰণ সি জানিছিল চৰকাৰৰ পৰা এইবোৰ আশা কৰাটো তেনেই অবিবেচকৰ কাম। যশোৱাৰ মৃত্যুৰ পাছত মুকুন্দই সেই ব্যৱসায়ৰ পৰা অব্যাহতি লৈ কান্ধুলীজান গাঁৱত বাস কৰিবলৈ ল'লে। তেতিয়াৰ পৰা সি গাঁৱৰ মানুহৰ আপোন হৈ পৰিছিল। মুকুন্দই ৰাইজৰ স্বাৰ্থত এম. এল. এ. হোৱাৰ বাবে ভোট যুদ্ধ খেলি এসময়ৰ ব্যৱসায়ী বন্ধু দশান যাদৱক নিজৰ প্ৰতিদ্বন্দ্বী আৰু ঘোৰ শত্ৰু কৰি লয় যাৰ ফলত সি দশাননে কৰা হত্যাৰ অপৰাধত জেলৰ ভাতো খাবলগীয়া হৈছিল। কিন্তু বিপুল জনতাৰ সমৰ্থনত ৰঞ্জু, চানুৰ (মুকুন্দৰ দুই পুত্ৰ) আৰু ৰেণুৰ সহযোগত মুকুন্দই কম সময়ত জেলৰ পৰা ওলাই আহিব পাৰিছিল।

**ভাল লগাৰ কাৰণ ঃ** উপন্যাসখনৰ চৰিত্ৰসমূহে সমাজৰ এক প্ৰকৃত স্বৰূপ দাঙি ধৰিছিল। উপন্যাসখনৰ দ্বাৰা ড° বৰাই ভ্ৰষ্টাচাৰ সমাজকৰ্মী সকলৰ চৰিত্ৰ উদঙাই দিছে। কিদৰে ৰাইজৰ শাসনভাৰ লৈ তেওঁলোকে কেৱল ব্যভিচাৰকহে যে

বেছি গুৰুত্ব দিয়ে তাকে ড° বৰাই উপন্যাসখনৰ যোগেদি প্ৰকাশ কৰিছে। 'পাতাল ভৈৰৱী' উপন্যাসৰ জৰিয়তে সমাজৰ জনসাধাৰণক সজাগ কৰিবলৈ চেষ্টা কৰা হৈছে। উপন্যাসখনৰ সংলাপ তথা বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্যৰ বাবে গ্ৰন্থখনি মোৰ প্ৰিয় হৈ পৰিছে।

**সামৰণি ঃ** একোখন কিতাপ পঢ়াৰ পিছত এটা সু-নিৰ্দিষ্ট নীতি বা আদৰ্শ লাভ কৰিব পাৰিলে মনত অপাৰ আনন্দ পোৱা যায়। কাহিনী, চৰিত্ৰ, প্ৰেম, পটভূমি, আঞ্চলিক বৈশিষ্ট্যৰে ভৰপূৰ 'পাতাল ভৈৰৱী' এখন সুস্থ সৰল সামাজিক উপন্যাস। 'পাতাল ভৈৰৱী' উপন্যাসখনে বৰ্তমান সমাজত চলা দুৰ্নীতি-ব্যভিচাৰৰ হুবহু চিত্ৰ অংকন কৰিছে। বৰ্তমান আমাৰ সমাজত চলা অন্যায়-অবিচাৰৰ পৰিসমাপ্তি ঘটাবলৈ এনেকুৱা এখন সুস্থ-সৰল উপন্যাস সঁচাকৈয়ে প্ৰয়োজন। ♦

# জগদীশ বৈশ্যৰ 'ওঁ নমো দামোদৰ গুৰু'

বৃকোদৰ দাস

**লিখকৰ পৰিচয় ঃ** শ্ৰীজগদীশ বৈশ্যৰ জন্ম হয় কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বাথান নামৰ গাঁৱত। উচ্চ শিক্ষা গ্ৰহণ কৰি তেওঁ চৰকাৰী চাকৰি মুখী নহৈ ব্যৱসায়-বাণিজ্য কৰি জীৱন নিৰ্বাহ কৰে। ব্যৱসায়-বাণিজ্য চলাই থকাৰ উপৰিও ধৰ্মীয় কামত ব্ৰতী হয়। তেওঁ ধৰ্মীয় গ্ৰন্থ 'ওঁ নমোঃ দামোদৰ গুৰু' ৰচনা কৰি প্ৰকাশ কৰি উলিয়ায়। গ্ৰন্থ প্ৰকাশ কৰাটো তেওঁৰ এটি মহৎ কাৰ্য। এই গ্ৰন্থখনৰ জৰিয়তে তেওঁ "বৈদিক সনাতন ভাগৱতী বৈষ্ণৱ ধৰ্ম" প্ৰচাৰ কৰাৰ উপৰিও শ্ৰীশ্ৰীদামোদৰ দেৱৰ মহিমা, অলৌকিক শক্তি আদি বিভিন্ন গুণৰাজি প্ৰকাশ কৰাৰ বাবে চেষ্টা কৰিছে।

**গ্ৰন্থখনৰ আলোচনা ঃ** অতীজৰে পৰা পাপক দমন কৰাৰ অৰ্থে মহান মহান গুৰু সকলৰ জন্ম হয়। পৃথিৱীৰ অনেক দেশত জন্ম গ্ৰহণ কৰাৰ দৰে আমাৰ অসমতো মহান মহান গুৰুৰ আবিৰ্ভাৱ হয়। সেইসকল হ'ল ক্ৰমে- গুৰু শ্ৰীমন্ত শংকৰদেৱ, গুৰু শ্ৰীমন্ত মাধৱদেৱ আৰু এই সকলৰ পিছত গুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰো আবিৰ্ভাৱ হয়। গুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পিতৃ সদানন্দ দেৱ আৰু শংকৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞা সমসাময়িকভাবে দুয়োজন হাজোৰ পৰা গৈ কুসুম্বৰ ভূঞা নগাঁও জিলাৰ অন্তৰ্গত বৰদোৱাত আৰু তাৰ কিছুদিনৰ পিছত দামোদৰ দেৱৰ পিতৃ সদানন্দদেৱ মৰিগাঁও জিলাৰ "নলপঞ্চা" নামৰ ঠাইত থিতাপি লয়।

১৪৮৮ চনত ফাগুন মাহৰ শুক্লা একাদশী তিথিৰ বৃহস্পতি বাৰৰ দিনা নলপঞ্চা গাঁৱতে সুশীলা দেৱীৰ গৰ্ভৰ পৰা এটি সূৰ্য উদয় হয় যাৰ নাম শংকৰদেৱে দিয়ে 'দামোদৰ'। শ্ৰীজগদীশ বৈশ্যৰ 'ওঁ নমো দামোদৰ গুৰু' পুথিখনৰ পৰা জানিব পৰা যায় যে দামোদৰ দেৱৰ পিতৃ সদানন্দ আছিল বিষ্ণু ভক্ত আৰু মাতৃ সুশীলা দেৱী আছিল স্বামী ভক্ত। গুৰু দামোদৰ দেৱ চন্দ্ৰ কলাৰ দৰে বাঢ়ি গৈ অষ্টম বৰ্ষত প্ৰৱেশ কৰে। সেই অষ্টম বৰিষতে যজ্ঞ সুত্ৰ কৰি কলাপ চন্দ্ৰ দ্বিজ নামৰ এজন বিদগ্ধ সংস্কৃত পণ্ডিতৰ

টোলত দামোদৰ দেৱক নাম লগাই দিয়ে। দামোদৰ দেৱে অতি কম দিনৰ ভিতৰতে চাৰি বেদ, চৈধ্য শাস্ত্ৰ, পুৰাণ, গীতা আৰু ভাগৱত আদি সমস্ত শাস্ত্ৰ পঢ়ি সমস্ত জ্ঞান অৰ্জন কৰে। ইয়াৰ পিছত সদানন্দই ষোড়শ বৰ্ষত বেদ বিহিত নিয়ম অনুসৰি দামোদৰৰ বিবাহ কাৰ্য সম্পন্ন কৰে। সদানন্দৰ তিনিজন পুত্ৰ আছিল। সৰ্বেশ্বৰ, ৰত্নাকৰ আৰু দামোদৰ দেৱ কণিষ্ঠ পুত্ৰ আছিল। দামোদৰ দেৱৰ বিবাহৰ এবছৰ মান পিছতেই দামোদৰ দেৱৰ পিতৃ সদানন্দৰ ১৯২৭ শকত তিনি কুৰি বছৰ বয়সতে স্বৰ্গগামী হয়। ক'বলৈ গ'লে ১৪২৭ শকৰ পৰা ১৪৩৮ শকলৈ এই সময়খিনিতেই দামোদৰ দেৱৰ জীৱনৰ এটা দুৰ্যোগপূৰ্ণ সময় আছিল বুলি 'ওঁ নমো দামোদৰ গুৰু' পুথিখনৰ পৰা জানিব পৰা যায়। গুৰু জনাই 'নলঞ্চা' এৰি আহি কামৰূপ ৰাজ্যৰ মধ্যে হাজোৰ ৰত্নেশ্বৰত বসবাস কৰে। ৰত্নেশ্বৰলৈ অহাটো ঈশ্বৰৰ ইচ্ছা আছিল। সেয়েহে, তেওঁ 'নাৰদ ৰূপী' সন্ন্যাসী এজনক লগ পায় আৰু তেওঁ মণিকূট পৰ্বতৰ তত্ত্বজ্ঞান প্ৰদান কৰে।

চৈতন্যদেৱ জগন্নাথ মন্দিৰলৈ গমন কৰাত গুৰু দামোদৰ দেৱও ভক্তি ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে ৰত্নেশ্বৰ গাওঁ এৰি ভটিয়াই আহে। ভটিয়াই আহি আহি ৰামৰায় নামৰ এজন সুন্দৰ দেহৰ লোকক লগ পায়। ৰামৰায়ৰ অনুৰোধ মৰ্মে বিয়াস পাৰলৈ গমন কৰে আৰু তাতেই গৃহ সাজি বাস কৰিবলৈ ল'লে। এদিনাখন দামোদৰ দেৱে প্ৰেত কাৰ্য সমাপন কৰি শংকৰদেৱৰ গৃহত গৈছিল। দামোদৰ দেৱে মনৰ বেদনা প্ৰকাশ কৰাৰ পিছত শংকৰদেৱে দামোদৰ দেৱক পৰামৰ্শ দিয়ে। সৰ্ব্বধৰ্মৰ সাৰ ভাগৱত ধৰ্ম। ভাগৱত ধৰ্মই কলি মলৰ ধূম কেতু নাশক। এই ধূমকেতু নাশ কৰিবলৈ হ'লে ভাগৱত ধৰ্মত দিক্ষিত হ'বই লাগিব। এই ধৰ্ম শ্ৰৱণ কৰা মাত্ৰকে দেহৰ সমস্ত পাপ ধ্বংস প্ৰাপ্ত হয় আৰু তেতিয়াৰ পৰাই দামোদৰ দেৱে ভাগৱত পাঠ কৰিবলৈ লয়। তেতিয়াৰ পৰা নিতৌ ভাগৱত পাঠ কুৰে। জনা মতে ৰাম ৰায় গুৰু আৰু শংকৰদেৱে জগন্নাথ শ্ৰীক্ষেত্ৰৰ পৰা আহি সংহিতা নামৰ পুস্তিকা এখন পাটবাউসী সত্ৰত দামোদৰ দেৱৰ হাতত অৰ্পন কৰিছিল। 'ওঁ নমো দামোদৰ গুৰু' পুথিখনৰ পৰা জনা যায় যে শ্ৰীমন্ত শংকৰদেৱে দামোদৰ দেৱক 'গুৰু' বুলি স্বীকৃতি প্ৰদান কৰে।

ৰাম ৰায়ে দামোদৰ দেৱক মনৰ পৰা গুৰু বুলি ভাবিছিল। সেয়েহে দামোদৰ দেৱৰ ওচৰত শৰণ ল'লে। ৰাম ৰায়ে ৰূপ এটোলা লৈ দামোদৰ দেৱক সত্ৰ বান্ধিবৰ কাৰণে কিছু মাটি দিলে আৰু এখন সত্ৰ নিৰ্মাণ কৰিলে। সত্ৰখনৰ নাম দিলে 'পাটবাউসী সত্ৰ।' পাট শব্দৰ অৰ্থ 'বেদী' আৰু বাউসী শব্দৰ অৰ্থ হ'ল 'ঠাই'। দামোদৰ দেৱে ১৪৬২ শকত পাটবাউসী সত্ৰখন স্থাপন কৰে। ইয়াৰ পিছতহে আন আন সত্ৰবোৰ

স্থাপন কৰে। দামোদৰ দেৱে পাটবাউসী সত্ৰত বাৰজন ভকত নিযুক্তি কৰে। ভকতসকল ক্ৰমে- বিষ্ণু দাস, পয়োনিধি, পৰমানন্দ, ৰাতুল চৰণ, মধু, কৃষ্ণানন্দ, ৰামানন্দ, হৰি, ৰঘুনন্দ, জগন্নাথ, ৰামদাস আৰু ৰাম ৰায়। এওঁলোকৰ সৈতে দামোদৰদেৱে পাটবাউসী সত্ৰত বহি নাম প্ৰসংগ অবিৰামভাৱে চলাই থাকিল। বিভিন্ন ঠাইৰ পৰা মানুহ হিল-দল ভাঙি আহিল আৰু দামোদৰদেৱৰ পৰা ভাগৱতৰ কথা শুনিলে। সেই সময়তে উজনিৰ পৰা এজন ভকতৰ আগমন ঘটিল নাম বংশী গোপাল। এওঁ শৰণ লোৱাৰ উদ্দেশ্যে দামোদৰ দেৱৰ ওচৰলৈ আহিছিল। শংকৰদেৱৰ নিৰ্দেশ অনুসৰি দামোদৰদেৱে বংশী গোপালক শৰণ দিয়ে। উজনিত ধৰ্ম প্ৰচাৰ কৰাৰ বাবে বংশী গোপাল দেৱে উজনিত প্ৰথমখন সত্ৰ স্থাপন কৰিলে। নাম দিলে 'কুৰুৱা বাহী সত্ৰ'। ইয়াৰ কিছুদিনৰ পিছতে বৰ নগৰৰ পৰা এজন ভকতৰ আগমন ঘটিল। তেওঁৰ নাম বৈকুণ্ঠ নাথ শৰ্মা। এওঁ দামোদৰ দেৱৰ ওচৰত শৰণ লোৱাৰ উদ্দেশ্যে পাটবাউসী সত্ৰলৈ আহে। এওঁ গুৰুৰ ওচৰত শৰণ লৈ গুৰুৰ নিৰ্দেশ মৰ্মে পাটবাউসী সত্ৰত ভাগৱত পাঠ কৰিবলৈ লয়। নিজৰ পাৰদৰ্শিতাৰ বাবে বৈকুণ্ঠ নাথৰ সলনি 'কবিৰত্ন ভট্টাচাৰ্য' আৰু শেষত ভট্টদেৱ নামেৰে বিভূষিত হয় আৰু পিছলৈ এওঁ গুৰুৰ একান্ত প্ৰিয় শিষ্য হয়। গুৰু দামোদৰ দেৱৰ প্ৰৱৰ্তিত 'বৈদিক সনাতন ভাগৱতী বৈষ্ণৱ ধৰ্ম' ভাগৱত আৰু বেদৰ ওপৰত প্ৰতিষ্ঠিত। গুৰুৱে বলি বিধান কাৰ্য বিশ্বাস নকৰিছিল। আনকি এই কামত বাধা প্ৰদান কৰিছিল।

এদিনাখন তোৰ্যানদীত স্নান কৰি উঠি আহোতে পানীৰ তলত এটা মূৰ্তি লগ পাই পাৰলৈ তুলি আনে আৰু দেখিলে সেইটো চতুৰ্ভুজ বিষ্ণুৰ মদন গোপালৰ মূৰ্তি। মূৰ্তিটো আনিবৰ বাবে চাৰিজন ভকত পঠিয়ালে কিন্তু আচৰিত কথা ভকতকেইজনে চেষ্টা কৰিও মূৰ্তিটো লৰাব নোৱাৰিলে। তেতিয়া গুৰুৰ বুজিবলৈ একো বাকী নাথাকিল। পিছত গুৰুৱে সেই মূৰ্তিটো আনি সত্ৰ স্থাপন কৰিলে। সকলো লোকে বিশ্বাস কৰিছিল যে দামোদৰ দেৱ বিষ্ণুৰূপে কলিত বেকত হৈছে।

প্ৰভু দামোদৰ দেৱে চাৰিদিশে চাৰিজন মহন্তৰ নাম প্ৰকাশ কৰে। উত্তৰ দিশত ভগৱান দেৱক অধিকাৰ সাব্যস্ত কৰে। দক্ষিণ দিশত সন্ত দেৱক, পশ্চিমত বলদেৱক, পাটবাউসী গ্ৰামে মধ্যত ভট্টদেৱক, উজনিত বংশী গোপাল দেৱক পূৰ্বতে অধিকাৰ পাতি থৈছিল আৰু সকলোকে সত্ৰ পালি থাকিবলৈ ক'লে। এইদৰে সকলো ভক্তকে আশ্বাসি প্ৰভুদেৱে পঞ্চতত্ত্ব এৰিবলৈ মন কৰে। ১৫২০ শকৰ বহাগ মাহৰ অমাৱশ্যাৰ শেষত (ইং ১৫৯৮ চনত) প্ৰতিপদ তিথিৰ দিনাখন এক শুভ মুহূৰ্তত প্ৰভু দামোদৰদেৱে নশ্বৰ দেহ ত্যাগ কৰি বৈকুণ্ঠ গমন কৰে।

গুৰু দামোদৰ দেৱৰ গুণ, জ্ঞান, ঈশ্বৰৰ ভক্তি, সাধাৰণ লোকৰ প্ৰতি শ্ৰদ্ধা আৰু ভকত সকলৰ প্ৰতি প্ৰেম আদিৰ বাবে গুৰু দামোদৰ দেৱ আজিও গুৰু হিচাবে উজলি আছে। প্ৰকৃতিৰ বুকুত দামোদৰ দেৱৰ কৃপাত বৈকুণ্ঠপুৰ সত্ৰ আজিও জিলিকি আছে।

**সামৰণি ঃ** শ্ৰীজগদীশ বৈশ্যৰ 'ওঁ নমো দামোদৰ গুৰু' পুথিখনৰ জৰিয়তে গুৰু দামোদৰ দেৱৰ জীৱন আৰু কৃতিৰ বৃত্তান্তমূলক আলোচনা কৰা হৈছে। গ্ৰন্থখনত গুৰু দামোদৰ দেৱৰ জীৱনটো কেনেদৰে অতিবাহিত হৈছিল, সমাজক কিদৰে জ্ঞানমুখী আৰু ঈশ্বৰ মুখী কৰি বৈকুণ্ঠ গমন কৰিছিল তাৰ বিৱৰণ আছে। প্ৰভুৰ প্ৰধান শিষ্যবৃন্দ বিশেষকৈ ভগৱান দেৱ, সন্তদেৱ, বলদেৱ, বংশী গোপাল আৰু শ্ৰীশ্ৰীবৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য আদি শিষ্য সকলৰ কৰ্মৰাজিৰ চমু আভাস শ্ৰীজগদীশ বৈশ্যৰ 'ওঁ নমো দামোদৰ গুৰু' পুথিখনৰ জৰিয়তে আলোচনা কৰা হৈছে। ◆

# সৰ্বেশ্বৰ বৰুৱাৰ 'অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ আলেখ্য'

প্ৰাঞ্জল কলিতা

**লিখকৰ পৰিচয় ঃ** গ্ৰন্থকাৰ সৰ্বেশ্বৰ বৰুৱাৰ জন্ম হয় কামৰূপ জিলাৰ ৰামদিয়াত। এখেতৰ জন্ম ইংৰাজী ১৯৪০ চনত। এওঁ ইংৰাজী ১৯৫৩ চনত ৰামদিয়াত এম.ভি. স্কুলৰ পৰা বৃত্তি লাভ কৰি ৰামদিয়া এম. ই. স্কুলৰ পৰা ইংৰাজী শিক্ষা গ্ৰহণ কৰে আৰু হাজো হাইস্কুলৰ পৰা ইং ১৯৬০ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ইং ১৯৬৭ চনত কটন কলেজৰ পৰা অসমীয়া স্নাতক ডিগ্ৰী লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত প্ৰাইভেট হিচাপে পৰীক্ষা দি দ্বিতীয় শ্ৰেণীৰ তৃতীয় স্থান লাভ কৰে।

তেওঁ হাজো ছোৱালী হাইস্কুল, মায়াং হাইস্কুল, ৰামদিয়া হাইস্কুল, হাজো হ্যায়াৰ চেকেণ্ডাৰী স্কুলত শিক্ষকতা কৰি লামডিং মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰৱক্তাৰূপে যোগদান কৰে। দ্বিতীয়বাৰৰ বাবে হাজো হ্যায়াৰ চেকেণ্ডাৰী স্কুলত বিষয় শিক্ষকৰূপে সেৱা আগবঢ়াইছিল আৰু ১৯৯৯ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। ইংৰাজী ১৯৭৫ চনত 'চৰিত পুথি' নামে এখন গ্ৰন্থ প্ৰকাশ কৰে।

**গ্ৰন্থখনৰ আলোচনা ঃ** সৰ্বেশ্বৰ বৰুৱাৰ 'অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ আলেখ্য' গ্ৰন্থখনত বিভিন্ন বিষয় অন্তৰ্ভুক্ত হৈছে। লিখকে কেইবাটাও শিতানত প্ৰবন্ধসমূহ অন্তৰ্ভুক্ত কৰিছে। এই শিতানকেইটা হৈছে— ভাষা বিষয়ক, পুৰণি অসমীয়া সাহিত্য বিষয়ক, আধুনিক অসমীয়া সাহিত্য বিষয়ক, ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা বিষয়ক আৰু সংস্কৃতি বিষয়ক। এই আটাইকেইটা শিতানত মুঠ ১৮ টা প্ৰবন্ধ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। সৰ্বেশ্বৰ বৰুৱাৰ 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ আলেখ্য' গ্ৰন্থখনৰ সমালোচনা কৰিবলৈ যাওঁতে আমি এটা প্ৰবন্ধক আধাৰ কৰি লৈছো। সেইটো হ'ল সংস্কৃতি বিষয়ক প্ৰবন্ধ 'তীৰ্থক্ষেত্ৰ হাজোৰ আলেখ লেখ'।

হাজো ভাৰতীয় ধৰ্মৰ ইতিহাসৰ ত্ৰি ধৰ্মৰ ত্ৰিবেণী সঙ্গম বুলি কোৱা হয়। কাৰণ হিন্দু, বৌদ্ধ আৰু ইছলাম ধৰ্মৰ ঐতিহ্যপূৰ্ণ ঠাই হাজো। ধৰ্মীয় সাংস্কৃতিক গৱেষণা

কৰাৰ অভাৱত এই তীৰ্থক্ষেত্ৰ হাজোৰ সকলো সম্পদ দিনকদিনে অৱহেলা কৰাৰ কাৰণে জহি-খহি যোৱাৰ পথত অগ্ৰসৰ হ'বলৈ ধৰিছে। হাজোৰ পৰিচয় সমাজৰ মাজত দাঙি ধৰাটোৱে আমাৰ কাম্য। উত্তৰ অসমৰ এখন প্ৰসিদ্ধ ঠাই হ'ল হাজো। বৈষ্ণৱাচাৰ্য অনন্ত কন্দলিৰ পিতাক ৰত্ন পাঠক হয়গ্ৰীৱ মাধৱৰ পাঠক আছিল বুলি শ্ৰীসৰ্বেশ্বৰ বৰুৱাই তেওঁৰ লেখাত উল্লেখ কৰিছে। এই তীৰ্থক্ষেত্ৰ হাজোলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা লোক তীৰ্থ দৰ্শন কৰিবলৈ আহে। কোচ আৰু আহোম ৰজাসকলৰ লগতে শৰাইঘাট যুদ্ধৰ সময়ত সেনাপতি ৰামসিংহয়ো হাজোৰ মঠ-মন্দিৰ দৰ্শন কৰাৰ কথা বুৰঞ্জীয়ে আমাক উনুকিয়াই দিছে। মাধৱদেৱ, দামোদৰদেৱৰ নিচিনা ধৰ্ম গুৰুসকলৰ দ্বাৰা তীৰ্থক্ষেত্ৰ হাজো পৰিচিত। হাজোৰ পঞ্চতীৰ্থ বুলিলে সাধাৰণতে হয়গ্ৰীৱ মাধৱ, কেদাৰ, গণেশ, কামেশ্বৰ আৰু কমলেশ্বৰ এই পাঁচোখন দেৱালয়কে বুজা যায়। এই পঞ্চতীৰ্থৰ উপৰিও মুছলমান সকলৰ 'পোৱামক্কা'ৰ নাম উল্লেখনীয়।

**হয়গ্ৰীৱ মাধৱ দেৱালয় ঃ** হাজোৰ প্ৰথম পৰিচিত পঞ্চতীৰ্থৰ এখন হৈছে হয়গ্ৰীৱ মাধৱ দেৱালয়। হাজোৰ মণিকূট পাহাৰত এই প্ৰাচীন তীৰ্থক্ষেত্ৰ হয়গ্ৰীৱ মাধৱ দেৱালয় অৱস্থিত। এই তীৰ্থক্ষেত্ৰখন সদায় বিভিন্ন ধ্বনিৰে উৎসৱমুখৰ হৈ থাকে আৰু এই উৎসৱসমূহত দেশ-বিদেশৰ হেজাৰ হেজাৰ লোকৰ সমাগম হয়। এই দেৱালয়ৰ সন্মুখৰ পৰা অৰ্থাৎ পুখুৰীটোৰ পাৰৰ পৰা ওপৰলৈকে ৯৯ থাক শিলেৰে সজোৱা খট্‌খটীৰ ওপৰত মজবুত শিলৰ গাঁথনিয়ে দেৱালয়ৰ সৌন্দৰ্য প্ৰকাশ কৰিছে আৰু এই দেৱালয়ত বিষ্ণু দেৱতাৰ অৰ্চনাই ভক্তিৰ নিজৰা বোৱাইছে। এই মন্দিৰৰ প্ৰতিষ্ঠা সম্পৰ্কে সঠিকভাৱে ক'ব নোৱাৰি কাৰণ এই সন্দৰ্ভত দুটা মতবাদে গা কৰি উঠা দেখা যায়। এটা মতবাদ হ'ল পুৰাণৰ মতে, মণিকূট পাহাৰৰ জনসমাগম বিবৰ্জিত হাবিৰ মাজত এজন উৰ্ব্ব নামৰ ঋষিমুনিয়ে ধ্যান কৰি থকাত 'হয়' নামৰ এজন অসুৰে ঋষিমুনিৰ ধ্যানত বিঘিনি জন্মায়। ঋষিৰ আহ্বানত ভক্তক জয় কৰিবলৈ ভক্তবৎসল ভগৱান হয়গ্ৰীৱ মূৰ্তি ধাৰণ কৰি আবিৰ্ভাৱ হ'ল। হয়া সুৰৰ লগত হয়গ্ৰীৱ ৰূপী ভগৱানৰ যুদ্ধ হয়। হয়গ্ৰীৱৰ হাতত মৃত্যুবৰণ কৰিবলগীয়া হোৱাত অসুৰে ধন্য মানিলে আৰু ভগৱান বিষ্ণুৱে হয়গ্ৰীৱ মাধৱ নামত শিলা মূৰ্তি ধাৰণ কৰি অদৃশ্য হ'ল; এয়েই হয়গ্ৰীৱ মাধৱ। অইন মতবাদ মতে, হাজোৰ মাধৱ দেৱালয় মূলত বৌদ্ধ ধৰ্মৰ মন্দিৰহে। বুদ্ধদেৱৰ মৰাশটো মণিকূট পাহাৰত সমাধিস্থ কৰে। এই সমাধি ক্ষেত্ৰত এটা বুদ্ধদেৱৰ মূৰ্তি সজোৱা হৈছিল আৰু এই জ্যোতিষ্মান মূৰ্তিটোৰ মস্তক ছেদন হয় আৰু সেই ঠাইত ঘোঁৰাৰ ডিঙি মূৰৰ দাৰ নতুনকৈ সংযোজিত কৰা মূৰ্তিটোক হয়গ্ৰীৱ মাধৱ বুলি কোৱা হয়। হাজো যে প্ৰাচীন

কলা সংস্কৃতিৰ কেন্দ্ৰভূমি তাৰ স্বাক্ষৰ বহন কৰিছিল দেৱদাসীসকলৰ নৃত্যই। মাধৱ দেৱালয়ত বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বনৰ অনুষ্ঠান পালন কৰা হৈছিল। তাৰ স্বৰূপ হিচাপে শ্ৰীকৃষ্ণৰ জন্মোৎসৱ, দৌলযাত্ৰা, মাঘ বিহু, বহাগ বিহু আদি উৎসৱসমূহ আমাৰ আগত পৰিলক্ষিত হয়। এই উৎসৱসমূহত বিভিন্ন ধৰণৰ ৰং-ধেমালিৰ বিশাল আয়োজন কৰা হয়, যেনে- শ্ৰীকৃষ্ণৰ জন্মোৎসৱত দৌলযাত্ৰা, মাঘ বিহুৰ প্ৰথম দিনা নাগাৰা নাম আৰু বুলবুলি চৰাইৰ যুঁজ আদিয়ে পৰম্পৰা ৰক্ষা কৰি আহিছে। ড° মহেশ্বৰ নেওগে 'প্ৰাচ্য শাসনাৱলী'ত হয়গ্ৰীৱ মাধৱ সম্পৰ্কে কেইবাখনো তামৰ ফলি আছে বুলি কৈছে যিসমূহ ফলিৰ পৰা হয়গ্ৰীৱ আৰু কেদাৰ দেৱালয় সম্পৰ্কে বিভিন্ন কথা জানিব পাৰি।

**কেদাৰ দেৱালয়ঃ** হাজোৰ গাতে লাগি থকা অন্য এখন পুণ্য পীঠ হ'ল কেদাৰ দেৱালয়। মদনাচল পাহাৰৰ ওপৰত জন সমাজৰ মাজত সোমাই থকা কেদাৰ দেৱালয়ক শিৱ দেৱতাৰ আলয় বুলি কোৱা হয়। প্ৰাচীন শিল্প ভাস্কৰ্যৰ স্বাক্ষৰসমূহ আজিৰ মানুহৰ হাতত থান-বান হ'লেও কেদাৰ দেৱালয় যে আজিৰ পৰা বহু বছৰ আগতে প্ৰতিষ্ঠা হৈছিল এই কথা ভালদৰে জানিব পৰা যায়। এই দেৱালয়ৰ গহ্বৰত থকা মহাদেৱৰ শিৰত গংগাদেৱীক দেখিবলৈ পোৱা যায়। এই কেদাৰপীঠ অসম ৰাজ্যৰ শৈৱ ধৰ্মৰ এক কেন্দ্ৰস্বৰূপ এই কথা আমাক বুৰঞ্জীয়ে উনুকিয়াই দিছে। এই দেৱালয়ত আমিষ আৰু নিৰামিষ দুয়োবিধ আহাৰ গ্ৰহণ কৰা হয়। অৱশ্যে 'শিৱৰাত্ৰি' উৎসৱত বহু দূৰদূৰণিৰ হেজাৰ হেজাৰ তীৰ্থযাত্ৰীৰ এক শান্তিময় সমাৱেশ হয়। এই কেদাৰ দেৱালয়ৰ নিচেই ওচৰতে বুদ্ধদেৱে নিৰ্মাণ কৰা 'বৰশাল' জুপি প্ৰাচীন যুগৰ সাক্ষী হিচাপে আজিও আছে, বোধ হয় এই ডাঙৰ শালগছ পৃথিৱীৰ আন কতো দেখিবলৈ পোৱা নাযায়। ইয়াৰ উপৰিও বুদ্ধ পূৰ্ণিমাৰ দিনা এই দেৱালয়ত জাতি, ধৰ্ম নিৰ্বিশেষে চাকি এগচি জ্বলাবলৈ আহে। এই দেৱালয়ৰ ওচৰতে কপিল মুনিৰ ভগ্ন-স্মৃতি আজিও স্মৰণীয় হৈ আছে। এইবোৰৰ উপৰিও এই দেৱালয়ৰ একেবাৰে ওচৰত দুৰ্গাদেৱীৰ পূজাৰ সেৱাগৃহ আছে যিটো বাঘেশ্বৰী দেৱালয়ৰ পৰা আনি প্ৰতিষ্ঠা কৰা হৈছিল।

**গণেশ দেৱালয়ঃ** এই গণেশ দেৱালয় হাজোৰ সমতলত হ'লেও সুবৃহৎ শিলক আশ্ৰয় কৰি মূৰ্তিটো খোদিত হৈছে। গণেশ দেৱালয়ৰ কৃতি সম্পৰ্কে বিশেষ নাই। দেৱতাসকলক পূজা দিওঁতে প্ৰথমতে গণেশক পূজা দিব লাগে ঠিক সেইদৰে তীৰ্থস্থানসমূহ দৰ্শন কৰোতে গণেশ দেৱালয়ক প্ৰথমতে দৰ্শন কৰিব লাগে; তাৰ পাছতহে অনুক্ৰমে অন্য দেৱালয়সমূহ দৰ্শন কৰিব লাগে। ইয়াত আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহৰ শিলৰ ফলি দেখিবলৈ পোৱা যায়। এই দেৱালয়ত গণেশ পূজাৰ বাহিৰে আন কোনো

ধৰণৰ পূজা-পাৰ্বন পালন কৰা নহয়। এই মন্দিৰত নিত্য পূজাৰ কাৰণে পূজাৰী, আঠপৰীয়া আদি লোকক নিয়োজিত কৰা হয়।

**কামেশ্বৰ দেৱালয়** ঃ কামেশ্বৰ দেৱালয় গণেশ দেৱালয়ৰ গাতে লাগি থকা অইন এখন পাহাৰত অৱস্থিত। এই পাহাৰৰ নামটো হ'ল কামেশ্বৰ পাহাৰ। এই দেৱালয়খন কেদাৰ দেৱালয়লৈ যোৱাৰ সোঁপিনে প্ৰতিষ্ঠিত। এই দেৱালয়ৰ প্ৰাচীন মঠ-মন্দিৰবোৰ কালাপাহাৰে ভাঙিছিল আৰু কোচ ৰজাসকলে নিৰ্মাণ কৰিছিল। কিন্তু ভূমিকম্পই ইয়াকো ভাঙি পেলায় আৰু প্ৰায় দুকুৰি বছৰমান পিছত ইয়াক নতুনকৈ সজোৱা হয়। এই দেৱালয়ত উৎসৱ-পাৰ্বন, পূজা-পাতল আদি সকলোতে শৈৱ ধৰ্মৰ প্ৰভাৱ পৰে। ইয়াত বিভিন্ন ধৰণৰ পূজা-পাতলৰ লগতে শিৱ ৰাত্ৰিও পালন কৰা হয়। এই কেদাৰ দেৱালয়ত নিৰামিষ ভোগৰ আহাৰৰ বিধান আছে; কিন্তু শিৱৰাত্ৰিৰ দিনা আমিষ ভোগৰ আহাৰ গ্ৰহণৰ বিধান আছে। কামেশ্বৰ দেৱালয়ৰ সৌন্দৰ্য বজাই ৰাখিছে তাৰ পাহাৰখনে। এই দেৱালয়ৰ প্ৰাচীন ঐতিহ্যপূৰ্ণভাৱে আজিও তাৰ কাষত জীয়াই আছে; কিংবদন্তিৰ মধুমিশ্ৰিত 'সৰগ দুৱাৰ', 'গোধাৰ বৰশী বোৱা শিল', 'মহাদেৱৰ বৃষভ', 'ভীমৰ পঁইতা খোৱা চৰিয়া', 'মাৰ্কণ্ডেয় হ্ৰদ', 'নেতাই ধুবুনীৰ কাপোৰ ধোৱা পাট', 'বেউলাৰ ভেল বন্ধা চিন' আদি কামেশ্বৰ দেৱালয়ৰ পাহাৰৰ আশে পাশে দেখা পোৱা যায়।

**কমলেশ্বৰ দেৱালয়** ঃ মদনাচল পাহাৰখন হাজোৰ সমতলত অৱস্থিত। এই মদনাচল পাহাৰত থকা কেদাৰ মন্দিৰৰ নিচেই ওচৰত অৱস্থিত কমলেশ্বৰ দেৱালয়। এই দেৱালয়খনত আজিলৈকে কোনো ধৰণৰ মঠ দেখিবলৈ পোৱা নাই। কিন্তু দেৱালয়ৰ সোঁমাজতে লিংগ দেখিবলৈ পোৱা যায়। পৰিৱেশৰ সৌন্দৰ্য আৰু কাৰ্যৰ ফালৰ পৰা চালে এই দেৱালয়ৰ সম্বন্ধ কেদাৰ দেৱালয়ৰ লগত বুলি যাত্ৰীসকলৰ মাজত ধাৰণা হয় আৰু এই দেৱালয়ত দৈনন্দিন পূজা-পাতল চলি অহা দেখা গৈছে। এই দেৱালয়ৰ গাতে লাগি থকা কমলা সৰোবৰটি যেন সৃষ্টিকৰ্তাৰ এক অভিনৱ সৃষ্টি। মদনাচল পাহাৰৰ সৌন্দৰ্যই চিৰদিনৰ কাৰণে কমলেশ্বৰ দেৱালয়ৰ নাম উজ্জ্বলাই ৰাখিছে।

**পোৱামক্কা দৰগাহ** ঃ হাজোৰ আটাইতকৈ ওখ পাহাৰখন হৈছে গৰুড়াচল; এই পাহাৰতে ইছলাম ধৰ্মৰ পোৱামক্কা অৱস্থিত। ইৰানৰ চাহ চুলতান গিয়াচুদ্দিন আউলিয়াক পোৱামক্কাৰ প্ৰতিষ্ঠাপক বুলি কোৱা হয়। ইছলাম ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে গিয়াচুদ্দিন আউলিয়া হাজোলৈ আহিছিল আৰু তেওঁ গম পালে হাজোৰ মানুহৰ মাজত ধৰ্মৰ অভাৱ।

সেয়ে তেওঁ ধৰ্ম প্ৰচাৰৰ উপলব্ধি কৰি গৰুড়াচলত এইজনা মহাপুৰুষে মছজিদ প্ৰতিষ্ঠা কৰিছিল। গিয়াচুদ্দিনে ইছলাম ধৰ্ম জগতৰ মূল কেন্দ্ৰবিন্দু মক্কাৰ পৰা মাটি আনিছিল আৰু তেওঁৰ মৃত্যুত এই পৱিত্ৰ মাটি কবৰত দিয়া হৈছিল, পিছত এই কবৰটি শিলেৰে মজবুত কৰি তাত এখন উৰ্দু ভাষাত শিলালিপিও যুগমীয়া কৰি ৰখা হৈছে। পোৱামক্কাৰ প্ৰধান আকৰ্ষণ হৈছে গিয়াচুদ্দিন আউলিয়াৰ কব্ৰটি। এই পোৱামক্কাত দৈনন্দিন 'আজাৰ' আৰু 'নামাজ' চলে। মাঘ মাহত আনন্দ মনেৰে 'উৰুচ' উদ্‌যাপন কৰা হয় আৰু এই 'উৰুচ'ৰ দিনা হেজাৰ হেজাৰ যাত্ৰীৰ আগমনে পোৱামক্কাক ৰঞ্জিত কৰি তোলে। এই 'পোৱামক্কা দৰগাহ'ৰ সৌন্দৰ্য উটি ভাহি গ'লেও শ শ নাৰিকল গছে ইয়াৰ সৌন্দৰ্য জীয়াই ৰখাৰ উপৰিও পোৱামক্কাৰ আৰ্থিক দিশত অৰিহণা যোগাইছে।

শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ সোঁত হাজোতো বৈছিল। 'কোচ হাজো'ত ধৰ্ম ৰাজ্য স্থাপন কৰাৰ উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱে 'শ্ৰীশ্ৰীধোপৰ গুৰি সত্ৰ' প্ৰতিষ্ঠা কৰে আৰু সত্ৰৰ সকলো সম্পদ তেওঁৰ প্ৰধান শিষ্য লক্ষ্মীকান্ত আতৈৰ হাতত দি যায়। প্ৰাচীন 'ধোপৰ গুৰি সত্ৰ'ত গুৰুজনাৰ পদ শিলা আজিও সংৰক্ষিত হৈ আছে।

**সামৰণি ঃ** হাজো ভৰতবৰ্ষৰ ভিতৰতে সকলো ধৰ্মৰ মিলনভূমি। প্ৰাকৃতিক বিপৰ্যয়, যুগ্ধ বিগ্ৰহৰ মাজতো পৰিৱৰ্তন হ'বলৈ দিয়া নাছিল মিলনৰ এনাজৰী। হাজোৰ এই পঞ্চতীৰ্থৰ মিলন আছিল মহাভাৰত পঞ্চপাণ্ডৱৰ নিচিনা। হয়গ্ৰীৱ মাধৱৰ নিচান ধৰা কৰ্ম বহন কৰিছিল মুছলমানসকলে আৰু মুছলমানসকলে পোৱামক্কাত জেঠী পূৰ্ণিমা পালন কৰে। হাজোৰ সকলো ধৰণৰ গৌৰৱ ভৱিষ্যতে যাতে ধ্বংসৰ ফালে যাব নোৱাৰে তাৰ প্ৰতি সজাগ হ'ব লাগিব।

সৰ্বেশ্বৰ বৰুৱাৰ প্ৰবন্ধ সংকলন 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ আলেখ্য' শীৰ্ষক গ্ৰন্থখন অসমীয়া সাহিত্যলৈ এক অনবদ্য সংযোজন। আমাৰ আলোচ্য 'তীৰ্থক্ষেত্ৰ হাজোৰ আলেখ-লেখ' প্ৰবন্ধৰ লগতে গ্ৰন্থখনত সন্নিৱিষ্ট আটাইকেইটা প্ৰবন্ধই পাঠকক নানা তথ্যৰ যোগান ধৰিব। ♦

# গকুল ভৰালীৰ 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সমাজ'

কমল ডেকা

**আৰম্ভণি ঃ** মোৰ অভিৰুচিৰ কথা কোনোবাই সুধিলে উত্তৰটো হ'ব কিতাপ পঢ়া। অৰ্থাৎ কিতাপ পঢ়াৰ প্ৰতি মই বহুত আগ্ৰহী। এতিয়া পাঠ্যপুথিৰ বাহিৰেও মই অইন কিতাপ পঢ়ো। মই পঢ়া কিতাপৰ ভিতৰত যিখনে মোৰ অন্তৰত দকৈ ৰেখাপাত কৰিছে, সেইখন হৈছে গকুল ভৰালীৰ ধৰ্মীয় কিতাপ 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু সমাজ।'

**লিখকৰ পৰিচয় ঃ** গকুল ভৰালীৰ জন্ম হয় ১৯৪১ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে বস্ত্ৰনগৰী শুৱালকুছিত। কিন্তু কৰ্মসূত্ৰে গুৱাহাটীৰ ফটাশিল আমবাৰীৰ তিনিআলি নিবাসী। বৰ্তমান তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ শিশু বিভাগৰ এগৰাকী নিষ্ঠাবান কৰ্মচাৰী। তেওঁ যে এজন শিশু বিভাগৰ কৰ্মচাৰী হিচাপেই সুনাম অৰ্জন কৰিছে তেনে নহয়, সৰুকালিৰে পৰা তেওঁ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত একশৰণ নামধৰ্মৰ অনুৰাগী। তেওঁ এগৰাকী পৰম বৈষ্ণৱ লগতে শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ নামধৰ্মৰ প্ৰচাৰক। এগৰাকী সুবক্তা গকুল ভৰালীয়ে ইতিমধ্যে কেইবাখনো ধৰ্মীয় পুথি ৰচনা কৰিছে। তেওঁ চাৰিজনা গুৰুৰ ভক্তসকলক একত্ৰিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আছে। অলপতে তেওঁৰ প্ৰচেষ্টাত দুখন অতি পুৰণি বৈষ্ণৱ পন্থী সমাজ এক কৰিবলৈ সমৰ্থ হৈছে।

**গ্ৰন্থ সম্পৰ্কে আলোচনা ঃ** অসমীয়া জাতি গঢ়োতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সমাজ সংস্কাৰৰ বাবে বিভিন্ন ব্যৱস্থা কৰিছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁ ঘূৰি ফুৰিছিল আৰু বিভিন্ন লোকক জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে শৰণ দিছিল।

এই ধৰ্মপুথিখন ভালপোৱাৰ কাৰণ বহুত আছে। কিয়নো গুৰুজনাই সমাজখন গঢ় দিয়াৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। অসমত যে নানা জাতি-উপজাতিৰ সংযোগ ঘটিব, এই কথা তেৰাই ৫৪০ বছৰ আগতেই অনুভৱ কৰিছিল। বিশেষকৈ

অসমত একতাৰ সমাজ গঢ়াত শংকৰদেৱে অতিকৈ মনোনিবেশ কৰিছিল। সমাজত হিংসাৰ সৃষ্টি কৰিব পৰা যিকোনো কাম সমূলি বন্ধ কৰাৰ নীৰৱ আন্দোলন তেৰাই কৰিছিল। কিয়নো মানুহে অন্য জীৱক বধ কৰিবলৈ পালে তেওঁৰ স্বাভাৱিকতে নজনাকৈ এটা হিংসা উৎপন্ন হয় আৰু সেই হিংসাই সমাজত বিশৃংখলৰ সৃষ্টি কৰে। এনে ধৰণৰ হিংসা তেৰাই সমূলি নিষিদ্ধ কৰিছিল। পৃথিৱীৰ গুৰুসকলৰ ধৰ্মৰ লগত তেৰাৰ ধৰ্ম কিছু বিপৰীতমুখী আছিল, অন্য গুৰুসকলে কেৱল মানৱ প্ৰেমত বিশেষ গুৰুত্ব দিছিল। কিন্তু শংকৰদেৱে ভগৱানৰ সৃষ্টি চাৰিমুঠি জীৱকে আত্মা-জ্ঞান কৰিছিল। তেৰাৰ মতে যত জীৱ তত শিৱ। জীৱই জীৱক বধ কৰা পাপ কেতিয়াও মোচন হ'ব নোৱাৰে বুলি তেৰাই দৃঢ়তাৰে ঘোষণা কৰিছে। শংকৰদেৱে পৰিকল্পনা কৰিছিল জাতিভেদ, অস্পৃশ্যতা, অন্ধবিশ্বাস, শ্ৰেণী বৈষম্যহীন, মানৱতা পূৰ্ণ এখন সমাজৰ। শংকৰদেৱে বিশ্বাস কৰিছিল যে এক ভগৱানত মানুহৰ অচলা ভক্তি জন্মিলে মানুহে মানুহক ভাল পোৱাৰ উপৰিও সকলো জীৱকে আত্মজ্ঞান কৰি দয়াশীল আৰু সমভাৱাপন্ন হ'ব পাৰে। জীৱ প্ৰেমৰ এনাজৰী বান্ধোনেৰে সকলোৱে বান্ধ খালে বিশ্ববাসীৰ শান্তি অৱধাৰিত আৰু সিয়েই আছিল শংকৰদেৱৰ কল্পনাৰ সমাজ। সকলো মানুহে সম অধিকাৰৰ ভিত্তিত শান্তিৰে জীৱন নিৰ্বাহ কৰি মানসিক উৎকৰ্ষ সাধন কৰাই তেৰাৰ ধৰ্মৰ আদৰ্শ। ইয়াত উচ্চ-নীচৰ ভেদাভেদ, অস্পৃশ্যতা, জাতিভেদৰ স্থান নাই। সমাজৰ তথাকথিত নিকৃষ্টতম আৰু জঘন্যতমজনকো গুৰুজনাই সহজতে সমাজমুখী কৰি তুলিছিল। সেইকাৰণে শংকৰদেৱৰ 'একশৰণ ভাগৱতী ধৰ্ম' আচৰণত 'ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল', 'কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম' আদি ঘোষণাৰে জাতি ভেদ আৰু অস্পৃশ্যতা নুই কৰি মানৱতাবোধ আৰু বিশ্বভ্ৰাতৃত্বৰ নিদৰ্শন দাঙি ধৰিছিল। সুদূৰ পঞ্চদশ শতিকাতে ভাৰতত সাম্যবাদ আৰু গণতন্ত্ৰৰ যুগান্তকাৰী ধ্বজা উৰুৱাইছিল। এই ধৰ্মত প্ৰয়োগ কৰা সাম্যবাদ আৰু গণতন্ত্ৰ সেই সময়ৰ সমাজ ব্যৱস্থালৈও বিয়পিছিল। শংকৰদেৱে মানুহৰ ৰাজনৈতিক মুক্তিতকৈ ধৰ্মীয় আৰু সামাজিক মুক্তিৰ বাবেহে অহোপুৰুষাৰ্থ কৰিছিল। তেৰাৰ দৃষ্টিত অস্পৃশ্যতা বন্ধনৰ পৰা সৰ্ব সাধাৰণক মুক্ত কৰাটোৱেই আটাইতকৈ বেছি প্ৰয়োজনীয় বুলি অনুভৱ কৰিছিল। সমাজত নীচ বা অস্পৃশ্য বুলি বিবেচিত সকলক বৰং তেৰাই অধিকতৰ সন্মানহে যাচিছিল। যিবোৰ জাতি জন্মসূত্ৰে সামাজিকভাৱে হেয়, ঘৃণা, অৱজ্ঞাৰে অজাতিৰ শ্ৰেণীত আছিল, সেইসকল যেনে- ভূটীয়া, নগা, মিৰি, কৈৱৰ্ত, আনকি ইছলাম ধৰ্মগোষ্ঠী সম্ভূত জাতিৰ লোক মহাপুৰুষৰ আদৰ্শত পৰ্যায়ক্ৰমে উঠি শেষত সত্ৰত একেলগে বৈষ্ণৱ ভকত হিচাপে একে শাৰীত বহিছিল। শংকৰদেৱৰ মহান আদৰ্শই

এফালে যেনেকৈ বিস্তৰ সমাজ সংস্কাৰ সাধন কৰিলে আনফালে লুইতৰ দুয়োপাৰৰ অসম প্ৰান্তৰ নিচেই সাধাৰণ মানুহক এদিন মহাপুৰুষ শংকৰদেৱে এখন শক্তিশালী সমাজত অংগীভূত কৰি পৰম সংস্কৃতিবান জাতি হিচাপে গঢ়ি তুলিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত নৱ বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শ 'কৃষ্ণ চৰিত্ৰ'। সেই কাৰণে শংকৰদেৱৰ কৃতিত্বক কৃষ্ণ-সংস্কৃতি বা কৃষ্ণ সমাজ বুলিও ক'ব পাৰি; কিয়নো দৈৱকী নন্দন পৰম পুৰুষ শ্ৰীকৃষ্ণই সুস্থ সনাতন এখন সমাজ গঢ়াৰ কাৰণে সখা অৰ্জুনৰ লগত বহুখিনি বাৰ্তালাপ কৰিব লগা হৈছিল। বিশ্বজনীন ভাৱ আৰু চিন্তাৰে তেৱাঁই অসমৰ বিভিন্ন জাতি বা উপজাতিক একগোট কৰি লৈ বিশ্বপ্ৰেমৰ বাণীৰ লগতে আধ্যাত্মিক তত্ত্বৰ জ্ঞান দি এখন সুস্থ-সৱল মানৱ সমাজ গঢ়ি অসমীয়ালৈ মহা অৱদান আগবঢ়াইছে। গতিকে ভাতৃত্ব সমাজ বান্ধোনৰ ইমানবোৰ আদৰ্শগত ৰীতি-নীতি পায়ো আমি গ্ৰহণ কৰিব নজনাটো আমাৰ দুৰ্বলতা আৰু মুৰ্খতাৰহে পৰিচয় বহন কৰিব। তেৱাঁৰ অৱদান অসমীয়া সংস্কৃতিৰ ভঁৰালত মানিকী মধুৰী জহা সদৃশ দম খাই থকাটো ভাৰত তথা বিশ্বৰ কোনো কোনো সাহিত্যিকে ৰিঙিয়াই কয়। সেয়ে গুৰুজনাৰ আদৰ্শৰ সমাজ এখন গঢ়াৰ দায়িত্বত আমি প্ৰত্যেকজন অসমীয়াই দায়বদ্ধ হৈ আছো। গতিকে মোৰ মনটোৱে কয় যে অসমীয়া বন্ধুসকল শংকৰদেৱ 'মোৰ' বা 'মইহে' শংকৰদেৱ ভাব আদি পৰিহাৰ কৰি জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ সমাজখন বিশ্বত প্ৰতিষ্ঠা কৰি নিজকেই দায়মুক্ত কৰিব লাগিব।

**সামৰণি ঃ** গকুল ভৰালীৰ 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সমাজ' নামৰ গ্ৰন্থখন এখন অনুপম গ্ৰন্থ। গ্ৰন্থখনত শঙ্কৰদেৱৰ সমসাময়িক সমাজখন চিত্ৰিত হৈছে। গতিকে ভৰালীৰ গ্ৰন্থখনৰ পৰা পাঠক সমাজে মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ সমাজ সম্পৰ্কে অৱগত হ'ব পাৰিব। সেয়ে অসমীয়া সাহিত্যত এই গ্ৰন্থখনৰ এক বিশেষ ভূমিকা আছে। ♦

# সুৰেশ শৰ্মা অনূদিত 'তেজস্বী মন'

খনীন্দ্ৰ কলিতা

কম সময়তে জ্ঞান লাভ কৰাৰ উৎকৃষ্ট উপায় হৈছে পুথি অধ্যয়ন। পিতৃ-মাতৃ আৰু মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ উপদেশ শিৰোধাৰ্য কৰি পঢ়িবলৈ লোৱা আটাইবিলাক গ্ৰন্থই মোৰ ভাল লাগে আৰু সেইবোৰৰ বহুত কথা, উপদেশ মোৰ এতিয়া মানস পটত সজীৱ হৈ আছে। তথাপিও সেইবোৰৰ ভিতৰত যিখন গ্ৰন্থই মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছে সেইখন গ্ৰন্থ হৈছে আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামৰ ৰচিত 'ইগ্‌নাইটেড মাইন্দছ'ৰ সুৰেশ শৰ্মাই কৰা অসমীয়া অনুবাদ 'তেজস্বী মন'।

**লিখকৰ পৰিচয় ঃ** সুৰেশ শৰ্মাৰ ১৯৫৫ চনত গুৱাহাটীৰ উত্তৰে প্ৰায় চল্লিশ কি.মি. নিলগৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত পিঙ্গলেশ্বৰ গাঁৱত জন্ম হয়। তেখেতে কটন কলেজৰ পৰা সংস্কৃতত অনাৰ্ছসহ স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যৰ এম. এ. ডিগ্ৰী লাভ কৰে। বৰ্তমানে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজপত্ৰিত বিষয়া (জ্যেষ্ঠ অনুবাদক) ৰূপে কৰ্মৰত । কাৰ্যালয়ৰ কামৰ উপৰি আজৰি সময়ত সাহিত্য চৰ্চা কৰা শৰ্মাই এসময়ত 'নতুন অসমীয়া', 'দৈনিক অসম', 'অসম বাণী' আদি পত্ৰ-পত্ৰিকাত নিয়মীয়াকৈ লেখা-মেলা কৰিছিল।

**গ্ৰন্থখনৰ বিষয়বস্তু ঃ** মানুহক লৈয়েই গঠিত হয় ৰাষ্ট্ৰ। সংহত প্ৰয়াসেৰে কাম কৰি ৰাষ্ট্ৰ একোখনে যি পাব বিচাৰে সেয়ে লাভ কৰে। ভাৰতবৰ্ষৰ জনগণক বিশেষকৈ দেশৰ যুৱশক্তিক উদ্বুদ্ধ কৰাই 'ইগনাইটেড্ মাইন্দছ (অনুঃ তেজস্বী মন) নামৰ গ্ৰন্থখনৰ মূল বিষয়বস্তু।

**গ্ৰন্থখনৰ সংক্ষিপ্ত বিৱৰণ ঃ** এই বিখ্যাত গ্ৰন্থখনত নটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। গ্ৰন্থখনৰ সমস্ত দিশৰ বিশদ বিৱৰণ দিয়াটো সম্ভৱ নহয় বাবে প্ৰত্যেক অধ্যায়ৰ সাৰাংশখিনি তলত আলোচনা কৰা হ'ল।

আমি ভাল কামৰ সপোন দেখিব লাগে, কিয়নো স্বপ্নই আকাৰ লয় চিন্তাৰ আৰু চিন্তাৰ ফল হ'ল কাৰ্য। 'Simple living high thinking' উচ্চ চিন্তাই কাৰ্যৰ দ্বাৰা আমাৰ জয় আজুৰি আনিব পাৰে। আধ্যাত্মিকতাক শিক্ষাৰ সৈতে সংযুক্ত কৰিব লাগিব। আমি প্ৰত্যেকেই নিজৰ উচ্চ আত্মা সম্পৰ্কে সচেতন হ'ব লাগিব। আমি মহান অতীত আৰু উজ্বল ভৱিষ্যতৰ মাজৰ যোগ সূত্ৰ। আমাৰ অভ্যন্তৰৰ সুপ্ত শক্তিক উদ্দীপ্ত কৰিব লাগিব। যাতে ই আমাক পথ দেখুৱাব পাৰে। গঠনমূলক প্ৰচেষ্টাত প্ৰবৃত্ত তেনেকুৱা মনৰ দীপ্ত বা ঔজ্বল্যই এই দেশলৈ শক্তি সমৃদ্ধি আৰু স্বৰ্গসুখ লৈ আহিব।

দ্বিতীয় অধ্যায়ৰ শিৰোনাম হ'ল 'আমাক এটা আদৰ্শ আৰ্হি দিয়া'। যুৱ প্ৰজন্মই ৰাষ্ট্ৰ এখনৰ মূল সম্পদ। সিহঁত ডাঙৰ হৈ গৈ থাকোতে সিহঁতৰ আদৰ্শৰ আৰ্হি কোন হ'ব পাৰে। পিতৃ-মাতৃ আৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলে আদৰ্শ আৰ্হি হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা লয়। শিশুসকল ডাঙৰ হৈ গৈ থাকিলে ৰাজনীতি, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু উদ্যোগ আদি প্ৰতিটো ক্ষেত্ৰৰ গুণ-গৰিমা আৰু ন্যায়-নিষ্ঠা থকা ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাসকলে সিহঁতৰ আদৰ্শ আৰ্হি হ'ব।

তৃতীয় অধ্যায়ত চকু ফুৰালে মহান মনীষী গ্যেটেৰ তলত দিয়া আপ্ত বাক্যলৈ স্মৃতি জাগে— "তুমি যি কামকে কৰিব পাৰা বা যি স্বপ্ন দেখিব পাৰা তাকেই আৰম্ভ কৰা। নিৰ্ভীকতাৰ মাজতে নিহিত থাকে প্ৰতিভা, শক্তি আৰু যাদু। এতিয়াই আৰম্ভ কৰা।" স্বপ্নই মনক প্ৰজ্বলিত কৰে। ভাৰতক আজি জে. আৰ., ডি. টাৰ্চা. বিক্ৰম সৰোভাই, সতীশ ধাৱান আৰু ড° ভাৰ্গীজ কুৰিয়েন— এওঁলোকৰ দৰে প্ৰতিভা সম্পন্ন স্বপ্নদৰ্শীৰ প্ৰয়োজন। তেওঁলোকৰ দৰে মৰ্যাদাসম্পন্ন লোকেহে অভিযান ধৰ্মীৰ কাৰ্যক্ৰমত গোটেই প্ৰজন্মক জড়িত কৰাই সমগ্ৰ দেশৰ হিত সাধন কৰিব পাৰে।

আমাৰ আধ্যাত্মিক জ্ঞানেই আমাৰ মূল শক্তি। আক্ৰমনকাৰী সকলৰ বহুতো জখম আৰু উপনিবেশিকতাবাদৰ সংহাৰী প্ৰভাৱৰ পিছতো আমি জাতি হিচাপে বৰ্তি আছো। আমাৰ নিজৰ সমাজৰ কাঁইট আৰু ভাঙোনৰ সৈতে নিজক খাপ খুৱাবলৈ আমি শিকিছো। কিন্তু সকলো আপোচৰ প্ৰক্ৰিয়াত আমি নিজৰ সংকল্প বা লক্ষ্য আৰু আশা আকাংক্ষাক অৱনমিত কৰো। আমি পুনৰ বহল দৃষ্টিভংগী লাভ কৰিব লাগিব। আমাৰ নিজৰ জীৱনক সমৃদ্ধ কৰিবলৈ মহান ঐতিহ্য-পৰম্পৰা আৰু জ্ঞান

ঘূৰাই আনিব লাগিব। বিফলতাৰ মাজতে সাফল্যৰ কাহিনীও আছে। চূড়ান্ত বিশৃংখলতাৰ মাজতো আছে আশাৰ ৰেঙণি আৰু সমস্যাৰ মাজতে থাকে অংগীকাৰ বা আশ্বাস। আমাৰ এইখন এশ কৌটি মানুহৰ দেশ যি মানুহৰ মাজত অসংখ্য বিশ্বাস আৰু মতবাদ বা দৰ্শন আছে। জাতীয় দূৰদৃষ্টিৰ অভাৱ হ'লে স্তৰৰ ফাটবোৰ স্পষ্ট হৈ আমাক দুৰ্বল কৰিব। স্তৰৰ গাঁঠনি সুদৃঢ় কৰিব লাগিব আৰু আমাৰ সকলোকে একেখন ৰাষ্ট্ৰীয় মঞ্চত একত্ৰিত কৰিব লাগিব।

টিৰুৱল্লুৱৰ 'টিৰুক্কুৰল' নামৰ গ্ৰন্থত আছে "জ্ঞান এবিধ ধ্বংসৰোধ কৰিব পৰা অস্ত্ৰ। শত্ৰুৱেও ধ্বংস কৰিব নোৱাৰা ই এটা ভিতৰুৱা দুৰ্গ।"

প্ৰাচীন ভাৰতবৰ্ষ এখন জ্ঞানৱান সমাজ। সভ্যতাৰ বিকাশত ই অতুলনীয় অৱদান আগবঢ়াইছে। সেই মৰ্যাদা পুনৰ লাভ কৰি আমি জ্ঞানৰ মহাশক্তি ৰূপে প্ৰতিষ্ঠিত হ'ব লাগিব। নিজৰ ভুলৰ পৰা শিক্ষা আহৰণ কৰি সুন্দৰতাৰ জীৱন গঢ়িব লাগিব। (পৰাজয়ৰ উদ্যমক বিকশিত ভাৰতবৰ্ষইহে জয়ৰ উদ্যমলৈ পৰ্যবসিত কৰিব পাৰিব)।

ইয়াৰ উপৰিও সফলতা লাভ কৰিবলৈ হ'লে আমি মিছন পদ্ধতিৰে আমাৰ বিভিন্ন কাৰ্যক্ৰম আৰু নীতি সমূহৰ সু-সম্পাদন কাৰ্যকৰী কৰিব লাগিব। পথত খলা-বমা থাকিলে প্ৰগতি ক্ষীপ্ৰ আৰু সুদূৰ প্ৰসাৰী হ'ব নোৱাৰে (মানৱ সম্পদ আৰু পাৰ্থিৱ সম্পদৰ দৰে অপৰ্যাপ্ত ৰাষ্ট্ৰীয় সম্পদসমূহৰ যথাৰ্থ প্ৰয়োগ অনিবাৰ্য)।

উন্নয়ণৰ পথটো উদ্দেশ্য ধৰ্মী কাৰ্যৰ মাজেদি যোৱা। ঘাইকৈ তৰুণ প্ৰজন্মক সঠিকভাৱে পৰিচালিত কৰিব লাগিব। যাতে তেওঁলোকৰ জীৱনে সঠিক পথৰ সন্ধান পায়। তেওঁলোকৰ দৃষ্টিধৰ্মীতাক জাতিষ্কাৰ হ'বলৈ দিব লাগে। তাৰ বাবে কিছুমান শৈক্ষিক সংস্কাৰৰ প্ৰয়োজন।

উন্নয়ণৰ পদক্ষেপ ত্বৰান্বিত কৰাৰ বাবে প্ৰমুখ ক্ষেত্ৰবিলাকত কেন্দ্ৰ আৰু ৰাজ্য উভয়ে সু-সমন্বিত প্ৰচেষ্টা হাতত ল'ব লাগিব। তাৰ উপৰি বিভিন্ন ক্ষেত্ৰত আৰু সংগঠনটোৰ ঐক্যবদ্ধ প্ৰচেষ্টা আৰু মিছন পদ্ধতি প্ৰয়োগ কৰিব লাগিব। মানসিকতাৰ সলনি কৰি বাস্তৱ ধৰ্মী পদক্ষেপ দিয়াৰ বাবে আগ্ৰহ প্ৰদৰ্শন কৰিব লাগিব। তেতিয়া সফলতা লাভ অনিবাৰ্য।

হে পৰম পিতা পৰমেশ্বৰ। মোৰ দেশৰ মানুহক পৰিশ্ৰম কৰিবলৈ শক্তি দিয়া। তেওঁলোকৰ শ্ৰমে আৰু বহুতো অগ্নিৰ জন্ম দিয়ক যিয়ে অন্যায় অধৰ্মক ধ্বংস কৰিব পাৰে। মোৰ দেশে শান্তি আৰু সমৃদ্ধি লাভ কৰক। মানুহবোৰে মিলা-প্ৰীতিৰে

বাস কৰক। (হে ঈশ্বৰ! ভাৰতবৰ্ষৰ এজন গৰ্বিত নাগৰিক হিচাপে মোক ধূলিৰ লগত মিলি যাবলৈ দিয়া যাতে আকৌ এবাৰ জনমলৈ ইয়াৰ যশোগীত গাই আনন্দ কৰিব পাৰো।)

**গ্ৰন্থখন ভালপোৱাৰ কাৰণ ঃ** প্ৰকাশ সাধ্য প্ৰাঞ্জল ভাষাত দেশৰ অতীত আৰু ভৱিষ্যতক বাঙ্ময় কৰি তোলা ড° কালাম প্ৰণীত 'তেজস্বী মন' এখন সহজ-সৰল অনবদ্য গ্ৰন্থ। ঐহিক জীৱনৰ বাটত পৰিভ্ৰমী ফুৰোতে তেওঁ দেশৰ বিভিন্ন ইচ্ছু আৰু প্ৰসংগক লৈয়েই এই গ্ৰন্থ ৰচনা কৰিছে। নিজৰ দেশখনক সবাতোকৈ শক্তিশালী আৰু সমৃদ্ধিশালী কৰি গঢ়ি তোলাৰ তেওঁৰ যি ৰঙীন স্বপ্ন সি এই গ্ৰন্থখনৰ ছত্ৰে-ছত্ৰে বিবৃত হৈছে। নিশ্চয় স্বদেশ আৰু স্বদেশৰ মানুহৰ প্ৰতি থকা গভীৰপ্ৰেম আৰু দায়বদ্ধতাই তেওঁক এনে এখন কালোত্তীণ গ্ৰন্থ লিখিবলৈ অনুপ্ৰাণিত কৰিছিল। এক সাৰ্থক আৰু অনুপম সৃষ্টি এই গ্ৰন্থখন জীৱনৰ বিলাস বৈভৱ আৰু বিষয়-বাসনাৰ প্ৰতি বীতস্পৃহ কৰি বিজ্ঞানীগৰাকীৰ প্ৰজ্ঞা মনীষা, এগৰাকী মহান স্বপ্নদ্ৰষ্টাৰ আত্মোপলব্ধি আৰু আত্মানুসন্ধানৰ বিৰল কাহিনী।

**সামৰণি ঃ** ইগনাইটেড্ মাইন্দছ (অনুবাদ তেজস্বী মন) গ্ৰন্থখনে আমাৰ অভ্যন্তৰৰ দায়বদ্ধতা জগাই তোলাত আৰু যিবোৰ শক্তিয়ে আমাৰ অগ্ৰগতিৰ পথত অন্তৰায় সৃষ্টি কৰি আহিছে সেইবোৰ শক্তিক ওফৰাই দিয়াত সহায় কৰিব। মুঠতে কি বিদ্যাৰ্থী, কি শিক্ষক, বিজ্ঞানী, উদ্যোগপতি, আইনজীৱী, ৰাজনৈতিক নেতা আদি সকলোৰে পঢ়া মেজতে থাকিবলগীয়া ই এখন নিৰ্ভৰযোগ্য গ্ৰন্থ। সুৰেশ শৰ্মাই কালামৰ এই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি তুলিছে। ♦

# মামনি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উয়ে খোৰা হাওদা'

গীতুমণি বৈশ্য

**লিখকৰ পৰিচয় ঃ** ড° মামনি ৰয়ছম গোস্বামী অসমৰ এগৰাকী আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন উপন্যাসিকা, গল্প লেখিকা, ৰামায়ণী সাহিত্যৰ গৱেষিকা আছিল। তেওঁ সাম্প্ৰতিক অসমীয়া সাহিত্যৰ অন্যতম লেখিকা আছিল।

মামনি ৰয়ছম গোস্বামীয়ে ১৯৮২ চনত সাহিত্য একাডেমী বঁটা আৰু জীৱনযোৰা সাধনা বঁটা লাভ কৰে, ২০০৪ চনত তেওঁ জ্ঞানপীঠ বঁটা লাভ কৰিবলৈ সক্ষম হয়। ড° গোস্বামীয়ে অসমৰ দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ বৰিহাটত জন্ম গ্ৰহণ কৰে। তেওঁৰ উপন্যাসত অৱদমিত নিষ্পেষিত নাৰী আৰু শ্ৰমিক শ্ৰেণীৰ কাহিনীয়ে মুখ্য স্থান অধিকাৰ কৰিছে। নিৰ্যাতিতা শ্ৰমিকৰ যন্ত্ৰণা তেওঁ মনে মনে উপলব্ধি কৰিছিল আৰু সেই উপলব্ধিৰ হুবহু ছবি প্ৰকাশ পাইছে তেওঁৰ উপন্যাসসমূহত। তেওঁৰ সমগ্ৰ জীৱনটো সাহিত্য সাধনাত ব্ৰতী হৈ আছিল। অৱশেষত ২০১২ চনত এই গৰাকী মহিয়সী নাৰীৰ দেহাৱসান ঘটে।

**গ্ৰন্থখনৰ আলোচনা ঃ** মামনি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উয়ে খোৰা হাওদা' নামৰ উপন্যাসখনত কাহিনী বৰ্ণনা কৰা হৈছে। উপন্যাসখনত দক্ষিণ কামৰূপৰ এটা অঞ্চলক কেন্দ্ৰ কৰি গঢ়ি উঠা আমৰঙা সত্ৰৰ আশে-পাশে থকা এটা অঞ্চলৰ বৰ্ণনাই ঠাই পাইছে। উপন্যাসখনত উল্লেখ কৰিছে যে— এগৰাকী সদ্য বিধৱা তিৰোতা নাম গিৰিবালা, তাই সত্ৰাধিকাৰৰ (আমৰঙা সত্ৰৰ) বছৰেকীয়া তিথিত বামুনে ৰন্ধা পঠাৰ মাংসৰ গোন্ধ পাই লোভত থাকিব নোৱাৰি ঢেখালৰ কোণত থকা ঠালীটোৰ পৰা গো-গ্ৰাসে মাংস খাবলৈ ধৰিলে। ফলত সকলোৱে তাইক পৰাচিত কৰিবৰ কাৰণে উঠি পৰি লাগিল। হেৰামদৰ বৰ পুৰোহিতে চিঞৰি ক'বলৈ ধৰিলে— "নাদৰ পানী ঢালি চব কাম আলাগে কৰ। দোনাত ধৰি আঢ়ৈ, চাউল, তামৰ পইচা, কড়ি, ফুল তুলসি আন। গংগাজল তাকো আন"। সেই সময়ছোৱাত সেই অঞ্চলৰ বিধৱাই বহুতো সংস্কাৰ পালন কৰিবলগীয়া হৈছিল। দামোদৰীয়া গোসাঁইৰ বিধৱাই মাংসৰ ঠালীত হাত দিয়া

বাবে পুৰোহিত বাপুৱে গিৰিবালাক পৰাচিত কৰিবৰ বাবে এটা কলসৰুৱা আৰু খৰিৰে এটা মেৰঘৰ সাজি তাৰ ভিতৰত গিৰিবালাক সোমাবলৈ দি পুৰোহিতে সেই ঘৰটোত জুই দি পৰাচিত কৰিলে।

স্বাধীনতাৰ কেইবা বছৰ পিছতো এনেকুৱা কু-সংস্কাৰ অসমত প্ৰচলিত হৈ আছিল। আমৰঙা সত্ৰৰ দীৰ্ঘদিনীয়া প্ৰভাৱ প্ৰতিপত্তি সময়ৰ পৰিৱৰ্তনৰ লগে লগে কমি আহিবলৈ ধৰিলে। স্বাধীনতা আন্দোলনৰ উত্তাল পৰিস্থিতি আৰু কমিউনিষ্টসকলৰ ভু-সংস্কাৰকামী জাগৰণে সত্ৰৰ শিষ্য থকা ভূমি দাস ৰায়ত সকলৰ মাজত নতুন চেতনাৰ সঞ্চাৰ কৰিছিল। ফলত সামন্তবাদৰ পুৰাতন ভেটি ক্ৰমাৎ খহিবলৈ আৰম্ভ কৰে যদিও উক্ত আৰ্থ সামাজিক পৰিৱৰ্তনৰ ফলত পুৰুষ তান্ত্ৰিক সংস্কাৰ আৰু মূল্যবোধৰ কোনো গুৰুতৰ পৰিৱৰ্তন দেখা নগ'ল। বৰং জাত-পাত আৰু বৰ্ণ বৈষম্যৰ লগতে নাৰী কেন্দ্ৰীক শোষণ, নিষ্পেষণ আৰু বঞ্চনাৰ প্ৰকোপ পূৰ্বৰ দৰেই প্ৰতিপত্তিশালী ৰূপত বৰ্তি থাকিল। আলোচ্য উপন্যাসখনত এই নিৰ্মম বাস্তৱৰ প্ৰত্যক্ষ চিত্ৰণ সাৰ্থকভাৱে লিপিৱদ্ধ হৈছে।

দুৰ্গা গোঁসানী আৰু গিৰিবালা পুৰুষ তান্ত্ৰিক বঞ্চনাৰ বলী হোৱা তিনিগৰাকী দুৰ্ভগীয়া নাৰী। পুৰুষ তান্ত্ৰিক প্ৰমূল্যই নিৰ্ধাৰণ কৰি দিয়া নৰক সদৃশ বৈধব্য জীৱন তেওঁলোকৰ বাবে চৰম অভিশাপ স্বৰূপ হৈ পৰিছিল। দুৰ্গাৰ স্বামীৰ মৃত্যুৰ পিছত একান্ত বৈধব্য আৰু সামাজিক ৰীতি-নীতিৰে বান্ধি ৰাখিছিল। কিন্তু সৰু গোঁসানীয়ে দুৰ্গাৰ দৰে জীৱনৰ সৰ্বস্ব ভাগ্যৰ ওপৰত এৰি দিয়া নাই। স্বামীৰ পৰলোক গমনৰ পাচত সৰু গোঁসানীয়ে অনুগত শিষ্যসকলক নিজেই শৰণ দিয়াই, মাটি-বাৰী চলাই দামোদৰীয়া সত্ৰত একপ্ৰকাৰ যশস্যা অৰ্জন কৰিছে। অকলশৰীয়াকৈ থাকিবলৈ লোৱা সৰু গোঁসানীয়ে মাটি-বাৰী চোৱা-চিতাৰ কামত সহায়ক হওঁক বুলি মহিধৰ নামৰ বামুন এটাকো লগত ৰাখি থৈছে। তাৰ কাৰণে তেওঁক লৈ মানুহে বু বু-বা বা কৰিছে যদিও তাৰ প্ৰতি তেওঁৰ অলপো ভ্ৰূক্ষেপ নাই। বৰং তেওঁ মহিধৰ বাপুক লৈ আদৰ্শ পতিত্ব আৰু মাতৃত্বৰ সপোন দেখিছে। সৰু গোঁসানীৰ সুপ্ত মনৰ জৈৱিক আকাংক্ষাবোৰ মূৰ্ত হৈ উঠা দেখা গৈছে। তেওঁৰ এই সপোনক বাস্তবায়িত কৰিবলৈও যেন পিছুৱাই আহিছে, কাৰণ দামোদৰীয়া পৰম্পৰা আৰু ৰীতি-নীতিয়ে তেওঁক হাত-ভৰি বান্ধি ৰাখিছে। প্ৰখৰ ব্যক্তিত্ব সম্পন্ন সৰু গোঁসানীৰ এই দ্বিধাগ্ৰস্থতাৰ কাৰণো পুৰুষ তান্ত্ৰিক সমাজখন। পৰলোকগত স্বামীৰ স্মৃতি আৰু প্ৰচলিত সংস্কাৰে তেওঁক সকলো ধৰণৰ কামনা-বাসনাৰ পৰা আঁতৰি থাকি এক কঠোৰ সংযমী জীৱন-যাপন কৰিবলৈ বাধ্য কৰিছে।

তেওঁৰ স্বামী এজন সৎ ব্যক্তি আছিল। আনহাতে গিৰিবালাৰ ক্ষেত্ৰত এখন বিপৰীত ছবি দেখা গৈছে। শৈশৱৰ পৰাই সাহসী আৰু চঞ্চলা গিৰিবালাক জীৱনৰ অভিজ্ঞতাই আদৰ্শ পতীত্ব আৰু মাতৃত্বৰ প্ৰচলিত ধাৰণাটোক সন্দেহৰ চকুৰে চাবলৈ বাধ্য কৰিছে। সেয়েহে তেওঁ অলপো দ্বিধা সংকোচ নোহোৱাকৈ মৃত স্বামীৰ পৱিত্ৰ খৰমত ফুল তুলসী দি পূজা কৰাৰ পৰা বিৰত থাকিব পাৰে। পঠাৰ মাংস খাই পৰাচিত হ'বলগীয়া হোৱাতো তাই পাপবোধ নকৰি মাৰ্ক চাহাবৰ ওচৰত অন্তৰ্দ্বন্দ্বত নোভোগাকৈ আত্মসমৰ্পণ কৰিব পাৰে। জ্ঞান পীপাসু ধাৰ্মিক মাৰ্ক চাহাবৰ আন্তৰিক সান্নিধ্যই গিৰিবালাক অন্তৰত উক্ত নিষ্পেষণ আৰু বঞ্চনাৰ উপলব্ধি অধিক তীব্ৰ কৰি তোলে। তেওঁ মাৰ্ক চাহাবৰ মাজত এই কদৰ্য নৰক বাসৰ পৰা মুক্তিৰ পথ দেখা নাই। সেয়ে গিৰিবালাই সত্ৰৰ সাতামপুৰুষীয়া ৰীতি ভংগ কৰি মাৰ্ক চাহাবৰ ওচৰত বৰ্ষা সিক্ত নিশা নিজকে সমৰ্পণ কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে। কিন্তু ধাৰ্মিক, প্ৰৱল আত্মসংযমী মাৰ্ক চাহাব দ্বাৰা প্ৰত্যাখ্যাত হৈ তেওঁ 'মেৰদাহ'ৰ জুইত আত্মজাহ দি এই নৰক যন্ত্ৰণাৰ পৰা চিৰদিনৰ বাবে মুক্তি পালে।

গিৰিবালাৰ এই আত্মজাহক অৰ্থহীন আত্ম ত্যাগ বুলি ভাবিব নোৱাৰি। গিৰিবালাৰ আত্মজাহক প্ৰচলিত পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিৰুদ্ধে এগৰাকী নাৰীৰ অন্তৰত দীৰ্ঘদিন ধৰি জমা হৈ থকা প্ৰচণ্ড ক্ষোভ আৰু অভিমানৰ চৰম প্ৰকাশ। গিৰিবালাৰ আত্মজাহৰ ঘটনাই উপন্যাসখনৰ পৰৱৰ্তী অংশত কোনো বিশেষ প্ৰভাৱ পেলোৱা বুলি ক'ব নোৱাৰি যদিও ঘটনাটি সংঘটিত হৈ যোৱাৰ পিছৰ পৰিস্থিতিৰ ইংগিতপূৰ্ণ বৰ্ণনাৰ পৰা আত্মজাহৰ সুদূৰপ্ৰসাৰী তাৎপৰ্যৰ কথা অনুভৱ কৰিব পাৰি। ইয়াৰ বৰ্ণনা দাঙি ধৰি লেখিকা ড° গোস্বামীয়ে লিখিছে 'এটা সময়ত আৰু কৰিবলগীয়া একো নাছিল। চাৰিওফালে বিয়পি পৰিছিল মাথোন পোৰা গোন্ধ! মানুহ পোৰা গোন্ধ!

সামন্তবাদী সমাজৰ নাৰীকেন্দ্ৰিক বাস্তৱতাৰ সাৰ্থক অৱলোকন কৰা হৈছে। দুৰ্গা গোঁসানী আৰু গিৰিবালাৰ চৰিত্ৰৰ জৰিয়তে নাৰীকেন্দ্ৰিক শোষণ আৰু বঞ্চনাৰ সম্যক উপলব্ধিৰ চৰিত্ৰ তিনিটাক ভিন্নধৰ্মী মাত্ৰা প্ৰদান কৰিলেও আমি চৰিত্ৰ কেইটাক এটাক আনটোৰ পৰিপূৰক বা কিঞ্চিত ৰূপ বুলিও কল্পনা কৰিব পাৰো। ভাগ্যান্বেষী দুৰ্গা প্ৰচলিত সকলো ৰীতি-নীতি আৰু সংস্কাৰ আদি আত্মস্থ কৰা এগৰাকী হতভগীয়া নাৰী। সৰু গোঁসানী আৰু গিৰিবালাও ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু দুৰ্গাৰ ক্ষেত্ৰত যিটো সপোনৰো অগোচৰ উক্ত ব্যৱস্থাটোৰ মাজত থাকিলেও নাৰী জীৱনৰ স্বতন্ত্ৰ

আৰু মৰ্যাদা প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা ক্ষীণকৈ হ'লেও সৰু গোঁসানীৰ মাজত প্ৰতিফলিত হোৱা যেন লাগে। এই সম্ভাৱনাই প্ৰচলিত কদৰ্য ব্যৱস্থাৰ মাজৰ পৰা যুক্তিৰ পথ সাহসেৰে সন্ধান কৰি গিৰিবালাৰ চৰিত্ৰৰ মাজত চৰম ৰূপত বিকশিত হৈ উঠিছে।

**সামৰণি** ঃ মামনি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা' অসমীয়া উপন্যাস সাহিত্যৰ এক অন্যতম সৃষ্টি। উপন্যাসখনত সেই সময়ৰ অসমীয়া সমাজখন সুন্দৰভাবে চিত্ৰিত হৈছে। উচ্চ হিন্দু বিধৱা নাৰীৰ ওপৰত জাপি দিয়া সামাজিক নীতি-নিয়মে মামনি ৰয়ছমক বিদ্ৰোহী কৰিছিল। যাৰ ফলস্বৰূপে সৃষ্টি হৈছে গিৰিবালাৰ দৰে চৰিত্ৰৰ। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে— লেখিকা নিজেই এনে নীতি-নিয়মৰ ভুক্তভোগী হ'ব লগা হৈছিল। ড° ৰয়ছম গোস্বামী যেনেকৈ অসমীয়া সাহিত্যৰ সমগ্ৰ নাৰী চৰিত্ৰৰ মাজতে বিদ্যমান চৰিত্ৰ সেইদৰে মৌন প্ৰতিবাদৰ ভাষাৰে আত্মজাহ যোৱা গিৰিবালাৰ মানৱীয় প্ৰমূল্যক এগৰাকী নাৰীবাদী হিচাপে উপন্যাসিকাই উপস্থাপন কৰিছে। এনে দৃষ্টিভংগীৰে উপন্যাসিকাই নাৰী সমাজক চেতনা প্ৰদান কৰিবৰ চেষ্টা কৰাৰ লগতে পৰম্পৰাগত বিষাদময় সমাজ ব্যৱস্থাৰ প্ৰতি তীব্ৰ প্ৰতিবাদ ঘোষণা কৰিছে। মন কৰিবলগীয়া যে তেওঁৰ উপন্যাসত নাৰী জীৱনৰ বিফলতাৰ চিত্ৰহে প্ৰতিফলিত হৈছে। তদুপৰি নিঃসংগ নাৰীৰ দূৰন্ত সাহস তেওঁৰ উপন্যাসৰ ঘাই উপজীব্য। এই ক্ষেত্ৰত তেওঁক অনুপ্ৰাণিত কৰিছে তেওঁৰ হৃদয়তলিত অন্তঃসলীলা ফল্গু ধাৰাৰে প্ৰবাহিত হৈ থকা মানৱীয়তাবোধ। এই কথা স্বীকাৰ কৰি 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা'ৰ পাতনিত ড° গোস্বামীয়ে লিখিছে— "এই পৃথিৱীত মানুহে মানুহক মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ এক মুক বেদনাৰ প্ৰতিধ্বনি অন্তঃসলিলাৰ দৰে উপন্যাসখনৰ মাজেৰে প্ৰবাহিত কৰাৰ চেষ্টা কৰা হৈছে।" ♦

# ৰজনী কান্ত দাসৰ 'জিজ্ঞাসাৰ যাত্ৰা'

**ধনজিত দাস**

**লিখকৰ পৰিচয় ঃ** ৰজনী কান্ত দাস এজন সুপৰিচিত লেখক। তেওঁ গুৱাহাটীৰ এচ.বি. দেওৰা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাম কৰি অৱসৰ গ্ৰহণ কৰে। শিক্ষকতা আৰু অধ্যক্ষৰ দৰে দায়িত্বশীল কৰ্ম পালন কৰিও নানা ধৰণৰ ব্যস্ততাৰ মাজতো তেখেতে নানা বিষয়ৰ চিন্তা গধুৰ প্ৰবন্ধ লেখি আহিছে।

**গ্ৰন্থখনৰ আলোচনা ঃ** 'জিজ্ঞাসাৰ যাত্ৰা' নামৰ তেখেতৰ পুথি খনত বিভিন্ন বিষয়ৰ প্ৰবন্ধ অন্তৰ্ভুক্ত হৈছে। সৰ্বমুঠ দহটা প্ৰবন্ধৰ এই সংকলনখনত সমকাল আৰু সাহিত্য, ধৰ্ম আৰু বিজ্ঞান, বিশ্বায়ন আৰু সাহিত্য, নন্দনতত্ত্বৰ বৈজ্ঞানিক ভিত্তি, সাহিত্য আৰু সমাজ, মাৰ্ক্স আৰু এংগলেচৰ বন্ধুত্ব, আইনষ্টাইন আৰু ৰাজনীতি, অধিবিদ্যা আৰু বিজ্ঞানসন্মত দৃষ্টিকোণ, জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চেতনা, আজিৰ পটভূমিত বিষ্ণুৰাভাৰ প্ৰাসংগিকতা আদি জটিল বিষয়ৰ যুক্তিপূৰ্ণ আলোচনা আছে। এই প্ৰবন্ধকেইটা চমুকৈ তলত বৰ্ণনা কৰা হ'ল।

১। **সমকালৰ প্ৰক্ষেপণত সাহিত্য বিচাৰ ঃ** চিৰাচৰিত অৰ্থত সাহিত্য মানুহৰ ইতিহাস নহয়। ইতিহাসবিদ আৰু শিল্পীয়ে ঘটনা একোটাক পৰ্যবেক্ষণ কৰা দৃষ্টিকোণ একে নহয়। টলষ্টয়ে এই প্ৰভেদৰ বিষয়ে কৈছে— "The historian has to deal with the results of an events, the artist with the fact of an event?" যি মানুহ ইতিহাসৰ সমল সেই মানুহেই সাহিত্যৰো সমল।

২। **বিশ্বায়ন সাহিত্য সংস্কৃতিত ইয়াৰ প্ৰভাৱ ঃ** পৰম্পৰাগত গ্ৰাম্য, কৃষিভিত্তিক সমাজৰ ৰূপান্তৰ ঘটাই ধৰ্মনিৰপেক্ষ নগৰকেন্দ্ৰিক, শিল্পভিত্তিক সমাজ গঢ়ি তোলা প্ৰক্ৰিয়াটোক সমাজ বিজ্ঞানৰ ভাষাত আধুনিক বুলি কোৱা হয়। আধুনিক যুগ আৰম্ভ হোৱাৰ আগতে মানুহৰ সভ্যতাৰ ইতিহাসে আন দুটা পৰ্যায় অতিক্ৰম কৰি আহিছে। আধুনিক যুগ বুলি কোৱা তৃতীয়টো পৰ্যায় সূচিত হয় ১৮ শতিকাত। সাহিত্যৰ বিষয়বস্তু হ'ল মানুহৰ জীৱন বা অধিক শুদ্ধকৈ ক'বলৈ হ'লে সমাজ জীৱন।

৩। **নন্দনতত্বৰ বৈজ্ঞানিক ভিত্তি ঃ** কোনো কথা বা বস্তু সুন্দৰ বুলি আমাৰ যি অনুভৱ হয়, তাক প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়োজনীয় তাত্বিকতাক এটা বিষয়সূচী হিচাপে দিয়া নিৰূপিত ৰূপটোক নন্দনতত্ব বুলি কোৱা হয়। সাধাৰণতে নন্দনতত্ব শব্দটো গ্ৰীক ভাষাৰ aisthetikos ৰ পৰা আহিছে। মানুহৰ সাংস্কৃতিক মনৰ সুক্ষ্ম উপলব্ধিৰ পৰাই সৃষ্টি হৈছে নান্দনিকতাৰ উপলব্ধি। গতিকে মানুহৰ সাংস্কৃতিক চেতনা যেতিয়াৰ পৰা প্ৰকাশৰ মাধ্যম বিশেষকৈ সাহিত্য আৰু শিল্পৰ মাজেদি প্ৰকাশিত হোৱাৰ সুযোগ ওলাল, তেতিয়াৰ পৰা নন্দনতত্বই এটা বিষয়ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰিলে।

৪। **সাহিত্যৰ সামাজিক ভিত্তি ঃ** মানুহৰ জীৱনত উপলব্ধ হোৱা বাস্তৱ সত্যক অৰ্থদান কৰে সামাজিক সত্যই। সত্যানুসন্ধানী কলাকাৰে স্বপ্নৰ মাধুৰিমাৰ পৰা নহয়, বাস্তৱৰ কাঠিন্যৰ পৰাই সৃষ্টিৰ সমল আহৰণ কৰে। মানুহৰ সামাজিক জীৱনটো সাহিত্য কলা সৃষ্টিৰ কেঁচা সামগ্ৰীৰ ভঁৰাল। জীৱন উপচি পৰা বৰ্ণাঢ্য উপাদানবিলাকৰ মাজত প্ৰতিনিয়ত সামাজিক সম্পৰ্কবোৰ সংঘটিত কৰা অন্তহীন ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিচিত্ৰ ফলাফলৰ প্ৰতিফলক হৈছে সাহিত্য। ১৯৮২ চনত য়েনান ফ'ৰামত মাও জে ডঙে প্ৰদান কৰা সাহিত্য আৰু কলাৰ বিষয়ে এটা উক্তি আগবঢ়াইছে। সেইটো এনেধৰণৰ- যদিও মানুহৰ জীৱনটো সাহিত্য আৰু কলাৰ একমাত্ৰ উৎস আৰু তুলনাবিহীনভাৱে বিষয়বস্তুৰ ক্ষেত্ৰত অধিক সজীৱ আৰু সমৃদ্ধ; মানুহে কেৱল নিজৰ জীৱনলৈয়ে সন্তুষ্ট নহয়; মানুহে সাহিত্য আৰু শিল্পও বিচাৰে।

৫। **মাৰ্ক্স আৰু এংগেলচৰ বন্ধুত্ব প্ৰীতি ঃ** কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডেৰিক এংগেলচ বৈজ্ঞানিক সাম্যবাদৰ ৰূপকৰ দুগৰাকী মহা প্ৰতিভাধৰ সমাজ বিজ্ঞানী। বিজ্ঞানসন্মত উপায়েৰে সমাজ পৰিৱৰ্তনৰ পথ নিৰ্দেশকাৰী এই দুগৰাকী মহান ব্যক্তিয়ে অনুপম বন্ধুত্ব প্ৰীতিৰে অভিন্ন হৃদয় হৈ পৰিছিল। এংগেলচে কাৰ্ল মাৰ্ক্সক সমাধিস্থলত অন্তিম বিদায় জনাই কৈছিল- মাৰ্ক্সৰ নাম যেনেকৈ যুগ যুগ ধৰি চলি থাকিব তেওঁৰ কৰ্মও তেনেকৈ চলি থাকিব। এংগেলচ এনে এজন তীক্ষ্ণ প্ৰতিভাধৰ ব্যক্তি আছিল যে একেখিনি কথাই তেওঁৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হয়। বয়সৰ ফালৰ পৰা মাৰ্ক্সতকৈ এংগেলচ প্ৰায় আঢ়ৈ বছৰৰ সৰু আছিল। জাৰ্মানিৰ বাসিন্দা মাৰ্ক্স আৰু এংগেলচৰ মাজত প্ৰথম সাক্ষাৎ ঘটে ফ্ৰান্সৰ ৰাজধানী চহৰ প্যাৰীছত।

৬। **আইনষ্টাইনৰ ৰাজনৈতিক দৃষ্টিকোণ ঃ** আইনষ্টাইনৰ ৰাজনীতি উচপ খাবলগীয়া কথা। কাৰণ যিজন আইনষ্টাইনে হেলাৰঙে প্ৰত্যাখান কৰিছিল তেওঁলৈ আগবঢ়োৱা নৱগঠিত ৰাষ্ট্ৰ ইজৰাইলৰ ৰাষ্ট্ৰপতিৰ দৰে লোভনীয় বিষয়- বাব, যিজন

আইনষ্টাইনে ঘোষণা কৰিছিল— "Polities is for momemt, Equation is for ever" সেইজন আইনষ্টাইনো যে ৰাজনীতিৰ লগত জড়িত হ'ব পাৰে সেয়া অবিশ্বাস্য যেন লাগিব পাৰে। কিন্তু আচল কথাটো হ'ল— ৰাজনীতি ভালেই পাওক বা বেয়াই পাওক ইয়াৰ প্ৰভাৱৰ পৰা মুক্ত হৈ কোনো মানুহে সামাজিক জীৱন-যাপন কৰিব নোৱাৰে।

৭। **অধিবিদ্যাৰ কৱলৰ পৰা মুক্তিৰ অভিযান ঃ** বিশ্ব বীক্ষা ভাববাদী বা বস্তুবাদী হ'ব পাৰে। দুয়োটা ধৰণ দুটা সুকীয়া ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰথমবিধ ভেটি নিৰ্মাণৰ উপাদান যোগান ধৰে অধিবিদ্যাই আৰু দ্বিতীয় বিধৰ দ্বান্দ্বিকতাই। অধিবিদ্যা বিষয়টো সম্পৰ্কে ভিন ভিন পণ্ডিতে বহুতো ধৰণৰ বক্তৃতা আগবঢ়াইছে। 'Metaphysics- A Genuine Cognitive Pursuit' নামৰ ৰচনা এখনত কালিদাস ভট্টাচাৰ্যই সংজ্ঞা দিছে এনেধৰণৰ- "অধিবিদ্যা হৈছে বিজ্ঞান আৰু সাধাৰণ জীৱন সম্পৰ্কে পোষণ কৰা কেতবোৰ বিশেষ প্ৰাক্-ধাৰণাৰ বিষয়ে বিশ্লেষণাত্মক এক অধ্যয়ন। বিজ্ঞান আৰু সাধাৰণ জীৱনৰ মাজত পাৰ্থক্যটো হৈছে কেৱল স্পষ্টতা সূক্ষ্মতা আৰু ক্ৰমৰ মাত্ৰাত।

৮। **জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক চেতনাৰ উত্তৰণ ঃ** সমগ্ৰ অসম জুৰি বিপুল উৎসাহ-উদ্দীপনাৰে বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপিত হৈ থকা জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম শত বাৰ্ষিকীৰ বৰ্ষটোত তেওঁৰ শিল্প, সাহিত্য, সংস্কৃতি, ৰাজনীতি বিষয়ক চেতনা সম্পৰ্কে বহলভাৱে আলোচনা পৰ্যালোচনা হোৱাটো সন্তোষৰ কথা। শিপাৰ সন্ধানত প্ৰৰোচিত কৰি বিচ্ছিন্নবাদী ভ্ৰাতৃঘাটি সংঘৰ্ষৰ পথলৈ ঠেলি দিয়া সময়ত আত্মক্ষয়ী অসমবাসী ৰাইজৰ কাৰণে এয়া নিশ্চয় স্বস্তিৰ কাৰণ। কিয়নো জাত-পাতৰ উৰ্দ্ধত অসমীয়াক এক জাতিসত্তাৰে ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টা আছিল জ্যোতিপ্ৰসাদৰ বিশাল সাংস্কৃতিক কৰ্মযজ্ঞৰ কেন্দ্ৰীয় কাৰ্যসূচী। পিছে জ্যোতিপ্ৰসাদৰ লেখনীৰ বাস্তৱায়নৰ গুৰুত্ব স্বীকাৰ কৰিও বহুজনে অস্বস্তিত ভোগা যেন ধাৰণা হয়।

৯। **অসমৰ সাম্প্ৰতিক সমাজ জীৱনত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰাসংগিকতা ঃ** বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম ১৯০৯ চনৰ ৩১ জানুৱাৰীত। ৰাভাৰ আয়ুস কাল আছিল তিনি কুৰি বছৰৰ অলপ বেছি। তেওঁৰ এই নীতি দীৰ্ঘ জীৱনকাল চোৱা অতিবাহিত হৈছিল অসম তথা ভাৰতৰ ইতিহাসৰ ক্ৰান্তিকাৰী সময়ৰ মাজেদি। অসমৰ সাম্প্ৰতিক সমাজ জীৱনত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰাসংগিকতা বিচাৰ কৰা মানে বৈচিত্ৰ্যৰ মাজত ঐক্যৰ অনুসন্ধান কৰা। অসমৰ সমাজ জীৱনক সুস্থিৰতা দান কৰিব পাৰে সংহতিৰ সমাধান

সূত্ৰই। জাতি, বৰ্ণ, ভাষা, ধৰ্ম, বিচাৰৰ উৰ্দ্ধত শ্ৰমজীৱী জনতাৰ মুক্তিৰ সন্ধানৰ প্ৰাথমিক চৰ্ত পূৰণৰ বাবে সংহতি সাধনৰ অনিবাৰ্যতাই ৰাভাক কৰি তুলিছিল ইস্পাত কঠিন।

'জিজ্ঞাসাৰ যাত্ৰা' নামৰ পুথিখনত সন্নিবিষ্ট কৰা 'বিশ্বাস, অন্ধবিশ্বাস, পৰম্পৰাৰ মাজেদি ধৰ্ম আৰু বিজ্ঞানৰ ক্ৰমবিকাশ' নামৰ প্ৰবন্ধটোৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

খ্ৰীষ্টান ধৰ্মগ্ৰন্থ বাইবেলত বৰ্ণিত কাহিনী মতে নিষিদ্ধ গছৰ ফল সংগোপনে ভক্ষণ কৰাৰ পৰিণামত আদিম নৰ-নাৰী আদম আৰু ঈভ সৃষ্টিকৰ্তাৰ কোপদৃষ্টিত পৰি স্বৰ্গচ্যুত হয়। এওঁলোকৰ সতি-সন্ততিৰে বংশ বৃদ্ধি হৈ কালক্ৰমত পৃথিৱীখনত মানুহৰে ভৰি পৰিল।

দৈৱৰ অভিশাপত এইদৰেই মৰ্ত্যত মানুহৰ উৎপত্তি হয়। নৈষ্ঠিক খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে বহুকাল ধৰি এই বিশ্বাসকে খামুচি ধৰি আছিল।

হিন্দুৰ মাজতো প্ৰচলিত বিশ্বাস অনুসাৰে সৃষ্টিৰ পূৰ্বে ঘোৰ তমসাৰ মাজত হিৰণ্যগৰ্ভৰ পৰা ব্ৰহ্মাৰ সৃষ্টি হয়। তপস্যাৰত ব্ৰহ্মাৰ একো একোটা অঙ্গৰ পৰা একো একোটি জীৱৰ সৃষ্টি হয়। এইবিলাকৰ ভিতৰত মানুহ জাতিটো অন্যতম।

ধৰ্মীয় বিশ্বাসত চলি থকা মানুহ সৃষ্টিৰ অলৌকিকতাক অৱশেষত বিজ্ঞানমনস্কতাই প্ৰত্যাহ্বান জনালে। ১৮৫৯ চনৰ নৱেম্বৰ মাহত চাৰ্লচ ডাৰউইনৰ বিখ্যাত গ্ৰন্থ 'Origin of species' খন প্ৰকাশ পায়। ডাৰউইনে গ্ৰন্থখনত বিবৰ্তনবাদৰ তত্ত্ব ৰূপায়ণ কৰি দেখুৱাইছে যে পৃথিৱীত আদিতে এককোষী জীৱই থিতাপি লৈছিল। ধীৰে ধীৰে বহু বিৱৰ্তনৰ মাজেদি ইবিলাকৰ পৰা প্ৰাকৃতিক পৰিৱেশৰ সৈতে খাপ খোৱাকৈ বহুকোষী প্ৰাণী আৰু মানুহৰ জন্ম হৈছে। ১৮৭১ চনত তেওঁৰ আন এখন যুগান্তকাৰী গ্ৰন্থ 'Descent of man' প্ৰকাশ পায়। এই গ্ৰন্থত তেওঁ নিশ্চিতভাৱে প্ৰমাণ কৰি দেখুৱালে যে মানুহ বনমানুহ আৰু বান্দৰসমূহ আছিল পূৰ্বপুৰুষ একোটা গোত্ৰৰে প্ৰাণী।

বিজ্ঞানৰ যুক্তি আৰু পৰীক্ষালব্ধ জ্ঞানৰ আগত ধৰ্মীয় বিশ্বাসে এইদৰে স্থান এৰিবলগীয়া হৈছে। নৃতত্ত্ববিদে সিদ্ধান্ত কৰিছে যে ক্ৰমাগতভাৱে ঘটি থকা দৈহিক গঠনৰ পৰিৱৰ্তনৰ ফলত আজিৰ পৰা প্ৰায় এক ডেৰ কোটি বছৰ আগেয়ে প্ৰাচীন মানুহে আন এক ৰূপ লয়। এই ৰূপটোক কোৱা হয় ড্ৰাইওপিতেক। ড্ৰাইওপিতেকৰো ৰূপান্তৰ ঘটি দহ-ত্ৰিশ লক্ষ বছৰ আগেয়ে অস্ট্ৰালোপিতেক হয়। পাচ-দহ লক্ষ বছৰ

আগেয়ে পিতেকানপ্ৰোপ আৰু এক-পাচ লক্ষ বছৰ আগেয়ে নিয়নডাৰ্থালৰ ৰূপ পায়। নিয়নডাৰ্থালৰ পৰা উন্নততৰ মানুহ সৃষ্টি হয় প্ৰায় দহ হেজাৰ বছৰ আগেয়ে।

মানুহ সৃষ্টিৰ বিপৰীতে বিশ্ব ব্ৰহ্মাণ্ডখনৰ সৃষ্টি হৈছিল প্ৰায় ১৩-১৮ শ কোটি বছৰ আগতে। হাতীপটিবিলাক গড় হিচাপে প্ৰায় ৯.৬ শ কোটি বছৰ বা তাৰ আগেয়ে সৃষ্টি হৈছিল। সৌৰজগতখন প্ৰায় ৪৬ কোটি বছৰৰ প্ৰাচীন। পৃথিৱীখন প্ৰায় ৪.৬ কোটি বছৰ বয়সীয়া। কিছুমান প্ৰাচীন শিলাস্তৰত আৱিষ্কাৰ কৰা জীৱাশ্মৰ পৰা পোৱা যায় যে ইবিলাক প্ৰায় ৩.৩ কোটি বছৰৰ পুৰণি বেক্টেৰীয়া। সেয়ে হ'লে পৃথিৱীত জীৱসৃষ্টিৰ ইতিহাস আজিৰ পৰা প্ৰায় ৩.৩ কোটি বছৰ আগতে আৰম্ভ হৈছিল বুলি ধৰিব পাৰি।

শিৰোনামৰ আলোচ্য বিষয় প্ৰসংগত এই কথাখিনিৰ অৱতাৰণা কৰা হ'ল এইবাবেই যে পৃথিৱীত মানুহ সৃষ্টিৰ কালচোৱা অপেক্ষাকৃত ভাবে কম— যাৰ ফলত মানুহৰ ধৰ্মীয় বিশ্বাসে সৃষ্টি কৰা ঈশ্বৰৰ অস্তিত্বই বিপদাপন্ন হৈ পৰে। হানছ যিচ্ছাৰৰ আত্মাৰ অমৰত্ব আৰু ইচ্ছাৰ স্বাধীনতা— এই দুয়োটা বিষয়ে লক্ষ লক্ষ বিতৰ্কমূলক গ্ৰন্থ ৰচিত হৈছে। কিন্তু তথাপি এই দুয়োটা ধাৰণাৰ সপক্ষে কোনো সন্তোষজনক প্ৰমাণ আজিলৈকে কোনেও দিব পৰা নাই। ঈশ্বৰৰ ধাৰণাৰ বিষয়ে একে কথাকে ক'ব পাৰি।

যি কি নহওঁক মানুহৰ মনত খোপনি পোতা ঈশ্বৰ বিশ্বাসৰ গুৰি বিচাৰিবলৈ হ'লে আদিম সমাজখনলৈ ভুমুকি মাৰি চাব লাগিব। হিংস্ৰ প্ৰাণীয়ে বিচৰণ কৰা প্ৰকৃতিৰ আৰণ্যক পৰিৱেশ আছিল আদিম মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ প্ৰতিকূল। এনে পৰিৱেশত জীয়াই থকাৰ সংগ্ৰাম আছিল অতিশয় কঠোৰ। সংগ্ৰামত জয়ী হ'বৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত পৰিমানৰ শক্তি আদিম মানুহৰ নাছিল। শক্তিৰ ঘাটি পুৰোৱাৰ বাসনাই তেওঁলোকৰ মনত ক্ৰিয়া কৰাটো স্বাভাৱিক। ইয়াৰ বাবে তেওঁলোকে কোনো ধৰণৰ কৌশল অৱলম্বন কৰিবলৈ ধৰে। এই কৌশলৰ নাম হ'ল যাদু বা ইন্দ্ৰজাল। বাস্তৱ ঘটনাক বশ কৰাৰ প্ৰমাণ সৃষ্টি কৰিয়েই যেন বাস্তৱক বশীভূত কৰা হয়— এয়ে হ'ল যাদুৰ কৌশল। সেয়েহে যাদু মূলতঃ বিভ্ৰম উদ্ৰেগকাৰী হ'লেও ইয়াৰ উদ্ভাৱন আছিল সদৰ্থক। বৈদিক সাহিত্যত এই ধৰণৰ যাদু কৌশলৰ বিশ্বাস প্ৰচলিত আছিল বুলি পোৱা যায়। দেৱী প্ৰসাদ চট্টোপাধ্যায়ৰ লিখনিত আছে— "As is well known, practically the whole of the atharva veda is noting more than sheer magic".

উৎপাদন কৌশলৰ উন্নতি সাধনৰ ফলত সমাজত শ্ৰেণীয়ে দেখা দিলে। যৌথভাৱে শ্ৰম কৰাৰ সলনি সংখ্যাত তাকৰ এক শ্ৰেণীৰ লোকে বাকী বিলাকৰ শ্ৰমৰ ওপৰত জীৱন নিৰ্বাহ কৰাৰ পথ মুকলি হ'ল। সেয়ে হ'লেও পূৰ্বৰ যাদু বিদ্যাৰ স্মৃতি তেওঁলোকৰ সোঁৱৰণত ৰৈ গ'ল। যাদু বিদ্যাৰ কৌশলক এক ৰহস্যময় আধ্যাত্মিক শক্তি হিচাপে গঢ়ি তুলি মাত্ৰ একাংশ লোকৰ আয়ত্বাধীন জ্ঞান কৰি তোলা হয়। এইদৰে যাদুবিদ্যাৰ ইতিবাচক ভূমিকাত নঞৰ্থক দিশৰ মাত্ৰা সংযোজিত হৈ পৰিল। ইতিবাচক দিশৰ পৰা ফালৰি কাটি অহা লোকবিশ্বাস দিশহাৰা হৈ অন্ধবিশ্বাসত পৰিণত হ'ল। সমাজত যি শ্ৰেণীয়ে প্ৰাধান্য লাভ কৰে সেই শ্ৰেণীৰ স্বাৰ্থ অক্ষুণ্ণ কৰি ৰখাত অন্ধবিশ্বাসে জীপ পাবলৈ ধৰে। অন্ধবিশ্বাসক এইদৰে ধৰ্মীয় আচৰণৰ মৰ্যাদা দান কৰি ক্ষমতাশীল শ্ৰেণীটোৱে গৰিষ্ঠ সংখ্যাক লোকক প্ৰতাৰিত কৰি আহিছে।

ধৰ্মও যাদুৰে নেতিবাচক দিশৰ উৎপাদন। নায়ক, পৰম্পৰা, মতা-মাইকীৰ পাৰস্পৰিক সংসৰ্গ বিচৰাৰ আবেগিক তাড়না, সংক্ৰামক ৰোগ আৰু অপৰিচ্ছন্নতাৰ পৰা নিলগত থকাৰ বাসনা, যাদু বিদ্যাৰ জৰিয়তে ক্ষমতা লাভৰ আকাংক্ষা, বীজ ৰোপনৰ সময়ত বলি দিয়াৰ বিধান, মানসিকভাৱে কৰা পৰীক্ষা নিৰীক্ষা আৰু অশুদ্ধ ধাৰণা- এই সকলো সামৰি মানুহে সামাজিক জীৱ হিচাপে এটা সাধাৰণ বিশ্বাস আৰু প্ৰণালী মানি সমাজত বাস কৰাৰ বাবে যি এটা উমৈহতীয়া পদ্ধতিৰ সৃষ্টি হ'ল সেয়ে ধৰ্ম নাম পালে। ধৰ্মৰ উৎপত্তি আৰু বিকাশৰ প্ৰসংগত ফেডেৰিক এংগেলচে আগবঢ়োৱা প্ৰতিপাদ্যৰ সাৰাংশ এনেধৰণৰ— মানহৰ দৈনন্দিন জীৱনক কেতবোৰ বাহ্যিক বলে নিয়ন্ত্ৰণ কৰি ৰাখে। মানৱ মনত এই বাহ্যিক বলৰাশিৰ যি কাল্পনিক প্ৰতিফলন সি এনেকুৱা যে ই পাৰ্থিৱ বলসমূহক অপাৰ্থিৱ ৰূপত প্ৰতিভাত কৰায়। ইতিহাসৰ আদিতে প্ৰতিফলিত হোৱা বলসমূহ আছিল প্ৰকৃতিজাত অৰ্থাৎ প্ৰকৃতিত বিৰাজমান। মানৱ জাতিৰ উত্থানৰ পৰৱৰ্তী স্তৰত জনগোষ্ঠীবিলাকৰ মাজত বহুধা বিভক্ত আৰু বিচিত্ৰতাৰে ইবিলাকৰ ব্যক্তি কৰণ কৰা হয়। প্ৰকৃতিত বিৰাজ কৰা শক্তিবিলাক ইতিহাসৰ চিৰি বগাবলৈ আৰম্ভ কৰা মানুহৰ কাৰণে আছিল প্ৰহেলিকা। কাৰণ সিবিলাকৰ স্বৰূপ বুজাটো তেওঁলোকৰ সাধ্যৰ বাহিৰত আছিল। একেদৰেই যিবিলাক সামাজিক শক্তিয়ে মানুহৰ সমাজখনত আধিপত্য বিস্তাৰ কৰিবলৈ লয়, সেইবিলাকৰ পৰা ওপজা দুখ-দুৰ্দশাই কাবু কৰি ৰখা সামাজিক শক্তিবিলাকৰ বিন্যাস পৰ্যালোচনা কৰিব পাৰিব। ফলত সামাজিক শক্তিবিলাকো প্ৰাকৃতিক শক্তিৰ নিচিনাকৈ প্ৰহেলিকাময় হ'বলৈ ধৰে। গতিকে আদিতে যি প্ৰাকৃতিক শক্তিক প্ৰতিফলনৰ জৰিয়তে পোনপটীয়াকৈ দেৱত্ব আৰোপ

কৰা হৈছিল, তাৰ লগত এতিয়া সংযোজিত হ'ল সামাজিক গুণাৱলীৰ প্ৰতিফলন। এই দুই প্ৰতিফলনৰ সমাহাৰত যি প্ৰতিনিধিৰ সৃষ্টি হ'ল সি হৈ পৰিল ইতিহাসৰ নিয়ামক। মানুহৰ উত্থানৰ বহু যুগৰ পাছৰ স্তৰত প্ৰাকৃতিক আৰু সামাজিক গুণাৱলীৰ প্ৰতিনিধিকাৰী অসংখ্য দেৱতাৰ শক্তি সংহত কৰি মাত্ৰ এজনৰ ওপৰত প্ৰতিনিধিত্ব অৰ্পন কৰা হ'ল। এইজনেই হ'ল বিশ্ব চৰাচৰৰ সৰ্বশক্তিমান জগতপিতা— যি বিমূৰ্ত্ত মানৱৰ প্ৰতিফলন ব্যতিৰেকে আন একো নহয়। এয়াই একেশ্বৰবাদৰ সূচনা। একেশ্বৰবাদৰ ধাৰণাই প্ৰাচীন কালত হিন্দুৰ মাজত নাম পায় ঈশ্বৰ বা ভগৱান, ইহুদীৰ মাজত জিহোৱা, খ্ৰীষ্টানৰ মাজত গড, মুছলমানৰ মাজত আল্লা।

যাদুবিদ্যাৰ নেতিবাচক দিশৰ বিপৰীতটোৱে হ'ল ইতিবাচক। এই দিশৰে ফল হ'ল বিজ্ঞান। প্ৰকৃতিৰ সৈতে সুদীৰ্ঘকাল ধৰি অব্যাহত থকা সংগ্ৰামৰ মাজেদি মানুহে যিখিনি ধনাত্মক বা জীৱনমুখী কথা শিকিলে, তাৰ প্ৰকাশ ঘটিলে বিজ্ঞানত। এই প্ৰকাশে আধুনিক ৰূপ পোৱাৰ আগতে বিজ্ঞানে তিনিটা ঘাই স্তৰ অতিক্ৰম কৰি আহিব লগা হৈছে।

বিজ্ঞানৰ প্ৰথমটো স্তৰ হ'ল Fetichism। বৰ্তমান কালত ই Animism নামেৰে পৰিচিত।

দ্বিতীয়টো স্তৰ অধিবিদ্যা নামেৰে অভিহিত কৰা হৈছে। পিছলৈ মানুহে প্ৰকৃতি বুলি অভিহিত কৰিলে। Positive নামেৰে বিজ্ঞানৰ তৃতীয়টো পৰ্যায়ৰ কেন্দ্ৰীয় ধাৰণা মতে জগতত প্ৰপঞ্চহে সংঘটিত হয়; তাৰ বাহিৰে একো নাই। সেই কাৰণে কোৱা হয় Science tells us how, not why.

মানুহৰ জীৱনত ধৰ্মৰ গভীৰ প্ৰভাৱ লক্ষ্য কৰি সেয়েহে কাৰ্লমাৰ্ক্সে কৈছিল— 'Religion is the opium of masses". জগতখনক বস্তুনিষ্ঠভাৱে নাচাই মায়াৰ সৃষ্টি বুলি অভিহিত কৰা ধৰ্মই মানুহক বাস্তৱৰ মুখামুখি নকৰায়। সেয়েহে ইয়াৰ ভূমিকা প্ৰতিক্ৰিয়াশীল। কিন্তু সেয়ে হ'লেও সেই যুগত বিৰাজ কৰা নিৰ্মম বাস্তৱ পৰিস্থিতিৰ পৰা উদ্ধাৰ পাবলৈ মানুহে ধৰ্মৰ মাজত বিচাৰি পাইছিল পৰম সহৃদয়তা। মাৰ্ক্সে সেয়েহে আকৌ কৈছে— 'It is the heart of the heartless world'. ধৰ্মীয় বিশ্বাসে অদৃষ্টবাদ বা দৈৱবাদৰ পথ সুগম কৰাত সহায় কৰে। এই পথ আত্মসমৰ্পণৰ পথ। প্ৰাকৃতিক বা সামাজিক ঘটনাৰ আঁতৰত দি দ্বন্দ্বই ক্ৰিয়া কৰি থাকে, তাক সমলোচনাত্মক দৃষ্টিৰে জুকিয়াই চোৱাৰ বিপৰীতে দৈৱবাদে সমস্ত কাৰ্যকৰণৰ গুৰি এজন ভাগ্য নিয়ন্তাৰ ওপৰত ন্যস্ত কৰে। ইয়ে মানুহৰ প্ৰতিবাদী সত্বাক স্তিমিত কৰি পেলায়। আনহাতে

বিজ্ঞানত বিশ্বাসৰ স্থান নাই। বাস্তৱবাদী যুক্তিৰ আবেদন আৰু পৰীক্ষাৰ ফল হ'ল ইয়াৰ আধাৰ। কাৰ্য কাৰণবাদ কোনো অদৃশ্য আধিভৌতিক বা দৈৱিক শক্তিৰ পৰা উদ্ভুত নহয়; জাগতিক পৰিঘটনাৰ অভ্যন্তৰত ক্ৰিয়া কৰি থকা দ্বন্দ্বহে ইয়াৰ নিয়ন্ত্ৰক। এই নিয়ন্ত্ৰণ কেতবোৰ সুনিৰ্দিষ্ট বিধিত গ্ৰথিত হৈ থাকে। বিজ্ঞানে এই গ্ৰন্থি যিমানে বেছিকৈ খুলি দেখুৱায় সিমানে অলৌকিকতাই স্থান হেৰুৱায়। বাস্তৱবোধৰ ভিত্তি সেই অনুপাতে সুদৃঢ় হৈ গৈ থাকে।

এইখিনিতে প্ৰশ্ন উঠিব পাৰে সাধাৰণলোকৰ কথা বাদেই, বিজ্ঞানৰ ছাত্ৰ-শিক্ষক অধিক কি প্ৰখ্যাত বিজ্ঞানীৰ মাজতো এনে লোক দেখা যায়— যি নীতি, নিষ্ঠাভাৱে তাবিজ-মাদুলি পৰিধান কৰা, ভূত-প্ৰেতক ভয় কৰা, গ্ৰহ পূজা কৰা, দিন-বাৰ-তিথি গণনা কৰি বিশেষ কামৰ শুভাৰম্ভ কৰা আদি অন্ধবিশ্বাসৰ অনুগামী হয়।

প্ৰশ্নটো যুক্তিসংগত, সন্দেহ নাই। ইয়াৰ উত্তৰ পাবলৈ হ'লে মন কৰিব লাগিব যে চিন্তন আৰু মননৰ দ্বাৰা বিজ্ঞানক বুজা যায়; কিন্তু সমাজবিজ্ঞানক বুজিবলৈ ইয়াৰ লগতে যুক্ত হ'ব লাগিব হৃদয় গ্ৰাহ্যতা। মানুহৰ সৈতে মানুহৰ একাত্মবোধ স্থাপন কৰিব নোৱাৰিলে হৃদয়ৰ সংবেদনশীলতা শুকাই কঠিন হয়। তেনে ক্ষেত্ৰত মানুহৰ মহত্বই গুৰুত্ব লাভ কৰাত বিফল হয় আৰু বিজ্ঞান মেধা নিয়োজিত হয় ভোগবাদী লক্ষ্যৰে 'কেৰিয়াৰ' গঠনৰ অত্যুৎসাহী কাৰ্যত। এই কেৰিয়াৰ সৰ্বস্ব প্ৰৱণতাই উকা 'এলিট' শ্ৰেণীৰ জন্ম দিয়ে। বৌদ্ধিক অন্ধবিশ্বাসে এইদৰে ভণ্ডামিৰ প্ৰশ্ৰয় পাই বৌদ্ধিক মহলাৰ ওখ খাপত খোপনি পুতি বিজ্ঞানৰ কাৰ্যকাৰীতাক ভেঙুচালি কৰে।

অতিশয় মেধাবী বিজ্ঞানীও কেনেদৰে অন্ধবিশ্বাসৰ অংশীদাৰ হয়, তাৰ ভালেমান উদাহৰণ আছে। প্ৰসঙ্গত নীলবৰৰ কথাকে ধৰা হওঁক। ধ্ৰুপদী বলবিদ্যাত কোৱাণ্টাম তত্বৰ সূত্ৰ খটুৱাই পৰমানুৰ গঠনৰ নিখুঁত চিত্ৰ অংকনকাৰী নবেল বঁটা বিজেতা নীলবৰৰ উদ্ভাৱনে পদাৰ্থ বিজ্ঞানত এক যুগান্তকাৰী বিপ্লৱৰ সূচনা কৰে। কিন্তু আশ্বৰ্যৰ কথা, এনে এজন অসামান্য প্ৰতিভাশালী পদাৰ্থ বিজ্ঞানীয়েও সেই সময়ৰ ডেনমাৰ্কৰ সমাজত প্ৰচলিত অন্ধবিশ্বাস এটাৰ পৰা মুক্ত হ'ব পৰা নাছিল। নীলবৰৰ সময়ত মানুহে বিশ্বাস কৰিছিল যে ঘৰৰ সন্মুখ ভাগত অশ্বখুৰা আকৃতিৰ লোহাৰ টুকুৰা এডোখৰ ওলোমাই ৰাখিলে গৃহস্থলৈ সৌভাগ্য কঢ়িয়াই আনে। কোৱা বাহুল্য যে এই বিশ্বাস কোনো ধৰণৰ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সেয়েহে ই আছিল এটা অন্ধবিশ্বাস মাত্ৰ। এই অন্ধবিশ্বাসকে গুৰুত্ব সহকাৰে লৈ নীলবৰৰ দৰে যুক্তিবাদী বিজ্ঞানীয়েও তেওঁৰ ঘৰৰ সন্মুখৰ বেৰত অশ্বখুৰা আকৃতিৰ লো এডোখৰ ওলোমাই বিজ্ঞানৰ চৰ্চা কৰি আছিল।

বিজ্ঞানক ধৰ্মৰ পৰা পৃথক কৰি নাচাই ইটোক সিটোৰ পৰিপূৰক বুলি ক'ব খোজা মানুহৰ অভাৱ নাই। এওঁলোকে দেখ্‌দেখ্‌কৈ বিজ্ঞানৰ বিৰোধীতা নকৰে; সংগোপনে ধৰ্মৰ পোছাক পিন্ধাই বিজ্ঞানৰ স্বকীয় স্বৰূপ ঢাকি ৰখাৰ অপচেষ্টাতে এওঁলোকে ধৰ্মবিদ্যা বুলি বিভাগ এটাক বিজ্ঞানৰ শাৰীলৈ টানি অনাৰ পৃষ্ঠপোষকতা কৰে। জ্যোতিবিদ্যা আৰু জ্যোতিষবিদ্যাৰ মাজত এওঁলোকে কোনো ধৰণৰ প্ৰভেদ বিচাৰি নাপায়। উদ্দেশ্য এটাই ধৰ্ম আৰু বিজ্ঞান একাকাৰ কৰি পেলোৱা। এনে এক প্ৰচেষ্টাই স্বয়ং আইনষ্টাইনৰ পৰাও সমৰ্থন আদায় কৰিব বিচাৰি দাবী কৰে — আইনষ্টাইন ঈশ্বৰ বিশ্বাসী আছিল। হয়, আইনষ্টাইনৰ কথাৰ মাজত সময়ে সময়ে ঈশ্বৰৰ প্ৰসংগই ভুমুকি মাৰিছে আৰু তেওঁ গড শব্দটোও ব্যৱহাৰ কৰিছে। যেনে এবাৰ সংগীতানুষ্ঠান এটাত প্ৰখ্যাত চেতাৰ বাদক ইহুদী মেনুহীনে চেতাৰ বজাই আছিল। বিশিষ্ট আমন্ত্ৰিত ব্যক্তিসকলৰ মাজত বহি আইনষ্টাইনেও চেতাৰ বাদন উপভোগ কৰি আছিল। চেতাৰ বাদন শুনি আইনষ্টাইনে ইমানেই অভিভূত হৈ পৰিল যে তেওঁ মেনুহীনৰ দুহাত সাবটি ধৰি আবেগ উদ্বেলিত ভবে কৈ উঠিছিল — "মেনুহীন, জগতত যে এজন ঈশ্বৰ আছে, তুমি আজি তাক প্ৰমাণ কৰি দেখুৱালা।' অকল ইমানেই নহয়, আইনষ্টাইনে এই পৰ্যন্ত উক্তি কৰিছিল— 'Science without religion is Lame, Religion without science is blind.'

ওপৰৰ কথাখিনি যদি চিধাচিধিকৈ লোৱা হয়, তেনেহ'লে একাষাৰতে কৈ দিব পাৰি যে আইনষ্টাইনে ঈশ্বৰক বিশ্বাস কৰিছিল। কিন্তু আচলতে কথাতো ইমান চিধা নহয়। ধৰ্মভীৰু লোকৰ কাৰণে ঈশ্বৰৰ ধাৰণাটো বিষয়ীগত। এইজন ঈশ্বৰ মানুহৰ দোষ-গুণ, কৰ্মৰ বিচাৰ কৰি দণ্ড কিম্বা পুৰষ্কাৰ প্ৰদান কৰোতা ব্যক্তিগত ঈশ্বৰ। ব্যক্তিৰ স্বাৰ্থ, তেহেলৈ সি পাৰ্থিৱ বাস্তৱ হওঁক অথবা মোক্ষ লাভৰ নিচিনা বিমূৰ্ত্ত আকাংক্ষাই হওঁক, পুৰণৰ প্ৰশ্ন অবিহনে ঈশ্বৰৰ মহিমা প্ৰকাশ অৰ্থহীন হৈ পৰে। কিন্তু আইনষ্টাইনৰ God কেনেকুৱা ? আইনষ্টাইনৰ ধাৰণাত God হ'ল Harmony of Nature.

প্ৰকৃতিৰ সমস্ত পৰিঘটনা কেতবোৰ মৌলিক বলৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ফল মাথোন। ই বৈজ্ঞানিকভাৱে সত্য। বৈজ্ঞানিকভাৱে এইটোও সত্য হ'ব ধৰিছে যে এই বলবিলাকক ইটোৰ লগত সিটোক একত্ৰীকৰণ কৰি এটা মাত্ৰ লব্ধ বলত পৰিণত কৰিব পাৰি। এই লব্ধ বলেই হৈছে প্ৰকৃতিত ঐক্য সাধনৰ অভিব্যক্তি। ই কোনো বিষয়ীত প্ৰকাশ নহয়; প্ৰত্যেক ব্যক্তি স্বাৰ্থ ইয়াৰ বাবে অচিনাকি। প্ৰকৃতিৰ এই ঐক্যই হৈছে আইনষ্টাইনৰ উক্তিত উল্লেখ কৰা God ৰ অভিধা। সেয়েহে দেখা যায় ব্যক্তিগত জীৱনত ধৰ্ম সম্পৰ্কীয় আগৰ অনুষ্ঠানৰ লগত আইনষ্টাইন জড়িত নাছিল।

**সামৰণি ঃ** এই প্ৰবন্ধটোত আদিম যুগৰে পৰা আধুনিক যুগলৈ জীৱন-জগতৰ সম্বন্ধে আলোচনা কৰা হৈছে। বিভিন্ন পটভূমিত ই কিদৰে গঢ় লৈ উঠিছে তাৰ বিষয়ে আলোচনা কৰা হৈছে। পূৰ্বৰ পুঁজিবাদৰ পৰা উত্তৰ আধুনিক কালৰ বজাৰ অৰ্থনীতিৰ সকলো কথাই তেখেতে আলোচনা কৰি দেখুৱাইছে। গতিকে ৰজনীকান্ত দাসৰ 'জিজ্ঞাসাৰ যাত্ৰা' নামৰ গ্ৰন্থখন পঢ়ি মানুহে বহুতো জ্ঞান লাভ কৰিব পাৰিব। ♦

# অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন'

বিভান কলিতা

**লেখিকাৰ পৰিচয় ঃ** অনুৰাধা শৰ্মা পূজাৰীয়ে ১৯৬৪ চনত যোৰহাটত জন্ম গ্ৰহণ কৰে। তেখেতে বৰ্তমান গুৱাহাটীৰ পাঞ্জাবাৰীত বাস কৰি আছে। ১৮৮৭ খ্ৰীষ্টাব্দত তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজ শাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৯৩ খ্ৰীষ্টাব্দত কলকাতাৰ বিৰলা ইনষ্টিটিউট অব লিবাৰেল আৰ্টছ এণ্ড মেনেজমেণ্ট চায়েন্সৰ পৰা সাংবাদিকতাৰ পাঠ্যক্ৰম গ্ৰহণ কৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত 'আমাৰ অসম' নামৰ কাকতখনত সাংবাদিকতা আৰু পিছত সাদিন গোষ্ঠীত যোগদান কৰে। শ্ৰীঅনুৰাধা শৰ্মা পূজাৰীৰ প্ৰকাশিত উপন্যাসসমূহ হ'ল 'হৃদয় এক বিজ্ঞাপন' (১৯৯৮), 'এজন ঈশ্বৰৰ সন্ধানত' (১৯৯৮), 'কাঞ্চন' (২০০১), 'চাহেব পুৰাৰ বৰষুণ (২০০৩)। তেখেতৰ প্ৰথম উপন্যাসখন হ'ল 'হৃদয় এক বিজ্ঞাপন'। নতুন দিল্লীৰ স্পেকট্ৰাম পাব্লিকেছনে ২০০৪ খ্ৰীষ্টাব্দত 'হৃদয় এক বিজ্ঞাপন'ৰ ড° আভা ভট্টাচাৰ্যই কৰা অনুবাদ Heart's a showbiz প্ৰকাশ কৰে। এই উপন্যাসখন বঙলা ভাষালৈ অনূদিত হৈছে। 'বসন্তৰ গান' (১৯৯৯) আৰু 'এজন অসামাজিক কবিৰ বায়'গ্ৰাফী (২০০১) শ্ৰীশৰ্মা পূজাৰীৰ দুখন গল্প সংকলন। তেখেতৰ আত্মজীৱনীমূলক প্ৰবন্ধ সংকলন দুখন হ'ল 'কলিকতাৰ চিঠি' (১৯৯৯) আৰু 'ডায়েৰী' (২০০০)। ইয়াৰ উপৰি সাহিত্য একাডেমীৰ পত্ৰিকা 'Contemporary Indian Literature' আৰু জয়ন্ত মহাপাত্ৰ সম্পাদিত উৰিয়া আলোচনী 'Chandravaga'ত তেখেতৰ গল্পৰ অনুবাদ প্ৰকাশিত হৈছে। 'চাহেব পুৰাৰ বৰষুণ' সাহিত্য কৃতিৰ বাবে ২০০৩ বৰ্ষৰ অসম সাহিত্য সভাৰ কুমাৰ কিশোৰ সোঁৱৰণী বঁটা অসমীয়া ভাষাত ৰচিত শ্ৰেষ্ঠ মৌলিক উপন্যাসৰ বাবে লাভ কৰে শ্ৰীশৰ্মা পূজাৰীয়ে। পশ্চিমবংগ বোলছবি কেন্দ্ৰ, তথ্য আৰু সাংস্কৃতিক দপ্তৰৰ অধীনত আৰ্ট এণ্ড ফ্লিম এপ্ৰিছিয়েছন পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰে। তেখেতে কমাৰ্চিয়েল আৰ্ট এণ্ড কম্পিউটাৰ গ্ৰাফিক্সৰ পাঠ্যক্ৰম গ্ৰহণ কৰি কলকাতাৰ একাডেমী অব ফাইন আৰ্টছৰ অধীনস্থ চিটেক ইনষ্টিটিউটত কিছুদিন শিক্ষাকতা কৰে।

**পটভূমি ঃ** অতি বলিষ্ঠ কলমেৰে, বুদ্ধিমত্তাৰে আৰু আকৰ্ষণীয়ভাৱে 'কাঞ্চন'ৰ ঘটনাৰাজি ইমান সুন্দৰভাৱে লিপিবদ্ধ কৰা হৈছে যে সঁচাকৈয়ে কিতাপখন এখন উন্নত সাহিত্য কৰ্মলৈ ৰূপান্তৰিত হৈ পৰিছে। কাঞ্চনৰ যোগেদি লেখিকাই সমসাময়িক সমাজৰ চৰিত্ৰও আওঁপকীয়াকৈ দাঙি ধৰিছে। উপন্যাসখনৰ পৰা সমাজৰ দুৰ্নীতিগ্ৰস্ত ৰূপটোক স্পষ্টভাৱে বুজিব পৰা গৈছে। মানুহৰ বাহিৰচোৱা ৰংচঙীয়া হ'লেই, মিঠা মাত, ভদ্ৰ আচৰণ দেখুৱালেই যে তেওঁ প্ৰকৃতাৰ্থত সৎ, নিঃস্বাৰ্থ, সহানুভূতিশীল হ'ব সেইটো মিছা কাৰণ ইয়াৰ বাহিৰেও মানুহৰ চৰিত্ৰৰ গোপন দিশ এটিও থাকে য'ত হয়তো আচল নৰপিশাচৰ ৰূপটোও অন্তৰ্ভূক্ত হৈ থাকিব পাৰে। এগৰাকী দৰিদ্ৰ অসহায় নাৰীৰ জীৱনটো কেনেকুৱা হ'ব পাৰে, ই কি পৰ্যায়লৈ গতি কৰিব পাৰে, কৰ্ম জীৱনতো যে তেওঁ সুৰক্ষিত নহয় ইত্যাদি বহু কথাই এই উপন্যাসখনে সাঙুৰি লৈছে। এই কাঞ্চন উপন্যাসখন 'অক্ষয় বস্তি' নামেৰে ১৯৯৮ ৰ 'নতুন সময়'ৰ শাৰদীয় সংখ্যাত প্ৰকাশ পাইছিল। 'বনলতা'ৰ অনন্ত হাজৰিকাৰ তাগিদাত সেই উপন্যাসখনৰ পৰিধি চৰিত্ৰ সকলো বহলোৱা হ'ল। 'কাঞ্চন' সঁচা চৰিত্ৰ। উপন্যাসখন 'কাঞ্চন'ৰ আত্মজীৱনী। কাঞ্চনৰ কাহিনীয়ে, কাঞ্চনৰ চৰিত্ৰই, কৰ্মৰত নাৰীয়ে সন্মুখীন হোৱা আন এখন জগতৰ বিস্ময়কৰ দুৱাৰবোৰ এখন এখনকৈ আমাৰ আগত খুলি দিছিল। বৰ্তমান সময়ৰ 'অফিচ সংস্কৃতি'টোও কাঞ্চনৰ চৰিত্ৰ সৃষ্টি কৰাৰ বাবে দায়ী বুলি আমি ভাবো। কাঞ্চনে বৰ্তমানটোক বুজে, কিন্তু আচৰিত ধৰণে অতীতটোক পাহৰি গৈছে। ভৱিষ্যতৰ বাবে তেওঁ নিৰুদ্বেগ। চিকিৎসাশাস্ত্ৰত 'চাইক জেনিক এমেনচিয়া' বুলি কোৱা এই মানসিক ৰোগ সম্পৰ্কে ডাঃ শৰ্মাই লিখক শ্ৰীশৰ্মা পূজাৰীক পৰিচয় কৰাই দিলে। তেখেতৰ প্ৰতি শ্ৰীশৰ্মা পূজাৰীয়ে অশেষ কৃতজ্ঞতা জনাইছে। তাৰ বাবে শৰ্মা পূজাৰীয়ে কিতাপখনৰ কাম কৰিলে।

তেওঁৰ এলেহুৱা স্বভাৱটোক সোঁৱৰাই থকাত এটা ডাঙৰ ভূমিকা ল'লে সাংবাদিক উৎপল দত্তই। 'বনলতা' প্ৰকাশনৰ অনন্ত হাজৰিকাই আনন্দত অধীৰ হৈ সিদিনা টেলিফোন কৰি ক'লে যে, মাত্ৰ দুমাহৰ ভিতৰত 'কাঞ্চন'ৰ তৃতীয় সংস্কৰণ প্ৰকাশ কৰিবলৈ লৈছে। তেওঁৰ বাবে প্ৰকাশন প্ৰতিষ্ঠানৰ সৈতে জড়িত থকা কালছোৱাৰ এক অভূতপূৰ্ব ঘটনা। অনন্ত হাজৰিকাৰ ব্যাখ্যাৰ সাৰাংশটো হ'ল— দৰাচলতে 'অসমত অসমীয়া কিতাপৰ পঢ়ুৱৈ কমিছে', 'নতুন প্ৰজন্মই কিতাপ নপঢ়ে', 'কিতাপ বিক্ৰী নহয়' ইত্যাদি অলেখ অভিযোগ প্ৰকৃততে সত্য নহয়। 'কাঞ্চন'ৰ দুহেজাৰ দুশ কপিকৈ দুয়োবাৰত

ছপোৱা হৈছে— অৰ্থাৎ প্ৰায় চাৰে চাৰি হাজাৰ কিতাপ ডেৰমাহত শেষ হৈছিল। এখন অসমীয়া উপন্যাসৰ বাবে, গ্ৰন্থপ্ৰেমীৰ বাবে, গ্ৰন্থ প্ৰকাশক আৰু লেখক-লেখিকাৰ বাবে ই এটা আশাৰ বতৰা।

**মূল চৰিত্ৰ ঃ** কাঞ্চন উপন্যাসখনৰ মূল বা প্ৰধান চৰিত্ৰ। কাঞ্চন সঁচা চৰিত্ৰ। কাঞ্চন কেৱল ধুনীয়াই নহয়, এক শিশুসুলভ অথচ কাৰুণ্যৰ সৈতে মিহলি এটা ভাব তাইৰ অনিন্দ্যসুন্দৰ মুখখনত বিৰাজমান। যিকোনো পুৰুষে এবাৰ কাঞ্চনক দেখিলে দ্বিতীয়বাৰ নোচোৱাকৈ থাকিব নোৱাৰে। কাঞ্চনক অফিচৰ বদৰৰ বাহিৰে সকলো কৰ্মচাৰীয়ে দেখিব নোৱাৰিছিল। কাঞ্চনৰ বিষয়ে বহুতো কমপ্লেইন পঠাইছিল। কিন্তু কাঞ্চনক একোৱেই কৰিব নোৱাৰিলে কাৰণ কাঞ্চনৰ বহুতো মন্ত্ৰী, এম. এল. এ.ৰ সৈতে চিনাকি আছিল। অফিচৰ বৰবাবুৱে তাইক বহুতো বেয়া আচৰণ কৰিছিল। তাইৰ বিষয়ে বহুতো কমপ্লেইন লেটাৰ ইঞ্জিনিয়াৰ আকাশজ্যোতি ফুকনক দিছিল কিন্তু সেই কথা মানি নলৈ ইঞ্জিনিয়াৰজনে কাঞ্চনক তেওঁৰ ৰুমলৈ মাতি পঠাইছিল। অফিচলৈ নকৈ অহা ইঞ্জিনিয়াৰ আকাশজ্যোতি ফুকনৰ কাঞ্চনৰ সৈতে দুবাৰ সাক্ষাৎ হৈছে। প্ৰথমবাৰৰ সাধাৰণ চিনাকি, দ্বিতীয়বাৰ বৰবাবুৱে কাঞ্চনৰ বিৰুদ্ধে দিয়া এটা কমপ্লেইনৰ তলব কৰিবলৈ কাঞ্চনক মাতি নিছিল। কাঞ্চনে তেতিয়াই ভাবিছিল আকাশজ্যোতি ফুকন আন অফিচাৰৰ দৰে নহয়। অতি শক্তিশালী ব্যক্তিত্ব, অথচ বৰ অমায়িক। কাঞ্চনে সেইদিনা অলপ ভয়ো খাইছিল। তাই লেহেম গতিৰে আকাশজ্যোতি ফুকনৰ অফিচ ৰুমৰ পৰ্দাখন দাঙিলে। তললৈ মূৰ কৰি তাই দেখিলে কিবা লিখি আছে। তাৰ পিছত কাঞ্চনে "মে আই কাম ইন্ ছাৰ'? বুলি কৈ সোমাই গ'ল। আকাশজ্যোতি ফুকনে এটা ফাইলত চহী কৰি আছিল। টেবুলত ভেজা দি কাঞ্চন থিয় দি ৰৈ আছে। এক মিনিট সময় কাঞ্চনৰ এঘণ্টা যেন লাগিছে। উশাহ বন্ধ কৰি তাই ছাৰে কি কয় শুনিবলৈ উৎকৰ্ণ হৈ আছে। এনেকৈ তিনি মিনিটমান সময় পাৰ হৈ গ'ল। তাইক বহিবলৈ কোৱা হোৱা নাই বাবে বহা নাছিল। আন অফিচাৰ হোৱা হ'লে কাঞ্চনে পোনছাটেই এখন সন্মুখৰ চকী অধিকাৰ কৰি বহি ল'লেহেঁতেন। এই অধিকাৰ তাই নিজে আৰ্জি লোৱা। যোৱা আঠ-ন বছৰৰ চাকৰিৰ অভিজ্ঞতাৰে তাই আন সহকৰ্মীয়ে নোপোৱা অধিকাৰ কিছুমান নিজে আৰ্জি লবলৈ সক্ষম হৈছিল। নীৰৱতা ভংগ কৰি ফুকনে ক'লে মই এসপ্তাহমান টুৰত থাকিম ঘূৰি আহি যাতে আপোনাৰ কমপ্লেইন লেটাৰ নাপাওঁ। সময়মতে আহিব আৰু কামবোৰ পেলাই নথব। কাঞ্চনে কামবোৰ ভালদৰে কৰিবলৈ

যত্ন কৰিলে। এনেকৈয়ে কাঞ্চনে কাম কৰি আছে। কাঞ্চনৰ জীৱন কাহিনীৰ শেষ নাই। কাঞ্চন জীয়াই আছে এটি অফিচত। কাঞ্চনৰ দৰে সৰু বৰ ঘটনাৰে বহু নাৰী জীয়াই আছে চৰকাৰী-বেচৰকাৰী অফিচত, ৰেষ্টোৰা-হোটেলত, ফুটপাথত। আধুনিক সভ্যতা আৰু আমোলতন্ত্ৰত নতুন এক সংযোজন। সময়ৰ বুৰঞ্জীয়ে মানুহৰ সৈতে এইদৰে খেলা কৰি যাব নতুন নতুন পোছাকেৰে, বেশ-ভূষাৰে।

কাঞ্চন এতিয়া পৃথিৱীৰ সবাতোকৈ সুখী মানুহ। ওৰে জীৱনৰ তিক্ত ক্লেদাক্ত যন্ত্ৰণাৰ দিনবোৰৰ শেষত তাই ঘূৰি আছে শৈশৱলৈ, কাঞ্চনে বিচাৰি ফুৰা; শৈশৱত নিষ্কলুষ আনন্দৰে খেলা চোতালখনলৈ। তাইৰ অতীত নাই, ভৱিষ্যতৰ প্ৰতি উদ্বেগ নাই। তাই পৃথিৱীৰ সুখী মানুহ। এতিয়াও সেয়ে স্কুলৰ পানী খোৱা ছুটীত খেলাৰ দৰে, বদৰৰ সৈতে অফিচৰ লাঞ্চ আৱাৰত তাই খেলি আছে—

*'কপৌ কু-কু, ধান চাউল খাহি*
*বোকা আছে, পানী আছে কেনেকৈ যাম'*
আৰু অফিচৰ শেষত তাই গায় এটি সন্ধিয়াৰ প্ৰাৰ্থনা-
*'মুক্তিত নিস্পৃহ যিটো*
*সেহি ভকতকো নমো'*

অফিচৰ মানুহবোৰেও লাহে লাহে কাঞ্চনৰ এইবোৰ কাম ভাল পোৱা হৈছেগৈ। কাঞ্চনেই তেওঁলোকৰ এই কদাকাৰ জগতৰ মাজত দেখুৱাইছে অক্ষয় বস্তিৰ আভা। কাঞ্চনৰ সৈতে এক মুহূৰ্তৰ বাবে দিনটোত এবাৰ তেওঁলোক উভতি যায় শৈশৱৰ নিষ্কলুষ পৃথিৱীলৈ। কাঞ্চনৰ দৰে এক মুহূৰ্তৰ বাবে 'চাইক জেনিক এমেনচিয়া'ত ভুগিবলৈ ইচ্ছা কৰে অফিচৰ বাকীবোৰ মানুহেও।

**সমালোচনা ঃ** 'কাঞ্চন' উপন্যাসখনে নাৰীৰ এক জ্বলন্ত সমস্যা এই গ্ৰন্থৰ মাজেৰে একেবাৰেই মুকলিমুৰীয়াকৈ প্ৰকাশ কৰিছে। ইয়াৰ পৰা প্ৰত্যেকগৰাকী নাৰীয়েই বহুতো নজনা কথা, নুশুনা কথা শিকিবলৈ পাই উপকৃত হ'ব লগতে নিজৰ ভৱিষ্যত জীৱনতো বিভিন্ন সময়ত এই অভিজ্ঞতাই সঁহাৰি জনাব। উপন্যাসখনত 'কাঞ্চন' হৈছে মূল চৰিত্ৰ। এগৰাকী দৰিদ্ৰ, অসহায় নাৰীৰ জীৱনত সন্মুখীন হোৱা ভাল-বেয়া বহু ঘটনা ইয়াত সন্নিৱিষ্ট কৰা হৈছে।

এই পৃথিৱীখনত নৰপিশাচৰূপী বহুতো লোক থাকে যদিও কেতিয়াবা সৰু শ্ৰেণীৰ 'বদৰ'ৰ লেখীয়া দৰিদ্ৰ লোকেও আৰ্থিকভাৱে নোৱাৰিলেও মানসিকভাৱে

সহানুভূতি দেখুওৱা পৰিলক্ষিত হয়। যেনে- মানুহৰ বাহিৰচোৱা দেখিয়েই তেওঁৰ ভিতৰচোৱা বা তেওঁক সম্পূৰ্ণভাৱে নুবুজাকৈয়ে তেওঁৰ বিষয়ে মন্তব্য দিবলৈ চেষ্টা কৰে। উপন্যাসখনত বদৰে কাঞ্চনৰ প্ৰকৃত মানুহজনীক বুজিবলৈ চেষ্টা কৰা দেখা গৈছে আৰু বিপদ কালত লগত থাকি সান্ত্বনা দিয়া বা শুশ্ৰূষা কৰা দেখিবলৈ পোৱা গৈছে।

ইঞ্জিনিয়াৰ আকাশজ্যোতি ফুকনে কাঞ্চনক মিছা মানসিক শান্তি দিবলৈ চেষ্টা কৰিছিল। যিটো ভাল বুলি ক'ব নোৱাৰি কাৰণ যদিহে তেওঁ প্ৰকৃতাৰ্থত প্ৰেমিক, যদিহে তেওঁ এজন প্ৰকৃত যোদ্ধা তেন্তে তেওঁ ৰণভূমি এৰি কাপুৰুষৰ দৰে কিয় পলাল? যদি তেওঁ প্ৰকৃত প্ৰেমিক তেন্তে তেওঁ এই যুঁজ শেষ পৰ্যায়লৈ কৰিব লাগিছিল। তেওঁৰ প্ৰেমৰ শক্তিৰে পিশাচ তুল্য, নিৰ্লজ্জ, কাঞ্চনক অমানুসিক যন্ত্ৰণা দিয়া সেই লোকসকলৰ নৰক সদৃশ পৃথিৱীৰ পৰা কাঞ্চনক কিয় তেওঁ এই পৃথিৱীলৈ ঘূৰাই আনিবলৈ চেষ্টা নকৰিলে? প্ৰেম হৈছে এক স্বৰ্গীয় অনুভূতি কিন্তু ইঞ্জিনিয়াৰ ফুকনে ইয়াৰ অপপ্ৰয়োগ কৰা বাবে তেওঁক ভাল চৰিত্ৰৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি।

লেখিকা শ্ৰীঅনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন' এখনি অতি সুখপাঠ্য উপন্যাস। মানৱ চৰিত্ৰৰ গোপন দিশটো ইয়াত স্পষ্টভাৱে ফুটি উঠিছে। এগৰাকী নাৰীৰ আত্মিক বেদনাৰ গভীৰ উপলব্ধি ইয়াত সুন্দৰকৈ প্ৰকাশ পাইছে।

**সামৰণি ঃ** সঁচাকৈয়ে অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন' উপন্যাসখন পঢ়ি মই উপকৃত হৈছো। বহুতো অজ্ঞাত কথা জানিবলৈ, বুজিবলৈ সুযোগ পাইছো। বৰ্তমান সমাজত নাৰীৰ এক জ্বলন্ত সমস্যাই দেখা দিছে। অফিচ-কাছাৰী, ৰাজপথ কতোৱেই নাৰী সুৰক্ষিত নহয় আৰু কিছু সময়ত নিজৰ মইমতালীয়েও এগৰাকী নাৰীক ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে। কিন্তু বৰ্তমান সময়ছোৱাত নাৰীৰ সমস্যা বহুত যাৰ বাবে তেওঁলোকে অসুৰক্ষিত অনুভৱ কৰে। 'কাঞ্চন' উপন্যাসখন এই জ্বলন্ত সমস্যাৰ লগতেই জড়িত এখন পুথি। এই উপন্যাসখন প্ৰত্যেকগৰাকী নাৰীয়েই পঢ়িব পাৰিলে নিশ্চয় কিছু পৰিমানে হ'লেও ই তেওঁলোকক অনাগত দিনবোৰত বা ভৱিষ্যত জীৱনত সন্মুখীন হ'ব পৰা বিপদৰ আভাস দিব বা বিপদৰ পৰা নিজক ৰক্ষা কৰিবলৈ সাহস দিব। তদুপৰি কিছুমান লোকক চৰিত্ৰৰ গোপন দিশটো বুজি চাবলৈ সুযোগ দিব। ◆

# হোমেন বৰগোহাঞিৰ 'কাম কৰাৰ আনন্দ'

মৰমী দাস

**লিখকৰ পৰিচয় ঃ** হোমেন বৰগোহাঞি বৰ্তমান অসমৰ সাহিত্য জগতত এটি চিৰ পৰিচিত নাম। তেখেত এগৰাকী বিশিষ্ট সাংবাদিক, সুলিখক তথা বিশিষ্ট সাহিত্যিক। এতিয়ালৈকে বৰগোহাঞিদেৱে বহুতো মূল্যবান প্ৰবন্ধ পুথি, উপন্যাস, জীৱনৰ আদৰ্শমূলক গ্ৰন্থ, পাঠক সমাজলৈ আগবঢ়াইছে য'ত লিপিৱদ্ধ কৰিছে বিভিন্ন তথ্য তথা সৰু বৰ নানাধৰণৰ অভিজ্ঞতা যিয়ে পাঠক-পাঠিকাক আনন্দ দিয়াৰ লগতে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাত যথেষ্ট পৰিমানে সহায় কৰিছে। তেওঁৰ পুথিসমূহত জীৱনৰ তাৎপৰ্যপূৰ্ণ কথাবোৰ সহজ-সৰল ভাষাত সুন্দৰকৈ প্ৰতিফলিত হৈছে। অসমৰ বিভিন্ন সমস্যাসমূহৰ সমাধানৰ বাবে পৰামৰ্শ আগবঢ়োৱা বুদ্ধিজীৱী সকলৰ ভিতৰত হোমেন বৰগোহাঞিদেৱ অন্যতম। তেওঁ ৰচনা কৰা উপন্যাসমূহ হ'ল— 'পিতাপুত্ৰ', 'হালধীয়া চৰায়ে বাওধান খায়', 'অস্তৰাগ', 'সুবালা', 'তান্ত্ৰিক', আদি। 'কিতাপ পঢ়াৰ আনন্দ', 'অন্তহীন প্ৰেৰণা', 'মোৰ প্ৰিয় ব্যক্তি ছক্ৰেটিছ' ইত্যাদি নানা ধৰণৰ প্ৰেৰণামূলক গ্ৰন্থ তেখেতে ৰচনা কৰিছে। ২০০২ চনত তেখেতে অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল।

**গ্ৰন্থখনিৰ আলোচনা ঃ** হোমেন বৰগোহাঞিৰ দ্বাৰা ৰচিত 'কাম কৰাৰ আনন্দ' এখন সদ্য প্ৰকাশিত জীৱন দৰ্শন মূলক গ্ৰন্থ। ক্ষন্তেকীয়া জীৱনৰ প্ৰতিটো মূল্যবান সময় মানুহে অবাবত নষ্ট নকৰি তাক যে সুপৰিকল্পিতভাৱে আৰু শৃংখলাৱদ্ধভাৱে বিভিন্ন কৰ্মৰ মাজেৰে অতিবাহিত কৰিব লাগে সেইয়া বৰগোহাঞিদেৱে সুন্দৰভাৱে গ্ৰন্থখনত ব্যক্ত কৰিছে। বৰগোহাঞিদেৱে নিজে গ্ৰন্থ অধ্যয়ন কৰি ভাল পায়। কিতাপ পঢ়িলে যে এক সুকীয়া আনন্দ লাভ কৰিব পাৰি, কিতাপ পঢ়াৰ যে এক সুকীয়া মাদকতা আছে সেইয়া লিখকে সুন্দৰকৈ গ্ৰন্থখনত ব্যক্ত কৰিছে। এই উদ্দেশ্যে তেখেতে 'কিতাপ পঢ়াৰ আনন্দ' নামেৰে এখন পুথি ৰচনা কৰিছে যিখনে বিপুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

সেইয়া আছিল ২০০২ চন। লিখক হোমেন বৰগোহাঞি তেতিয়া অসম সাহিত্য সভাৰ সভাপতি। মঞ্চত সভাপতিৰ আসনত তেখেত বহি আছিল আৰু নিমন্ত্ৰিত অতিথিৰ বক্তৃতা শুনি আছিল। এনেতে এজন অচিনাকি মানুহে তেওঁৰ কাণৰ কাষত ছাৰ বুলি মাত লগাই তেওঁৰ হাতত এখন কাগজ গুজি দি কৈছিল, "ছাৰ, সময় পালে এই কাগজখন পঢ়ি চাবচোন।" তাৰ পিছত তেওঁ কাগজখিলা পঢ়ি চালে য'ত লিখা আছিল যে 'কিতাপ পঢ়াৰ আনন্দ' নামৰ পুথিখন পঢ়ি বহুলোক উপকৃত হৈছে আৰু অনুৰূপ আন এখন গ্ৰন্থ 'কাম কৰাৰ আনন্দ' নামৰ গ্ৰন্থ এখন পাঠক-পঠিকাক উপহাৰ দিব লাগে। এই উদ্দেশ্যে হোমেন বৰগোহাঞিদেৱে চিন্তা-চৰ্চা কৰিছিল আৰু কিছু বছৰ পিছত উক্ত গ্ৰন্থখন লিখি উলিয়াইছিল। এইয়াই আছিল কিতাপখন ৰচনাৰ আৰম্ভণি।

'কাম কৰাৰ আনন্দ' নিঃসন্দেহে এখন বৰ্তমান সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে বিশেষকৈ উঠি অহা যুৱক-যুৱতীৰ বাবে উৎকৃষ্ট মানৰ গ্ৰন্থ, য'ত মূল্যবান জীৱনৰ প্ৰতিটো মুহূৰ্ত কেনেদৰে অতিবাহিত কৰিব লাগে বা এলেহুৱা নিষ্কৰ্মা জীৱন পৰিত্যাগ কৰি কেনেদৰে কৰ্মৰ জৰিয়তে জীৱনটো আগুৱাই নিব লাগে তাক লিখকে সুন্দৰভাৱে গ্ৰন্থখনত বৰ্ণনা কৰিছে। বৰ্তমান সমাজত পাঠক-পাঠিকাৰ হাতত এনেকুৱা এখন মূল্যবান পুথি আগবঢ়াই দিয়া বাবে বৰগোহাঞিদেৱ ধন্যবাদৰ পাত্ৰ।

গ্ৰন্থখন যথেষ্ট তথ্যবহুল আৰু বৃহৎ কলেবৰৰ। লিখকে জীৱনত বিভিন্ন ব্যক্তিৰ পৰা পোৱা অভিজ্ঞতা কিতাপখনত সুন্দৰকৈ বিশ্লেষণ কৰিছে যিয়ে পাঠক-পাঠিকাক যথেষ্ট উপকৃত কৰিব।

গ্ৰন্থখনত বহুতো উৎসাহমূলক কথাৰে লিখকে শিশুৰ পৰা ডেকা-গাভৰু তথা বৃদ্ধলৈকে সকলো শ্ৰেণীৰ লোককে এক সুন্দৰ-সৌষ্ঠৱ কৰ্মময় জীৱন অতিবাহিত কৰিবলৈ অনুপ্ৰেৰণা যোগাইছে।

লিখকৰ মতে কাম-বন নকৰি শুই বহি কেৱল আমোদ-প্ৰমোদ কৰি অলস জীৱন কটোৱা মানুহে জীয়াই থকাৰ প্ৰকৃত আনন্দ কেতিয়াও অনুভৱ কৰিব নোৱাৰে। জীৱনটো বহুত মূল্যবান আৰু জীয়াই থকাৰ আনন্দ তেতিয়াহে অনুভৱ কৰা যায় যেতিয়া ব্যক্তি এজন কিবা নহয় কিবা এটা কামত ব্যস্ত হৈ থাকে।

বৰ্তমান যুগত বহুত মানুহ এলেহুৱা আৰু কৰ্মবিমুখ হোৱাৰ এটা প্ৰধান কাৰণ হ'ল টেলিভিছন। লিখকৰ মতে সঠিকভাৱে ব্যৱহাৰ কৰিব জানিলে টেলিভিছনৰ পৰা বহুতো উপকাৰ পোৱা যায়। এইদৰে লিখকে বৰ্তমান সমাজত সচেতনতা আনিবলৈ এই গ্ৰন্থখনৰ জৰিয়তে গভীৰ প্ৰয়াস কৰিছে।

লিখকে কিতাপখন আৰম্ভ কৰিছিল ভলটেয়াৰৰ 'কাঁদিদ'ৰ কাহিনীৰে আৰু শেষ কৰিছে তেওঁৰ জীৱনৰ কথাৰে। গ্ৰন্থখনত বহুতো মূল্যবান কথা লিপিবদ্ধ কৰিছে। যেনে— "মানুহে যেতিয়া যিটো কাম কৰে, বহা, থিয় হোৱা, থমকি ৰোৱা কিবা এটা কাম কৰা তেতিয়া সেই কামটোৰ ওপৰতে নিজৰ সমস্ত মনোযোগ নিবদ্ধ কৰিব লাগে। কামটোৰ মূল্য কি বা কামটোৰ লগত নিজৰ সম্পৰ্ক কি— সেইবোৰ সমূলি ভাবিব নালাগে। কেৱল কামটোৰ ওপৰতে অখণ্ড মনোযোগ নিবদ্ধ কৰি তাক কৰিব লাগে।"

এনে ধৰণৰ তাৎপৰ্যপূৰ্ণ উক্তিবোৰে পাঠক-পাঠিকাৰ মনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

মোৰ দৃষ্টিত 'কাম কৰাৰ আনন্দ' নিঃসন্দেহে এখন উচ্চ মানদণ্ড সম্পন্ন গ্ৰন্থ যিয়ে অকল অসমীয়া লোককে নহয় বৰঞ্চ সমগ্ৰ বিশ্বৰ লোককে গভীৰভাৱে উপকৃত কৰাৰ সম্পূৰ্ণ সম্ভাৱনা আছে।

গ্ৰন্থখনত ব্যৱহাৰ কৰা সুন্দৰ বাক্যশৈলী তথা শব্দৰ সম্ভাৰে গ্ৰন্থখন পঢ়ুৱৈ সমাজৰ বাবে বেছ আকৰ্ষণীয় কৰি তুলিছে আৰু লিখকৰ অসাধাৰণ প্ৰতিভা প্ৰতিফলিত কৰিছে।

'কাম কৰাৰ আনন্দ' গ্ৰন্থখন প্ৰথম প্ৰকাশ পাইছিল ইং ২০০৭ চনৰ অক্টোবৰ মাহত। ইয়াৰ প্ৰকাশক হ'ল শ্ৰীঅজয় কুমাৰ দত্ত, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্। গ্ৰন্থখনৰ মূল্য ৪০ টকা।

**সামৰণি ঃ** হোমেন বৰগোহাঞিৰ দ্বাৰা ৰচিত 'কাম কৰাৰ আনন্দ' এখন ব্যতিক্ৰমী জীৱন দৰ্শনমূলক গ্ৰন্থ। নতুন দৃষ্টিভংগীৰে লিখা এনেধৰণৰ গ্ৰন্থই অসমীয়া সাহিত্যৰ ভঁৰাল নিঃসন্দেহে চহকী কৰিব আৰু পাঠক-পাঠিকাসকলক উপকৃত কৰিব বুলি ক'ব পাৰি। ◆

# দিনেশ চন্দ্ৰ মিশ্ৰৰ 'পৰীক্ষাত কৃতকাৰ্যতাৰ চাবি-কাঠি'

চিম্পল ঠাকুৰীয়া

**লিখকৰ পৰিচয় ঃ** দিনেশ চন্দ্ৰ মিশ্ৰ এজন বিখ্যাত আৰু খ্যাতনামা লিখক। তেওঁ লিখা প্ৰতিখন গ্ৰন্থই গুৰুত্বপূৰ্ণ। তেওঁ লিখা 'পৰীক্ষাত কৃতকাৰ্যতাৰ চাবি-কাঠি' নামৰ পুথিখনে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে মানৱ সমাজৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

**গ্ৰন্থখনৰ আলোচনা ঃ** 'পৰীক্ষাত কৃতকাৰ্যতাৰ চাবি-কাঠি' পুথিখনত কেইবাটাও বিষয় সন্নিৱিষ্ট হৈছে। গ্ৰন্থখনত শিক্ষাৰ লগত জড়িত এই বিভিন্ন বিষয়বিলাক হ'ল— শিক্ষা আৰু পৰীক্ষা পদ্ধতি, সময়ৰ সদ্ব্যৱহাৰ, মনোযোগ, আগ্ৰহ আৰু পৰিৱেশ, প্ৰশ্নোত্তৰ লিখা পদ্ধতি, বিষয়বস্তু মনত ৰখাৰ বিভিন্ন কৌশল, পৰীক্ষাৰ বাবে আগতীয়াকৈ প্ৰশ্নোত্তৰ আৰু প্ৰশ্ন বাছনি পদ্ধতি, স্মৃতি শক্তি বঢ়োৱাৰ কৌশল, সুস্থ স্বাস্থ্য আৰু সুস্থ মন, দ্ৰুত লিখন পদ্ধতি, পৰীক্ষাৰ বহীত ল'ব লগা সাৱধানতা, পৰীক্ষাৰ সময়ত বা আগমুহূৰ্তত ল'ব লগা সাৱধানতা, পৰীক্ষাৰ্থীয়ে গুৰুত্ব দিবলগীয়া কেইটামান দিশ, ছাত্ৰ-ছাত্ৰীৰ সফলতাৰ আঁৰৰ কিছু কথা আৰু প্ৰতিযোগিতামূলক মনোভাৱ। এই পুথিখনৰ প্ৰত্যেকটো বিষয়বস্তু শিক্ষাৰ লগত জড়িত। দীনেশ চন্দ্ৰ মিশ্ৰৰ এই পুথিখনৰ পৰা মই বহুতো কথা শিকিবলৈ পাইছো। সেয়েহে এই পুথিখনৰ এটা বিশেষ বিষয়ৰ ওপৰত মই সমালোচনা কৰিব ওলাইছো আৰু সেই গুৰুত্বপূৰ্ণ বা বিশেষ বিষয়টো হ'ল— শিক্ষা আৰু পৰীক্ষা পদ্ধতি। এই বিষয়টোৰ ওপৰত লিখকে কিছুমান লাগতিয়াল কথা লিখি থৈ গৈছে। শিক্ষা আৰু পৰীক্ষা পদ্ধতি সম্পৰ্কে তেওঁ অতি সহজ-সৰলভাৱে লিখি থৈ গৈছে। তেওঁ কৈছে যে, সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত সম্ভাৱখিনিৰ সুস্থ আৰু পূৰ্ণাংগ বিকাশৰ ব্যৱস্থা কৰি প্ৰকৃত মানুহ গঢ়িবলৈ চেষ্টা কৰা হয়। অৰ্থাৎ শিক্ষাই মানুহৰ জ্ঞানৰ পোহৰ দিয়ে, অগ্ৰগতিৰ পথ দেখুৱায়। শিক্ষা অবিহনে মানুহৰ অগ্ৰগতিও নাই আৰু উন্নতিও নাই। শিক্ষা মানুহৰ

জীৱনব্যাপি চলি থকা এটা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া সদায় নতুন উদ্যমৰ মাজত পৰিচালিত হ'ব লাগে। নতুন উদ্যমেহে ছাত্ৰ-ছাত্ৰীৰ মনত হেঁপাহ বঢ়ায়। আধুনিক জীৱনৰ পৰিসৰ বিশাল হৈ পৰাত সফল জীৱন-যাপনৰ বাবে বহু বিষয়ৰ জ্ঞান আৱশ্যক হয়। সেয়েহে বৰ্তমান বিভিন্ন বিষয়ৰ জ্ঞানসমূহ শিক্ষানুষ্ঠানৰ জৰিয়তে নিয়াৰিকৈ দিয়াৰ ব্যৱস্থা আছে। শাৰীৰিক, মানসিক আৰু সামাজিক মূল্যবোধৰ বিকাশৰ বাবে খেলা-ধূলা, সংগীত, সমাজ সেৱা আদিৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বাবে যি প্ৰচেষ্টা লোৱা হয় সেয়েহে শিক্ষা। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক গঠনলৈ লক্ষ্য কৰি বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক পৃথক পাঠ্যপুথি যুগুত কৰা হয়। এই পাঠ্যপুথিসমূহৰ জ্ঞান নিৰ্দিষ্ট কিছুমান শিক্ষানুষ্ঠানৰ যোগেদি দিয়া হয়। শিক্ষানুষ্ঠানৰ নিয়ন্ত্ৰিত পৰিৱেশত পাঠ্যক্ৰমৰ যোগেদি যি জ্ঞান আৰু অভিজ্ঞতা লাভ কৰা হয় তাকে সাধাৰণতে শিক্ষা লাভ কৰা বোলে। প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীক যিমানখিনি অপৰিহাৰ্য জ্ঞানৰ আৱশ্যক হয় তাক সন্নিৱিষ্ট কৰিয়ে সাধাৰণতে পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। ক্ৰমান্বয়ে যিমানেই ওপৰলৈ যোৱা যায় সিমানেই বিষয়বস্তুৰ গভীৰতাৰ ওপৰত গুৰুত্ব দিয়া হয়। অৱশ্যে এটা কথা ঠিক যে বিষয়বস্তুৰ পুথিগত জ্ঞানখিনি আহৰণ কৰিলেই শিক্ষাৰ প্ৰয়োজন শেষ হৈ নাযায়। পুথিগত জ্ঞানখিনি কৰ্মময় জীৱনৰ সহায়ক হ'বলৈ হ'লে জ্ঞানৰ লগতে আয়ত্ত কৰিব লাগিব জ্ঞানৰ প্ৰয়োগ কৌশল।

আমাৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণৰ সময়ত বিভিন্ন ধৰণৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হয়। পৰি+ঈক্ষা= পৰীক্ষা অৰ্থাৎ 'পৰি' উপসৰ্গৰ লগত 'ঈক্ষ' ধাতু যোগ হৈ উদ্ভৱ হৈছে পৰীক্ষা শব্দটোৰ। ঈক্ষ ধাতুৰ অৰ্থ হৈছে পিছত চোৱা। পৰীক্ষাৰ বহীসমূহ পৰীক্ষকে চাই তাৰ ফলাফল পিছত ঘোষণা কৰা হয় বাবে ইয়াক পৰীক্ষা বোলে। বৰ্তমান শিক্ষা ব্যৱস্থাত পৰীক্ষা পদ্ধতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। পৰীক্ষা ব্যৱস্থাই হৈছে ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা নিৰ্ণয়ৰ প্ৰধান উপায়। শিক্ষানুষ্ঠান সমূহত কৰা শিক্ষাদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশত পৰিৱৰ্তন এটা বিচৰা হয়। এই পৰিৱৰ্তনৰ ক্ষেত্ৰত কিমান সফল হ'ব পাৰিছে সেইটো সময়ে সময়ে নিৰূপণ কৰিব পাৰি একমাত্ৰ পৰীক্ষা পদ্ধতিৰ জৰিয়তেহে। শিক্ষা ব্যৱস্থাত পৰীক্ষাক এটা অপৰিহাৰ্য অংগ বুলিয়েই ধৰিব পাৰি। পৰীক্ষা ব্যৱস্থা প্ৰচলন থকাৰ বাবেই ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা বিষয়সমূহৰ ওপৰত কিমান জ্ঞান আহৰণ কৰিব পাৰিছে সেয়া জানিব পাৰি আৰু ছাত্ৰ-ছাত্ৰীক পৰিশ্ৰম কৰিবলৈও বাধ্য কৰিব পাৰি।

পৰীক্ষা পদ্ধতিৰ প্ৰচলন থকাৰ বাবেই ছাত্ৰ-ছাত্ৰীয়ে জীৱনত কিমান দূৰ সফল হ'ব পাৰিছে তাক জানিব পাৰি। আজিকালি বিদ্যালয়-মহাবিদ্যালয়সমূহত যিবিলাক পৰীক্ষা অনুষ্ঠিত হয় সেই পৰীক্ষাসমূহক সাধাৰণতে দুটা ভাগত ভগাব পাৰি। যেনে- আভ্যন্তৰীণ আৰু বহিঃপৰীক্ষা। আভ্যন্তৰীণ পৰীক্ষাত প্ৰশ্নকাকত প্ৰস্তুত কৰা, মূল্যাংক নিৰূপণ কৰা, ফলাফল ঘোষণা কৰা আদি কামসমূহ শিক্ষাদান কৰা অনুষ্ঠানসমূহে নিতৌ পৰিচালনা কৰে। বিদ্যালয়ৰ গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা, বছৰেকীয়া পৰীক্ষা আদি এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। আনহাতে বহিঃপৰীক্ষাত পৰীক্ষাৰ সকলো দায়িত্ব বিদ্যালয় বা মহাবিদ্যালয়ৰ শিক্ষকসকলৰ হাতৰ পৰা নি কোনো ব'ৰ্ড, কাউন্সিল, বিশ্ববিদ্যালয় বা তেনে কোনো স্বীকৃতি প্ৰাপ্ত অনুষ্ঠানে পৰিচালনা কৰে। অৱশ্যে এই পৰীক্ষা পদ্ধতি পৰীক্ষাৰ্থী আৰু পৰীক্ষক দুয়ো অজ্ঞাত অৱস্থাত থকা বাবে পৰীক্ষাৰ বহীত মূল্যাংক নিৰূপণ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ পক্ষপাতিত্বমূলক ব্যৱস্থা গ্ৰহণ নকৰি সঠিক মূল্যাংকণ কৰা হয় বুলি ধৰি লোৱা হয়।

**সামৰণি ঃ** দিনেশ চন্দ্ৰ মিশ্ৰৰ ‘পৰীক্ষাত কৃতকাৰ্যতাৰ চাবি-কাঠি’ পুথিখন এখন ছাত্ৰ-ছাত্ৰীৰ বাবে গুৰুত্বপূৰ্ণ পুথি। শিক্ষা মানুহৰ বাবে এটা গুৰুত্বপূৰ্ণ বিষয়। গ্ৰন্থখনত শিক্ষাৰ লগত জড়িত কেইবাটাও দিশ আলোচিত হৈছে। আমাৰ আলোচ্য বিষয়টোৰ উপৰিও গ্ৰন্থখনৰ প্ৰত্যেকটো বিষয়েই আমাৰ ভালেখিনি কথা জনাত সহায় কৰিছে। ♦

# অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেব পুৰাৰ বৰষুণ'

কমল কলিতা

**লেখিকাৰ পৰিচয় ঃ** অনুৰাধা শৰ্মা পূজাৰীয়ে ১৯৬৪ চনত যোৰহাটত জন্ম গ্ৰহণ কৰে। তেখেতে বৰ্তমান গুৱাহাটীৰ পাঞ্জাবাৰীত বাস কৰি আছে। ১৮৮৭ খ্ৰীষ্টাব্দত তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজ শাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শ্ৰীশৰ্মা পূজাৰীৰ প্ৰকাশিত বিভিন্ন উপন্যাসসমূহৰ ভিতৰত কেইখনমান হ'ল— হৃদয় এক বিজ্ঞাপন (১৯৯৮), এজন ঈশ্বৰৰ সন্ধানত (১৯৯৮), কাঞ্চন (২০০১), চাহেব পুৰাৰ বৰষুণ (২০০৩), ব'ৰাগী নদীৰ ঘাট (২০০৪) নাহৰৰ নিৰিবিলি ছাঁ। 'চাহেব পুৰাৰ বৰষুণ'ৰ বাবে ২০০৩ বৰ্ষৰ অসম সাহিত্য সভাৰ কুমাৰ কিশোৰ সোঁৱৰণী বঁটা অসমীয়া ভাষাত ৰচিত শ্ৰেষ্ঠ মৌলিক উপন্যাসৰ বাবে লাভ কৰে শ্ৰীশৰ্মা পূজাৰীয়ে। অনুৰাধা শৰ্মা পূজাৰীৰ আন আন গ্ৰন্থসমূহৰ দৰে এই উপন্যাসখনিও পাঠক সমাজৰ পৰা বিপুলভাৱে সমাদৃত হৈছে।

তলত অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস 'চাহেব পুৰাৰ বৰষুণ'ৰ কিছু কথা আৰু মূল চৰিত্ৰ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছো।

**গ্ৰন্থখনৰ আলোচনা ঃ** চাহেব পুৰাৰ বৰষুণ উপন্যাসখনৰ মূল চৰিত্ৰ হৈছে 'বৰ্ষা'। বৰ্ষা আৰু প্ৰান্তিক দুয়োটা দিল্লীৰ পৰা অসমলৈ ট্ৰেইনেৰে আহি আছিল। কিয়নো যোল্ল দিনৰ পিছত সিহঁত দুয়োটাই যুগ্ম জীৱনৰ পাতনি মেলিব আৰু সেই উদ্দেশ্য আগত ৰাখিয়ে দুয়োজন নিজৰ ঘৰলৈ উভতি আহি আছে। বৰ্ষা আৰু প্ৰান্তিকৰ তিনি বছৰ ধৰি ঘনিষ্ঠতা, এবছৰ বন্ধুত্ব আৰু দুবছৰ প্ৰান্তিক বিদেশলৈ যোৱাৰ বাবে বিচ্ছেদ। তাৰ পাছত সিহঁত দুয়োটাৰ ঘৰে বিয়াৰ কথা ঠিক কৰি দুয়োটাক জনোৱাত দুয়োটাই সন্মতি দিছে। ঘৰৰ মানুহেও সিহঁতৰ বিয়াৰ বাবে সকলো যা-যোগাৰ কৰি অধিক আগ্ৰহেৰে বাট চাই ৰৈ আছে। প্ৰান্তিক দুবছৰ বিদেশত থাকি তাৰ চলন-ফুৰন, অনুভৱ আদি আগৰ দৰে নোহোৱা হৈছে। বৰ্ষাই লাহে লাহে তাৰ কথা-বতৰাৰ পৰা অনুমান কৰিব পাৰিছে। বৰ্ষা

এজনী ধীৰ-গম্ভীৰ আৰু মানৱীয় গুণ সম্পন্ন তথা কৰ্তব্য পৰায়ণ ছোৱালী। তাই প্ৰান্তিকৰ স্বভাৱ-চৰিত্ৰৰ পৰিৱৰ্তন দেখি মনে মনে সংকিত হৈ পৰিছে। বৰ্ষাই মাত্ৰ যোল্ল দিন পাছত যিজন মানুহক সম্পূৰ্ণ নিজৰ কৰি আঁকোৱালি ল'ব সেই মানুহজনৰ ভাব, অনুভূতি, কথা-বতৰা বৰ্ষাৰ সৈতে নিমিলা হৈছে। বৰ্ষাৰ ট্ৰেইনত প্ৰান্তিকৰ সৈতে কথা পাতি এনে ভাব হৈছে যে তাই এজন অচিনাকি মানুহৰ লগতহে কথা পাতি আছে। যিজনে তাইৰ মনৰ কথা বুজি নাপায়।

বৰ্ষাৰ মাক আৰু বাপেকৰ সম্পৰ্কটো ভাল নাছিল। মাকে ৰাতি দুপৰলৈকে ভাত সাজি ৰৈ থাকে আৰু বাপেকে মদ খাই মাকক মাৰপিত কৰে আৰু অশ্লীল গালি পাৰে। এনেকৈয়ে বৰ্ষাৰ মাকে বহুত কষ্ট সহ্য কৰি সিহঁত বায়েক-ভনীয়েক দুজনীক ডাঙৰ দীঘল কৰিছিল। সেয়ে বৰ্ষাই প্ৰান্তিকক কথা প্ৰসংগত তাইৰ মাক দেউতাকৰ উদাহৰণ দি কৈছিল যে তাইৰ ক্ষেত্ৰতো এনে হোৱাটো তাই আশা নকৰে।

প্ৰান্তিকৰ লগত বিভিন্ন ধৰণৰ কথা বতৰাৰ অন্তত তাই টোপনি যাবলৈ চেষ্টা কৰিলে। এনেতে এক মৃদু গুণ-গুণনিত বৰ্ষাৰ টোপনি ভাগি গ'ল। তাৰ পাছত অনুভৱ হ'ল ট্ৰেইনখন ৰৈ আছে। তাই বাহিৰলৈ চাই দেখিলে পথাৰৰ মাজৰ এখন গাঁও, বিহাৰ পাৰ হোৱা নাই বোধহয়। তেওঁৰ সহযাত্ৰী ৰাধেশ্যামৰ পৰা আশ্বৰ্যজনক খবৰটো পালে যে ট্ৰেইনখনৰ এখন মালগাড়ীৰ সৈতে মুখামুখি সংঘৰ্ষ হৈছে, ফলত সন্মুখৰ দুটা দবা ভাগিছে আৰু মানুহো আহত হৈছে। বৰ্ষাক ৰাধেশ্যামে সোনকালে হাত-মুখ ধুই ল'বলৈ কৈছে কাৰণ ট্ৰেইনৰ সকলো দবাৰে পানী নোহোৱা হৈছে আৰু মানুহবোৰ এ.চি. ডবাৰ ফালে আহি আছে। বৰ্ষাই দুৱাৰখন মেলিব খোজোতেই ওপৰৰ বাংকাৰত শুই থকা মানুহ এজনে মূৰ দাঙি ক'লে দুৱাৰখন নুখুলিব মানুহবোৰ ভিতৰলৈ সোমাই আহিব। এই কথা শুনি বৰ্ষাৰ খং উঠিল তাই ভাবিলে কি মানুহ? পানী অলপৰ কাৰণে দুৱাৰ মাৰি শুই আছে। মানুহৰ প্ৰতি অকণো দয়া মৰম নাই। তাই দুৱাৰখন মেলি দেখিলে এজন মানুহ বাহিৰত ৰৈ আছে আৰু মানুহজনে কাতৰ নম্ৰ অনুৰোধ কৰি কৈছে যে অলপ পানী লাগিছিল। বৰ্ষাই পানী দিব বিচৰাত শুই থকা মানুহজনে জঁপিয়াই আহি দুৱাৰখন বন্ধ কৰি দি তাইক ধমকি দি ক'লে যে এজনক দিলে এজাক আহিব। গুচি আহক নিদিব। এই কথা বৰ্ষাই সহজভাৱে ল'ব নোৱাৰিলে। মানুহজনে কেৱল অলপ পানীহে বিচাৰিছিল। তাই দিব নোৱাৰাৰ বাবে নিজকে দোষী যেন লাগিছিল আৰু মানুহজনক ক'লে ট্ৰেইনখন আপোনাৰ নিজা সম্পত্তি নহয়।

বৰ্ষাই দুটা বটল মানুহজনলৈ নিব বিচৰাত প্ৰান্তিকে মানা কৰিছিল যদিও তাই নুশুনিলে। বাহিৰলৈ গৈ তাই দেখিলে বাহিৰত এক প্ৰকাৰ হুলস্থূল পৰিৱেশ। বৰ্ষাই বহু বিচৰাৰ অন্তত পানী বিচৰা মানুহজনক লগ পালে আৰু তেওঁৰ পৰা গম পালে যে মালগাড়ীখনত থকা চাৰিজন ল'ৰা আহত হৈছে। মানুহজনৰ লগত কথা-বতৰা পাতি বৰ্ষাই গম পালে মানুহজন 'ইনছাইট' এন. জি. অ.টোৰ মুৰব্বী। নাম শেখৰ হুছেইন। বৰ্ষাই চিনাকি হৈ বৰ ভাল পালে আৰু তেওঁলোকৰ কামৰ বিষয়ে জানিব বিচাৰিলে। হুছেইনে ক'লে ৰেল ঠিক হোৱালৈকে প্ৰায় ৭-৮ ঘণ্টামান লাগিব আৰু এন. জি. অ.লৈ আধা কি.মি. যাব লাগে। যাই যদি যাব পাৰে।

বৰ্ষাই হুছেইনক প্ৰান্তিকৰ লগত চিনাকি কৰি দিবলৈ লৈ গ'ল, কিন্তু প্ৰান্তিকে তেওঁৰ প্ৰতি কোনো প্ৰতিক্ৰিয়া নেদেখুৱালে। বৰ্ষাৰ মনে মনে প্ৰান্তিকৰ প্ৰতি খং উঠিল আৰু তাই হুছেইনৰ লগত যাবলৈ লগ ধৰাত সি নাযাও বুলি ক'লে আৰু বৰ্ষাকো মানা কৰিলে। কিন্তু বৰ্ষাৰ এন. জি. অ. ৰ বিষয়ে জনাৰ হেঁপাহৰ বাবে অকলে হ'লেও হুছেইনৰ লগত চাহেব পুৰালৈ গ'ল। হুছেইনে ক'লে যে সোতৰশ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এটা অফিচ ইয়াতে বহিছিল আৰু সেই সময়ত বিঘাই তিনি টকাকৈ কৰ দিয়াতো নিৰ্ধাৰণ কৰিছিল। পিছে এই কৰ লৈ এটা সংঘৰ্ষ হৈছিল। এজন ফিৰিংগী আৰু ব্লেক কালেক্টৰক ইয়াত হত্যা কৰা হৈছিল, কিছুমানে কয় ফিৰিংগী হত্যাৰ পাছত চাহেবপুৰা নাম হ'ল, কিছুমানে কয় কোম্পানীৰ চাহেববোৰ অহা-যোৱা কৰাৰ বাবে নামটো চাহেবপুৰা হ'ল। বৰ্ষাই এন. জি. অ.টোত গৈ বিদ্যা, ৰাজীৱ মিশ্ৰ, সঞ্জীৱ দাস, যোছেফ মেক্‌ফাৰ্লিন নামৰ তামিলনাডুৰ খ্ৰীষ্টান ল'ৰাটোৰ মাজত সোমাই তাই আপোন পাহৰা হৈ গ'ল আৰু সিহঁতৰ মাজত থাকিয়ে তাইৰ কাম কৰিবলৈ মন গ'ল।

দুই ঘণ্টা সিহঁতৰ লগত থাকি বৰ্ষাই ট্ৰেইনলৈ গুছি গ'ল আৰু দেখিলে প্ৰান্তিকে তাইৰ ওপৰত খং কৰি আছে। তাই প্ৰান্তিকৰ কাষলৈ যাওতে সি তাইক ট্ৰেইনৰ বাহিৰলৈ লৈ গৈ বহুত অপমান কৰিলে। যিজন প্ৰান্তিকে আগতে তাইক অত্যন্ত ভাল পাইছিল সেই প্ৰান্তিকে আজি তাইৰ চৰিত্ৰক সন্দেহ কৰিছে। তাই মনত সিদ্ধান্ত ল'লে আৰু প্ৰান্তিকক ক'লে তুমি যদি মোক সঁচাই ভাল পোৱা মোক ইয়ালৈ নিবলৈ আহিবা। এনেকৈ কৈয়েই বৰ্ষা ট্ৰেইনৰ পৰা নামি চাহেবপুৰাৰ সেই বিশেষ ঘৰটোলৈ গ'ল আৰু সিহঁতৰ লগত কাম কৰাৰ সংকল্প ল'লে।

বৰ্ষাই পিছত গম পালে যে তাইৰ বিয়াৰ দিনটোতে তাইৰ ভনীয়েক বন্যাৰ বিয়া,

দৰা বেলেগ নহয় প্ৰান্তিক। বৰ্ষাৰ মূৰত সৰগ ভাগি পৰিল আৰু সকলো দুখ-বেদনা, কষ্ট সহ্য কৰি তাই নতুন জীৱনক আকোৱালি ল'লে।

উপন্যাসখনত বৰ্ষা এজনী সহজ-সৰল আৰু মানৱীয় অনুভূতিৰ ছোৱালী। সেই কাৰণে তাই সকলো ত্যাগ কৰিও ইনচাইট নামৰ এন. জি. অ.টোত কাম কৰিবলৈ আগবাঢ়ি আহিল। প্ৰান্তিকে জীৱন দৰ্শন সলনি কৰিছিল আৰু ধৰি লৈছিল সকলো নাৰীয়ে পানীৰ দৰে, যি পাত্ৰত থোৱা যায় তাৰেই আকাৰ লয়। নিজস্ব ৰং স্বাদ ধৰ্ম একোৱে নাই। কিন্তু এই কথাৰ বিৰোধীতা কৰি বৰ্ষাই প্ৰমাণ কৰিলে যে নাৰীৰো নিজস্বতা আছে।

**সামৰণি ঃ** অনুৰাধা শৰ্মা পূজাৰীৰ আন উপন্যাসৰ দৰে 'চাহেবপুৰাৰ বৰষুণ' নামৰ উপন্যাসখনো এখন জনপ্ৰিয় উপন্যাস। মানৱীয় অনুভূতিৰে সিক্ত বৰ্ষা চৰিত্ৰটিয়ে পাঠকক আপ্লুত কৰি তোলে। নিস্বাৰ্থভাৱে আনৰ বাবে কাম কৰিব পাৰিলে কিমান আনন্দ পোৱা যায় তাৰ ইঙ্গিত গ্ৰন্থখনে দাঙি ধৰে। গতিকে 'চাহেব পুৰাৰ বৰষুণ' অনুৰাধা শৰ্মা পূজাৰীৰ এক অপূৰ্ব সৃষ্টি। ♦

# ৰঞ্জু হাজৰিকাৰ 'অধম কীটৰ দংশন'

গীতুমণি কলিতা

**লিখকৰ পৰিচয় ঃ** ৰহস্য, ভৌতিক, ডিটেক্‌টিভ, শিশু সাহিত্য ৰচনা, বিজ্ঞানভিত্তিক ৰচনা আদিত ৰঞ্জু হাজৰিকাৰ পাৰদৰ্শিতা অনস্বীকাৰ্য। ঘনীভূত ৰহস্যৰ মায়াজাল বিস্তাৰত লেখকৰ স্বাভাৱিক কুশলতাই পাঠকক অবাক কৰে। দুৰ্জ্ঞেয় মানুহৰ চৰিত্ৰৰ দুৰ্গম প্ৰদেশৰ অটল গহ্বৰৰ ঈৰ্ষা, দ্বেষ, হিংসা, দুৰভিসন্ধিৰ ৰহস্যৰ উন্মোচনত লেখকজনৰ ক্লান্তিহীন প্ৰচেষ্টাই আমাক অভিভূত কৰে। বৰ্তমান অসমীয়া সাহিত্য জগতৰ জনপ্ৰিয়তাৰ শীৰ্ষত থকা এইগৰাকী লেখকে ইতিমধ্যে যথেষ্ট কিতাপ লিখি উলিয়াইছে।

**গ্ৰন্থখনৰ আলোচনা ঃ** 'অধম কীটৰ দংশন' নামৰ গ্ৰন্থখনৰ এটা প্ৰধান চৰিত্ৰ অংকুৰ মাক-দেউতাকৰ একমাত্ৰ সন্তান। বয়স মাত্ৰ ছয়বছৰ। দেউতাক বিজিত আৰু মাক প্ৰতিভাৰ স'তে প্ৰকৃতিৰ এচুকত জীৱনৰ অনাবিল আনন্দ লাভ কৰাত ব্যস্ত। কিন্তু প্ৰকৃতিৰ এক নিষ্ঠুৰ আঘাতে সেই পৰিৱেশ থান-বান কৰি পেলাইছিল। অংকুৰে ফুলকুমলীয়া বয়সতেই নিজৰ মাক-দেউতাক তথা আত্মীয়-কুটুম্বক হেৰুৱাই পেলাবলগীয়া হৈছিল প্ৰকৃতিৰ এনে এটা নিদাৰুণ আক্ৰমণত। মাক-দেউতাকৰ মৃত্যু বা আন আন অনেক লোকৰ মৃত্যুৱে আতংকিত কৰি পেলাইছিল অংকুৰক। তথাপিও অংকুৰে প্ৰকৃতিক দুষিব নোখোজে। ইয়াৰ বাবে অংকুৰে দোষাৰোপ কৰে মানুহকেই। প্ৰকৃতিয়ে ভাৰসাম্য হেৰুওৱা পৃথিৱীৰ তাপমাত্ৰা বঢ়াৰ মূলতেই হ'ল মানুহৰ নিৰ্বুদ্ধিতা। অতিকম সময়তেই প্ৰকৃতিৰ বিষয়ে অভিজ্ঞতা লৈ অংকুৰ পিছলৈ এজন বিশিষ্ট কীট তত্ত্ববিদ হিচাপে পৰিচিত হয়। কিন্তু অংকুৰে শৈশৱৰ সেই দিনবোৰৰ কথা এতিয়াও পাহৰিব পৰা নাই।

প্ৰকৃতি অতি সুন্দৰ। প্ৰকৃতিয়ে মানুহক উপাদানবোৰ বাছি লোৱাত সমল যোগায়। কিন্তু মানুহেই এই প্ৰকৃতিৰ ওপৰত অতি কঠোৰভাৱে আক্ৰমণ চলোৱাৰ ফলত

প্ৰকৃতিয়ে অস্বাভাৱিক আচৰণ কৰে। প্ৰকৃতিৰ এনে অস্বাভাৱিক আচৰণৰ ফলত মানৱ সমাজত বিপৰ্যয় সাধন হয়। এনে বিপৰ্যয়ৰ বাবেও মানুহে প্ৰকৃতিকেই দুষিব খোজে। কিন্তু, যদিহে সামান্য সূক্ষ্ম দৃষ্টিৰে চোৱা হয় তেতিয়া গম পাব পাৰি যে ইয়াৰ মূলতেই হৈছে মানুহ। লেখকে তেওঁৰ গ্ৰন্থৰ জৰিয়তে মানৱ সমাজক সজাগ কৰিব বিচাৰিছে। লিখকে তেওঁৰ গ্ৰন্থত অতি সামান্য কীট বিছা আৰু মকৰাক আধাৰ হিচাপে লৈছে, তেওঁ ইয়াৰ যোগেদি ক'ব বিচাৰিছে যে প্ৰকৃতিৰ ওপৰত চলোৱা মানুহৰ অত্যাচাৰৰ ফলত প্ৰকৃতিয়েও ভয়ংকৰ ৰূপ ল'বলৈ বাধ্য হয়।

বৰ্দ্ধিত জনসংখ্যা পৰিৱেশৰ ভাৰসাম্যহীনতাৰ এক কাৰণ। জনসংখ্যা বৃদ্ধি বিভিন্ন সমস্যাৰ কাৰণ হোৱাৰ লগতে প্ৰকৃতিৰ বাবে ই এক অভিশাপস্বৰূপ। ইয়াৰ বাবে পাহাৰ-পৰ্বতৰ গছ-বন কাটি, জংঘল আদি তহিলং কৰি নিজৰ কাৰণে সুবিধাৰ স্বাৰ্থত মানুহে পৰিৱেশৰ ওপৰত অত্যাচাৰ চলায়। ইয়াৰ ফলস্বৰূপে পৃথিৱীৰ তাপমাত্ৰা বা গোলকীয় উষ্ণতা বৃদ্ধি পাইছে আৰু অ'জন স্তৰৰ অৱক্ষয় হ'ব ধৰিছে। লিখকে এনে ভাৰসাম্যহীনতা নিয়ন্ত্ৰণৰ বাবে তেওঁৰ প্ৰকাশিত গ্ৰন্থত ইংগিত দিছে। বৰ্তমান মানুহে বিভিন্ন কীট ধ্বংসকাৰী ৰাসায়নিক দ্ৰব্য, কীটনাশক আদি প্ৰয়োগ কৰে যদিও ইয়াৰ দ্বাৰা অন্য বেলেগ ধৰণৰ অপকাৰী কীটৰো সৃষ্টি হ'ব পাৰে। ইয়াৰ কেইটিমান উদাহৰণ লিখকে অতি সুন্দৰ আৰু ৰহস্যজনকভাৱে তেওঁৰ গ্ৰন্থত প্ৰকাশ কৰিছে।

লিখকে প্ৰকাশ কৰাৰ দৰে কেৱল মকৰা আৰু বিছায়ে যে সন্ত্ৰাসৰ সৃষ্টি কৰিব পাৰে তেনে নহয়, এনে ভাৰসাম্যহীনতাৰ বাবে যিকোনো প্ৰাণীয়েই সন্ত্ৰাসৰ সৃষ্টি কৰিব পাৰে। তেখেতে কেৱল ভাৰসাম্যহীনতা নিয়ন্ত্ৰণৰ বাবে সজাগতাৰ পৰিপ্ৰেক্ষিততহে এই প্ৰাণী দুটাক উদাহৰণ হিচাপে বাছি লৈছে। যদি পৰিৱেশৰ ওপৰত এনে অত্যাচাৰ উৎপীড়ন চলাই থকা হয় তেনেহ'লে এই শস্য-শ্যামলা পৃথিৱী এক শুকান ধূলিৰ মৰুভূমি হ'বলৈ বেছি সময় নালাগিব। বৈজ্ঞানিকৰ কোনা যন্ত্ৰ, কোনো গৱেষণাই এই ধ্বংস ধৰি ৰাখিব নোৱাৰিব। বৰ্তমান পৃথিৱীত যি অৱস্থা হৈছে আৰু এই অৱস্থা যদি অপৰিৱৰ্তনীয় হয় তেতিয়াহ'লে এই পৃথিৱীত টিকি থাকিবৰ বাবে প্ৰাণীবোৰৰ মাজত নিৰন্তৰ যি সংগ্ৰাম চলিছে সেই সংগ্ৰামত হয়তো মানুহ নামৰ প্ৰজাতিটো ক'ৰবাত বিলুপ্ত হৈ যাব। কেৱল ধূলিসাৎ মৰুভূমিত কিছুমান কীট-পতংগৰ আগমন-নিগমনহে চলিব।

**সামৰণি ঃ** লিখকে প্ৰকৃতিৰ প্ৰতি এক উদাৰ মনোভাব প্ৰকাশ কৰি প্ৰকৃতিৰ

ভাৰসাম্য নিয়ন্ত্ৰণৰ বাবে জনসাধাৰণক সজাগ কৰি তুলিব বিচাৰিছে। এই বিশাল বিশ্বৰ মাত্ৰ এটা সাধাৰণ পৰিয়ালৰ কাহিনীৰ মাজেদি পৰিৱেশৰ বিষয়ে এটি মত প্ৰদান কৰিছে। কাহিনীটোৰ পৰিয়ালৰ লগত বা আন আন মানুহবোৰৰ পৰিস্থিতিৰ মাজেৰে লিখকে ভৱিষ্যতৰ প্ৰতি এটি আশংকাৰ ভাব প্ৰকাশ কৰিছে। পৰিৱেশৰ ভাৰসাম্যহীনতাৰ নিয়ন্ত্ৰণৰ ইংগিত স্বৰূপে লিখকৰ উক্ত সামাজিক উপন্যাসখন অতি সাৰ্থক। ♦

# জগদীশ পাটগিৰীৰ 'নাট্যকলা দেশে দেশে'

ৰূপম দাস

**লিখকৰ পৰিচয় ঃ** নাট্যকলা সম্বন্ধে অতীতৰ পৰা আজিৰ সময়লৈকে বহুতো আলোচনা চলি আছে। এই কলা সম্বন্ধে কৰা আলোচনাৰ বিভিন্ন আলোচকৰ ভিতৰত অসমৰ সুদক্ষ লেখক ড° জগদীশ পাটগিৰীও অন্যতম। ড° জগদীশ পাটগিৰী বৰ্তমান গুৱাহাটীৰ কটন কলেজৰ দৰ্শন বিভাগৰ অধ্যাপক। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত সুদক্ষ লেখক ড° পাটগিৰী অসম সাহিত্য সভাৰ সম্পাদকৰ পদতো অধিস্থিত আছিল।

**গ্ৰন্থখনৰ পৰ্যালোচনা ঃ** ড° জগদীশ পাটগিৰীয়ে বিভিন্ন দেশৰ নাট্যকলাৰ প্ৰকাৰ সম্বন্ধে তেওঁৰ 'নাট্য কলা দেশে দেশে' নামৰ অমূল্য গ্ৰন্থখনিত এক বিস্তৃত আলোচনা আগবঢ়াইছে। উক্ত গ্ৰন্থখনত তেখেতে নাট্যকলাৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি ই বিকশিত হোৱালৈকে গ্ৰীক, ৰোমান, ইউৰোপীয় তথা দক্ষিণ-পূৰ-এচিয়াৰ বিভিন্ন নাটক আৰু অভিনয়ৰ কথা উল্লেখ কৰিছে। লেখকে গ্ৰন্থখনিত গ্ৰীক নাটকৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি গ্ৰীক কমেডি, গ্ৰীক ৰঙ্গ-মঞ্চ, ৰোমান কমেডিৰ বিভিন্ন প্ৰকাৰ, ৰোমান ট্ৰেজেদি, তথা মধ্যযুগৰ ইউৰোপীয় নাটকৰ বিভিন্ন প্ৰকাৰ যেনে ঃ মিষ্ট্ৰি, মিৰাকল, ইন্টাৰলিউড আদিৰ উল্লেখ কৰিছে। ইয়াৰ উপৰিও তেওঁ দক্ষিণ-পূৱ এচিয়াৰ নাট্যকলাৰ উল্লেখ কৰি থাইলেণ্ড, কম্বোদিয়া, চীন, তীব্বত, জাপান আদি দেশ সমূহৰ নাটকৰ বিভিন্ন প্ৰকাৰ তথা ৰঙ্গমঞ্চ আৰু থিয়েটাৰৰ বিষয়ে এক গভীৰ বিশ্লেষণ আগবঢ়াইছে। নাট্যকলা সম্বন্ধে ড০ জগদীশ পাটগিৰীয়ে উক্ত গ্ৰন্থখনিত দিয়া বিশ্লেষণৰ ওপৰত ভিত্তি কৰিয়েই ইয়াত অন্তৰ্ভুক্ত - 'দক্ষিণ পূৱ এচিয়াৰ নাট্যকলা ঃ চীনদেশীয় ৰঙ্গমঞ্চ আৰু অভিনয়' শীৰ্ষক বিষয়টিৰ ওপৰত বিশেষভাৱে আলোচনা আগবঢ়োৱা হ'ল —

লেখকে চীনদেশীয় নাট্যকলাৰ সামগ্ৰিক দিশটোৰ ওপৰত এক বিস্তৃত আলোচনা

আগবঢ়াইছে। গ্ৰন্থখনিত উল্লেখ কৰা অনুসৰি, আন বহুতো নাট্যকলাৰ দৰে চীনদেশীয় নাটক আৰু নাট্যাভিনয়ৰ উৎপত্তি হৈছিল বিশেষকৈ ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰি। বহুতো থিয়েটাৰ বিশেষজ্ঞৰ মতে ৫৫৭-৫৮১ খ্ৰীষ্টাব্দত চাই বংশৰ ৰাজত্ব কালত চীনদেশৰ নাট্যকলা গঢ়ি উঠিছিল। এইদেশৰ নাটকত কেতিয়াবা পদ্য আৰু কেতিয়াবা গদ্যৰ ব্যৱহাৰ হয়। ইয়াৰ নাটকীয় চৰিত্ৰসমূহ প্ৰধানত চাৰি শ্ৰেণীত বিভক্ত। সেইকেইটা ক্ৰমে শ্বেং বা পুৰুষ চৰিত্ৰ, তান বা নাৰী চৰিত্ৰ, চিং বা বলিষ্ঠ পুৰুষ আৰু চৌ বা স্থূল হাস্যৰসিক।

মঞ্চ সজ্জাৰে লক্ষ্য কৰিলে চৈনিক ৰঙ্গমঞ্চ হ'ল এখন চতুষ্কোণ মঞ্চ। মঞ্চৰ পিছফালটো কাৰুকাৰ্যময় পৰ্দা বা চিত্ৰিত দৃশ্যৰ দ্বাৰা আবৃত আৰু দুইফালে দুখন পৰ্দাৰ দৰ্জা থাকে। মঞ্চৰ বাওঁফালে প্ৰৱেশ আৰু সোঁফালে প্ৰস্থানৰ ব্যৱস্থা কৰা হয়।

চীনদেশীয় নাট্যাভিনয়ত প্ৰতীকাত্মকভাৱে দৃশ্য সজ্জা কৰা হয়। মঞ্চত অভিনেতাসকলে চক্ৰাকাৰে বিচৰণ কৰিলেই বুজা যায় যে চৰিত্ৰটি এঠাইৰ পৰা অন্য ঠাইলৈ গমন কৰিছে। চৈনিক নাটকত সাধাৰণতে দুই চাৰিখন বেঞ্চ পৰ্দাৰে ঢাকি ৰাখি শোৱা বিচনা আৰু পৰ্বত পাহাৰৰ বাবে মঞ্চত কিছুমান চিত্ৰ অঁকা পৰ্দা আঁৰি দিয়া হয়।

চৰিত্ৰৰ হাতত চাবুক থাকিলে অশ্বাৰোহী, কমণ্ডলু হাতত থাকিলে দেৱতা বা সন্যাসী বুলি অনুমান কৰা হয়। ঠিক তেনেদৰে মঞ্চত টৌ খেলোৱা দুখন হালধীয়া পতাকা থাকিলে ৰথ, ডাঙৰ পতাকা দুজনতকৈ বেছি মানুহে হাতত ল'লে সৈন্য বাহিনী, বেঞ্চত টুপী বা দাড়ি ৰাখিলে মৃতদেহ বুলি ধৰি লোৱা হয়। মুঠতে চীনদেশীয় নাট্যমঞ্চত দৃশ্যসজ্জা আৰু অন্যান্য সামগ্ৰীসমূহ প্ৰতীকৰ সহায়েৰে দেখুওৱা হয়।

চীনদেশীয় নাট্যাভিনয় মূলত দুই প্ৰকাৰৰ, — বু বা সামৰিক আৰু ৱেন বা বেসামৰিক। বু বা সামৰিক অভিনয় যুদ্ধ-বিগ্ৰহ, বীৰত্ব, দেশপ্ৰেম আদি কাহিনীৰে ভৰপুৰ আৰু ৱেন বা বেসামৰিক অভিনয়ত জীৱনৰ সুখ-দুখৰ চিত্ৰ অঁকা থাকে।

গ্ৰন্থত উল্লিখিত অনুসৰি চৈনিক নাট্যাভিনয়ত ৰূপসজ্জাত বিশেষ কিছুমান নিয়ম মানি চলা হয়। ইয়াত পোছাকবোৰ খুউব উজ্জ্বল ৰঙৰ ব্যৱহাৰ কৰা হয়। ৰজাই উজ্জ্বল হালধীয়া, ৰাজপুৰুষে ৰঙা, অভিজাত শ্ৰেণীৰ মানুহে নীলা, বৃদ্ধই বেঙুনীয়া আৰু নিম্নবৰ্গৰ লোকে ক'লা ৰঙৰ পোছাক পিন্ধে। সেইদৰে সেনাপতি বা

যোদ্ধাৰ পোচাকবোৰ অধিক চিত্ৰ বিচিত্ৰ ৰং ৰূপেৰে ভৰা। অভিনয়ত যিবিলাক পুৰুষ অভিনেতাই ৰং সানে সেইবোৰ সাহসী নহলে ভয়ানক। সজ প্ৰকৃতিৰ চৰিত্ৰক সাধাৰণতে স্নেহ পদাৰ্থৰে মুখ প্ৰসাধন কৰা হয়।

**সামৰণি** ঃ উক্ত আলোচনাৰ পৰা ক'ব পাৰি যে, ড° জগদীশ পাটগিৰী ডাঙৰীয়াই 'নাট্য কলা দেশে দেশে' নামৰ গ্ৰন্থখনিত চীনদেশৰ নাট্যাভিনয় সম্পৰ্কে আগবঢ়োৱা বিশ্লেষণৰ জৰিয়তে চৈনিক নাট্যকলাৰ ওপৰত এক গভীৰ সাৰমৰ্ম লাভ কৰিব পাৰি। সমগ্ৰ গ্ৰন্থখনৰ জৰিয়তে বিভিন্ন, দেশৰ নাট্যকলা সম্পৰ্কে পাঠকসকলে সুন্দৰভাৱে জানিব পাৰে। জগদীশ পাটগিৰীৰ 'নাট্যকলা দেশে দেশে' নামৰ গ্ৰন্থখনিয়ে বিভিন্ন দেশৰ নাটক আৰু নাট্যকলা সম্পৰ্কে নানা তথ্যৰ যোগন ধৰিব পাৰে। গতিকে পাটগিৰীৰ এই গ্ৰন্থখন এখন মনোৰম তথ্যসমৃদ্ধ গ্ৰন্থ। ♦

# হোমেন বৰগোহাঞিৰ 'অন্তহীন প্ৰেৰণা'

লিপিকা বৈশ্য

**লিখকৰ পৰিচয় ঃ** হোমেন বৰগোহাঞিৰ উত্তৰ লক্ষীমপুৰ জিলাৰ ঢকুৱাখানাত ১৯৩২ চনৰ ৭ ডিচেম্বৰত জন্ম হয়। তেওঁৰ পিতৃ আছিল ইন্দ্ৰধৰ বৰগোহাঞি। বৰগোহাঞিয়ে ১৯৫০ চনত ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত ১৯৫৪ চনত কটন কলেজৰ পৰা ইংৰাজী অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ ঠিক পিছতে তেখেতে অসম প্ৰশাসনীয় সেৱাত S.D.C হিচাপে কাম কৰে যদিও ১৯৬৮ চনত ৰাজনৈতিক ব্যংগাত্মক গ্ৰন্থ লিখা বাবে চৰকাৰে দোষী সাব্যস্ত কৰে আৰু তাৰ পৰা পদত্যাগ কৰিবলগীয়া হয়। চাকৰি বাদ দিয়াৰ পিছতেই 'সাপ্তহিক নীলাচল' নামে বাতৰি কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কৃতিত্ব দেখুৱায়। তাৰ পিছত তেওঁৰ 'নাগৰিক' কাকততো প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাম কৰে। কিন্তু ১৯৮১ চনত 'নাগৰিক' কাকতৰ চাকৰি ইস্তাফা দি 'আজকাল' নামে বাংলা ভাষাৰ দৈনিক বাতৰি কাকতখনৰ তেখেতে উত্তৰ পূৰ্বাঞ্চলৰ বিশেষ প্ৰতিনিধিৰূপে যোগদান কৰে। ১৯৮৯-১৯৯২ চনলৈ তেওঁ 'সূত্ৰধাৰ' নামেৰে এখন আলোচনী সম্পাদনা কৰে। তাৰ পিছত তেওঁ অসমৰ পুৰণি আৰু সম্ভ্ৰান্ত বাতৰি কাকত 'অসম বাণী' সম্পাদনা কৰে। ১৯৯৭ চনত 'অসম বাণী'ৰ লগত হোৱা চুক্তিৰ ম্যাদ উকলি যোৱাৰ পিছতেঁ তেখেতে 'আমাৰ অসম' নামৰ বাতৰি কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপে যোগদান কৰে।

হোমেন বৰগোহাঞিয়ে যে কেৱল সাংবাদিকতাৰে জীৱন যুদ্ধ চলাই গৈছিল তেনে নহয়। তেখেত একেধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, তত্ত্বানুসন্ধিৎসু কথাশিল্পী হিচাপেও প্ৰতিষ্ঠা লাভ কৰে। তেওঁৰ অন্যতম উপন্যাস সমূহ হ'ল — 'সুবালা', 'তান্ত্ৰিক', 'কুশীলৱ', 'হালধীয়া চৰায়ে বাওধান খায়', 'পিতা-পুত্ৰ', 'তিমিৰ তীৰ্থ', 'অস্তৰাগ', 'সাউদৰ পুতেকে নাও মেলি যায়' আৰু 'মৎস্যগন্ধা'। তেওঁৰ উল্লেখযোগ্য গল্প সংকলন কেইখন হ'ল — 'বিভিন্ন কোৰাচ', 'প্ৰেম আৰু মৃত্যুৰ কাৰণে', 'গল্প আৰু নক্সা', 'অস্তিত্বৰ

জ্যোৰ্তিময় চেতনা' ইতাদি। 'হৈমন্তী' হৈছে তেওঁৰ একমাত্ৰ কাব্য সংকলন। 'আত্মানুসন্ধান', 'মোৰ সাংবাদিক জীৱন' ইত্যাদি তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ। বৰগোহাঞিদেৱৰ দ্বাৰা সম্পাদিত গ্ৰন্থসমূহৰ ভিতৰত 'বিংশ শতিকাৰ অসমীয়া সাহিত্য', 'অসমীয়া সাহিত্যৰ বুৰঞ্জী – ষষ্ঠ খণ্ড' আৰু 'গদ্যৰ সাধনা' বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বাহিৰেও বিভিন্ন প্ৰবন্ধ আৰু অনুপম ৰচনাৰ ভালেমান সংকলনে তেওঁৰ চিন্তা চেতনাৰ পৰিচয় দিয়ে। ১৯৭৬ চনত 'পিতাপুত্ৰ' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা আৰু ১৯৭৮ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। ১৯৯২ চনত সাহিত্য সেৱাৰ স্বীকৃতি স্বৰূপে তেওঁলৈ অসম উপত্যকা সাহিত্য বঁটা আগবঢ়োৱা হয়। ২০০১ চনত তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰে।

**গ্ৰন্থ সম্পৰ্কে আলোচনা ঃ** হোমেন বৰগোহাঞিয়ে 'অন্তহীন প্ৰেৰণা' নামৰ কিতাপখনি তেওঁৰ ভগ্নী স্বৰূপা শ্ৰীমতী বিচিত্ৰা দলে লৈ নিঃস্বাৰ্থ প্ৰীতি আৰু শুভেচ্ছাৰ প্ৰতিদান স্বৰূপে উৰ্ছগা কৰিছে। লিখকে এই কিতাপখনত মুঠ যোল্লটা অধ্যায় সন্নিবিষ্ট কৰিছে। অধ্যায় বুলিবলৈ লওঁতে তেখেতৰ আমাৰ অসমৰ তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ নামী-দামী ব্যক্তিসকলৰ লগত বৰগোহাঞিদেৱৰ হোৱা দেখা-সাক্ষাৎ আৰু অভিজ্ঞতা সম্পৰ্কে পাঠকক অৱগত কৰাইছে। লিখকে পাঠকক অৱগত কৰোৱা ব্যক্তিসকল ক্ৰমে হৈছে —

এৰিষ্টটল চক্ৰেটিছ ওনাচিছ, হো চি মিন, মাও জে দং, মহেন্দ্ৰ মৈহেং দাং ডেকাফুকন, জয় প্ৰকাশ নাৰায়ণ, মাইকেল এঞ্জেলো, টমাছ মান, লিওনাৰ্ডো ডা ভিঞ্চি, আৰ্নল্ট টয়ন্‌বী, কঠিন প্ৰহৰ, আঁদ্ৰে মাল্‌ৰো, গিবন, হেনৰি ডেভিদ থৰো, বিষ্ণু প্ৰসাদ ৰাভা, সত্যনাথ বৰা আৰু অম্বিকাগিৰী ৰায়চৌধুৰী।

হোমেন বৰগোহাঞিৰ 'অন্তহীন প্ৰেৰণা' নামৰ গ্ৰন্থখনত ১৬ টা অধ্যায় সন্নিবিষ্ট হৈছে। বৰগোহাঞিয়ে অসম, ভাৰত তথা বিদেশৰ যিসকল ব্যক্তিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল বা প্ৰেৰণা লাভ কৰিছিল সেই ব্যক্তিসকলৰ বিষয়ে তেওঁ গ্ৰন্থখনত উল্লেখ কৰিছে। এৰিষ্টটল চক্ৰেটিছ ওনাচিছ আছিল বাষষ্টি অথবা আঠষষ্টি বছৰীয়া পৃথিৱীৰ আটাইতকৈ ধনী মানুহবোৰৰ ভিতৰত এজন। কোটিপতি মানুহৰ নানা অজব-গজব নিচা থাকে। কিন্তু ওনাচিছৰ দুটাই নিচা আছিল। এটা হ'ল ধন ঘটা আৰু আনটো হ'ল বিশ্ববিখ্যাত আৰু সুন্দৰী মহিলা সংগ্ৰহ কৰা। অৰ্থাৎ ওনাচিছে বিশ্বৰ সুন্দৰী তথা সুখ্যাতা মহিলাবোৰৰ লগত বিবাহ কাৰ্য সম্পন্ন কৰিছিল। বন্ধুমহলত তেওঁ 'The Golden Greek' নামেৰেই বেছি জনাজাত। হো.চি. মিনৰ জন্ম হৈছিল ১৮৯০ চনৰ ১৯ মে'ৰ দিনা ভিয়েটনামৰ এক দৰিদ্ৰতম অঞ্চলত। ১৯১২ চনত তেওঁ নিজৰ ঘৰ

আৰু জন্মভূমি এৰি থৈ এখন ফৰাচী জাহাজৰ উমেদাৰী ৰান্ধনি হিচাপে মাৰ্চাই বন্দৰ অভিমুখে যাত্ৰা কৰে। নিজৰ দেশবাসীক আৰু লগতে বিশ্বৰ সকলো বিপ্লৱীকে স্বপ্ন আৰু আদৰ্শ যিজন মানুহে যোগাইছিল — তেওঁ হ'ল মহাবিপ্লৱী হো চি মিন। কবি দাৰ্শনিক মুক্তিদাতা আৰু যাযাবৰ বিপ্লৱী হো চি মিন আছিল এক বাস্তৱ মহাকাব্যৰ মহানায়ক। যুগ যুগ ধৰি হো চি মিনৰ জীৱন আৰু আদৰ্শই মানুহক অন্যায় অসাম্য আৰু পৰাধীনতাৰ বিৰুদ্ধে যুঁজ কৰিবলৈ প্ৰেৰণা যোগাই থাকিব।

চীনৰ হুনান প্ৰদেশৰ এটা দৰিদ্ৰ খেতিয়ক পৰিয়ালত ১৮৯৩ চনৰ ১৯ নবেম্বৰৰ দিনা মাও জে দঙৰ জন্ম হৈছিল। মাত্ৰ সাত বছৰ বয়স নৌহওঁতেই মাওয়ে পথাৰত কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছিল। মাওৰ জীৱনৰ প্ৰথম লক্ষ্য আছিল শিক্ষক হোৱা। চৈধ্য বছৰ বয়সতে তেতিয়া হুনান প্ৰদেশত এটা কৃষক বিদ্ৰোহ জাগি উঠে। কালক্ৰমত তেওঁ বিপ্লৱী আৰু ৰাষ্ট্ৰনায়ক হৈ পৰে। ৭৭ বছৰ বয়সীয়া এই ব্যক্তিজনে চীনৰ জনসাধাৰণৰ হৃদয়ত দেৱতাৰ আসন লাভ কৰিছে। খ্ৰীষ্টানৰ কাৰণে বাইবেল যেনেকুৱা, মুছলমানৰ কাৰণে কোৰাণ যেনেকুৱা, হিন্দুৰ কাৰণে গীতা যেনেকুৱা, চীনৰ কমিউনিষ্টসকলৰ কাৰণে 'মাওৰ ৰঙা কিতাপ' খনো ঠিক তেনেকুৱাই। সাহিত্য, শিল্প কলা, শিক্ষা, ৰাজনীতি, দৰ্শন — সকলো বিভাগতে তেওঁৰ সমান দখল আছিল। ১৯৪৯ চনৰ আগলৈকে তেওঁ নিজৰ চিগাৰেটৰ কাৰণে নিজেই কোৰ মাৰি ধপাঁতৰ খেতি কৰিছিল। বৰ্তমান তেওঁৰ চীনৰ ৰাজনীতিত অন্যতমা প্ৰতিভাশালিনী নেত্ৰী।

মহেন্দ্ৰ মৈহেংদাং ডেকাফুকন এক কথাত ক'বলৈ গ'লে তেওঁ আছিল এজন কেন্দ্ৰত্যাগী। কেইবছৰমানৰ আগতে আমেৰিকাৰ টাইম মেগাজিনত 'The sad state of Eccentricity' নামৰ এটা প্ৰবন্ধ প্ৰকাশ পাইছিল। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ সন্ধানত তেওঁ যৌৱনকালত দেশ-দেশান্তৰে ঘূৰি ফুৰিছিল। অসমীয়া মানুহৰ চুক ভেকুলী স্বভাৱ পৰিত্যাগ কৰি তেওঁ দক্ষিণ পূব এছিয়াত ভ্ৰাম্যমান সাংবাদিকৰ জীৱন যাপন কৰিছিল। শেষ বয়সত তেওঁৰ নিজৰ জন্মভূমি 'ডেকা-চাং' পাতি শিপা গজাবলৈ চেষ্টা কৰিছিল। সাধাৰণ কৃতকাৰ্যতাৰ মাপকাঠিৰে ডেকা ফুকনৰ জীৱনটো জুখিব নোৱাৰি।

এইদৰে বিভিন্ন খ্যাতনামা ব্যক্তিৰ জীৱনৰ কথা 'অন্তহীন প্ৰেৰণা'ত প্ৰকাশ পাইছে। মই এই আলোচনাত বিভিন্ন ব্যক্তিসকলৰ ভিতৰত সত্যনাথ বৰাৰ বিষয়ে বিশদ ভাৱে আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰিছোঁ।

অধ্যয়ন বিলাসী এনে শিক্ষিত মানুহ খুব কমেই আছে জীৱনত যি বেকনৰ কোনো এটা উক্তি স্মৰণ কৰি পোৱা নাই বা স্মৰণ কৰিব লগা হোৱা নাই। কিতাপৰ কথা ওলালেই মনত পৰে বেকনৰ বিখ্যাত উক্তি ঃ —

Some books are to be tasted, others to be swallowed, and some few to be chewed and digested. Reading maketh a full man; conference a ready man ; and writing an exact man.

প্ৰশংসাৰ কথা ওলালেই মনলৈ আহে সৰ্বসাধাৰণৰ প্ৰশংসাৰ মূল্যৰ বিষয়ে তেওঁৰ বিখ্যাত মন্তব্য ঃ

The common people understand not many excellent virtues: the lowest virtues draw praise from the middle virtues work in them astonishment or admiration; but of the highest virtues they have no sense or perceiving at all.

এই উক্তিবোৰ চিৰস্মৰণীয় হোৱাৰ ঘাই কাৰণ হ'ল সেইবোৰৰ অভ্ৰান্ততা বা সত্যতাই নহয়, তাতোকৈ ডাঙৰ কাৰণ হ'ল সেইবোৰ কোৱাৰ ষ্টাইল। এই বাক্যষাৰি নজনা বা নুশুনা মানুহ সমাজত নাই বুলিয়েই ক'ব পাৰি। কথাষাৰ অসমীয়া ভাষাত এষাৰ দৃষ্টান্ত বা পটন্তৰৰ লেখীয়াই হৈ পৰিছে। কিন্তু আমাৰ কিমান মানুহে জানে যে এই বাক্যষাৰিৰ ৰচক হ'ল সাৰথিৰ গ্ৰন্থাকাৰ সত্যনাথ বৰা ? এই সামান্য উদাহৰণটোৱেই এজন চিন্তাশীল লেখক আৰু জীৱনৰ পৰ্যবেক্ষক হিচাপে সত্যনাথ বৰাৰ বৈশিষ্ট্যৰ পৰিচায়ক। 'চিন্তাৰ ক্ৰিয়া-প্ৰক্ৰিয়া' বৰ্ণনা কৰিবলৈ গৈ সত্যনাথ বৰাই লিখিছে — "উদৰাগ্নিৰ নিচিনা চিন্তা মনৰ জীৰ্ণকাৰী শক্তি। চিন্তাৰ চাকত পৰি ভিন্ ভিন্ ভাববিলাক জীৰ্ণ নগ'লে মনে জ্ঞানৰূপ বল লাভ কৰিব নোৱাৰে।" বিদ্যাৰ বিষয়ে বৰাই কৈছে — "বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে।" শ্ৰমৰ বিষয়ে বৰাই বুজাব বিচাৰিছে যে — "পৃথিৱীত যিমান সজ প্ৰকৃতিৰ খ্যাতিমন্ত মানুহ আছে বা আছিল তেওঁলোকৰ জীৱনটো এটা শ্ৰমৰ সোঁত মাথোন।" আকাংক্ষাই মানুহক কেনেকৈ চালিত কৰে সেই সম্পৰ্কে তেওঁ কৈছে যে — "উদ্‌গতিৰ পথত বহুত হুল জোং আছে, আকাংক্ষাৰ চোকা ৰাগিত পৰি মতলীয়া নহ'লে কোনেও তালৈ আগ নাবাঢ়ে।"

বৰাদেৱৰ মাত্ৰ এটি বা দুটি বাক্যৰ মাজত সোমাই থকা মূলভাবখিনি সঁচাকৈয়ে হৃদয়স্পৰ্শী। হওঁতে হ'ব পাৰে মাত্ৰ দুটি বাক্য কিন্তু তাৰ মাজত থকা চিন্তা ভাব অৰ্থই একেলগে মনত বহু কথাৰ আৱিৰ্ভাৱ কৰি তোলে। তেখেতৰ কলমৰ আগৰ প্ৰতিটো শব্দই আমাৰ বাবে অতি আৱশ্যক। জীৱনৰ ঘাত-প্ৰতিঘাত, অভিজ্ঞতা সম্পৰ্কে ৰাইজক অৱগত কৰোৱাই বৰাদেৱৰ কলমৰ মূল উদ্দেশ্য নাছিল। তেওঁৰ ৰচনাৰ মূল বৈশিষ্ট্য

আৰু অসমীয়া গদ্য সাহিত্যলৈ তেওঁৰ স্মৰণীয় অৱদান হ'ল অসমীয়া ভাষাক গহীন বিধৰ বিশ্লেষণীমূলক চিন্তাৰ উপযোগী বাহন কৰি তুলিবলৈ কৰা তেওঁৰ সাৰ্থক প্ৰচেষ্টা। এই বিষয়ত সত্যনাথ বৰাৰ ভূমিকা পথ-প্ৰদৰ্শকৰ। সত্যনাথ বৰাই অসমীয়া ভাষাত এজন অন্যতম গদ্য লেখক যি মানৱ জীৱনৰ আদৰ্শ আৰু তাৰ নানাবিধ ব্যৱহাৰিক সমস্যা সম্পৰ্কে সুসংবদ্ধ প্ৰণালীৰে চিন্তা কৰিছিল। সেই চিন্তা লিপিবদ্ধ কৰিবলৈ গৈ বিষয়বস্তুৰ উপযোগী এটা নিৰলংকাৰ, নৈব্যক্তিক, মিতবাক আৰু বিষয়বস্তু নিৰ্ভৰ গদ্য-ৰীতিৰ উদ্ভাৱন কৰিছিল।

কঠোৰ অনুশাসন বা আদৰ্শবাদীতাতকৈ প্ৰকৃতিৰ সহজ নিয়ম মানি চলি মধ্যম পন্থাৰে চলাই যোৱাটোকে শ্ৰেয় বুলি ভাবিছিল। সত্যনাথ বৰাৰ জীৱন -দৰ্শনতো এই অতিশয় বৰ্জিত, ৰক্ষণশীল, সৰল আৰু ব্যৱহাৰিক দৃষ্টিভংগী ফুটি উঠা দেখিবলৈ পাওঁ।

**সামৰণি ঃ** 'অন্তহীন প্ৰেৰণা' কিতাপখনৰ 'সত্যনাথ বৰা' অধ্যায়টো মোৰ প্ৰিয় হোৱাৰ প্ৰধান কাৰণ এয়াই যে বৰাদেৱে লিপিবদ্ধ কৰা আটাইখিনি কথাই আমাৰ দৰে ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়। জীৱন পথত বা জীৱনৰ প্ৰতিখন যুদ্ধত হাৰ নামানিবলৈ যিখিনি অনুপ্ৰেৰণাৰ দৰকাৰ, সেয়া বৰাদেৱৰ এষাৰি দুষাৰি কথাৰ পৰাই পোৱা যায়। তেখেতৰ অন্তৰত এই বিশ্বাস আছিল যে নেৰানেপেৰা চেষ্টাৰ দ্বাৰা, সজ, আদৰ্শ অনুসৰণৰ দ্বাৰা, ভাল অভ্যাসৰ দ্বাৰা মানুহে যে নিজৰ চৰিত্ৰ উন্নত কৰিব পাৰে আৰু নিজৰ অন্তৰ্নিহিত গুনাৱলীৰ বিকাশ সাধন কৰি এটা আদৰ্শ সুখী জীৱন যাপন কৰিব পাৰে। আমি তেখেতৰ ৰচনাত উচ্চ দাৰ্শনিকতাৰ সন্ধান নাপাবও পাৰো, কিন্তু তাৰ পৰিৱৰ্তে লাভ কৰোঁ সাধাৰণ সংসাৰী অভিজ্ঞতাৰ এনে এটা নিৰ্যাস, সাহিত্যত যাৰ প্ৰ কাশ বিৰলতৰ। জীৱন সম্পৰ্কে অসমীয়া মানুহে কৰা চিন্তাৰ বুৰঞ্জীত সত্যনাথ বৰাৰ এই বৈশিষ্ট্য উপেক্ষণীয় নহয়।

অকল সত্যনাথ বৰাই নহয়, হোমেন বৰগোহাঞিৰ 'অন্তহীন প্ৰেৰণা' নামৰ গ্ৰন্থখনত সন্নিবিষ্ট দেশী-বিদেশী বিভিন্ন ব্যক্তিসকলৰ প্ৰত্যেকগৰাকী ব্যক্তিয়েই আমাৰ বাবে অন্তহীন অনুপ্ৰেৰণাৰ উৎস। গ্ৰন্থখনত সন্নিবিষ্ট প্ৰত্যেকজন ব্যক্তিৰ জীৱন গাঁথাই আমাক জীৱন যাত্ৰাত আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগায়। গতিকে ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ পাঠকৰ বাবে বৰগোহাঞিৰ এই গ্ৰন্থখন সঁচাকৈয়ে আদৰণীয়। ◆

# মহাকবি কালিদাসৰ 'কুমাৰ সম্ভৱ'

গুণজিত মহন্ত

**আৰম্ভণি ঃ** এই ভূ-খণ্ডৰ সকলো ব্যক্তি বা লোকৰ জীৱন প্ৰক্ৰিয়া ভিন্ন ভিন্ন হয়। সেইদৰে সকলো ব্যক্তি বা মানুহৰ ৰুচিও ভিন্ন ভিন্ন হয়। কিছুমান ব্যক্তিয়ে খেল-ধেমালি কৰি ভাল পায়, আন কিছুমানে কিতাপ, গল্প বা উপন্যাস পঢ়ি ভাল পায়। বৰ্তমান আমাৰ সমাজত ভালেমান ন-পুৰণি লেখক বা সাহিত্যিকৰ জন্ম হৈছে। পাঠ্যক্ৰমৰ অন্তৰ্গত গ্ৰন্থৰ লগতে অন্যান্য কিতাপ পত্ৰ পঢ়াৰ প্ৰতি মই আগ্ৰহী। মই ভালপোৱা গ্ৰন্থখন হ'ল মহাকবি কালিদাসৰ দ্বাৰা ৰচিত 'কুমাৰ সম্ভৱ' নামৰ গ্ৰন্থখন।

**লেখকৰ পৰিচয় ঃ** সংস্কৃত কবি আৰু নাট্যকাৰসকলৰ ভিতৰত মহাকবি কালিদাস অন্যতম। বিষয়বস্তু, ৰচনাৰীতি, ভাষা ইত্যাদিৰে অপূৰ্ব সাহিত্য সৃষ্টি কৰি ভাৰতীয় সাহিত্যত তেওঁ নিজৰ এক বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে। কালিদাসে ৰচনা কৰা সাহিত্যৰাজি হ'ল — 'কুমাৰসম্ভৱ', 'মালবিকাগ্নিমিত্ৰম', 'অভিজ্ঞান শকুন্তলম', 'ঋতুসংহাৰ', 'ৰঘুবংশম্', 'বিক্ৰমোৰ্বশীয়ম', 'মেঘদুতম' ইত্যাদি। ইয়াৰে 'কুমাৰ সম্ভৱ' আৰু 'ৰঘুবংশম' মহাকাব্য; 'ঋতুসংহাৰ' আৰু 'মেঘদুতম' খণ্ডকাব্য আৰু 'মালবিকাগ্নিমিত্ৰম', 'বিক্ৰমোৰ্বশীয়ম', আৰু 'অভিজ্ঞান শকুন্তলম' এই তিনিখন হ'ল নাটক।

কালিদাসৰ জীৱন চৰিত সম্বন্ধে অনেক মুখৰোচক কিংবদন্তিহে শুনা যায়। কোৱা হয় যে তেওঁ ব্ৰাহ্মণ কুমাৰ হৈও গৰু চৰাই পেট প্ৰৱৰ্তন কৰিছিল। জনদিয়েক পণ্ডিতৰ চল-চাতুৰীত পৰি তেওঁ এগৰাকী বিদুষী ৰাজকুমাৰীক বিয়া কৰিবলগীয়া হৈছিল। তেওঁ দেৱী কালিমাৰ উপাসনা কৰি কবিত্ব শক্তি লাভ কৰে।

**গ্ৰন্থ সম্পৰ্কে আলোচনা ঃ** মহাকবি কালিদাস বিৰচিত পঞ্চ মহাকাব্যৰ ভিতৰত 'কুমাৰ সম্ভৱ' আৰু ৰঘুবংশখন অন্যতম। কালিদাসে ৰচনা কৰা 'কুমাৰ সম্ভৱ'ৰ কথা বস্তু বৰ সাৰুৱা। 'কুমাৰ সম্ভৱ' কিতাপখন মই ভালপোৱাৰ অন্যতম কাৰণ হ'ল— এই কিতাপখনৰ কথাবস্তু সাৰুৱা হোৱাৰ লগতে বৰ ৰসাল।

মহাকবি কালিদাসে এই 'কুমাৰ সম্ভৱ'ৰ কাহিনীটো মূলতঃ তাৰকাসুৰ, শিৱ আৰু পাৰ্বতীৰ কথাৰ ওপৰত লিখিছে।

'কুমাৰ সম্ভৱ'ৰ কথাবস্তু - মহাকবি কালিদাসে ইয়াত কৈছে যে প্ৰৱল প্ৰতাপী তাৰকাসুৰে সঘনে স্বৰ্গ ৰাজ্য আক্ৰমণ কৰিছিল আৰু তাৰ লগতে দেৱতা সকলৰ ওপৰত অত্যাচাৰ চলাইছিল। তাৰকাসুৰৰ অত্যাচাৰত অতিষ্ঠ হৈ দেৱতাসকলে সৰ্বজ্ঞ ব্ৰহ্মাদেৱক সাক্ষাৎ কৰে। ব্ৰহ্মাদেৱে দেৱতাসকলক এটা উপদেশ দিলে তেওঁলোকৰ এই সমস্যাৰ সমাধান কেৱল শিৱৰ ওচৰতহে আছে, পাৰ্বতী আৰু শিৱৰ মিলনৰ ফলত জন্ম লাভ কৰা পুত্ৰৰ হাততহে তাৰকাসুৰৰ মৃত্যু হ'ব। কিন্তু সেই সময়ত শিৱই তপস্যাত নিমগ্ন হৈ আছিল। পাৰ্বতীয়ে তেওঁৰ আলপৈচান ধৰি আছিল। ইন্দ্ৰই মদনক মাতি আনি শিৱ আৰু পাৰ্বতীৰ মিলন কৰিবলৈ ক'লে। মদনে তেওঁৰ পত্নী ৰতি আৰু আন আন বন্ধুসকলৰ সৈতে কামত লাগিল। মদনে শিৱ আৰু পাৰ্বতীৰ মিলনৰ বাবে চেষ্টা কৰাত শিৱৰ তপস্যা ভংগ হ'ল আৰু শিৱই মদনক ভষ্মীভূত কৰিলে। পিছত পাৰ্বতীয়ে নিজৰ দৈহিক সৌন্দৰ্যৰে শিৱক লাভ কৰিব নোৱাৰি কঠোৰ তপস্যাত ব্ৰতী হ'ল। পিছত শিৱই পাৰ্বতীৰ তপস্যাত সন্তুষ্ট হৈ পাৰ্বতীৰ আশা পূৰণ কৰিলে। ফলস্বৰূপে তাৰকাসুৰ বধৰ বাবে দেৱ সেনাপতিৰ জন্ম হোৱাৰ আশংকা গঢ়ি উঠিল।

বিবাহৰ শ শ ঋতু অতিবাহিত কৰাৰ পাছতো তেওঁলোকৰ কোনো সন্তানৰ জন্ম নোহোৱাত দেৱতাসকলে ধৈৰ্য হেৰুৱালে। তেওঁলোকে অগ্নিক কপৌ চৰাইৰ ৰূপত শিৱ আৰু পাৰ্বতীৰ লীলাধামলৈ পঠিয়ালে। অগ্নিৰ আগমনৰ কাৰণ জানিব পাৰি শিৱই তেওঁক নিজৰ অমোঘ তেজোবিন্দু অগ্নিত নিক্ষেপ কৰিলে। অগ্নিয়ে সেই তেজ ধাৰণ-কৰিব নোৱাৰি ইন্দ্ৰক দিলে কিন্তু ইন্দ্ৰইও সেই তেজ ধাৰণ কৰিবলৈ অসমৰ্থ হ'ল। অৱশেষত গংগাত স্নান কৰিবলৈ অহা দুজনী কৃত্তিকাৰ শৰীৰত সেই তেজ ন্যস্ত কৰিলে। ফলত কৃত্তিকাসকল গৰ্ভৱতী হ'ল। তেওঁলোকে বেতন বনত সেই তেজ ত্যাগ কৰিলে। সেই সময়তে শিৱ আৰু পাৰ্বতী আকাশ মাৰ্গেৰে গৈ থকা অৱস্থাত সেই শিশুটি দেখা পালে। সেই শিশুটি নিজৰ তেজৰ বুলি শিৱই জানিব পাৰি তাক শিৱই তুলি ললে। সেই শিশুটি অস্ত্ৰ-শস্ত্ৰত পাৰ্গত হৈ পৰিল। তেওঁ কুমাৰ নামেৰে জনাজাত হ'ল আৰু কুমাৰে তাৰকাসুৰক বধ কৰি ইন্দ্ৰক চিন্তামুক্ত কৰিলে।

উক্ত ঘটনাৱলীখিনি 'কুমাৰ সম্ভৱ'ৰ কথাবস্তু। 'কুমাৰ সম্ভৱ'ৰ প্ৰধান ৰস শৃংগাৰ। তদুপৰি এই ঘটনাৱলীত মদন দহনত ৰৌদ্ৰ ৰস, ৰতিবিলাপত কৰুণ ৰসৰ ৰহন সানিছে। ইন্দ্ৰ মদন সংবাদ আৰু যুদ্ধত বীৰ ৰস প্ৰকাশ পাইছে। ভাৰতীয় পৰম্পৰা অনুসৰি 'কুমাৰ সম্ভৱ' বাইশটা সৰ্গত কবিয়ে ৰচনা কৰিছিল কিন্তু বৰ্তমান ইয়াৰ সোতৰটা সৰ্গহে পোৱা গৈছে।

মোৰ কালিদাসৰ কাব্য সমূহৰ ভিতৰত 'কুমাৰ সম্ভৱম' আৰু নাটকৰ ভিতৰত 'অভিজ্ঞান শকুন্তলম' অতি প্ৰিয়। 'কুমাৰ সম্ভৱম' মোৰ এইকাৰণে প্ৰিয় কাৰণ 'কুমাৰ সম্ভৱম'ত নাট্যশাস্ত্ৰৰ বিভিন্ন ৰূপৰ সমাহাৰ পৰিলক্ষিত হৈছে। প্ৰধানকৈ শৃংগাৰ, কৰুণ, বীৰ ৰস প্ৰধান। 'কুমাৰ সম্ভৱম'ৰ শব্দসমূহ সম্পূৰ্ণ নিটোল আৰু নিভাঁজ। ভাষাৰ স্পষ্টতাই 'কুমাৰ সম্ভৱম'ৰ মাধুৰ্য বৃদ্ধি কৰিছে। ঠিক সেইদৰে 'অভিজ্ঞান শকুন্তলমো' মোৰ অতি প্ৰিয়। 'অভিজ্ঞান শকুন্তলম'তো প্ৰেম ৰসৰ সুন্দৰতা স্পষ্টভাৱে পৰিলক্ষিত হৈছে। দুষ্মন্ত আৰু শকুন্তলাৰ প্ৰেমৰ মিলন আৰু বিচ্ছেদৰ সম্পূৰ্ণ কাহিনীৰে এই নাটকখন ৰচিত। ইয়াত প্ৰাকৃতিক সৌন্দৰ্যৰ বিৱৰণ কালিদাসে বৰ সুন্দৰকৈ দাঙি ধৰিছে। ইয়াতো বিভিন্ন ৰসৰ সমাহাৰ পৰিলক্ষিত হৈছে। ভাষাৰ মাধুৰ্যৰ বাবে মোৰ কালিদাসৰ সকলো ৰচনাৱলী অতি প্ৰিয়।

কালিদাসে 'ৰঘুবংশম'ত ৰঘুবংশৰ বিভিন্ন ৰজাৰ জীৱন বিৱৰণী সুন্দৰকৈ দাঙি ধৰিছে। ৰজা দিলিপৰ পৰা আৰম্ভ কৰি শ্ৰীৰামচন্দ্ৰৰ পৰৱৰ্তী ৰজাসকলৰ জীৱন বিৱৰণী 'ৰঘুবংশম'ত কালিদাসে সুন্দৰভাৱে প্ৰকাশ ঘটাইছে। 'ৰঘুবংশম'ত কালিদাসে অশ্বমেধ যজ্ঞৰ বিৱৰণ দাঙি ধৰিছে। ইয়াত ৰামৰ পুত্ৰ লৱ আৰু কুশৰ ৰাজত্ব কালৰ কথাও সুন্দৰকৈ লিখিছে। লৱ কুশৰ পুত্ৰ সন্তান, নাতি সন্তান সকলৰো জীৱন কাহিনী ফুটাই তুলিছে। এই লিখনিৰ পৰা এইখিনিয়ে মই ক'ব খোজো যে কালিদাস এজন কবি বা লিখকে নহয়, তেওঁ বিশাল পাণ্ডিত্যৰ অধিকাৰী। তেওঁৰ জ্ঞানৰ বিষয়ে তেওঁৰ লিখনিসমূহত অতি সুন্দৰকৈ পাওঁ। তেওঁ আনবোৰ লিখনিতো জ্ঞানৰ অতুলনীয় সমাহাৰ আমি সুন্দৰ ৰূপত পাওঁ।

দেৱৰাজ ইন্দ্ৰৰ ইন্দ্ৰলোকত যেতিয়া আমনিৰ ছাঁ পৰিছিল তেতিয়া ইন্দ্ৰই ব্ৰহ্মাদেৱক তাৰ উপায় বিচাৰিছিল। তেতিয়া ব্ৰহ্মাদেৱে তেওঁৰ চাৰিখন বেদৰ লগত আন এখন বেদ ৰচনা কৰিছিল। সেই ৰচনাখনত তেওঁৰ চাৰিখন বেদৰ পৰা কিছু কিছু সাৰভাগ লৈ সেই পঞ্চমবেদ ৰচনা কৰিছিল। সেই পঞ্চমবেদত শিৱৰ তাণ্ডৱ নৃত্য, পাৰ্বতীৰ লাস্য নৃত্য, অপ্সৰা সমূহৰ অভিনয় তাত লোৱা হৈছিল। এইয়ে

পঞ্চমবেদৰ আৰম্ভণি। তাৰ পাছত ভৰত মুনিৰ পুত্ৰসমূহ তপস্বীৰ দ্বাৰা অভিশপ্ত হৈ নট ৰূপে নাট্য শাস্ত্ৰৰ ওৰ ধৰিছিল। ইয়াৰ পাছত নাট্য শাস্ত্ৰ পৰিৱৰ্তন আৰু বিকাশ সাধিত হৈ আহি আছে। তাৰ পাছত ক্ৰমে বিভিন্ন সংস্কৃত লিখকৰ উদ্ভৱ হৈছে। যেনে- ভাস, ৰাচ, সুদ্ৰক, কালিদাস আদি। তাৰ ভিতৰত অন্যতম লিখক হ'ল কালিদাস।

**সামৰণি ঃ** কালিদাসে সংস্কৃত নাট্যসৃষ্টিত বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ সকলো শব্দ ধনুকাৰৰ নিচিনা নিখুঁত তীক্ষ্ণ। তেওঁৰ শব্দৰ গভীৰতা, স্পষ্টতা, সুন্দৰতা, অৰ্থযুক্ততা, শব্দালংকাৰ, অৰ্থালংকাৰ, ৰসৰ উপযুক্ততাই মোক সুন্দৰকৈ আপ্লুত কৰিছে। সেইবাবে মই কালিদাসৰ লিখনি সমূহ অতিকৈ ভাল পাওঁ আৰু বুজিবলৈ চেষ্টা কৰো। তেৱেঁই সংস্কৃত নাটৰ সুঁতি ধৰিছে আৰু সংস্কৃত নাটকৰ ধাৰাবাহিকতা আগবঢ়াইছে। ♦

# অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেব পুৰাৰ বৰষুণ'

অঙ্গনা উজীৰ

**আৰম্ভণি ঃ** মানুহে বিভিন্ন কাৰণত কিতাপ পঢ়ে। বহুতে গ্ৰন্থ অধ্যয়ন কৰি আনন্দ লাভ কৰে। কিছুমানে পঢ়ে আৰু পাহৰি যায়। কিছুমানে বিনোদনৰ বাবে কিতাপ পঢ়ে। তেওঁলোকে কোনোমতে কিবা মূল্যবান বস্তু আহৰণ কৰে। কিছুমানে আকৌ জ্ঞানৰ বাবে কিতাপ পঢ়ে। তেওঁলোকে তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবৰ বাবে কিতাপ পঢ়ে।

এতিয়ালৈ মই বহুতো কিতাপ পঢ়িলো। তাৰে কিছুমানে মোৰ মনত মচিব নোৱাৰা সাঁচ বহুৱালে; কিছুমানে আকৌ মোৰ জীৱনৰ দৃষ্টিভংগী সলনি কৰি দিলে। এই আটাইবোৰ কিতাপৰ ভিতৰত অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেব পুৰাৰ বৰষুণ' নামৰ কিতাপখন আটাইতকৈ ভাল লাগিছে।

**লেখিকাৰ পৰিচয় ঃ** উপন্যাসখনিৰ লিখক অনুৰাধা শৰ্মা পূজাৰী। ১৯৮৭ খ্ৰীঃ তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে সমাজ শাস্ত্ৰ বিষয়ত। ১৯৯৩ খ্ৰীঃ কলকাতাৰ বিৰলা ইনষ্টিটিউট অব লিবাৰেল আৰ্টছ এণ্ড মেনেজমেণ্ট চায়েন্সৰ পৰা সাংবাদিকতাৰ পাঠ্যক্ৰম গ্ৰহণ কৰে। তেখেতে কমাৰ্চিয়েল আৰ্ট এণ্ড ফিল্ম এপ্ৰিছিয়েছন পাঠ্যক্ৰমো গ্ৰহণ কৰে। তেখেতে আৰ্ট এণ্ড কম্পিউটাৰ গ্ৰাফিক্সৰ পাঠ্যক্ৰম গ্ৰহণ কৰি কলকাতাৰ একাডেমী অব ফাইন আৰ্টছৰ অধীনস্থ ছিটেক ইনষ্টিটিউটত কিছুদিন শিক্ষকতা কৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত আমাৰ অসম কাকতত সম্পাদিকতা আৰু পাছত সাদিন গোষ্ঠীত যোগদান কৰে। বৰ্তমান সাদিন কাকতৰ সম্পাদক হিচাপে কৰ্মৰত।

শ্ৰীশৰ্মা পূজাৰীৰ প্ৰকাশিত উপন্যাসসমূহ হ'ল- হৃদয় এক বিজ্ঞাপন (১৯৯৮), এজন ঈশ্বৰৰ সন্ধানত (১৯৯৮), কাঞ্চন (২০০১), চাহেব পুৰাৰ বৰষুণ (২০০৩), বৰাগী নদীৰ ঘাট (২০০৪), নাহৰৰ নিৰিবিলি ছাঁ (২০০৫)। নতুন দিল্লীৰ স্পেকট্ৰাম পাব্লিকেছনে ২০০৪ খ্ৰীঃত 'হৃদয়' এক বিজ্ঞাপনৰ ড° আভা ভট্টাচাৰ্যই কৰা অনুবাদ Heart's a showbiz প্ৰকাশ কৰে। এইঘৰ উপন্যাসখন বঙালী ভাষালৈও অনূদিত

হৈছে। 'বসন্তৰ গান' (১৯৯৯), 'এজন অসামাজিক কবিৰ বায়'গ্ৰাফী' (২০০১) আৰু 'কেথেৰিণৰ সৈতে এটা নিৰ্জন দুপৰীয়া' (২০০৫) তেখেতৰ তিনিখন গল্প সংকলন। তেখেতৰ আত্মজীৱনীমূলক প্ৰবন্ধ সংকলন হ'ল- 'কলিকতাৰ চিঠি' (১৯৯৯), 'ডায়েৰী' (২০০১), অট'গ্ৰাফ (২০০৪)। ইয়াৰ উপৰিও সাহিত্য অকাডেমীৰ পত্ৰিকা 'Contemporary Indian Literature' আৰু জয়ন্ত মহাপাত্ৰ সম্পাদিত উৰিয়া আলোচনী 'Chadravaga'ত তেখেতৰ গল্পৰ অনুবাদ প্ৰকাশিত হৈছিল। 'চাহেব পুৰাৰ বৰষুণ' সাহিত্য কৃতিৰ বাবে ২০০৩ বৰ্ষৰ অসম সাহিত্য সভাৰ কুমাৰ কিশোৰ সোঁৱৰণী বঁটা অসমীয়া ভাষাত শ্ৰেষ্ঠ মৌলিক উপন্যাসৰ বাবে লাভ কৰে শৰ্মা পূজাৰীয়ে।

**গ্ৰন্থৰ আলোচনা ঃ** গ্ৰন্থখনিৰ নায়িকাগৰাকী হ'ল বৰ্ষা। তাইৰ ঘৰ অসম ৰাজ্যৰ জখলাবন্ধা নামে ঠাইত। তাই এইবাৰ দিল্লীত ছচিয়েল ৱৰ্কছত ফাইনেল পৰীক্ষা দিছে। প্ৰান্তিক নামৰ তাইৰ প্ৰেমিকৰ লগত বিয়াৰ জো-যা চলি আছে। প্ৰান্তিক আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন কম্পিউটাৰ ইঞ্জিনিয়াৰ। বিয়াৰ যোল্লদিন আগত সি দিল্লীত উপস্থিত হৈছিল আৰু অসমলৈ বৰ্ষাৰ স'তে ৰেলযাত্ৰা কৰি আহিছিল। সিহঁতে এ.চি. দবাত আহিছিল। চাহেব পুৰা নামে ঠাইত মালগাড়ীৰ স'তে ৰেলখন এক্সিডেণ্ট হৈছিল আৰু তিনি ঘণ্টামানলৈ ৰেলখন যাব নোৱাৰিব বুলি কৈছিল। এ.চি. দবাকেইটাৰ বাহিৰে সকলো দবাত পানী শেষ হৈ গৈছিল। বৰ্ষাৰ পৰা মানুহ এজনে পানী বিচাৰিছিল। তাই দিবলৈ ওলোৱাত এজন মানুহে দুৱাৰ বন্ধ কৰি দিলে আৰু তাইক ধমক দিলে। তাই ভাবিলে- যি মানুহে এটুপি পানী দিব নোৱাৰে তেওঁতকৈ নিষ্ঠুৰ হয়তো আৰু কোনো নাই। তাইৰ লগত তিনিটা মিনাৰেলৰ বটল আছিল আৰু দুটা বটল লৈ মানুহজনক বিচাৰি তললৈ নামি গ'ল। মানুহজনক বটল দুটা দি তেওঁৰ লগত কথা-বতৰা হৈ গম পালে যে চাহেব পুৰা নামৰ ঠাইখনত তেওঁৰ এন. জি. অ. এটা আছে। এন. জি. অ.টোৱে ঠাইখনৰ উন্নতিৰ হকে যথেষ্ট কষ্ট কৰি আছে। বৰ্ষাই তেওঁক প্ৰান্তিকৰ সৈতে চিনাকি কৰি দিবলৈ সিহঁতৰ বাৰ্থলৈ লৈ গ'ল। কিন্তু প্ৰান্তিকে সেয়া ভাল নাপালে। হুছেইনে সিহঁত দুয়োকে এন. জি. অ.টো দেখুৱাবলৈ যাব বুলি ক'লে কিন্তু প্ৰান্তিক মান্তি নহ'ল, সেয়ে বৰ্ষা অকলে গ'ল। বৰ্ষাই এন. জি. অ.টো চালে আৰু সিহঁতৰ কামবোৰ চাই প্ৰান্তিকৰ ওচৰলৈ গুচি আহিল। কিন্তু প্ৰান্তিকে তাইক খং কৰিলে আৰু চৰিত্ৰৰ ওপৰত সন্দেহ কৰিলে। মিছা অপমান সহ্য কৰিব নোৱাৰি তাই গুচি আহি চাহেব পুৰাতে ৰৈ গ'ল।

হুছেইনৰ অনুমতিত বৰ্ষাই এন. জি. অ.টোত যোগ দিলে। ইয়াৰ বাবে তাইৰ অতি আপোন পিতৃ-মাতৃ আৰু প্ৰেমিকক ত্যাগ কৰিলে। তাই তাত যথেষ্ট কষ্ট কৰিব লগা হৈছিল আৰু খোৱাৰ বাবে সামান্য খাদ্যহে আছিল আৰু কেতিয়াবা লঘোনে থাকিব লগা হৈছিল। তথাপি তাই সুখী আছিল।

চাহেব পুৰাৰ মানুহবোৰ অতি দুখীয়া। সিহঁতে খেতি কৰে আৰু অতি কম দামত সেইবোৰ লৈ যায়। বেছি ভাগ ল'ৰাই মালগাড়ীৰ পৰা মাল চুৰি কৰে আৰু তাৰ ভাগ ডাঙৰ মানুহে পায়। সেই ঠাইৰ মানুহবোৰক বুজাই বিভিন্ন কামৰ প্ৰশিক্ষণ দিয়ে। কিন্তু নিশা মুখীয়াই তেওঁলোকক হুছেইনক আশ্ৰয় দিয়াত বাধা দিয়ে। তাই তাত ৰাখী, বিদ্যা, সঞ্জীৱ, লক্ষ্মণ আৰু বহুতক লগ পায়। তেওঁলোক প্ৰত্যেকৰে এটা নিষ্ঠুৰ অতীত আছিল যদিও সেইবোৰ পাহৰি সিহঁতে সুখত থাকিছিল। তেওঁলোকৰ মাজত বন্ধুত্ব, প্ৰেম, বিশ্বাস আদি বৰ্তাই ৰাখিছিল। প্ৰত্যেকজন কৰ্মীৰ একোটাকৈ ইউনিট আছিল। প্ৰত্যেক ইউনিটে মাহেকত প্ৰজেক্ট কৰি হুছেইনক জমা দিছিল। তেওঁলোকে এখন ঠাইৰ মানুহক শিকোৱাত সফল হ'ব পাৰিলে আন ঠাইলৈ গুচি যায়। মেছগাঁৱৰ প্ৰজেক্ট সফল হোৱাত তেওঁ এইবাৰ মাজুলীত প্ৰজেক্ট আৰম্ভ কৰাৰ কথা ভাবিলে। যিহেতু বৰ্ষাৰ জন্মভূমি অসম গতিকে এইবাৰ বৰ্ষাক লীডাৰ হিচাপে ল'লে। কিন্তু বৰ্ষাই মাজুলী কেতিয়াও দেখা নাছিল। সিহঁতৰ লগত ৰাখী আৰু সঞ্জীৱো গৈছিল। বৰ্ষা আৰু সঞ্জীৱে পৰস্পৰে পৰস্পৰক ভাল পাবলৈ লৈছিল। তেওঁলোকে মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্য, ভাষা-সংস্কৃতি আদিত ভোল গৈছিল আৰু অসমৰ মানুহৰ সহজ-সৰল আৰু মৰমিয়াল স্বভাৱৰ বিষয়েও জানিছিল। মাজুলীৰ বেছিভাগ লোকৰ জীৱিকা মাটিৰ বাচন তৈয়াৰ কৰা কিন্তু মানুহৰ মাজত মৃৎশিল্পৰ চাহিদা কমি অহাত বহুতে সেই কাম এৰি দিছিল যদিও দুই এজনে পুৰণি শিল্পটিক বচাই ৰখাৰ চেষ্টা কৰিছিল। হুছেইনহঁতে এই শিল্পটিত আধুনিকতা আনি দিছিল। ফলত বজাৰত বস্তুবোৰৰ চাহিদা পুনৰ বৃদ্ধি হৈছিল। ফলত মানুহবোৰৰ মাজত পুনৰ শিল্পটিৰ প্ৰতি আকৰ্ষণ আহিছিল। কিন্তু সকলোতে শত্ৰু থকাৰ দৰে মাজুলীতো এটা দল আছিল যিয়ে তেওঁলোকক বাধা দিছিল, কিন্তু তেওঁলোকে বাধা মানি নোলোৱা বাবে এদিন সঞ্জীৱক হত্যা কৰিছিল। তেতিয়া বৰ্ষাই সকলোকে কৈছিল যে তেওঁ কেতিয়াও মাজুলী এৰি নাযায় আৰু সঞ্জীৱৰ স্মৃতি জীয়াই ৰখাৰ বাবে কাম কৰাৰ শপত লৈছিল আৰু এইদৰে গ্ৰন্থৰ কাহিনীভাগৰ সমাপ্তি ঘটিছিল।

**ভালপোৱাৰ কাৰণ ঃ** এই গ্ৰন্থখন বৰ্তমান সকলো শ্ৰেণীৰ মানুহৰ মাজত অতি

জনপ্ৰিয়। এই গ্ৰন্থখনিৰ পৰা আমি প্ৰকৃত মানুহৰ সংজ্ঞা পাব পাৰো। গ্ৰন্থখনিৰ নায়িকাগৰাকীয়ে আনৰ সুখৰ বাবে কাম কৰিবলৈ গৈ তেওঁৰ হ'বলগীয়া স্বামী, আপোন পিতৃ-মাতৃ, ভগ্নী, নিজৰ জন্মভূমি সকলোকে ত্যাগ কৰিছিল। আমেৰিকাৰ বিলাস পূৰ্ণ জীৱন এৰি ৰ'দ বতাহ একাকাৰ কৰি কাম কৰিছিল আৰু সামান্য খাদ্য গ্ৰহণ কৰিছিল। মই এই গ্ৰন্থখন পঢ়ি ভাবিছিলো যে সঁচাকৈয়ে আনৰ সুখৰ বাবে কাম কৰি অপৰিসীম আনন্দ পোৱা যায়। এই উপন্যাসখনত ধনীয়ে দুখীয়াৰ ওপৰত চলোৱা অত্যাচাৰৰ স্পষ্ট ইংগিত পোৱা যায়। পুৰণি মাজুলীৰ বিষয়ে গ্ৰন্থখনিৰ পৰা জানিব পৰা যায়। গ্ৰন্থখনৰ ভাষায়ো মোক আকৰ্ষণ কৰে। সেয়েহে এই গ্ৰন্থখনি মোৰ অতি প্ৰিয়।

**সামৰণি ঃ** সাহিত্য জাতিৰ দাপোন। সাহিত্যৰ জৰিয়তে প্ৰতিপন্ন হয় সমাজৰ বিভিন্ন দিশ। সাহিত্যৰ জৰিয়তে কোনো দেশে বিশ্ব মানচিত্ৰত স্থান লাভ কৰে। কিন্তু বৰ্তমান সাহিত্যিক আৰু পাঠক সৃষ্টিৰ বাবে আমি গ্ৰন্থ অধ্যয়নত মনোনিবেশ কৰা উচিত। ইয়াৰ জৰিয়তে আমাৰ জ্ঞানৰ ভঁৰাল বৃদ্ধি কৰিব পাৰি। ◆

# এডমাণ্ড হিলাৰীৰ
# 'Journey into the Mountains'

বিবেকানন্দ নাথ

**লিখকৰ পৰিচয় ঃ** এজন ছাত্ৰ হিচাপে মই বিভিন্ন ধৰণৰ কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী আৰু সেই উদ্দেশ্যে মই সৰু কালৰে পৰা বিভিন্ন ধৰণৰ কিতাপ পঢ়িছো। শিশু কালৰে পৰাই মোৰ কিতাপ পঢ়াৰ অভ্যাস আছিল। বৰ্তমানলৈকে মই বিভিন্ন লিখকৰ বিভিন্ন ধৰণৰ কিতাপ পঢ়িছো। প্ৰায়ভাগ কিতাপৰ পৰাই মই আনন্দ, উৎসাহ পাইছো আৰু বহুখিনি গ্ৰন্থই মোৰ মনত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। মোৰ মনত সাঁচ বহুওৱা তেনে এখন গ্ৰন্থ হৈছে, 'Journey into the Mountains' যিখন গ্ৰন্থ বিখ্যাত পৰ্বতাৰোহী ছাৰ এডমাণ্ড হিলাৰীৰ দ্বাৰা বিৰচিত। ইয়াৰে নতুন সংস্কৰণ ২০০২ চনত প্ৰকাশিত হৈছিল।

**গ্ৰন্থৰ আলোচনা ঃ** মই সৰুৰে পৰা দুঃসাহসিক কাৰ্যৰ প্ৰতি আকৰ্ষিত। দুঃসাহসিক কাৰ্যৰে পৰিপূৰ্ণ গ্ৰন্থবোৰে মোক প্ৰেৰণা প্ৰদান কৰে। এই দুঃসাহসিক কিতাপৰ ভিতৰত 'Journey into the Mountains' খন শ্ৰেষ্ঠ বুলি ক'ব বিচাৰো। এইখন গ্ৰন্থত লেখকৰ ১৯৫৩ চনত মাউণ্ট এভাৰেষ্টত আৰোহণ কৰা ঘটনাৰ বিবৰণ আছে। তেওঁ জলপথেৰে হিমালয়লৈ যাত্ৰা কৰিছিল। তেওঁ এই গ্ৰন্থখনত ভাৰতবৰ্ষৰ গংগা নদীৰ ভয়লগা যাত্ৰা পথৰ বৰ্ণনা কৰিছিল। এইখন গ্ৰন্থত লেখকে নিজৰ যাত্ৰাক 'Ocean to Sky' বুলি অভিহিত কৰিছিল যাৰ অৰ্থ হৈছে সাগৰৰ পৰা আৰম্ভ কৰা যাত্ৰা, স্বৰ্গ স্বৰূপে হিমালয়ত অন্ত হোৱা। লেখকে নিজে এই দলটোৰ নেতৃত্ব বহন কৰিছিল। এই দলটোত ভাৰতীয়ৰ লগত বিদেশী সদস্যও আছিল। লেখকৰ নিজ পুত্ৰ এই দলটোত আছিল। এই দুঃসাহসিক অভিযানত ভাৰত চৰকাৰ আৰু বহুতো ব্যক্তিগত সংস্থাই বিভিন্ন ধৰণৰ সহায় সহযোগিতা আগবঢ়াইছিল। এই যাত্ৰাত দলটোৱে বহুতো কষ্ট আৰু বিপদৰ সন্মুখীন হৈছিল। যাত্ৰাপথত সকলো লোকেই বিভিন্ন ধৰণৰ বিপদ, বাধা বিঘিনি, ঘাত প্ৰতিঘাতৰ মুখামুখি হয়। কিন্তু লেখক আৰু গোটেই দলটোৱেই অৱশেষত সফল হৈছিল।

গ্ৰন্থখন মোৰ বাবে প্ৰিয় হোৱাৰ কাৰণ হ'ল এইখন গ্ৰন্থত লিখকে বাস্তববাদী কাহিনী এটাৰ সুন্দৰ উপস্থাপন কৰিছে যিয়ে মোৰ মন আৰু হৃদয়ত গভীৰ ভাৱে প্ৰভাব বিস্তাৰ কৰিছে। সেইবাবে এই গ্ৰন্থখন মোৰ প্ৰিয়। এই গ্ৰন্থখনত লেখকে তেওঁৰ যাত্ৰাকালত গংগানদীৰ জৰিয়তে লাভ কৰা অভিজ্ঞতা ধুনীয়াকৈ বৰ্ণনা কৰিছে। লেখকে অতি সহজ ভাষাত আৰু স্পষ্টকৈ গ্ৰন্থখন ৰচনা কৰা বাবে সহজে ই সকলোকে আকৰ্ষণ কৰিব পাৰিব। গ্ৰন্থখন পঢ়ি গ'লে সেই সময়ৰ পৰিৱেশ আমাৰ চকুৰ সন্মুখত ভাঁহি উঠে। তদুপৰি এডমাণ্ড হিলাৰীৰ 'Journey into the Mountains' নামৰ গ্ৰন্থখনে মানুহৰ আত্মবিশ্বাসৰ বাৰ্তাও বহন কৰে। গতিকে বিখ্যাত পৰ্বতাৰোহী হিলাৰীৰ এই গ্ৰন্থখন এখন সুখপাঠ্য আৰু আনক অনুপ্ৰাণিত কৰিব পৰা এখন মনোৰম গ্ৰন্থ।

**সামৰণি ঃ** 'Journey into the Mountains' এই গ্ৰন্থখনে মোৰ মনত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। এইখন গ্ৰন্থই যুব প্ৰজন্মক সাহসিকতাৰ এক নতুন বাৰ্তা প্ৰেৰণ কৰিছে আৰু লগতে গ্ৰন্থখনে জীৱন যুঁজত সাহসিকতাৰে আগবাঢ়িবলৈ প্ৰেৰণা যোগাব বুলি নিঃসন্দেহে ক'ব পাৰি। ◆

নতুনৰ দৃষ্টিৰে গ্ৰন্থৰ জগত

